জন বানিয়ান

# যাত্ৰিকৰ যাত্ৰা

G787

অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# জাত্রিকৰ জাত্রা

জন্ বানিয়ানৰ দি পিলগ্রিম্‌ছ্ প্রগ্রেছৰ
অসমীয়া ভাঙনি

অনুবাদক

ড° নাথান ব্রাওন

এ. এইছ. ডেনফোৰ্থ

[ডেনফোৰ্থৰদ্বাৰা ১৮৫৭ খ্রীঃত গ্রন্থাকাৰে
সম্পাদিত আৰু প্রকাশিত]

সম্পাদক

ড° নগেন শইকীয়া

6784

অসমীয়া বিভাগ
ডিব্রুগড় বিশ্ববিদ্যালয়
১৯৮৫

*JĀTRIKAR JĀTRĀ*, Assamese translation of John Bunyan's The Pilgrim's Progress, translated by Dr. Nathan Brown and A. H. Danforth, first published in book form In 1857, newly compiled and edited by Dr. Nagen Saikia, and published by Dr. Mahendra Bora, Sahityarathi Lakshminath Bezbaroa professor and Head; Dept. of Assamese, Dibrugarh University, Assam, 1985.

জাত্ৰিকৰ জাত্ৰা
প্ৰথম সংস্কৰণ ঃ শিৱসাগৰ মিছন, ১৮৫৭
ডিব্ৰুগড় বিশ্ববিদ্যালয় সংস্কৰণ, ১৯৮৫

বেটুপাতৰ শিল্পী ঃ
বীৰেন সিংহ

মূল্য ঃ ওঠৰ টকা মাত্ৰ।

পূৰ্বোদয় প্ৰেছ
১০ কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৭০০০০৬

# ভূমিকা

## ১. জন বানিয়ান আৰু 'জাত্ৰিকৰ জাত্ৰা' ঃ সাধাৰণ পৰিচয়

### জন বানিয়ানৰ জীৱন* ঃ

সোতৰ শতিকাৰ সৰ্বশ্ৰেষ্ঠ কাহিনীকাৰ আৰু এজন মহৎ সাহিত্যিক জন বানিয়ান[1] (John Bunyan)ৰ জন্ম হৈছিল ইংলেণ্ডৰ বেডফৰ্ড নগৰৰ এলেস্তো নামে ঠাইত ১৬২৮ খ্ৰীষ্টাব্দত। তেওঁৰ দেউতাক আছিল এজন সাধাৰণ টিন-মিস্ত্ৰী। টিনৰ সৰু সুৰা বয়বস্তু সাজি, মেৰামতি কৰি যি অলপীয়া ধন অৰ্জন কৰিছিল তাৰে তেওঁ পৰিয়ালৰ ভৰণ-পোষণ দিয়া কঠিন হৈছিল। এই দাৰিদ্ৰ্য-পীড়িত পৰিয়ালত[2] জন্ম গ্ৰহণ কৰা বানিয়ানক দেউতাকে স্কুললৈ পঠালেও সামান্য লিখা-পঢ়া শিকাৰ পিছতে তেওঁ স্কুল এৰি দেউতাকৰ ব্যৱসায়ত লাগে। বানিয়ানৰ শৈশৱ আৰু কৈশোৰ এনে এটি অস্বাস্থ্যকৰ পৰিপাৰ্শ্ব আৰু আৰ্থিক অস্বচ্ছলতাৰ মাজত পাৰ হৈছিল যে তেওঁ উদণ্ড আৰু অশিষ্ট চৰিত্ৰৰ হৈ উঠাটোৱেই আছিল স্বাভাৱিক। তেওঁৰ ষোল বছৰ বয়সত মাকৰ মৃত্যু হয় আৰু দেউতাকে তাৰ কিছুদিনৰ পিছত দ্বিতীয় বিবাহ কৰিলে। বানিয়ানে দেউতাকৰ এই কাম সমৰ্থন কৰিব পৰা নাছিল। গতিকে ঘৰ আৰু ব্যৱসায় এৰি পলাই গৈ তেওঁ পিউৰিটান সৈন্য-বাহিনীত যোগ দিলেগৈ।

কিছুদিন সৈন্য-বাহিনীত কাম কৰি তেওঁ ঘূৰি আহিল আৰু তেওঁ বিয়া কৰালে। তেওঁৰ পত্নীৰ পৰিয়াল ইমান দুখীয়া আছিল যে, ছোৱালীজনীয়ে বানিয়নৰ লগত সংসাৰ কৰিবলৈ আহোঁতে হাতত একো লৈ আহিব পৰা নাছিল ; লৈ আহিছিল মাথো খ্ৰীষ্টধৰ্মৰ দুখনি সৰু পুথি। আনহাতে বানিয়ানে ধৰ্ম-কৰ্ম একো নেমানিছিল আৰু তেওঁ দেওবাৰে গীৰ্জালৈও নগৈছিল। তেওঁৰ আচৰণো আছিল বহু সময়ত অনেক পৰিমাণে অভদ্ৰ।

---

* জাত্ৰিকৰ জাত্ৰাৰ আগত সন্নিবিষ্ট অংশৰ ভিত্তিত সংকলিত।

১. I for Evans, *A short History of English Literature*, 1963, P. 154.

২. Bunyanৰ নিজৰ কথাৰে "Low and inconsiderable generation ; rank that is meanest and most despised in the world,......"

নৱ-বিবাহিতা ধৰ্ম-পৰায়ণা পত্নীয়ে আজৰি সময়ত ধৰ্ম পুথি দুখন বানিয়ানক পঢ়ি শুনাবলৈ ধৰিলে আৰু মাজে মাজে আলোচনা কৰিবলৈও ধৰিলে। দৰাচলতে বানিয়ানৰ জীৱনৰ স্মৃতি সলনি কৰিলে তেওঁৰ এই গৰাকী পত্নীয়েই। পুথি শুনি আৰু পত্নীৰ আলোচনা শুনি শুনি বানিয়ানৰ মনত প্ৰতিক্ৰিয়া হ'বলৈ ধৰিলে; লাহে লাহে তেওঁৰ কথা-বতৰা আৰু আচৰণত চকুত পৰা পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। তেওঁ কু-অভ্যাসবোৰ এটা এটাকৈ ত্যাগ কৰিলে। কিন্তু তেতিয়াও তেওঁ গীৰ্জালৈ যোৱাৰ অভ্যাস কৰা নাছিল। এনেকুৱা অৱস্থাত দুটা সৰু ঘটনাই তেওঁৰ মনত সাঁচ বহুৱালে। এদিন কোনোবা এজনক বানিয়ানে বেয়া কথাৰে ভৰ্ৎসনা কৰাৰ বাবে, এজনী বেয়া বুলি পৰিচিতা তিৰোতাই বানিয়ানক ককৰ্থনা কৰিলে আৰু ক'লে যে বানিয়ানৰ এই কু-স্বভাৱৰ প্ৰভাৱত গোটেই ঠাইৰ ল'ৰা-ছোৱালীবোৰ বেয়া হ'ব। এই কথাষাৰত বানিয়ান চমকিত হ'ল। দ্বিতীয়তে, এদিন দেওবাৰে ঘৰত বহি থাকোঁতে তেওঁক যেন কোনোবাই কাণে কাণে ক'লে, "তুমি নিজৰ পাপ এৰি স্বৰ্গলৈ যাবানে পাপ কৰি নৰকলৈ যাবা?" বানিয়ান বিচলিত হৈ পৰিল। ইয়াৰ পিছত তেওঁ দুদিন দুটা সপোন দেখিলে: এদিন দেখিলে, হঠাৎ যেন মাটি ফাটি মাটিয়ে তেওঁক গ্ৰাস কৰিব খুজিছে; আন এদিন দেখিলে, তেওঁ যেন জুইত পৰিছিল, কিন্তু বগা কাপোৰ পিন্ধা এজন তেজস্বী পুৰুষে যেন হাত মেলি ধৰি তেওঁক ৰক্ষা কৰিলে।

বানিয়ানে তেওঁৰ সকলো কু-অভ্যাস ত্যাগ কৰিলে আৰু লাহে লাহে তেওঁ সজ কামত মনোনিৱেশ কৰিবলৈ ধৰিলে। ভাল কাম কৰি তেওঁৰ মনত লাহে লাহে গৰ্ব হ'বলৈ ধৰিলে। এদিন কেইগৰাকীমান তিৰোতাই নিজৰ ভিতৰত তেওঁলোকে কেনেকৈ খ্ৰীষ্টৰ পথ অনুসৰণ কৰি নতুন জীৱন লাভ কৰিলে সেই বিষয়ে আলোচনা কৰি থকা শুনিবলৈ পালে। নতুন জীৱন-সম্পৰ্কে তেতিয়ালৈকে বানিয়ানৰ কোনো স্পষ্ট ধাৰণা গঢ় লৈ উঠা নাছিল। তেওঁৰ মনত প্ৰতিক্ৰিয়া আৰম্ভ হ'ল আৰু এনেকৈয়ে খ্ৰীষ্টধৰ্মৰ প্ৰতি তেওঁ আনুভূতিক ভাৱে অনুৰক্ত হৈ উঠিল। বানিয়ানৰ নতুন জীৱন লাভ হ'ল।

বিয়াৰ সাত বছৰৰ পিছত দুটি ল'ৰা আৰু দুজনী ছোৱালী এৰি থৈ বানিয়ানৰ ধৰ্ম-পৰায়ণা পত্নীৰ মৃত্যু ঘটিল। বানিয়ান ইতিমধ্যে ১৬৫৫ খ্ৰীষ্টাব্দত, তেওঁৰ ২৭ বছৰ বয়সত বেডফোৰ্ডৰ বেপ্টিষ্ট মণ্ডলীৰ অন্তৰ্ভুক্ত হ'ল। তেওঁ সংসাৰ চলাবলৈ দ্বিতীয়বাৰ বিবাহ পাশত আৱদ্ধ হ'ল। ইতি-মধ্যে তেওঁ খ্ৰীষ্টধৰ্ম প্ৰচাৰতো মনোনিৱেশ কৰে। তেওঁ ইমান আন্তৰিকতাৰে



আৰু আনুভূতিক দায়বদ্ধতাৰে খ্ৰীষ্টৰ বাণী শুনাই ভাষণ দিছিল যে তেওঁৰ বক্তৃতা শুনিবলৈ হাজাৰ-বিজাৰ মানুহ গোট খাইছিল। জন বানিয়ান ইংলেণ্ডৰ বেপ্টিষ্ট মণ্ডলীৰ ভিতৰত এটি উল্লেখযোগ্য নাম হৈ পৰিল। কিন্তু, ইতিমধ্যে ১৬৬০ খ্ৰীষ্টাব্দত প্ৰথম চাৰ্লছ্‌ৰ ৰাজত্বৰ অন্ত পৰিল আৰু লগে লগে অন্ত পৰিল ১৬২৫ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা পিউৰিটান ৰাষ্ট্ৰ-শাসনৰো। ১৬৬০ খ্ৰীষ্টাব্দত চাৰ্লছ্ দ্বিতীয়ই ইংলেণ্ডৰ সিংহাসনত আৰোহণ কৰিয়েই পিউৰিটান মতবাদীসকলক বন্দী কৰি কাৰাগাৰত থয়। এই খ্ৰীষ্টাব্দতে জন বানিয়ানো কাৰাৰুদ্ধ হ'ল আৰু সুদীৰ্ঘ বাৰ বছৰ তেওঁ বন্দী হৈ থাকিল। এই সময়ছোৱাতে তেওঁ লিখি উলিয়ালে Grace Abounding (১৬৬৬) নামৰ তেওঁৰ আত্ম-জীৱনীমূলক ৰচনা, য'ত তেওঁ ব্যক্ত কৰিছে তেওঁ কেনেকৈ খ্ৰীষ্টান হ'ল। আৰু লিখি উলিয়ালে The Pilgrim's Progress য'ত তেওঁ প্ৰকাশ কৰিলে বাইবেলে দান কৰা আনুভূতিক আৰু আধ্যাত্মিক অভিজ্ঞতাৰ সৰল অথচ চিত্তাকৰ্ষক ৰূপক।

১৬৭২ খ্ৰীষ্টাব্দত বানিয়নে বন্দীত্বৰপৰা মুক্তি লাভ কৰিলে। মুক্তি লাভ কৰাৰ পিছত তেওঁ The Pilgrim's Progressৰ শেহৰ অংশ (খ্ৰীষ্টিয়ানিৰ বিৱৰণ) লিখি উলিয়ালে; আৰু গ্ৰন্থখনিয়ে প্ৰকাশ লাভ কৰিলে ১৬৭৮ খ্ৰীষ্টাব্দত। ১৬৮০ খ্ৰীষ্টাব্দত প্ৰকাশিত হ'ল তেওঁৰ তৃতীয় গ্ৰন্থ The Life and Death of Mr. Badman আৰু ১৬৮২ খ্ৰীষ্টাব্দত প্ৰকাশিত হয় তেওঁৰ চতুৰ্থ আৰু শেষ গ্ৰন্থ The Holy War.

জাগতিক সুখৰ মুখ নেদেখা এই মানুহজনে জীৱনৰ প্ৰথম ছোৱাত মানসিক যন্ত্ৰণাত আৰু প্ৰথম বিবাহৰ পিছৰপৰা আমৃত্যু অতিবাহিত কৰিলে আধ্যাত্মিক দ্বন্দ্ব, যন্ত্ৰণা আৰু অপাৰ্থিৱ আনন্দৰ মাজত। ১৬৮৮ খ্ৰীষ্টাব্দত, ৬০ বছৰ বয়সত, তেওঁ দ্বিতীয় গৰাকী পত্নী আৰু ছটি ল'ৰা-ছোৱালীসহ সমস্ত জীৱনৰ সঞ্চয় এশ পাউণ্ড ধন এৰি থৈ শেষ নিশ্বাস পেলালে। এটি অসাধাৰণ, সংগ্ৰামী জীৱনৰ অন্ত পৰিল।

## বানিয়ানৰ কাহিনী-ৰচনাৰ ভেটি, প্ৰেৰণা আৰু লক্ষ্য:

স্বল্প-শিক্ষিত, ব্যৱহাৰিক জীৱনত টিন-মিস্ত্ৰী, আশৈশৱ উশৃংখল, উদণ্ড আৰু নাস্তিক বানিয়ানে The Pilgrim's Progress ৰচনা কৰিবৰ নিমিত্তে ক'ৰ পৰা সমল, প্ৰেৰণা আৰু দক্ষতা লাভ কৰিলে? তেওঁৰ প্ৰথমা পত্নীৰ প্ৰভাৱে

আৰু তেওঁৰ মনৰ সংশয় আৰু যন্ত্ৰণাই বানিয়ানৰ জীৱনৰ সুঁতি সলনি কৰাত যথেষ্ট অৰিহণা যোগাই গৈছে। কিন্তু তাৰ উপৰি আন কিছুমান গুৰুত্বপূৰ্ণ দিশো আছে। বানিয়ানৰ জন্মৰ তিনি বছৰৰ আগতে ইংলেণ্ডত প্ৰতিষ্ঠিত হৈছে প্ৰথম চাৰ্লছৰ ৰাজত্ব আৰু পিউৰিটান মতবাদৰ দৃঢ় ভিত্তি। এলিজাবেথীয় যুগৰ সামৰণিৰ লগে লগে ইংৰাজী সাহিত্যত চিন্তা আৰু কল্পনাৰ বিপুল জাগৰণতো ভাটা পৰিল আৰু গোড়া খ্ৰীষ্টীয় ধৰ্মমতৰ প্ৰাধান্য প্ৰতিষ্ঠিত হ'ল। পৱিত্ৰ বাইবেলৰ বাহিৰে অন্যান্য স্বতন্ত্ৰ সৃষ্টিশীল ৰচনাৰ গুৰুত্ব কমি আহিবলৈ ধৰিলে। বাইবেলৰ ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰতিষ্ঠাৰ প্ৰভাৱেৰে ইংলেণ্ড প্ৰভাৱান্বিত। সেই প্ৰভাৱ বেড্‌ফোৰ্ডৰ এলেষ্টোৰ কোনোবা অখ্যাত চুবুৰীৰ অস্বাস্থ্যকৰ পৰিৱেশৰ ওপৰতো নপৰাকৈ থকা নাছিল। নহ'লে, উদণ্ড আৰু নাস্তিক হৈয়ো চেঙেলীয়া বানিয়ানে ঘৰৰপৰা পলাই গৈ পিউৰিটান সৈন্য-বাহিনীত যোগ দিয়াৰ প্ৰেৰণা নেপালেহেতেন। ইও তেওঁৰ মানসিক দ্বন্দ্ব আৰু যন্ত্ৰণাৰে একপ্ৰকাৰ অভিব্যক্তি।

বানিয়ানৰ সময়ছোৱা ইংৰাজী সাহিত্যত মহান মিল্টনৰ (১৬০৮-৭৪) সময়। এক কথাত কবলৈ হ'লে মিল্টনেই একমাত্ৰ কবি যি পিউৰিটান মতবাদৰ লগত একাত্ম হৈ বাইবেলৰ অধ্যাত্ম বাণীৰ ভিত্তিত মহৎ আৰু সাৰ্থক কাব্য ৰচনা কৰি গ'ল। মিল্টনে বাইবেলৰ কাহিনীক সত্য আৰু পৱিত্ৰ স্বৰূপে গ্ৰহণ কৰিছিল আৰু তেওঁ সমকালীন জীৱনৰ পৰা আহৃত জ্ঞানেৰে বাইবেলৰ শিক্ষাক গভীৰ আন্তৰিক বিশ্বাসেৰে নতুন কাহিনীৰ মাজত নিজা-ববীয়াকৈ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিছিল। 'পেৰেডাইজ লষ্ট্' (১৬৬৭) আৰু 'পেৰেডাইজ ৰিগেইনদ্'ক (১৬৭১) জন্ম দান কৰা সাংস্কৃতিক পৰিৱেশৰ আৰম্ভণিৰ সময়তে বানিয়ানে জন্ম গ্ৰহণ কৰিছিল। এহাতে তেওঁৰ জীৱনৰ চতুৰ্পাৰ্শ্বৰ অস্বাস্থ্যকৰ পৰিৱেশ, আনহাতে পিউৰিটান মতবাদৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ—এই দুয়োৰে দ্বন্দ্বৰ মাজত The Pilgrim's Progressৰ লেখকৰ নৱজন্ম হ'ল। মিল্টনৰ লগত বানিয়ানৰ কোনো প্ৰকাৰৰ যোগাযোগ হোৱাৰ সম্ভাৱনা নাছিল। শিক্ষিত, সংস্কৃত আৰু সম্ভ্ৰান্ত মিল্টনৰ ৰচনাৰ লগতো বানিয়ানৰ পৰিচয় স্থাপনৰ সুযোগ ঘটাৰ সম্ভাৱনা নাছিল; তথাপি মিল্টন আৰু বানিয়ান মানসিকভাৱে একেখন জগতৰ বাসিন্দা আছিল। বিশ্বাস, প্ৰত্যয়, আদৰ্শ আৰু সংগ্ৰাম-শীলতা আদি বিভিন্ন দিশত তেওঁবিলাক আছিল সগোত্ৰীয়।

বানিয়ানৰ কাহিনীৰ ভেটি-বাইবেলৰ বাণী; শিক্ষা—বাইবেলৰ বাণী,



আৰু লক্ষ্যও বাইবেলৰ বাণী। The Pilgrim's Progressত তীৰ্থযাত্ৰাৰ বিৱৰণৰ এটি ৰূপকৰ আধাৰত বানিয়ানে খ্ৰীষ্টিয়ান আত্মাৰ আকাংক্ষা, সংগ্ৰাম, দুৰ্বলতা, পথ-নিৰ্দেশনা আৰু উদ্ধাৰৰ কাহিনী পৰিচিত প্ৰতীকৰ সহায়েৰে প্ৰাণত প্ৰতীতি জন্মোৱাকৈ সৰল আৰু প্ৰাঞ্জলভাৱে দাঙি ধৰিছে। বানিয়ানে জাগতিক জীৱনত পাপ-গ্ৰস্ত মানুহে কেনেকৈ বিভিন্ন মানসিক স্তৰ পাৰ হৈ মুক্তিপথত ভৰি দিয়ে আৰু ঈশ্বৰক সাক্ষাৎ কৰি জীৱনৰ তীৰ্থ-যাত্ৰাৰ লক্ষ্য লাভ কৰে, এই ভাৱসত্যক দাঙি ধৰিবলৈ মানুহৰ প্ৰবৃত্তিসমূহক চৰিত্ৰ হিচাপে থিয় কৰাই কাহিনী নিৰ্মাণ কৰি উলিয়াইছে।[৩] চৰিত্ৰসমূহক তেওঁ সমকালীন মানুহৰ বাস্তৱ ৰূপত গঢ়ি তুলিছে, যাৰ ফলত The Pilgrim's Progressএ ৰূপকাৰ্থৰ উপৰিও এটি সমকালীন বাস্তৱ-কাহিনীৰ মৰ্যাদা লাভ কৰিবলৈও সমৰ্থ হৈছে। স্বৰূপাৰ্থতে The Pilgrim's Progressত অধ্যাত্ম অনুভূতি আৰু বাস্তৱবোধৰ সমন্বয় সাধিত হৈছে। "তেওঁৰ কল্পিত চৰিত্ৰসমূহৰ অধ্যাত্ম উৎকণ্ঠা ইমান তীব্ৰ আৰু প্ৰাণোচ্ছলতা ইমান সজীৱ যে সিবিলাক ৰূপকৰ তত্ত্বৰ মাজত হেৰাই যোৱা নাই।"[৪]

ৰূপক নিৰ্মাণৰ শিক্ষা বানিয়ানে ক'ৰ পৰা পালে? এলিজাবেথীয় যুগৰ শ্ৰেষ্ঠ কবি এড্‌মাণ্ড্ স্পেন্সাৰৰ (১৫৫২-১৫৯৯) Faery Queenৰ আৰ্হিৰ লগত বানিয়ানৰ পৰিচয় ঘটাৰ সম্ভাৱনা নাছিল, আৰু সেইবাবে তেওঁক পোনপটীয়াকৈ স্পেন্সাৰৰ উত্তৰ-সাধক বুলি কোৱাৰ উপায় নাই। বৰং ক'ব পাৰি, মধ্যযুগৰ ইউৰোপৰ ধৰ্ম আৰু কাব্য-সাধনাত ঘটা ৰূপকৰ বহুল প্ৰচলনে আৰু সাধুকথা জাতীয় লোক-সাহিত্যই লোক মানসত পেলোৱা সাঁচৰপৰা বানিয়ানে তেওঁৰ ৰচনাৰ আৰ্হি তৈয়াৰ কৰাৰ প্ৰেৰণা পাব পাৰে। উচ্চ শিক্ষা আৰু সাহিত্যৰ ঐতিহ্যৰ লগত অপৰিচিত বানিয়নৰ বাবে Deguilevilleৰ The Pilgrimage of Manৰ লগতো পোনপটীয়া সাক্ষাৎ হোৱাৰ সুবিধা নাছিল। কিন্তু পুথিখনিৰ বিষয়বস্তু আৰু নাম সমকালীন সমাজত অখ্যাত নাছিল। হয়তো, বানিয়ানৰ অজ্ঞাতেই তেওঁৰ মনৰ ভিতৰত ক'ৰ'বাত তাৰ এটি সাঁচ বহিব পাৰে। অৱশ্যেই ই কেৱল অনুমানৰ কথাহে। পাপৰ লগত আত্মাৰ সংগ্ৰামৰ চূড়ান্ত আধ্যাত্মিক-আনুভূতিক অভিজ্ঞতা লাভ কৰা

৩. অসমীয়া সাহিত্যৰ পাঠকক ৰামানন্দ দ্বিজৰ 'মহামোহ কাব্য'ৰ কথা মনত পেলাই দিব পাৰে; কিন্তু ভাবগত আৰু ৰূপক-নিৰ্মাণৰ কিছু সদৃশতাৰ বাহিৰে বিষয়বস্তুৰ সদৃশতা অকল্পনীয়।

৪. শ্ৰীকুমাৰ বন্দ্যোপাধ্যায়, ইংৰাজী সাহিত্যেৰ ইতিহাস, ১৯৬০, পৃঃ ৮৯।

আৰু তেওঁৰ মনৰ সংশয় আৰু যন্ত্ৰণাই বানিয়ানৰ জীৱনৰ সুঁতি সলনি কৰাত যথেষ্ট অৰিহণা যোগাই গৈছে। কিন্তু তাৰ উপৰি আন কিছুমান গুৰুত্বপূৰ্ণ দিশো আছে। বানিয়ানৰ জন্মৰ তিনি বছৰৰ আগতে ইংলেণ্ডত প্ৰতিষ্ঠিত হৈছে প্ৰথম চাৰ্লছৰ ৰাজত্ব আৰু পিউৰিটান মতবাদৰ দৃঢ় ভিত্তি। এলিজাবেথীয় যুগৰ সামৰণিৰ লগে লগে ইংৰাজী সাহিত্যত চিন্তা আৰু কল্পনাৰ বিপুল জাগৰণতো ভাটা পৰিল আৰু গোড়া খ্ৰীষ্টীয় ধৰ্মমতৰ প্ৰাধান্য প্ৰতিষ্ঠিত হ'ল। পৱিত্ৰ বাইবেলৰ বাহিৰে অন্যান্য স্বতন্ত্ৰ সৃষ্টিশীল ৰচনাৰ গুৰুত্ব কমি আহিবলৈ ধৰিলে। বাইবেলৰ ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰতিষ্ঠাৰ প্ৰভাৱেৰে ইংলেণ্ড প্ৰভাৱান্বিত। সেই প্ৰভাৱ বেড্ফোৰ্ডৰ এলেষ্টোৰ কোনোবা অখ্যাত চুবুৰীৰ অস্বাস্থ্যকৰ পৰিৱেশৰ ওপৰতো নপৰাকৈ থকা নাছিল। নহ'লে, উদণ্ড আৰু নাস্তিক হৈয়ো চেঙেলীয়া বানিয়ানে ঘৰৰপৰা পলাই গৈ পিউৰিটান সৈন্য-বাহিনীত যোগ দিয়াৰ প্ৰেৰণা নেপালেহেতেন। ইও তেওঁৰ মানসিক দ্বন্দ্ব আৰু যন্ত্ৰণাৰে একপ্ৰকাৰ অভিব্যক্তি।

বানিয়ানৰ সময়ছোৱা ইংৰাজী সাহিত্যত মহান মিল্টনৰ ( ১৬০৮-৭৪ ) সময়। এক কথাত কবলৈ হ'লে মিল্টনেই একমাত্ৰ কবি যি পিউৰিটান মতবাদৰ লগত একাত্ম হৈ বাইবেলৰ অধ্যাত্ম বাণীৰ ভিত্তিত মহৎ আৰু সাৰ্থক কাব্য ৰচনা কৰি গ'ল। মিল্টনে বাইবেলৰ কাহিনীক সত্য আৰু পৱিত্ৰ স্বৰূপে গ্ৰহণ কৰিছিল আৰু তেওঁ সমকালীন জীৱনৰ পৰা আহৃত জ্ঞানেৰে বাইবেলৰ শিক্ষাক গভীৰ আন্তৰিক বিশ্বাসেৰে নতুন কাহিনীৰ মাজত নিজাৰবীয়াকৈ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিছিল। 'পেৰেডাইজ লষ্ট্' ( ১৬৬৭ ) আৰু 'পেৰেডাইজ ৰিগেইনদ্'ক ( ১৬৭১ ) জন্ম দান কৰা সাংস্কৃতিক পৰিৱেশৰ আৰম্ভণিৰ সময়তে বানিয়ানে জন্ম গ্ৰহণ কৰিছিল। এহাতে তেওঁৰ জীৱনৰ চতুৰ্পাৰ্শ্বৰ অস্বাস্থ্যকৰ পৰিৱেশ, আনহাতে পিউৰিটান মতবাদৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ—এই দুয়োৰে দ্বন্দ্বৰ মাজত The Pilgrim's Progressৰ লেখকৰ নৱজন্ম হ'ল। মিল্টনৰ লগত বানিয়ানৰ কোনো প্ৰকাৰৰ যোগাযোগ হোৱাৰ সম্ভাৱনা নাছিল। শিক্ষিত, সংস্কৃত আৰু সম্ভ্ৰান্ত মিল্টনৰ ৰচনাৰ লগতো বানিয়ানৰ পৰিচয় স্থাপনৰ সুযোগ ঘটাৰ সম্ভাৱনা নাছিল ; তথাপি মিল্টন আৰু বানিয়ান মানসিকভাৱে একেখন জগতৰ বাসিন্দা আছিল। বিশ্বাস, প্ৰত্যয়, আদৰ্শ আৰু সংগ্ৰামশীলতা আদি বিভিন্ন দিশত তেওঁবিলাক আছিল সগোত্ৰীয়।

বানিয়ানৰ কাহিনীৰ ভেটি-বাইবেলৰ বাণী ; শিক্ষা—বাইবেলৰ বাণী,



আৰু লক্ষ্যও বাইবেলৰ বাণী। The Pilgrim's Progressত তীৰ্থযাত্ৰাৰ বিৱৰণৰ এটি ৰূপকৰ আধাৰত বানিয়ানে খ্ৰীষ্টিয়ান আত্মাৰ আকাংক্ষা, সংগ্ৰাম, দুৰ্বলতা, পথ-নিৰ্দেশনা আৰু উদ্ধাৰৰ কাহিনী পৰিচিত প্ৰতীকৰ সহায়েৰে প্ৰাণত প্ৰতীতি জন্মোৱাকৈ সৰল আৰু প্ৰাঞ্জলভাৱে দাঙি ধৰিছে। বানিয়ানে জাগতিক জীৱনত পাপ-গ্ৰস্ত মানুহে কেনেকৈ বিভিন্ন মানসিক স্তৰ পাৰ হৈ মুক্তিপথত ভৰি দিয়ে আৰু ঈশ্বৰক সাক্ষাৎ কৰি জীৱনৰ তীৰ্থ-যাত্ৰাৰ লক্ষ্য লাভ কৰে, এই ভাৱসত্যক দাঙি ধৰিবলৈ মানুহৰ প্ৰবৃত্তিসমূহক চৰিত্ৰ হিচাপে থিয় কৰাই কাহিনী নিৰ্মাণ কৰি উলিয়াইছে।[৩] চৰিত্ৰসমূহক তেওঁ সমকালীন মানুহৰ বাস্তৱ ৰূপত গঢ়ি তুলিছে, যাৰ ফলত The Pilgrim's Progressএ ৰূপকাৰ্থৰ উপৰিও এটি সমকালীন বাস্তৱ-কাহিনীৰ মৰ্যাদা লাভ কৰিবলৈও সমৰ্থ হৈছে। স্বৰূপাৰ্থতে The Pilgrim's Progressত অধ্যাত্ম অনুভূতি আৰু বাস্তৱবোধৰ সমন্বয় সাধিত হৈছে। "তেওঁৰ কল্পিত চৰিত্ৰসমূহৰ অধ্যাত্ম উৎকণ্ঠা ইমান তীব্ৰ আৰু প্ৰাণোচ্ছলতা ইমান সজীৱ যে সিবিলাক ৰূপকৰ তত্ত্বৰ মাজত হেৰাই যোৱা নাই।"[৪]

ৰূপক নিৰ্মাণৰ শিক্ষা বানিয়ানে ক'ৰ পৰা পালে ? এলিজাবেথীয় যুগৰ শ্ৰেষ্ঠ কবি এড্মাণ্ড্ স্পেন্সাৰৰ ( ১৫৫২-১৫৯৯ ) Faery Queenৰ আৰ্হিৰ লগত বানিয়ানৰ পৰিচয় ঘটাৰ সম্ভাৱনা নাছিল, আৰু সেইবাবে তেওঁক পোনপটীয়াকৈ পেন্সাৰৰ উত্তৰ-সাধক বুলি কোৱাৰ উপায় নাই। বৰং ক'ব পাৰি, মধ্যযুগৰ ইউৰোপৰ ধৰ্ম আৰু কাব্য-সাধনাত ঘটা ৰূপকৰ বহুল প্ৰচলনে আৰু সাধুকথা জাতীয় লোক-সাহিত্যই লোক মানসত পেলোৱা সাঁচৰপৰা বানিয়ানে তেওঁৰ ৰচনাৰ আৰ্হি তৈয়াৰ কৰাৰ প্ৰেৰণা পাব পাৰে। উচ্চ শিক্ষা আৰু সাহিত্যৰ ঐতিহ্যৰ লগত অপৰিচিত বানিয়নৰ বাবে Deguilevilleৰ The Pilgrimage of Manৰ লগতো পোনপটীয়া সাক্ষাৎ হোৱাৰ সুবিধা নাছিল। কিন্তু পুথিখনিৰ বিষয়বস্তু আৰু নাম সমকালীন সমাজত অখ্যাত নাছিল। হয়তো, বানিয়ানৰ অজ্ঞাতেই তেওঁৰ মনৰ ভিতৰত কৰ'বাত তাৰ এটি সাঁচ বহিব পাৰে। অৱশ্যেই ই কেৱল অনুমানৰ কথাহে। পাপৰ লগত আত্মাৰ সংগ্ৰামৰ চূড়ান্ত আধ্যাত্মিক-আনুভূতিক অভিজ্ঞতা লাভ কৰা

৩. অসমীয়া সাহিত্যৰ পাঠকক ৰামানন্দ দ্বিজৰ 'মহামোহ কাব্য'ৰ কথা মনত পেলাই দিব পাৰে ; কিন্তু ভাবগত আৰু ৰূপক-নিৰ্মাণৰ কিছু সদৃশতাৰ বাহিৰে বিষয়বস্তুৰ সদৃশতা অকল্পনীয়।

৪. শ্ৰীকুমাৰ বন্দ্যোপাধ্যায়, ইংৰাজী সাহিত্যেৰ ইতিহাস, ১৯৬০, পৃঃ ৮৯।

বানিয়ান আছিল পাপ-পুণ্য-সম্পৰ্কে বিশুদ্ধ চেতনাসম্পন্ন এজন যথাৰ্থ 'মিষ্টিক'।[৫] বানিয়ানে কেৱল যেন কাণ পাতি শুনিছিল তেওঁৰ অন্তৰৰ নিভৃত বাণী ; আৰু তেওঁ তাৰ লগত নিজৰ জীৱনক সম্পৰ্কিত কৰি লৈছিল।[৬] এতেকে, প্ৰেৰণা তেওঁ লাভ কৰিছিল বাহিৰৰ পৰা নহয়, তেওঁৰ নিজৰ অন্তৰৰ পৰা। তেওঁৰ অতীন্দ্ৰিয় অনুভূতিয়ে ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ পৰিগ্ৰহণ কৰিছে আৰু তেওঁৰ অনুভৱ আৰু ধাৰণাৰ তীব্ৰতাই সেই ৰূপক দান কৰিছে প্ৰাণোচ্ছল জীৱন। কেৱল মাইহেই নহয়, আধ্যাত্মিক সাধন-মাৰ্গৰ সকলো বাধা-বিঘিনিয়ে শাৰীৰিক ৰূপ লৈ ধৰা দিছে। "মানস অভিযাত্ৰাৰ অন্তৰ্গূঢ় স্তৰবিলাক যেন মানচিত্ৰত ৰঙী-নীলা ৰঙেৰে অঁকা ঠাইৰ দৰে চাক্ষুষ হৈ পৰিছে।"[৭]

The Pilgrim's Progress ৰচনাৰ উদ্দেশ্য নিজৰ আৰু অন্তৰ্লো জীৱনৰ যাত্ৰাপথ আলোকিত কৰি তোলা।[৮] সেইবাবে, সমগ্ৰ গ্ৰন্থখনি যেন বানিয়ানৰ নিজৰ অধ্যাত্ম যাত্ৰাৰ বাঙ্ময় ৰূপ। তেওঁৰ উদ্দেশ্য আৰু লক্ষ্য ইমান স্পষ্ট যে তেওঁ হৈ উঠিল অন্যান্য মানুহৰো ধৰ্ম-চেতনাৰ বিশ্বস্ত মুখপাত্ৰ স্বৰূপ।[৯] বানিয়ানে যি ক'ব খুজিছিল The Pilgrim's Progress ত সেই কথা সঠিকভাৱে আৰু সফলতাৰে কবলৈ সক্ষম হৈছিল। যি Eternal City (অবিনাশ নগৰী) আধ্যাত্মিক আকাংক্ষাৰ লক্ষ্য, তেওঁ সেই ঠাইলৈ 'তীৰ্থযাত্ৰী'ক সঠিকভাৱেই আগবঢ়াই নিছে। তেওঁৰ চেতনা আৰু আৱেগ একাকাৰ হৈ গৈছে আৰু তাৰ বিদ্যুৎস্পৰ্শই সকলো বাধা অতিক্ৰম কৰি তেওঁৰ বক্তব্যক কৰি তুলিছে জীৱন্ত আৰু আলোকিত।

## ইংৰাজী সাহিত্যত 'তীৰ্থযাত্ৰীৰ অগ্ৰগমন' ঃ

বানিয়ানে লেখক হোৱাৰ কল্পনা কৰা নাছিল। তাৰ বাবে আৱশ্যক বুলি ভবা শিক্ষা আৰু চৰ্চাও তেওঁৰ নাছিল। তদুপৰি, যি পিউৰিটান মতৰ

৫. Ifor Evans, *op. cit.*, p. 155.
৬. Legouis & Cazamian, *History of English Literature*, 1961, p 692.
৭. শ্ৰীকুমাৰ বন্দ্যোপাধ্যায়, উল্লিখিত গ্ৰন্থ, পৃ. ৮৯।
৮. বানিয়ানৰ নিজৰ ভাষাত, "I did not think
To show all the world my pen and ink
...nor did I undertake
Thereby to please my neighbour; no not I;
I did it mine own self to gratify."
৯. Legouis & Cazamian, *Op. cit.*, p. 694.



তেওঁ সমৰ্থক আছিল সেই মত প্ৰথম চাৰ্লছৰ দিনত ৰাজনীতি আৰু সাহিত্যৰো নিয়ামক হৈ উঠিলেও, তেওঁ সেইমত প্ৰচাৰৰ বাবেও তাৰ সাহিত্য-ৰূপ দিয়াৰ কথা ভবা নাছিল। এই যুগটো এলিজাবেথীয় নৱজাগৰণৰ পিছত ধৰ্মীয় জাগৰণৰ যুগ, আৰু এই জাগৰণে কম-বেছি পৰিমাণে অৱশ্যে সকলোকে স্পৰ্শ কৰিছিল। এক কথাত কবলৈ হ'লে পূৰ্ববৰ্তী ৰেনেছাঁৰ যুগৰ তুলনাত এই যুগ আছিল কঠিন নিয়মানুৱৰ্তিতাৰ যুগ আৰু এই যুগত সকলো চিন্তা কেন্দ্ৰীভূত হৈছিল কেৱল বাইবেলত। অৱশ্যেই তাতো ব্যতিক্ৰম আছিল যদিও সমগ্ৰ যুগটোক প্ৰতিনিধিত্ব কৰিবপৰা অ-পিউৰিটান লেখকৰ আবিৰ্ভাৱ ঘটা নাছিল। পিউৰিটান, অ-পিউৰিটান সকলোকে প্ৰতিনিধিত্ব কৰিব পৰা লেখক এজনেই ওলাইছিল ; তেওঁ আছিল মিল্টন ; আৰু মিল্টন আছিল পিউৰিটান। কিন্তু, এই কথাও সমানেই প্ৰণিধানযোগ্য যে মিল্টনৰ মুখ্য ৰচনাৱলীও প্ৰথম চাৰ্লছৰ ৰাজত্ব অন্ত পৰাৰ পিছত দ্বিতীয় চাৰ্লছৰ দিনত (ৰেষ্টোৰেচন যুগ) হে প্ৰকাশিত হৈছিল। অৱশ্যেই ৰেষ্টোৰেচন যুগত প্ৰকাশিত হ'লেও মিল্টনৰ ৰচনাৱলী পূৰ্ববৰ্তী যুগৰে ফচল।

এই উত্তৰ-ৰেনেছাঁ আৰু প্ৰাক্-ৰেষ্টোৰেচন যুগৰ ইংৰাজী সাহিত্যৰ বুৰঞ্জীত দেদীপ্যমান স্তম্ভ দুটি ঃ মিল্টন আৰু বানিয়ান। মিল্টনৰ বিচৰণ-ক্ষেত্ৰ আছিল কাব্য আৰু বানিয়ানৰ বিচৰণ-ক্ষেত্ৰ আছিল কথা। মিল্টন যদি কেৱল শিক্ষিত আৰু ৰুচিবান পাঠকৰ বাবে, তেনেহ'লে বানিয়ান সৰ্ব সাধাৰণৰ বাবেও। মিল্টন আছিল পৰিশীলিত লেখক ; কিন্তু বানিয়ান তেনে সচেতন লেখক নাছিল। তেওঁ সাহিত্য-সৃষ্টিৰ বাবে ৰূপ হাতত লোৱা নাছিল ; তেওঁ নিজৰ তীব্ৰ আধ্যাত্মিক অনুভূতিৰ অভিজ্ঞতাৰে আৰু অন্তৰৰ অদম্য প্ৰেৰণাৰে 'শিল্প-প্ৰয়াসকো অতিক্ৰম' কৰি বাইবেলৰ ধৰ্মবাণী প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ এই গভীৰ প্ৰেৰণাই তেওঁৰ ৰচনাক কৰি তুলিলে একক, মহৎ আৰু চিৰায়ত।

"লেখক হিচাপে বানিয়ানৰ প্ৰকৃতিদত্ত ক্ষমতা আছিল। তেওঁ যি কব খোজে তাক গভীৰ ভাৱে অনুভৱ কৰে আৰু অন্তৰ্দৃষ্টিৰে স্পষ্টভাৱে যেন দেখা পায়। তেওঁ জানে তেওঁ যি অনুভৱ কৰে তাক কেনেকৈ প্ৰকাশ কৰিব লাগে ; তেওঁ জানে ঘটনাৰ নাটকীয়তা সংযুক্ত কৰি কেনেকৈ এটা কাহিনী ক'ব লাগে।"[১০] তেওঁৰ স্বভাৱ-প্ৰদত্ত ক্ষমতাৰে প্ৰায় অশিক্ষিত এই লেখকজনে বিদ্বান স্পেন্সাৰতকৈও অধিক দক্ষতাৰে তেওঁৰ ৰূপকক প্ৰাণৱন্ত

১০. *Ibid.*

কৰি তুলিছে।[১১] তেওঁৰ ৰচনাৰীতি প্ৰাঞ্জল, সৰল, আৰু সুশৃংখলিত ; ভাষা বেগবান। তদুপৰি তেওঁৰ ৰচনাৰ ভাষা গঢ়লৈ উঠিছে প্ৰধানকৈ ১৬১১ খ্ৰীষ্টাব্দৰ ইংৰাজী ভাষাৰ বাইবেলৰ ভাষা আৰু সমকালীন কথিত ভাষাৰ সমন্বয়ত।[১২] বাইবেলৰ ভাষাৰ স্থাপত্যই কথিত ভাষাৰ স্পৰ্শ লাভ কৰি বানিয়ানৰ হাতত গ্ৰহণ কৰিলে এটি নতুন, স্বকীয়, মনোৰম ৰূপ। এহাতে বাইবেলৰ গাম্ভীৰ্য, আনহাতে কথিত ভাষাৰ প্ৰাণৱন্ত ৰূপ এই দুয়োটা বৈশিষ্ট্যৰ সমাহাৰেই বানিয়ানৰ ভাষাক স্বকীয়ত্ব প্ৰদান কৰিলে।

বানিয়ানে The Pilgrim's Progress ক 'স্বপ্ন' আখ্যা দিছে ; অৰশ্যে এই স্বপ্নৰ চৰিত্ৰবোৰে বাস্তৱৰপৰা স্বপ্নলৈ প্ৰব্ৰজন কৰিছে। গ্ৰন্থৰ প্ৰথমতে আছে, "As I walked through the wilderness of this world I lighted on a certain place where was a den and laid me down in the place to sleep ; and as I slept I dreamed a dream." তেওঁৰ বাবে তেতিয়াও উপন্যাস ৰচনাৰ আৰ্হি ওলোৱাই নাই। ডেনিয়েল ডিফো আৰু ছুইফট্,—এই দুয়োজনেই ৰেষ্টোৰেচন যুগৰ আৰম্ভণিৰ সময়ত কেইবছৰমানৰ অগা-পিছাকৈ জন্ম লাভ কৰিছে ; আৰু বানিয়ান তেতিয়া কাৰাগাৰত। বৰং, বানিয়ানেই প্ৰথম লেখক যি গৰাকীয়ে নিজৰ অজ্ঞাতেই ভৱিষ্যতে গঢ় লৈ উঠিবলগীয়া ইংৰাজী উপন্যাসৰ সূচনা কৰিলে। বানিয়ানৰ যি বাস্তৱ-বোধ, চৰিত্ৰ-অধ্যয়ন আৰু প্ৰতিটো বিষয়ত সূক্ষ্ম-পৰ্যবেক্ষণ-শক্তি The Pilgrim's Progressৰ মাজত প্ৰকাশিত হ'ল, অষ্টাদশ শতিকাৰ আৰম্ভণিত ইংৰাজী কাহিনী সাহিত্যৰ বাবে সিবিলাক আৰ্হিস্বৰূপ হ'ল।

দেখা যায় ইংৰাজী সাহিত্যৰ ৰেষ্টোৰেচন যুগৰ আৰম্ভণিকে আধুনিক ইংৰাজী সাহিত্যৰো সময়বুলি ধৰিলেও, প্ৰাক্-ৰেষ্টোৰেচন যুগৰ বানিয়নৰ মাজত আধুনিক সাহিত্যৰ বীজো নিহিত হৈ আছিল। ইংৰাজী সাহিত্যৰ ইতিহাসত বানিয়ানৰ The Pilgrim's Progress সাহিত্য-কৰ্ম স্বৰূপে আৰু ঐতিহাসিক-কৰ্মস্বৰূপে—দুয়োফালৰ পৰাই উল্লেখযোগ্য ৰচনাস্বৰূপে স্বীকৃত। ধৰ্ম-প্ৰচাৰৰ পুথিতকৈও নিজা বৈশিষ্ট্যৰ বাবেই The Pilgrim's Progressএ ইংৰাজী উপন্যাস সাহিত্যৰো বাটকটীয়া-পুথিৰ মৰ্যাদা লাভ কৰিলে।

---

১১. Legouis, *A short History of English Literature* 1961, p. 172.

১২. *Ibid.* ; Legouis & Cazamian, Op, cit. p. 695.



## ২. অসমীয়া ভাষাত 'জাত্ৰিকৰ জাত্ৰা' : অনুবাদ আৰু অনুবাদকৰ সাধাৰণ পৰিচয়

খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে আমেৰিকাৰপৰা আহি অসম ওলোৱা বেপ্টিষ্ট মিছনেৰিসকলেই আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ ধাই মাকৰ দায়িত্ব লৈ ভাষা আৰু সাহিত্যক পালন-পোষণ কৰি থিয়দঙা দিব পৰা কৰিলে। ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰীৰ পৰা প্ৰকাশ কৰা 'অৰুণোদই'ক (১৮৪৬-১৮৮০)[১৩] আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ Criche বা শিশু-ভৱন বুলিব পাৰি। 'অৰুণোদই' এ শিৱসাগৰৰ কথিত ভাষা আৰু বুৰঞ্জীৰ ভাষাৰ আৰু ইংৰাজী ভাষাৰ বাক্য-গাঁথনিৰ ঠাঁচৰ সমন্বয়ত আধুনিক অসমীয়া ভাষাৰ নতুন প্ৰাথমিক ৰূপ এটি দান কৰিলে ; আৰু দেশ-বিদেশৰ সম্বাদ দানেৰে অসমীয়া মানুহৰ মনৰ লগত প্ৰথম বাৰৰ বাবে বহিৰ্বিশ্বৰ সম্পৰ্ক স্থাপন কৰাৰ উপৰিও গল্প, উপন্যাস, নাটক, কথোপ-কথন, আত্মজীৱনীমূলক ৰচনা, ভ্ৰমণ-কাহিনী, বিভিন্ন বিষয়ৰ প্ৰবন্ধ, চিঠি-পত্ৰ আৰু পদ্য প্ৰকাশ কৰি আধুনিক অসমীয়া সাহিত্যৰো আৰম্ভণি কৰিলে।

এই 'অৰুণোদই'ৰ বুকুতে ১৮৫১ খ্ৰীষ্টাব্দৰ জানুৱাৰী সংখ্যাৰ (ষষ্ঠ বছৰ, প্ৰথম সংখ্যা) পৰা ছোৱা-ছোৱাকৈ প্ৰকাশিত হবলৈ ধৰিলে John Bunyanৰ The Pilgrim's Progressৰ অসমীয়া ভাঙনি "জাত্ৰিকৰ জাত্ৰা"। ১৮৪৮ খ্ৰীঃৰ নৱেম্বৰৰ সংখ্যাত প্ৰথমৰ এটা অংশ 'জাত্ৰিকৰ জাত্ৰা' প্ৰকাশ হোৱাৰ পিছত ১৮৫১ লৈ বন্ধ থাকে। তীৰ্থযাত্ৰী বুজাবলৈ 'যাত্ৰিক' আৰু অগ্ৰগতি বুজাবলৈ 'যাত্ৰা' শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া।[১৪] ইয়াৰ পূৰ্বে ১৮১৮ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰ মিছনে বঙলা ভাষাত যেতিয়া The Pilgrim's Progressৰ অনুবাদ উলিয়াইছিল, সেই অনুদিত গ্ৰন্থৰ বঙলা নাম

---

১৩. কোনো কোনোৱে 'অৰুনোদই' ১৮৮২-৮৩ খ্ৰীষ্টাব্দলৈ, কোনোৱে ১৮৮৪, আনকি ১৮৮৬ লৈ প্ৰকাশ পাই থকাৰ কথা কলেও Mrs. S. R. wardএ *A Glimpse of Assam*তো স্পষ্ট ভাৱাৰে কৈছে, "This useful little sheet cause to an end in December, 1880." তদুপৰি ১৮৮৪ চনত প্ৰকাশ কৰা Mrs ward ৰ এই কিতাপখনত শিৱসাগৰৰ মিছন প্ৰেছটো ১৮৮২ খ্ৰীষ্টাব্দত Assam Companyক বিক্ৰী কৰাৰ খবৰো দিছে।

১৪. মিছনেৰিসকলে তীৰ্থযাত্ৰীৰ সলনি 'যাত্ৰিক' শব্দটো আন ঠাইতো ব্যৱহাৰ কৰিছিল ; যেনে—'জগনাথ তিৰ্থত যাত্ৰিক লোকৰ মৰণ' (অৰুনোদই, ৮ম বছৰ ৮ম সংখ্যা)।

ৰাখিছিল ‘যাত্ৰাগ্ৰসৰণ’। ‘অৰুণোদই’ত প্ৰকাশ কৰাৰ সময়ত শিৱসাগৰ মিছনে বঙলাখনৰ সহায় লোৱা নাছিল। বঙলা ‘যাত্ৰাগ্ৰসৰণ’ ডাঙৰ কলেৱৰৰ হৈছিল। পৃষ্ঠাসংখ্যা আছিল ৪৫২। অসমীয়া ভাঙনিত পৃষ্ঠসংখ্যা তাতকৈ কম। কিন্তু মূলৰ সংক্ষিপ্ত কৰা নাছিল।

‘আৰুনোদই’ৰ ষষ্ঠ বছৰৰ প্ৰথম সংখ্যা ( ১৮৫১ খ্ৰী.ৰ জানুৱাৰী )ৰপৰা তলত উল্লেখ কৰা অংশসমূহ প্ৰকাশিত হয় ঃ

১৮৫১ জানুৱাৰী—১ আধ্যা, ফেব্ৰুৱাৰী—২ আধ্যা, মাৰ্চ—২ আধ্যা, মেই—৩ আধ্যা, জুলাই—৩ আধ্যা, আগষ্ট—৪ আধ্যা,
১৮৫২ মাৰ্চ—৫ আধ্যা, এপ্ৰিল—৫ আধ্যা, মেই—৬ আধ্যা,
১৮৫৪ জানুৱাৰী—৬ আধ্যা, মাৰ্চ—৬ আধ্যা, এপ্ৰিল—৭ আধ্যা, মেই—৭ আধ্যা, জুন—৭ আধ্যা, জুলাই—৮ আধ্যা আগষ্ট—৮ আধ্যা।

অষ্টম অধ্যায়ৰ যিখিনি ‘অৰুনোদই’ত প্ৰকাশিত হৈছিল, সেইখিনি সমগ্ৰ অধ্যায়টোৰ পাঁচ ভাগৰ দুভাগ মাথো। সেই অসমাপ্ত অধ্যায়টোৰ পিছত ‘আৰুনোদই’ত ‘জাত্ৰিকৰ জাত্ৰা’ৰ পিছৰ অংশসমূহ প্ৰকাশিত নহ’ল। ১৮৫৭ খ্ৰীষ্টাব্দত ‘জাত্ৰিকৰ জাত্ৰা’ পুথি আকাৰে প্ৰকাশ কৰোঁতেহে সম্পূৰ্ণ ভাঙনি প্ৰকাশ পায়।[১৫]

‘জাত্ৰিকৰ জাত্ৰা, ভাঙিবৰ সময়ত অনুবাদকে যথেষ্ট বিশ্বস্ততাৰে যে ভাঙিছে সেই কথা মূলৰ লগত মিলাই চালেই অনুমান কৰিব পাৰি। ইতি-পূৰ্বে উদ্ধাৰ কৰি দিয়া প্ৰথম বাক্যটিৰ অসমীয়া ভাঙনি কৰিছে ঃ

এই জগতৰ অৰণ্যৰ মাজত মই ফুৰি জাওঁতে জি এখন ঠাইত এটা গাঁত আছিল, এনে ঠাই পালোঁহি। তাতে পৰি সুই থাকোঁতে এক সমাজিক দেখিলোঁ।........

‘জাত্ৰিকৰ জাত্ৰা’ অসমীয়ালৈ কোনে তৰ্জমা কৰিছিল ? ড° সত্যেন্দ্ৰনাথ শৰ্মাই তেখেতৰ ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’ত কৈছে “জাত্ৰিকৰ জাত্ৰাও ব্ৰাউনৰে অনুবাদ।”[১৬] ‘অৰুনোদই’ত কোনো কোনো লেখাত

১৫ ১৮৫৭ খ্ৰীষ্টাব্দ অসমৰ ৰাজনৈতিক ইতিহাসৰ উপৰিও সাহিত্যৰ ইতিহাসতো গুৰুত্বপূৰ্ণ। এই বছৰতে ভবিষ্যতৰ অসমীয়া উপন্যাসৰ বাট কাটি ‘জাত্ৰিকৰ জাত্ৰা’ প্ৰকাশিত হৈছে আৰু গুণাভিৰাম বৰুৱাই লিখা প্ৰথম অসমীয়া সামাজিক নাটক। ‘ৰাম-নৱমী’ ওলাইছে।

১৬. পৃঃ ২৭৮-২৭৯।



লেখকৰ সংক্ষিপ্ত নাম অন্তত দিলেও সৰহ সংখ্যকতে নাম নাছিল। ‘জাত্ৰিকৰ জাত্ৰা’ৰ অনুবাদকৰ নামো স্বাভাৱিকতে নাছিল। আনকি, গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ সময়তো অনুবাদকৰ নাম দিয়া নাছিল। কিন্তু, ‘জাত্ৰিকৰ জাত্ৰা’ৰ ৮ম অধ্যায়ৰ প্ৰথম দুই পঞ্চমাংশ পৰ্যন্ত ( অৰ্থাৎ ‘অৰুনোদই’ৰ ১৮৫৪ খ্ৰীষ্টাব্দৰ আগষ্টৰ সংখ্যা পৰ্যন্ত ) যে ড° নাথান ব্ৰাওনে অনুবাদ কৰিছিল সেই কথা এ. কে. গাৰ্নীয়ে স্পষ্টভাৱেই কৈছে।[১৭] তদুপৰি এই খবৰো তেওঁ দিছে যে ড° ব্ৰাওন আমেৰিকালৈ যাওঁতে দুবছৰৰ বাবে এ. এইছ. ডেনফোৰ্থ গুৱাহাটীৰ পৰা শিৱসাগৰলৈ যায় আৰু ‘অৰুনোদই’ৰ সম্পাদনা কৰাৰ উপৰিও The Pilgrim's Progress ৰ বাকী অংশ অনুবাদ কৰি ১৮৫৭ চনৰ প্ৰথম ভাগতে গ্ৰন্থাকাৰে প্ৰকাশ কৰে।[১৮] এতেকে ‘জাত্ৰিকৰ জাত্ৰা’ৰ অনুবাদক ব্ৰাওন আৰু ডেনফোৰ্থ দুয়োগৰাকী। অৱশ্যে সৰহ অংশ ব্ৰাওনৰ অনুবাদ সেই বিষয়ে সন্দেহ নাই। E. W. Brownএ তেওঁৰ The whole world kin নামৰ ড° নাথান ব্ৰাওনৰ জীৱনী-গ্ৰন্থখনিতো সেই কথা উল্লেখ কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য, E. W. Brown এ সকলো সংশয় মৰিষণ কৰি এই সংবাদো দিছে যে ড° ব্ৰাওন ‘অৰুনোদই’ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ পৰা নৱম বছৰৰ দ্বাদশ সংখ্যালৈকে ( ১৮৪৬ ৰ জানুৱাৰীৰপৰা ১৮৫৪ ৰ ডিচেম্বৰলৈকে ) কাকতখনৰ সম্পাদক আছিল।[১৯] কিন্তু, কাকতখনৰ ১৮৫০ খ্ৰীৰ জুলাই সংখ্যাৰ আগলৈকে সম্পাদকৰ নাম দিয়া নাছিল; কেৱল মুদ্ৰক আৰু প্ৰকাশক হিচাপে O. T. Cutterৰ নামহে তলত দিয়া হৈছিল। সেইবাবে আমাৰ সাহিত্যৰ সকলো বুৰঞ্জী-লেখকে প্ৰথম সম্পাদক স্বৰূপে Cutterৰ নাম উল্লেখ কৰিছে। ১৮৫০ খ্ৰী°ৰ আগষ্টৰ সংখ্যাৰ পৰা ১৮৫২ খ্ৰী°ৰ আগষ্টৰ সংখ্যালৈকে সম্পাদক ব্ৰাওনৰ নামৰ তলত মুদ্ৰক আৰু প্ৰকাশক হিচাপে কট্টাৰৰ নাম ছপা হয়।[২০]

১৭. *The Assam Mission of the American Baptist Missionary Union.,* papers and Discussions of the Jubilee conference, held in Nowgang, December 18—29, 1886, p. 239.

১৮. *Ibid.*

১৯. পৃঃ ৪১৬।

২০. প্ৰসংগ ক্ৰমে মন কৰিবলগীয়া যে ‘অৰুনোদই’ৰ সংখ্যাসমূহ গোটাই পিছৰ একোটা ভল্যুমকৈও বিক্ৰী কৰা হৈছিল। ১৮৫০ খ্ৰী°ৰ মাৰ্চৰ পৰা জুলাইৰ সংখ্যালৈকে এই সংখ্যা ব্ৰাওনে ন-কৈ সম্পাদনা কৰি ভল্যুমত সন্নিবিষ্ট কৰে বুলি ভাবিবৰ থল আছে। সেই সংখ্যাকেইটাত প্ৰবন্ধসমূহৰ বাহিৰে দেশ-বিদেশৰ খবৰৰ শিতান দেখা নাযায়।

সি যি কি নহওক, ড° ব্ৰাওনেই যে 'জাত্ৰিকৰ জাত্ৰা'ৰ প্ৰথম আৰু সৰহীয়া অংশৰ অনুবাদক আছিল সেই বিষয়ে সন্দেহ নাই। 'অৰুনোদই'ৰ মাজৰ এটা সংখ্যাত[২১] 'বনিয়ন চাহাব আৰু বন্দিসাল ৰখিয়াৰ কথা' শিৰোনামাৰে বানিয়ান-সম্পৰ্কে এটি লেখা প্ৰকাশিত হৈছিল। ইয়াৰ বাহিৰে মূল গ্ৰন্থ বা গ্ৰন্থকাৰৰ সম্পৰ্কে আন একো লেখা আৰুনোদই '৩'( ১৮৪৬—১৯৫৪ ) দেখা নাযায়।[২২]

## ড° নাথাৰ ব্ৰাওনৰ পৰিচয়ঃ

"অসমীয়া খ্ৰীষ্টীয় সাহিত্যিকৰ ত্ৰিমূৰ্তিৰ প্ৰথম"[২৩] ৰেভাৰেণ্ড ডক্টৰ নাথান ব্ৰাওনৰ জন্ম হয় আমেৰিকাৰ ইপ্স্‌উইচ্‌ ( Ipswich ) নগৰত, ১৮০৭ খ্ৰীষ্টাব্দৰ ২২ জুন তাৰিখে।[২৪] ন-বছৰ বয়সত তেওঁ খ্ৰীষ্ট ধৰ্মত দীক্ষিত হয়; ১৮২৭ খ্ৰী°ত উইলিয়ামছ কলেজৰপৰা স্নাতক হয় আৰু ১৮৩২ খ্ৰী°ত নিউটন থিয়লজিকেল ইন্সটিটিউটৰ পৰাও শিক্ষা লৈ সেই খ্ৰী°ৰে ১৫ আগষ্টত মিছনৰ কামত নিযুক্ত হৈ পত্নী এলিজা ব্ৰাওনক লৈ ব্ৰহ্মদেশ পায়হি। ১৮৩৩ৰ পৰা ১৮৩৫ লৈ দুবছৰ ব্ৰহ্মদেশৰ মৌলমেনত থকাৰ পিছত, অসমত মিছনৰ কামৰ বাবে ব্ৰহ্মদেশৰ মিছনে ব্ৰাওনক পঠায়। লগত পঠায় ছপাশালৰ মুদ্ৰাকৰ অলিভাৰ টি. কাট্টাৰক।[২৫] তেওঁবিলাকে লগত এটা ছপাশাল লৈ ( যাৰ বাবে উজনি অসমৰ কমিছনাৰ কেপ্টেইন জেনকিন্সে দুহাজাৰ টকাৰ সাহায্য দিছিল ) কলিকতাইদি নাৱেৰে অসমলৈ যাত্ৰা কৰে আৰু ১৮৩৬ খ্ৰী°ৰ ২৩ মাৰ্চ তাৰিখে শদিয়া পায়হি।

নাথান ব্ৰাওন আছিল এজন ভাষাতত্ত্ববিদ্ মিছনেৰি। তেওঁ নাৱেৰে আহি থাকোঁতেই ভোট-ব্ৰহ্ম ভাষা ঠালৰ শ্যান ভাষা শিকি আহিছিল। কিন্তু শদিয়া পোৱাৰ পিছত যেতিয়া আবিষ্কাৰ কৰিলে যে সেই ভাষাৰে কাম নহ'ব আৰু ব্ৰহ্ম মিছনে আশা কৰাৰ দৰে শ্যান ভাষা শিকি তেওঁবিলাক মধ্য এছিয়ালৈ সোমোৱাটোও অবাস্তৱ কথা, তদুপৰি অসমীয়া ভাষাহে খামতি,

২১. ৮ম বছৰ, সপ্তম সংখ্যা ( ১৯৫৩, জুলাই ), পৃঃ ১০৬।
২২. ১৮৫৪ খ্ৰী°ৰ পিছৰ 'অৰুনোদই'ৰ সংখ্যাসমূহ পৰীক্ষা কৰিবলৈ পোৱা নাই।
২৩. ডিম্বেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ বুৰঞ্জী; ১৯৫৭, পৃঃ ৫৩৮
২৪. *The Assam Missionn,* Jubilee conference, p, 283 ; E, W. Brown, *The whole world kin.*
২৫. F, S, Downs, *The Mighty works of God,* 1971, p. 17,



চিংফো আদি সেই ঠাইৰ লোকে বুজি পায়, ব্ৰাওনে অসমীয়া ভাষা শিকাত মনোনিৱেশ কৰিলে আৰু পৰৱৰ্তী কালত তেওঁ আধুনিক অসমীয়া ভাষাৰ অন্যতম প্ৰতিষ্ঠাপক আৰু অন্যতম প্ৰধান বিশেষজ্ঞ স্বৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। ১৮৩৭ ছনৰ শেহলৈ তেওঁ অসমীয়াত ক'ব আৰু লিখিব পৰা হৈছিল। ১৮৩৮ ছনত তেওঁ মেথিউৰ শুভবাৰ্তাৰ অনুবাদ কৰিবলৈ আৰম্ভ কৰিলে। আনহাতে শদিয়াতে তেওঁবিলাকে পঢ়াশালিও আৰম্ভ কৰিলে। স্বামী-স্ত্ৰী দুয়ো পঢ়াশালি চলোৱা, পঢ়াশালিৰ বাবে পুথিলিখা, মিছন চলোৱা আৰু ধৰ্ম-প্ৰচাৰত মনোনিৱেশ কৰিলে। ১৮৩৮ ছনত তেওঁবিলাকৰ ছোৱালী কুমাৰী ছফিয়া ব্ৰাওনৰ মৃত্যু হয়। তথাপি এই শোকৰ মাজতো মিছনৰ কোনো কামকে এৰি দিয়া নাছিল। ১৮৩৯ ছনত খাম্‌তি-বিদ্ৰোহ ঘটাত শদিয়াৰ মিছন এৰি তেওঁবিলাক পলাই আহে আৰু জয়পুৰত মিছন পাতেহি। সেই বছৰৰ মেই মাহৰপৰা জয়পুৰত ছপাশাল বহুৱাই অসমীয়া, খামতি, শ্যান, চিংফো, নগা ভাষাত অসমীয়া আৰু ৰোমান হৰফেৰে পুথি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। ১৮৪৩ খ্ৰী°ত তেওঁবিলাক শিৱসাগৰলৈ উঠি আহে আৰু দিখৌৰ পাৰত শিৱসাগৰ মিছন আৰম্ভ কৰে।

ড° ব্ৰাওন ১৮৪৩ খ্ৰী°'ৰপৰা ১৮৫৫ খ্ৰী°লৈকে সুদীৰ্ঘ বাৰ বছৰ কাল শিৱসাগৰত আছিল আৰু এই সময়ছোৱাতে তেওঁ অসমীয়া ভাষা আৰু সাহিত্যলৈ যুগমীয়া বৰঙনি যোগাই থৈ গৈছে। মেথিউ, মাৰ্ক, লুক, য়োহানৰ বাৰ্তাৰ অনুবাদ নিউ টেষ্টামেণ্টৰ সম্পূৰ্ণ অনুবাদ, ষাঠিটা স্তুতিগীতৰ অনুবাদৰ উপৰিও ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰপৰা প্ৰকাশ কৰা 'অৰুনোদই'ৰ সম্পাদনাৰ গুৰু দায়িত্ব বহন কৰিছিল। নামৰ সংকেত দি আৰু নিদি প্ৰথম অৱস্থাত ব্ৰাওনেই আটাইতকৈ সৰহ সংখ্যক ৰচনা লিখিছিল বুলি অনুমান কৰিব পাৰি। ইয়াৰ উপৰিও অসমৰ বুৰঞ্জী সংগ্ৰহ কৰি প্ৰকাশ কৰাত আগ-ভাগ লোৱা ব্ৰাওনে তেনে পুথি প্ৰায় চল্লিছখনমান গোটায় আৰু 'অৰুনোদই'ত কামৰূপৰ বুৰঞ্জী, চুটিয়া বুৰঞ্জী আদি ধাৰাবাহিকভাৱে প্ৰকাশ কৰে। তেওঁৰ যত্নতে কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীও মিছনৰপৰা ছপা হৈ ওলায়।

ব্ৰাওনৰ আনটি উল্লেখযোগ্য অৱদান হ'ল ১৮৪৮ খ্ৰী°ত প্ৰকাশ কৰা **Grammatical Notices of the Assamese Language** নামৰ অসমীয়া ভাষাৰ দ্বিতীয়খনি[২৬] কিন্তু অধিক প্ৰণিধানযোগ্য ব্যাকৰণখনি। এই ব্যাকৰণ-

২৬. প্ৰথমখন Rev. W. Robinsonএ লিখা আৰু ১৮৩৯ খ্ৰী°ত প্ৰকাশ পোৱা *A Grammar of the Assamese Language,*

খনি পিছত ১৮৯৩ খ্ৰী°ত P. H. Moore-এ সামান্য সম্পাদনা কৰি প্ৰকাশ কৰে আৰু কিতাপখনৰ নাম ৰখা হয় Grammatical Notes on the Assamese Language.[২৭] অসমীয়া ভাষাক অসমৰ স্কুল-আদালতত পুনৰ্ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ব্ৰাওন ব্ৰন্সনে যিখিনি সেৱা আগবঢ়াই থৈ গ'ল, অসমীয়া মানুহে সেই সেৱাৰ কথা চিৰদিন কৃতজ্ঞতাৰে সুঁৱৰি থাকিব।

ব্ৰাওনৰ উল্লেখযোগ্য অৱদানৰ ফলতে অৰুনোদইৰ বুকুত আধুনিক অসমীয়া ভাষাৰ বিকাশ সম্ভৱপৰ হৈছিল। 'অৰুনোদই'ৰ ভাষা পূৰ্বতে উল্লেখ কৰি অহাৰ দৰে শিৱসাগৰীয় কথিত ভাষা, বুৰঞ্জীৰ ভাষা আৰু ইংৰাজী বাক্য-গাঁথনিৰ ঠাঁচ এই তিনিওটাৰ সমন্বয়ত গঢ় লৈ উঠিল। আখৰ জোঁটনিৰ ক্ষেত্ৰতো ব্ৰাওনৰ মতেই 'অৰুনোদই'ৰ মত আছিল।[২৮]

মিছনেৰিসকলৰ অসমীয়া ভাষাক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে "খৃষ্টিয়ানী অসমীয়া" ভাষা বুলিছে, আৰু তেওঁবিলাকৰ এই ভাষাত ভালকৈ মাত নুফুটা কেঁচুৱা ল'ৰাৰ মনমোহা সুৱলা ভাৱৰ প্ৰকাশ লক্ষ্য কৰিছে।[২৯] তেওঁ-বিলাকৰ ভাষাৰ বাহিৰৰ গঢ়টো তেওঁবিলাকৰ লগতে থাকিলেও, তেওঁবিলাকে অসমীয়া ভাষাক যি নতুন শক্তি আৰু সুৰ দিলে, সিয়েই আধুনিক অসমীয়া ভাষাৰ আধুনিক গঢ় সম্ভৱপৰ কৰি তুলিলে। গোস্বামীয়ে বৰ সুন্দৰকৈ কৈছে, "তুমি সেই সুৰটিৰ স্বভাৱ নুবুজিব পাৰা, কিয়নো, তুমি এই সুৰটি উপজিবৰপৰা শুনি ডাঙৰ হৈছা। কিন্তু শংকৰদেৱক মাতি আনা, মাধৱদেৱক মাতি আনা, তেওঁবিলাকে ততালিকে তোমাক বুজাই দিব, আঙুলিৰে ধৰি দেখুৱাই দিব, যে এইটো ভাৰতবৰ্ষীয় সুৰ নহয়, বিলাতী সুৰ।"[৩০]

'জাত্ৰিকৰ জাত্ৰা'ত আমি ভাষাৰ সেই নতুন সুৰটো গভীৰ আৰু বিস্তৃত হৈ প্ৰকাশ পোৱা দেখিবলৈ পালোঁ। অসমীয়া ভাষা-সম্পৰ্কে অসমীয়া মানুহক অৱহিত, সজাগ আৰু সতৰ্ক কৰি তোলাতো 'অৰুনোদই'ৰ আৰু ব্ৰাওন-ব্ৰন্সনৰ বৰঙনিয়েই সৰহ।

২৭, Nagen Saikia, "Grammar of the Assamese Language and Rev. Dr. Nathan Brown" (Introduction to the Reprint of Rev. Dr, Nathan Brown's *Grammatical Notes on the Assamese Language* 1982).

২৮. 'অৰুনোদই'ৰ ৯ম বছৰ ৪ৰ্থ সংখ্যা ( এপ্ৰিল, ১৮৫৪ খ্ৰী° ) দ্ৰষ্টব্য।

২৯. পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী ( বেনুধৰ শৰ্মা-সম্পাদিত ), পৃঃ ১৩৩।

৩০, উল্লিখিত গ্ৰন্থ. পৃঃ ১৩৪।



১৮৫৫ খ্ৰীষ্টাব্দত ব্ৰাওন আমেৰিকালৈ যায় আৰু ১৮৭৩ খ্ৰীষ্টাব্দত তেওঁ জাপানলৈ আহে। তেওঁ য়াকোহামাত থাকি জাপানী ভাষা শিকি ছবছৰৰ ভিতৰত জাপানী ভাষালৈ নিউ টেষ্টামেণ্ট ভাঙনি কৰি প্ৰকাশ কৰে। এই সৰ্বাত্মবাদী, ভাষাতাত্ত্বিক পণ্ডিত গৰাকীয়ে ১৮৮৬ খ্ৰীঃৰ ১ জানুৱাৰীত জাপানতে শেষ নিশ্বাস ত্যাগ কৰে।*

## এ. এইছ. ডেনফোৰ্থৰ পৰিচয়ঃ

'জাত্ৰিকৰ জাত্ৰা'ৰ অষ্টম অধ্যায়ৰ শেহৰ পৰা সমগ্ৰ পুথিখনিৰ অন্তলৈকে অনুবাদ কৰি উলিয়াওঁতা আৰু ড° ব্ৰাওনে অসম এৰাৰ পিছত 'অৰুনোদইৰ' সম্পাদনাৰ দায়িত্ব ( ১৮৫৫—১৮৫৭ ) বহন কৰোঁতা এ. এইছ. ডেনফোৰ্থে জন্ম-গ্ৰহণ কৰে ১৮১৭ খ্ৰীঃৰ জুলাইৰ ৮ তাৰিখে মাছাছুৱেটছৰ পেলহামত। তেওঁৰ ঘৰুৱা অৱস্থা আছিল অস্বচ্ছল। মাছাছুৱেট্ছ্ আৰু হেলিফক্সত শৈশৱ পাৰ কৰা ডেনফোৰ্থে ১৯ বছৰ বয়সত শৰণ লয়। হেমিল্টন এৰি মেচিডন বিশ্ববিদ্যালয়ৰপৰা ১৮৪৫ খ্ৰীষ্টাব্দত স্নাতক হয় আৰু ১৮৪৭ খ্ৰীঃত থিয়লজিকেল ইন্‌ষ্টিটিউটৰ শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত অসম-মিছনৰ বাবে নিযুক্তি লাভ কৰে। ১৮৪৭ খ্ৰীঃৰ নৱেম্বৰ মাহত বোষ্টন বন্দৰত জাহাজত উঠি ১৮৪৮ ছনত গুৱাহাটী পায়হি আৰু মিছনত যোগ দিয়ে। প্ৰথম বছৰটোত তেওঁ অসমীয়া ভাষা ক'ব আৰু লিখিবলৈ শিকে আৰু মিছন-পৰিচালনা, মিছনৰ গীৰ্জা সজোৱা আদি কামত লাগে। সহজে সাধাৰণ মানুহৰ লগত মিলিব পৰা ডেনফোৰ্থে সোনকালেই অসমীয়া ভাষা আয়ত্ত কৰে আৰু ১৮৫৫ খ্ৰীঃত ড° ব্ৰাওন আমেৰিকালৈ যোৱাত তেওঁ শিৱসাগৰ মিছনলৈ গৈ 'অৰুনোদই'ৰ সম্পাদনাৰ দায়িত্ব লয়। এই সময়তে ব্ৰাওনে এৰি থৈ যোৱা 'জাত্ৰিকৰ জাত্ৰা'ৰ শেহৰ অংশৰ অনুবাদ সম্পূৰ্ণ কৰি তেওঁ ১৮৫৭ খ্ৰীষ্টাব্দৰ আৰম্ভণিতে প্ৰকাশ কৰে আৰু অসমীয়া উপন্যাস প্ৰকাশৰো আৰম্ভণি ঘটায়। শিৱসাগৰত থকা সময়ছোৱাৰ ভিতৰত তেওঁ খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ পুস্তিকা ( tract ) লিখে। অ. হ. দ. আৰু আ. হ. দ. ( Appleton Howe Danforth ) এই দুয়োটা সংকেত ডেনফোৰ্থৰ নামৰ সংকেত যেন লাগে।

অসমত বঙলা ভাষা চলোৱাৰ বিৰুদ্ধে আৰু অসমীয়া ভাষাৰ সপক্ষে ডেনফোৰ্থে ১৮৫৪ খ্ৰীষ্টাব্দৰ ৩০ অক্টোবৰত ড° মাইল্‌ছ্ ব্ৰঞ্চনলৈ দিয়া

* ১৯৮৬ খ্ৰীঃৰ ১ জানুৱাৰীত ব্ৰাওনৰ মৃত্যুৰ এশ বছৰ পূৰ্ণ হ'ব। "জাতিকৰ জাত্ৰা"ৰ এই সংস্কৰণৰ প্ৰকাশ সেইবাবে তাৎপৰ্যপূৰ্ণ হ'ব। —সম্পাদক

চিঠিখন[৩১] অসমীয়া ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ ইতিহাসৰ এটি লাগতিয়াল উল্লিখন।

১৮৫৭ চনত তেওঁ পুনৰ গুৱাহাটীলৈ যায় আৰু তেওঁৰ ঠাইত শিৱসাগৰলৈ আহে ছেমুৱেল এম. হোৱাইটিং। ১৮৫৮ খ্ৰীঃত ডেনফোৰ্থ আমেৰিকালৈ যায়গৈ আৰু ১৮৬২ খ্ৰীঃত Philadelphia-ত তেওঁ পেষ্টৰ হয়। মাত্ৰ ৪৮ বছৰ বয়সত ১৮৬৫ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত তেওঁ শেষ নিশ্বাস পেলায়।

ভাবিলে আচৰিত হ'ব লাগে সুদূৰ আমেৰিকাৰ পৰা ধৰ্ম প্ৰচাৰৰ বাবে অহা মিছনেৰিসকলে মৃত্যুৰ মুখত পৰা অসমীয়া ভাষাক কেনেকৈ নতুন প্ৰাণ-শক্তি দি জীয়াই তুলিলে। তদুপৰি, পাশ্চাত্য চিন্তা-চৰ্চা, অনুভৱ কল্পনাৰ লগতো তেওঁলোকে স্থাপন কৰি দিলে প্ৰথম সম্পৰ্ক। আধুনিক অসমীয়া ভাষাৰ লগতে আধুনিক অসমীয়া সাহিত্যয়ো এওঁলোকৰ যত্নতে নতুন পথ বিচাৰি ল'লে; আৰু এই পথ বিচৰাৰ ইতিহাসৰ লগত সোতৰ শতিকাৰ ইংলেণ্ডৰ ৰহস্যবাদী ৰূপক-কাহিনীৰ কথক জন বানিয়ানকো আনি লগ লগাই দিলেহি। তাৰদ্বাৰা অসমীয়া মানুহক খ্ৰীষ্টধৰ্ম দান কৰা সম্ভৱ হওক নহওক, অসমীয়া আধুনিক কথা-সাহিত্যৰ নৱ-যাত্ৰা সূচিত হ'ল। ড° ব্ৰাওন আৰু ডেনফোৰ্থৰ ওচৰত এই কাৰণেও অসমীয়া সাহিত্য ঋণী হৈ থাকিল।

## ৩. অসমীয়া ভাষা আৰু সাহিত্যত 'জাত্ৰিকৰ জাত্ৰা'ৰ স্থান

### ভাষাৰ বৈশিষ্ট্য ঃ

'খ্ৰীষ্টিয়ান-অসমীয়া' ভাষাৰ বৈশিষ্ট্য-সম্পৰ্কে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ অভিমত ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে। ইয়াৰ উপৰিও শিৱসাগৰীয়া কথিত ভাষা আৰু বুৰঞ্জীৰ ভাষাৰ প্ৰভাৱৰ কথাও উল্লেখ কৰা হৈছে। তলৰ উদাহৰণ কেইটিয়ে বিষয়টো স্পষ্ট কৰিব।

(ক) আৰু পাসুপত্ৰ ১, বৰঢাক ১, চোমদেও, চেঙ্গদেও, এই কেইটি বস্তু দি সিফালে, বোলে, জেঁআই হলে জেমনে সমুৰ, জেঠেৰি, বৈনাই, এই সকল সহিতে দন্দ কন্দল কৰিলে আপোনাৰ ভাৰ্জাও হবাই, আৰু পখিএ জেনে ৰূপে আপোনাৰ পোখালি পাখিএৰে ঢাকি বাত

[৩১] F. S. Downs, "Missionaries and the Language Controversy in Assam," (in, Journal of the University of Gauhati, vols. XXVIII-XXIX, No 1., pp. 146-148).



ৱিষ্টি দুখৰপৰা ৰখ্যা কৰি, আহাৰ খুআই ডাঙ্গৰ কৰে, সেই মতে দুয়ো ভায়েৰে প্ৰজাক ৰখ্যা কৰিবি। এই ৰূপে সিকাই বহু বিতিয়া লগত দি পঠালে। পাচে দুয়ো ভায়েকে সোনৰ জখলাৰে নামি আহি অৱণ্যত ৰলহি।" [ পুৰনি অসম বুৰঞ্জি, অৰুণোদই, আগষ্ট, ১৮৫০, পৃঃ ৬০।]

(খ) "ইয়াতে মই দেসৰ এনে তললৈ জোআ বুধি দেখি সহিব নোআৰিহে লিখিচোঁ। আৰু এনে বাঞ্চা কৰোঁ জে ৰজা, গোহাঁই, ফুকন, ৰাজখোআ আদি লোকসকলৰ জিখিনি লৰাৰ ডাঙ্গৰ হৈ পঢ়িবৰ দিন গ'ল সেই খিনিকি এৰি জিটি ইঁতৰ পঢ়িবৰ কাল আচে, সিবিলাকে কালে নোপোআলৈকে মিচাত কাল ন কটাই বাপেক মাকে অনেক শ্ৰম কৰিও পঢ়াই গিয়ানৱন্ত কৰোক।"
[ Lakhmilal Dutt ( শিৱসাগৰৰ )ৰ চিঠি ঃ অৰুনোদই, আগষ্ট, ১৮৫৪ ]

(গ) "হে আমাৰ প্ৰিয় সকল, তোমোলাকৰ পত্ৰ সকল পাই আমাৰ বৰ আনন্দ লাগিচে; শ্ৰীযুত হোয়াইটিং চাহাবে মোৰ হাতত দিলত, ময় ঘৰলৈ আনি সেইবোৰ পঢ়ি মেম চাহাবকো সুনালত আমাৰ দুয়োৰে চকুৰ লো ওলাবলৈ ধৰিলে; কিয়নো আমি বহু দিনৰপৰা তোমোলাকৰ একো চিঠি পোৱা নাই, আৰু তোমোলাকে আমাৰ পৰা এখন চিঠি মাথোন পালা, তাকে সুনি আমি বৰ বিস্ময় মানিছোঁ।"
[ ড° নাথান ব্ৰাওনে লিখা চিঠি, অৰুণোদই, অক্টোবৰ, ১৮৬১ ]

যদিও (খ) চিহ্নৰ পত্ৰখনি শিৱসাগৰৰ কথিত ভাষাৰ পোনপটীয়া নিদৰ্শন নহয়, তথাপি তাৰ মাজত সমকালীন শিক্ষিত থলুৱা লোকৰ ভাষাৰ উমান পাব পাৰি। (ক) আৰু (খ) দুয়ো চিহ্নৰ ভাষাৰ লগত ড° ব্ৰাওনৰ চিঠিৰ ভাষাৰ প্ৰকাশভংগীৰ পৃথকতা সহজে অনুমান কৰিব পাৰি; 'জাত্ৰিকৰ জাত্ৰা'ৰ গদ্যক ইবিলাক অংশৰ লগত মিলাই চাব পাৰি।

"এনে অৱস্থা হলত সেই মানুহ ঘৰলৈ গৈ আপোন লৰা তিৰোতাই নু বুজিবলৈ জিমানলৈকে পাৰিচিল, আপোনাৰ পেটত দুখ দমনকৈ থৈচিল, কিন্তু অসন্তোষ বাঢ়ি গলত সবহ কাল ৰাখিব নোআৰিলে; এই হেতুকে ক্ৰমে তিৰোতা আৰু লৰাৰ আগত পেট ভাঙ্গি কবলৈ

ধৰিলে, বোলে, অ' মোৰ, আৰু মোৰ পেটৰ লৰাটিহঁত, তোমোলাকৰ অতি বেথাৰ মিতিৰ জি মই, সৰ্বনাশ হৈচেঁ কিয়নো মোৰ ওপৰত এটা বোজাই হেঁচি ধৰি আছে ; আৰু মই বাতৰা পাই স্বৰুপকৈ জানিচোঁ, আমাৰ এই নগৰ স্বৰগৰ জুইৰে পুৰি জাব ; সাৰিবলৈ জদি কোনো উপাই নোলাই, সেই ভয়ঙ্কৰ বিনাসৰ কালত তুমি মোৰ ঘৈণী, আৰু মোৰ লৰাটিহঁত, তোমোলাকো মোৰে সৈতে বৰ দুখেৰে সৰ্বনাশ হ'বা ; এতিয়া হলে একো উপাই নেদেখোঁ।"

[ জাত্রিকৰ জাত্রা, অৰুণোদই, জানুআৰি, ১৮৫১ । ]

'জাত্রিকৰ জাত্রা'ত ব্যৱহৃত অনেক শব্দ এতিয়া অপ্রচলিত হৈছে সঁচা, কিন্তু বাক্য-গাঁথনিৰ যিটো ঠাঁচ অসমীয়া গদ্যলৈ কঢ়িয়াই আনিলে সেই ঠাঁচেই হৈ পৰিল পৰৱৰ্তীকালত গঢ় লোৱা আধুনিক অসমীয়া ভাষাৰ বাক্য-গাঁথনিৰ আৰ্হি। অৱশ্যে মিছনেৰি সকলে সুমুওৱা এই ঠাঁচটো তেওঁলোকৰ হাতত অসমীয়া ভাষাৰ স্বাভাৱিক ৰূপ স্বৰূপে ততালিকে গৃহীত হোৱা নাছিল। বৰং, তেওঁলোকে ঘৰুৱা অসমীয়া শব্দ ব্যৱহাৰ কৰিলেও ভাষাৰ ঠাঁচ জতুৱা নহৈ 'বিলাতী' হৈ পৰিছিল। 'জাত্রিকৰ জাত্রা'ৰ মাজত খ্রীষ্টিয়ান-অসমীয়া ভাষাৰ 'বিলাতী' ঠাঁচটো ফটফটীয়াকৈ ওলাই আছে।

## অসমীয়া সাহিত্যত 'জাত্রিকৰ জাত্রা'ৰ ঐতিহাসিক গুৰুত্ব ঃ

'জাত্রিকৰ জাত্রা'ই অসমীয়া ভাষাৰ আধুনিক যুগৰ আৰম্ভণী পৰ্বৰ নিদৰ্শন কঢ়িয়াই অনাৰ উপৰিও আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসত উপন্যাস ৰচনাৰ আৰম্ভণিও ঘটালে। জন বানিয়ানে নিজেও 'উপন্যাস' নামৰ তেতিয়াও সৃষ্টি নোহোৱা সাহিত্য-ধাৰাটো সৃষ্টি কৰাৰ কথা ভবা নাছিল ; কিন্তু, ইংৰাজী সাহিত্যৰ ইতিহাসত The Pilgrim's Progressএ তেওঁ নভবা ধাৰাটোৰ সৃষ্টিতে অৰিহণা যোগালে। কাৰণ, অষ্টাদশ শতিকাত গঢ় লোৱা উপন্যাসৰ বাবে কাহিনী, ঘটনা, চৰিত্র আদিৰ যি বাস্তৱ-নিৰ্ভৰ চিত্রণ-নৈপুণ্যৰ প্রয়োজন, বানিয়ানে তেনে নৈপুণ্যৰেই The Pilgrims Progress ৰচনা কৰি গ'ল। উল্লেখযোগ্য যে ইংৰাজী সাহিত্যৰ এই গ্রন্থৰ অনুবাদেৰেই অসমীয়া ভাষাতো আধুনিক কথাশিল্পৰ এই বিশিষ্ট ধাৰাটিৰ আৰম্ভণি সূচিত হ'ল। দ্বিতীয়তে, এই গ্রন্থখনিয়ে প্রাক ৰেষ্টোৰেচন্ যুগৰ



ইংৰাজী সাহিত্যৰ আৰু সমকালীন পাশ্চাত্য অধ্যাত্মবাদ তথা জীৱন-দৰ্শনৰ লগত অসমীয়া মানুহৰ পৰিচয় প্রতিষ্ঠা কৰিলে। ৰেনেছাঁ যুগৰ সাহিত্য বা ৰোমাণ্টিক পুনৰুত্থান পৰ্বৰ সাহিত্যতকৈ 'জাত্রিকৰ জাত্রা'ৰ ভাবনা সেই যুগৰ অসমীয়া মানুহৰ বাবে অধিক গ্রহণীয় হোৱাৰ বাবে ইউৰোপীয় সাহিত্যৰ এই প্রৱেশে আমাৰ প্রাচীন সাহিত্যৰ লগত সংঘাত সৃষ্টি নকৰাকৈ এটা পশ্চিমীয়া ধাপৰ আৰু আধুনিক ধাপৰ আৰম্ভণি ঘটালে। অৱশ্যে 'জাত্রিকৰ জাত্রা' গ্রন্থাকাৰে প্রকাশ হোৱাৰ ত্রিছ বছৰতকৈ অধিক সময়ৰ পিছতহে অসমীয়া উপন্যাসৰ ধাৰাবাহিক আৰম্ভণি ঘটা বুলি ক'ব পাৰি। সেইবাবে, অসমীয়া সাহিত্যৰ প্রায় আটাইকেওগৰাকী বুৰঞ্জী লেখকেই 'জাত্রিকৰ জাত্রা'-সম্পৰ্কে বিশেষ আলোচনা-সমালোচনা কৰা নাই।[৩২] বৰং প্রত্যেকেই 'জাত্রিকৰ জাত্রা'ৰ পিছত প্রকাশিত খ্রীষ্টীয় কাহিনী 'এলোকেশী বেশ্যাৰ বিষয়', 'কামিনিকান্ত', 'ফুলমণি আৰু কৰুণা' 'কনি বেহেৰুৱাৰ বিষয়'[৩৩] আৰু হেমচন্দ্র বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰি,' পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান,' আদিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা বুলিব পাৰি। ড° সত্যেন্দ্রনাথ শৰ্মাই তেখেতৰ 'অসমীয়া উপন্যাসৰ ভূমিকা' নামৰ গ্রন্থত 'জাত্রিকৰ জাত্রা'ৰ কাহিনীৰ এটি চমু আভাস দি কৈছে, "মিছনেৰি সকলে ৰূপকাত্মক কাহিনীটো কথিত গদ্যত অনুবাদ কৰি দীৰ্ঘায়তন গদ্য-কাহিনীৰ বা উপন্যাসৰ পথৰ সন্ধেদ দি যায়।"[৩৪] হেম বৰুৱাই তেওঁৰ Assamese Literature তো 'জাত্রিকৰ জাত্রা'ক উপন্যাস বুলি ক'ব খোজা নাই ; তত্রাচ কৈছে যে পৰৱৰ্তী কালৰ অসমীয়া উপন্যাস 'জাত্রিকৰ জাত্রা'ৰ ওপৰত কিছু পৰিমাণে ঋণী।[৩৫] সন্দেহ নাই, পূৰ্বে উল্লেখ কৰি অহাৰ দৰে ইয়াক যথাৰ্থ উপন্যাস বুলি ক'ব নোৱাৰি ; তথাপি

৩২. ডিম্বেশ্বৰ নেওগ, নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৬৪, পৃঃ ২৯০
B. K. Barua, *History of Assamese Literature*, 1964, p. 106, 167 ;
মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৭৪, পৃঃ ২৪১, ৩১৩ ;
সত্যেন্দ্রনাথ শৰ্মা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১৯৫৯, পৃঃ ২৪০, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮১, পৃঃ ২৪২, ৩১০ ;

৩৩. দ্রষ্টব্য—ড° প্রফুল্লদত্ত গোস্বামী-সম্পাদিত কামিনীকান্তৰ চৰিত্র, ১৯৬০ ;
নন্দ তালুকদাৰ সম্পাদিত এলোকেশী বেশ্যাৰ বিষয় আৰু কনিবেহেৰুৱাৰ বিষয়, ১৯৮০

৩৪, পৃঃ ৩৪-৩৫ ।

৩৫. pp. 201-202.

The Pilgrim's Progress উপন্যাস স্বৰূপে গ্ৰহণ কৰা হৈছে ইয়াত দেখা পোৱা আৰু অনুভৱ কৰা বাস্তৱ-উপাদানৰ বাবেই।"৩৬ একেটি মন্তব্য অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰতো প্ৰযোজ্য।

## পুনৰ্সম্পাদনা আৰু পুনৰ্মুদ্ৰণৰ প্ৰয়োজনীয়তা ঃ

'জাত্ৰিকৰ জাত্ৰা'ই 'খ্ৰীষ্টীয়-অসমীয়া' গদ্য-ৰীতি আৰু চিন্তা ভাৱনাৰ পৰিচয় কঢ়িয়াই অনাৰ উপৰিও আধুনিক অসমীয়া গদ্য-ৰীতি আৰু সাহিত্য-ৰীতি গঠনৰ প্ৰস্তুতি-পৰ্বৰ মূল্যবান দলিল স্বৰূপে নিজকে চিহ্নিত কৰিলে। পাশ্চাত্ত্য অধ্যাত্ম দৃষ্টিভংগী আৰু বাস্তৱ-জীৱনৰ লগত অসমীয়া পাঠকক পৰিচয় কৰোৱাতো 'জাত্ৰিকৰ জাত্ৰা'ই বিশেষ ভূমিকা পালন কৰি গৈছে। তদুপৰি, এটি খ্ৰীষ্টীয় ৰূপকাত্মক সাহিত্য-কৰ্ম স্বৰূপে থকা ইয়াৰ চিৰায়ত মূল্যৰ লগতো অসমীয়া পাঠকৰ সম্পৰ্ক স্থাপন কৰি দিয়াত গ্ৰন্থখনিয়ে বিশেষ বৰঙনি যোগাই গৈছে। এই সকলো দিশ চকুৰ আগত ৰাখিয়েই 'জাত্ৰিকৰ জাত্ৰা' পুনৰ সম্পাদনা আৰু পুনৰ মুদ্ৰণৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে।

গ্ৰন্থখনিৰ যিখিনিলৈকে (৮ম অধ্যায়ৰ প্ৰথম দুই পঞ্চমাংশলোকে) 'অৰুণোদই'ত প্ৰকাশিত হৈছিল, সেইখিনি 'অৰুণোদই'ৰ পৰা প্ৰতিলিপি কৰা হৈছে আৰু পিছৰ অংশ ছপা হৈ ওলোৱা 'যাত্ৰিকৰ যাত্ৰা' পুথিৰপৰা লোৱা হৈছে। এনেভাৱে 'অৰুণোদই'ৰ পৰা লোৱাৰ প্ৰধান কাৰণ হ'ল গ্ৰন্থাকাৰে ছপাই উলিয়াওঁতে আৰু গ্ৰন্থৰ পিছৰ সংস্কৰণবোৰতো প্ৰথমৰ ভাষা কিছু সংশোধন কৰি উলিওৱা হৈছিল বুলি থকা ধাৰণা।৩৭ দেখা গ'ল তেনে ধাৰণাৰ কোনো ভিত্তি নাই। তদুপৰি, আমি মিছনেৰি-অসমীয়া গদ্যৰীতি আৰু আখৰ-জেঁাটনিও একে ৰাখি গ্ৰন্থখনি সম্পাদনা কৰা অধিক প্ৰয়োজনীয় বুলি অনুভৱ কৰিলোঁ। উল্লেখযোগ্য যে ১৮৫৭ খ্ৰীষ্টাব্দত প্ৰকাশিত গ্ৰন্থৰূপ এতিয়ালৈকে ক'তো পোৱা নাই।

মিছনেৰিসকলে আখৰ-জেঁাটনিৰ যিটিৰূপ গ্ৰহণ কৰিছিল, হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ব্যাকৰণ (১৮৫৯) ওলোৱাৰ পিছত, তেওঁৰ যত্নতে সেই জেঁাটনি অৱশেষত মিছনেৰিসকলেও এৰিবলগীয়া হ'ল।৩৮ ১৮৬১ খ্ৰীঃৰ পৰা

৩৬. W. Allen, *The English Noval* (Pelican Edn.) 1967, p. 32.

৩৭. P. Hazarika, *The Beginning of the Assamese Novel* (unpublished, Doctoral thesis, D. U., 1975), p. 47.

৩৮. হেমচন্দ্ৰ বৰুৱা, আত্মজীৱন চৰিত (অসমীয়া সাহিত্যৰ চানেকি, তৃতীয় ভাগ, ১ম খণ্ড, পৃঃ ১৭৩)।



'অৰুণোদই'ৰ জেঁাটনিও 'অৰুণোদয়' হৈ ওলাল। অৱশ্যে তেতিয়া ড° ব্ৰাওন নাছিল; ড° ব্ৰন্সন আছিল যদিও তেওঁ পূৰ্বৰ আখৰ-জেঁাটনিহে মানি চলিছিল।৩৯

দেখা গ'ল, আখৰ-জেঁাটনিৰ পৰিৱৰ্তনৰ বাহিৰে পিছৰ সংস্কৰণৰ 'যাত্ৰিকৰ যাত্ৰা'ত ভাষা বা প্ৰকাশ ভংগীৰ কোনো হেৰ-ফেৰ ঘটোৱা নাই। আমি সতৰ্কতাৰে প্ৰথমৰ আখৰ-জেঁাটনিৰেই গ্ৰন্থখনিৰ প্ৰতিলিপি প্ৰস্তুত কৰিছোঁ। পিছৰ সংস্কৰণৰ 'যাত্ৰিকৰ যাত্ৰা' এখনি দি এই কামটি সম্পূৰ্ণ কৰাত সহায় কৰিছে অসমীয়া ভাষা-সাহিত্যৰ একৰাকী একনিষ্ঠ সেৱক, নগাওঁ ছোৱালী কলেজৰ অসমীয়া সাহিত্যৰ অধ্যাপক, বন্ধুবৰ শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞাই। এই সুযোগতে শ্ৰীযুত ভূঞালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰকাশন-সমিতিয়ে 'জাত্ৰিকৰ জাত্ৰা' প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে এই বিভাগৰ মূৰব্বী, সাহিত্য-ৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰাধ্যাপক ড° মহেন্দ্ৰ বৰা প্ৰমুখ্যে সমিতিৰ সদস্যসকললৈ আমাৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনি অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰোঁতা সকলৰ কামত লাগিলেই আমাৰ এই সামান্য শ্ৰম সাৰ্থক হ'ব। গ্ৰন্থখনিৰ বেটুপাতৰ শিল্পী শ্ৰীবীৰেন সিংহক জ্ঞাপন কৰিলোঁ আন্তৰিক সুভেচ্ছা আৰু মুদ্ৰক পূৰ্বোদয় প্ৰেছক জনালোঁ ধন্যবাদ।

১৫ জানুৱাৰী, ১৯৮৫

নগেন শইকীয়া
ডিব্ৰুগড় বিশ্ববিদ্যালয়

৩৯. দ্ৰষ্টব্য—১৮৬৭ খ্ৰীঃত প্ৰকাশিত Miles Bronsonৰ 'অসমিয়া আৰু ইংৰাজি অভিধান'ৰ preface, p. v. ত তেওঁ স্পষ্ট ভাষাৰে কৈছে "The system of of orthography adopted in this work, is that of Jaduram Barua, learned Assamese pundit, which it is believed much better corresponds with the actual pronounciation of the people than any other system met with."

১ আধ্যা

# জাত্রিকৰ জাত্রা

এই জগতৰ অৰন্যৰ মাজত মই ফুৰি জাঁওতে জি এখন ঠাইত এটা গাঁত আচিল, এনে ঠাই পালোঁহি। তাতে পৰি সুই থাকোঁতে এক সমাজিক দেখিলোঁ। সেই সমাজিকত গাত ফটা চটা কাপৰ পিন্ধি, আপোনাৰ ঘৰৰ ফাললৈ পিঠি দি, হাতত এখন পুথি ধৰি, পিঠিত বৰ গধুৰ বোকোচা বন্ধা থিয় হৈ থকা এটা মানুহক দেখিলোঁ। তাক চাই থাকোঁতে পুথি মেলি পৰ্হিবৰ দেখিলোঁ, আৰু পৰ্হি চাই সি কঁপি কঁপি কান্দিবলৈ ধৰিলে। পাচে আৰু নিজম দি থাকিব নোঅৰাত সি বৰ অসন্তোস মাতেৰে এঁটাহ পাৰি বুলিলে, মই কি মৰিম ?

এনে অৱস্থা হলত সেই মানুহ ঘৰলৈ গৈ আপোন লৰা-তিৰোতাই নু বুজিবলৈ জিমান লৈকে পাৰিচিল, আপোনাৰ পেটত দুখ দমনকৈ ৰাখি থৈচিল ; কিন্তু অসন্তোস বাৰ্হি গলত সৰহ কাল ৰাখিব নোআৰিলে ; এই হেতুকে ক্রমে তিৰোতা আৰু লৰাৰ আগত পেট ভাঙ্গি এই ৰূপে কবলৈ ধৰিলে, বোলে, অ মোৰ প্রিয়া, আৰু মোৰ পেটৰ লৰাটিঁইত, তোমোলাকৰ অতি বেথাৰ মিত্তিৰ জি মই, মই সৰ্বনাস হৈচোঁ ; কিয়নো মোৰ ওপৰত এটা বোজাই হেঁচি ধৰি আচে ; আৰু মই বাতৰা পাই স্বৰূপকৈ জানিচোঁ, আমাৰ এই নগৰ স্বৰগৰ জুইৰে পুৰি জাব ; সাৰিবলৈ জদি কোনো উপাই নোলাই, সেই ভয়ঙ্কৰ বিনাসৰ কালত তুমি মোৰ ঘৈনি, আৰু মোৰ প্রিয় লৰাটিঁইত, তোমোলাকো মোৰে সৈতে বৰ দুখেৰে সৰ্বনাস হবা ; এতিয়া হলে একো উপাই নে দেখোঁ। এই কথা সুনি তাৰ পৰিয়ালৰ বৰ উকমি লাগিল ; তাৰ কথা স্বৰূপ বুলি পত্তিয়ালে, এনে ন হই ; তাৰ মুৰত পাগল বায়ু সোমাই বলিয়া কৰা জানিলে। তাতে গধুলি বেলি হোআত টোপনিত মুৰৰ বায়ু সান্ত হব বুলি আসা কৰি, বেগাই খাটত সুআই থলে। কিন্তু দিনত জেনে

দুখ, ৰাতিও তেনে ; এই কাৰণে টোপনিও ন ধৰি দিঘল নিশ্বাস, চকুৰ লোএৰে নিসা নিয়ালে। পাচে ৰাতি পুআলত তোমাৰ কেনে হৈচে বুলি সিহঁতে সুধিলে। সি কলে, বোলে, কেৱল বেয়া হৈহে গৈচোঁ। পাচে সিহঁতক আগৰ কথা কবলৈ ধৰাত সিহঁতৰ টান মন হৈ আও কান কৰিলে ; আৰু চোকা কঠিন বেৱহাৰেৰে ইয়াৰ ৰোগ গচাম বুলি মনেৰে পাঙ্গিলে ; কেতিয়াবা তাক নিন্দা কৰে, কেতিয়াবা ডাবি দিএ। কেতিয়াবা এৰি তাৰে সৈতে একো ন কই। এই হেতুকে সিহঁতলৈ মৰম লাগি, সিহঁতৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আৰু আপোন দুখৰ সোক কৰিবৰ নিমিত্তে সি আপোনাৰ খোঁটালি সোমাই সোমাই থাকিবলৈ ধৰিলে। আৰু কেতিয়াবা পুথি পহি, কেতিয়াবা প্ৰাৰ্থনা কৰি, খেতি পথাৰত অকল সৰে ফুৰি ফুৰি থাকে। এইৰূপে কেতখনি দিন কাল নিয়ালে।

পাচে এদিনা পথাৰত ফুৰি আপোন আচাৰৰ দৰে পুথি পহিঁ মনে বৰ অসন্তোস হোআ তাক দেখিলোঁ ; আৰু পহিঁ চাওঁতে আগৰ দৰে ফুটাই এটাহ পাৰি বুলিলে. পৰিত্ৰান পাবলৈ মই কি কৰিম ? আৰু ইফালে সিফালে চাই লৰ মাৰি জাব খোজা জেন তাক দেখিলোঁ ; কিন্তু কোন বাটে জাম, ইয়াক বুজিব নোআৰি ৰৈ আচিল। তেতিয়া উপদেসক নামে এজন মানুহক তাৰ ওচৰলৈ জাবৰ দেখিলোঁ ; সি তাত সুধিলে, বোলে, তুমি কিয় কান্দিচা ? সি কলে, হে আতা, মোৰ হাতত জি পুথি আচে, তাৰে বুজিচোঁ, মই মৰিবলৈ দণ্ডৰ আগ্যা আচে, তাৰ পাচে সোধলৈ আহিব লগা ; তাক কৰিবলৈ মোৰ ইচা নাই, ইয়াকো কৰিবলৈ সক্তি নাই, মই বিবেচনা কৰি ইয়াকে জানেঁা।

তেতিয়া উপদেসকে কলে, জিয়াই থাকোঁতে কত কত দুখ আচে, ইয়াকে দেখি কিয় মৰিবলৈ ইচা নাই ? তাতে সেই মানুহে উতৰ কৰিলে, কাৰণ এই, মোৰ পিঠিত জি ভাৰ আচে সি মোক মৈদামতকৈ তললৈ নিব, আৰু মই পাতালত পৰিম, ইয়ালৈ মোৰ ভই। হে আতা মই জদি বন্দি সালত সোমাবলৈ জুগুত ন হওঁ, তেন্তে সোধলৈ আৰু তাৰ পৰা দণ্ডলৈকো জাবলৈ কোনো মতে সমৰ্থন হওঁ ; এইবিলাক কথা ভাবি এই কান্দেঁা।

তেতিয়া উপদেসকে কলে, তোমাৰ জদি এনে অৱস্থা হই, কি কাৰণে থিয় হৈ ৰৈ আচা ? সি উতৰ কৰিলে, কোন পোনে জাব লাগে, তাক মই নে জানেঁা। তেতিয়া উপদেসকে তাক এখন নুৰিওআ চাল দিলে ; তাৰ ভিতৰ ফালে এনে লিখা আচিল, "আগলৈ হব লগা ক্ৰোধৰ পৰা পলাই জাবা।"



সি তাক পহিঁ উপদেসকলৈ একে ঠৰে চাই সুধিলে, কোন ফাললৈ পলাব লাগে ? তাতে উপদেসকে এখান বহল পথাৰৰ সি ফাললৈ আঙ্গুলিৰে পোনাই দেখুআই বুলিলে, সৌখন সৰু দুআৰ দেখিচা নে ? সি কলে, নে দেখোঁ। তেতিয়া আকও সুধিলে, সৌ খিন্তে জলি থকা দিপ্তি ; তাক দেখিচা নে ? সি বুলিলে, মই দেখেঁা জেন কৰে। তেতিয়া উপদেসকে কলে, সেই দিপ্তি তোমাৰ চকুত লগাই ৰাখি তালৈ পোনাই গৈ থাকিবা। তেহে দুআৰ দেখিবা ; তাত চপৰিয়ালে তুমি কি কৰিব লাগে, তাক তোমাত কোআ জাব।

সেই ৰূপে মই সমাজিকত দেখোঁতে সেই মানুহে লৰিবলৈ ধৰিলে। আপোনাৰ ঘৰৰ পৰা বৰ আঁতৰ নৌহঁওতে লৰা তিৰোতাই তাক জোআ দেখি, ৰিঙ্গিয়াই ৰিঙ্গিয়াই উভতি আহিবলৈ মাতিলে, কিন্তু সি কানত সোপা দি, পৰম আয়ুস পৰম আয়ুস, অনন্ত পৰম আয়ুস বুলি লৰি গৈ, পাচলৈ নে চাই পথাৰৰ মাজলৈ পলাই গ'ল।

আৰু সেই মানুহৰ চুবুৰিয়া চিনাকিবোৰে তাক চাবলৈ ওলাই, এই ৰূপে লৰিবৰ দেখি, কোনো কোনো এ ইতিকিঙ্গ কৰিলে, কেতবোৰে ভই দেখাই থমকাব ধৰিলে, কেতবোৰে ৰিঙ্গ মাৰি উভতি আঁহা বুলি মাতিলে। সিহঁতৰ মাজত দুজনে বলেৰে সৈতে তাক ধৰি আনিবলৈ ঠাৱৰ কৰিলে ; সিবিলাকৰ এটাৰ নাম মইমতালি, এটাৰ নাম তৰল। তেতিয়া সেই মানুহ তাৰপৰা বৰ দুৰ হল ; কিন্তু সেই দুজনে খেদিবলৈ মন থিৰ হৈ তাৰ পাচে পাচে লৰি গৈ অলপ কালতে তাৰ ওচৰ পালেগৈ। তেতিয়া সেই মানুহে সিবিলাকত সুধিলে, বোলে, হেৰ চুবুৰিয়া লোক, কি কাৰণে আহিচাহঁক ? তাতে সিহঁতে কলে, আমাৰ লগত উভতি জাবলৈ তোমাক মিনতি কৰিবৰ নিমিত্তে আহিচোঁ। কিন্তু সি বুলিলে, সেই কথা কেতিয়াও হব নোআৰে ; কিয়নো জি নগৰত ময়ো জনম পালোঁ, সেই বিনাস নগৰত তোমোলাক থাকা, সি নষ্ট হব লগা, ইয়াক মই এতিয়া নিচয়ে জানেঁা। তোমোলাকে তাত থাকি কাল ক্ৰমে মৰিলেই, মৈদামতকৈও তল হোআ গন্ধক আৰু অগ্নি থকা ঠাইত পৰিবাগৈ। এই কাৰনে মোৰ প্ৰিয় চুবুৰিয়াবিলাক. এই কথাত মনজুৰ হৈ মোৰ লগত চলি আঁহাহঁক।

তাতে মইমতাঅিএ বুলিলে, কি! আমাৰ মিতিৰ, কুটুম, সুখ ভোগ আটাইকে এৰি তোমাৰ লগত জাম নে ? তেতিয়া সেই মানুহ, ( জাৰ নাম খ্ৰিষ্টিয়ান ) সি এই উতৰ কৰিলে, হই, ভাই, এৰিব লাগে ; কিয়নো মই জি

সুখ ভোগ বিচাৰিছোঁ, তাৰ একন মানেৰেও তোমোলাকে এতিয়া ভোগ কৰা সকলো বস্তু তুল্য কৰিবলৈ জোগ্য ন হই। তোমোলাক মোৰ লগত জদি জোআ, আৰু এই পথতে থাকা, তেন্তে মোৰে সৈতে সেই সুখ ভোগৰ সমান ভাগি হবা; কিয়নো জি ঠাইলৈ জাও, তাতে সকলোলৈ আঁটা বস্তু আৰু তাতকৈও অধিক আচে। আঁহা, মোৰ কথা মিচা নে সঁচা. তাৰ প্ৰমাণ দেখিবাইঁক।

মইমতালিএ বোলে, বাৰু, তুমি জি বস্তু পাবৰ নিমিত্তে সকলোকে এৰিচা, সেই সেই বস্তু কি ?

খ্ৰিষ্টিয়ান। মই জি বিচাৰি গৈছোঁ, সেয়ে অখই, আৰু নিৰ্মল, আৰু অমৰ অধিকাৰ বাব; তাক স্বৰগত সাঁচি থোআ হৈছে; জিবিলাকে বিচাৰে, সিবিলাকক নিজোজন কৰা সময়ত তাক দিয়া হবৰ নিমিত্তে নিৰ্বিঘিনি ৰুপে ৰখা হৈচে। জদি দেখিব খোজা তেন্তে মোৰ পুথি পৰ্হি চোআ।

তাতে মইমতালিএ বুলিলে, থুচ, তোৰ পুথিখন পেলাই দে; আমাৰ লগত উভতি আহিবি নে নাহিবি তাকে ক।

সি উত্তৰ দিলে, মই জাব নোআৰোঁ, কিয়নো নাঙ্গলত মোৰ হাত দিয়া হ'ল।

মইমতালি, তেন্তে আঁহা, তৰল ভাই, ইয়াক এৰি গুচি জাঁও; এনে এবিধ বাতুল ভাঁৰি খোআ মানুহ আচে; সিহঁতে জেতিয়া মনত কোনো কথা ধৰে, তেতিয়া কাৰ্জ্জৰ কাৰণ দেখুআব পৰা সাতো জনতকৈ সিহঁত আপোনাৰ খ্ৰিষ্টিতে গিয়ানি হই।

তাতে তৰলে কলে, নিন্দা ন কৰিবা, ভাই; এই উত্তম লোক খ্ৰিষ্টিয়ানে কোআ কথা জদি সঁচা হই, তেন্তে সি জি বস্তু বিচাৰিচে, সেয়ে আমাৰ বস্তুতকৈ উত্তম; চুবুৰিয়াৰ লগত জাবলৈ মোৰো মন গৈচে।

মইমতালি। কি! আৰু এনে বলিয়া মানুহ আচে নে? মোৰ কথা সুনি উভতি আঁহা। এনে পাগল মানুহে তোমাক কলৈ নিব, কোনে কব পাৰে? ঘুৰি আঁহা, ঘুৰি আঁহা, গিয়ান ৰুপে কৰা।

খ্ৰিষ্টিয়ান। ন হই, ন হই, তৰল বন্ধু, মোৰ লগত আঁহা; মই জি জি কথা কৈচিলোঁ, তাৰ বাহিৰেও অনেক অনেক ঐশ্বৰ্জ আচে। মোৰ কথাত জদি বিশ্বাস ন কৰা, তেন্তে এই পুথি পৰ্হি চোআ; আৰু তাৰ ভিতৰত জি জি লিখা আচে, সি সত্য হোআৰ প্ৰমাণৰ নিমিত্তে চোআ, জি জনে তাক ৰচনা কৰিলে, তেওঁ আপোনাৰ তেজেৰে তাক নিচই কৰিলে।



তেতিয়া তৰলে বুলিলে, হেৰা মইমতালি ভাই, মোৰ মন প্ৰায়ে থিৰ হ'ল; এই সাধুলোকৰ লগত জাবলৈ মোৰ ইচা হৈছে; তেওঁৰ জি দসা, মোৰো সেই দসা হব। কিন্তু হে লগৰ সখি, সেই বাঞ্চিত ঠাইলৈ তুমি বাট জানা নে ?

খ্ৰিষ্টিয়ান। উপদেসক নামে এজন মানুহে আমাৰ আগত থকা জি এখন সৰু দুআৰ, তালৈ মোক বেগাই জাবলৈ দিলে, তাতে আমি বাটৰ কথা সিকিবলৈ পাম।

তৰল। তেনে হলে আঁহা ভাই, আমি জাঁও। তাতে দুয়ো একে লগে জাবলৈ ধৰিলে; কিন্তু মইমতালিএ কলে, ময়ো আপোনাৰ ঠাইলৈ গুচি জাম; এনে অগিয়ান মানুহৰ লগ হবলৈ মোৰ ইচা নাই।

পাচে মই সেই সমাজিকত চাই দেখিলোঁ, মইমতালি উভতি গলত খ্ৰিষ্টিয়ান আৰু তৰলে পথাৰে দি জাঁওতে জাঁওতে কথোপকথন কৰি ইজনে সিজনে কথা কবলৈ ধৰিলে।

খ্ৰিষ্টিয়ান। হেৰা ভাই তৰল, এতিয়া তুমি কেনে হে আচা? তুমি মোৰ লগত গমন কৰিবলৈ ধৰাত মোৰ বৰ আনন্দ। পৰলোকৰ জি কথা এতিয়া অদ্ৰিস্য হই, তাৰ প্ৰতাপ আৰু ভই মই জি ৰুপে মনত গম পালোঁ, সেই ৰুপে মইমতালিএও গম পোআ হলে, সি এইমান বেগতে আমালৈ পিঠি দি গুচি ন গলহেঁতেন।

তৰল। হেৰা প্ৰিয় সখি খ্ৰিষ্টিয়ান, আমি দুইবো বাহিৰে ইয়াত আন কেও নাই দেখি, আমি জি ঠাইলৈ গৈছোঁ, তাৰ কি বস্তু আৰু কি প্ৰকাৰে তাক ভোগ কৰিম, এই সকলোকে কিছু বহুল ৰুপে মোক বুজাই দিয়া।

খ্ৰিষ্টিয়ান। সেই সকলো কথা মুখেৰে কোআতকৈ মনেৰে মই ভালকৈ বুজিব পাৰোঁ, তথাপি তুমি সুনিবলৈ ইচা কৰা দেখি, মোৰ পুথিৰ পৰা তাৰ কিছুমান কথা পৰ্হি সুনাম।

তৰল। কিন্তু তোমাৰ পুথিত জি লিখা আছে, সেই কথাবিলাক নিচয়ে স্বৰুপ বুলি জানিচা নে ?

খ্ৰিষ্টিয়ান। হই, তাক মই নিচয়ে জানোঁ, কিয়নো জি জনে মিচা কব নোআৰে, তেওঁৰ দোআৰাই এই পুথি কৰা হৈচে।

তৰল। ভাল কৈচা, তেনে হলে সেই ভোগ কৰিব লগা কি কি বস্তু আচে ?

খ্ৰিষ্টিয়ান। বসতি কৰিবলৈ অনন্ত ৰাজ্য আচে; আৰু আমাক দান

কৰিবৰ নিমিত্তে অনন্ত পৰম আশ্ৰ্ম আচে ; সেই ৰাজ্যত আমি সৰ্বকালে নিবাস কৰি থাকিম।

তৰল। ভাল কৈচা ; আৰু কি ?

খ্ৰিষ্টিয়ান। আৰু আমাক পিন্ধাই দিবলৈ তেজস্বি কিৰিটি, আৰু জি বস্ত্ৰে আকাসত থকা সুৰ্জৰ নিচিনাকৈ আমাক কান্তিমন্ত কৰিব, এনে বস্ত্ৰও আচে।

তৰল। এই সকলো অতি উত্তম ; তাত বাজে আৰু কি কি আচে ?

খ্ৰিষ্টিয়ান। তাত ক্ৰন্দন বা কোনো দুখৰ লেসু ন হব, কিয়নো সেই ঠাইৰ জি জন গৰাকি, তেওঁ আমাৰ সকলো চকুৰ লো মচি গুচাব।

তৰল। আৰু তাত আমাৰ লগৰ নিবাসি কোন কোন হব ?

খ্ৰিষ্টিয়ান। জিবিলাকক চাবলৈ তোমাৰ চকুত জলক ধৰে, এনে চিৰাফ আৰু কিৰুৰ দূত সকল আচে, আৰু আমাৰ আগেয়ে তালৈ জোআ হেজাৰ, হেজাৰ, অজুত অজুত লোকে সৈতে দেখা দেখি হম, সিবিলাকৰ মাজত কোনো হিংসক নাই, সকলোত্ৰ মৰম বেথা কৰোঁতা আৰু পবিত্ৰ, ঈশ্বৰৰ সাখ্যাতে অহা জোআ কৰে, আৰু অনুগ্ৰহৰ পাত্ৰ হৈ তেওঁৰ আগত সৰ্বদাই থাকে। তাত বাজে সোনৰ কিৰিটি পিন্ধা ব্ৰিধ লোক, আৰু সোনৰ বিন বোআ পবিত্ৰ কন্যবিলাককো দেখিবলৈ পাম : আৰু সেই থানৰ প্ৰভুলৈ প্ৰেম কৰাৰ কাৰণে জি মানুহবিলাক জগতৰ লোকৰ দোআৰাই ডোখৰ ডোখৰকৈ কটা গৈচিল, জুইত পোৰা, বা জন্তুএ খোআ, বা সাগৰত পেলোআ হৈ মৰিল, সেই সকলোবিলাক সুখি হৈ বস্ত্ৰ পিন্ধা দি অমৰন ৫ পিন্ধি থকা দেখিম।

তৰল। অস, এনে কথা সুনা মাত্ৰকে আনন্দেৰে মন পুলকিত হল। কিন্তু ভাই, সেই সুখ ভোগ কৰিবলৈ পাম নে ? আমি তাৰ ভাগি কি উপায়েৰে হব পাৰিম ?

খ্ৰিষ্টিয়ান। সেই দেসাধিকাৰ প্ৰভুএ এই পুথিত তাক লিখাই দিচে ; তাৰ পৰমাৰ্থ এই, সেই সুখ পাবলৈ আমি জদি স্বৰূপকৈ ইচাহে কৰোঁ, তেন্তে তেওঁ তাক বিনামোলে দিব।

তৰল। বাৰু, প্ৰিয় সখি, এই কথা সুনাত মোৰ বৰ আনন্দ ; আঁহা, বেগাই জাঁওহঁক।

খ্ৰিষ্টিয়ান। ভাই, মোৰ পিঠিত থকা বৰ গধুৰ বোকোচাৰ নিমিত্তে ইচাৰ দৰে বেগাই জাব নোআৰোঁ।

তেতিয়া মোৰ সেই সমাজিকত দেখিলো, দেখোঁ, সিহঁতে কথোপকথন



কৈ এটালতে পৃথাৰৰ মাজৰ বৰ দলদলনি এডোখৰৰ ওচৰ পাই মন ন কৰাকৈ অকস্মিতে সেই উহত পৰি বোকাত লাগি থাকিল। সেই দলদলনিৰ নাম নিৰ্ভাৰসা ; তাতে সিহঁতে কেতখনি কাল থপ থপাই বগাই জোআত গোটেই গা বোকা হল ; আৰু খ্ৰিষ্টিয়ানৰ পিঠিত গধুৰ বোকোচা থকা কাৰণে ক্ৰমে দকৈ সোমাবলৈ ধৰিলে।

তেতিয়া তৰলে সুধিলে, বোলে, হেৰা সখি খ্ৰিষ্টিয়ান, এতিয়া হলে কত আচা ?

খ্ৰিষ্টিয়ান। হই ভাই, কত পৰিলোঁ, মই কব নোআৰোঁ।

তাতে তৰলে বেজাৰ পাই সখি একক খঙ্গ কৰি বুলিলে, জি সুখৰ কথা এইমান বেলি কৈ আচিলা, সেইটো হই নে ? প্ৰথমতে জাত্ৰা কৰিবলৈ ধৰাতেই জদি এনে দুৰাৱস্থা হই, তেন্তে সেস ন হই মানে কিমান দুৰ্গতি সহিব লাগিব ? এই বেলি জদি প্ৰাণ ৰখা পাই ওলাব পাৰিম, মই ভাগি নো হো আকৈ তুমি অকলেই সেই সুন্দৰ ৰাজ্য ভোগ কৰিব পাৰিবা। এই কথা কৈ সি বলেৰে দুই একবাৰ জঁপিয়াই দলদলনিৰ জিটো পাৰে তাৰ ঘৰ আচিল, সেই পাৰলৈ ওলাই গুচি গল ; পাচে খ্ৰিষ্টিয়ানে আৰু তাক নে দেখিলে।

এই ৰূপে খ্ৰিষ্টিয়ান এৰা হলত, অকলে সেই নিৰ্ভাৰসা দলদলনিত বাগৰি ফুৰি আচিল ; তেওঁ সি আপোনাৰ ঘৰৰ পৰা দুৰ হোআ জি পাৰত সৰু দুআৰ আচিলে, সেই পাৰেহে উঠিবলৈ শ্ৰম কৰিলে। ক্ৰমে বামৰ ওচৰ পালেগৈ, কিন্তু বোকোচাৰ কাৰণে উঠিব নোআৰিলে। তেতিয়া মই সমাজিকত চাই দেখিলোঁ, উপকাৰক নামে এজন মানুহ তাৰ ওচৰলৈ গৈ সুধিলে, ইয়াত তুমি কি কৰিচা ?

তাতে খ্ৰিষ্টিয়ানে উত্তৰ কৰিলে, হেৰা দেও, আগলৈ হব লগা ক্ৰোধৰ পৰা পলাই জাবৰ নিমিত্তে উপদেসক নামেৰে এজন লোকে সৌখিন্তে থকা সৰু দু আৰলৈ জাব দিলে, তালৈ জাঁওতে এই বোকা খনত পৰিলোঁ।

উপকাৰক, পাৰি দিয়া গৰ নিবিচাৰিলা কিয় ?

খ্ৰিষ্টিয়ান। ভয়েৰে পলাই, পোনে জি বাট পালোঁ, সেই বাটে আহি দত পৰিলোঁ।

উপকাৰক। তেনে হলে মোক হাত দিয়া। তাতে সি হাত দিলত উপকাৰকে ধৰি সুকান মাটিত তুলি থৈ, তুমি আপোনাৰ বাটে জোআ বুলি কলে।

তেতিয়া তাক তোলা জনৰ এচৰলৈ মই গৈ সুধিলোঁ, হে আপ, বিনাস নগৰৰ পৰা সোঁ সৰু দুআৰলৈ জোআ বাট এই পোনে আহিচে দেখি, দুখিয়া জাত্রিকে নির্বিঘিনিএ জাবৰ নিমিতে এই ডোখৰ মাটি কি কাৰণে ভাল কৰা ন হল ?

তেতিয়া তেওঁ কলে, এই বোকা ঠাই ভাল কৰিবলৈ অসাধ্য ; মাটি কি কাৰণে এইমান বেয়া, তাক কঁও, সুনা। পাপ চিন্তাকুলৰ পৰা জি মলি ফেন আদি কৰি ওলাই, অর্থাত কোনো পাপিএ চেতনা পাই আপোনাৰ অপৰাধ আৰু নৰকৰ জোগ্য দোস জানিলত তাৰ মনত জি ভই, নিৰসা, আৰু আকুল হোআ সংসই জনমে, সেই সকলো চাৰিও ফালৰ পৰা বৈ, সদাই এই চাপৰ ঠাইত গোট খাই পৰেগৈ ; তাৰ কাৰণে নির্ভাৰসা দলদলনি বোলে।

এই ডোখৰ মাটি এই ৰূপে বেয়া হৈ থাকিবলৈ ৰজাৰ ইচা নাই ; আৰু ৰাজ বৰ বৰাৰ আগ্যাৰ দোআৰাই তেওঁৰ বনুআবিলাকে তাক কিছু ভাল কৰিব পাৰে কি চাৰে, এই নিমিতে সোলে স বচৰতকৈ অধিক কাল এই সৰু ডোখৰ মাটিত বন কৰি আচে ; ইয়াত খোআ বস্তু একুৰি হেজাৰ গাঁৰিৰ বোজাতকৈ কম ন হই, তাক মই নিচয়ে জানোঁ, হই, তাক নিৰহ কৰিবৰ নিমিতে ৰজাৰ অধিন হোআ সকলো ঠাইৰে পৰা লাখ লাখ উতম উপদেসকে আনি ইয়াত সর্বকালে দিয়া হৈচে ; আৰু টান মাটি কৰিবলৈ তাতকৈ ভাল বস্তু নাই বুলি জনা লোকে কই ; কিন্তু এতিয়ালৈকে নির্ভাৰসা দলদলনি হৈ আচে ; আৰু সিহঁতে জি জি ন কৰোক তেওঁ এই দৰ হৈ থাকিব।

বিধান কর্তাৰ আগ্যাৰে এই দলদলনিৰ মাজে দিও কেতবিলাক ভাল সকত গৰ পাৰি থোআ হৈচে হই ; কিন্তু বতৰ বেয়া হোআ কালত এই ঠাইতে মলি ফেন অধিককৈ বাহি জোআত প্রায়ে গৰ দেখা নে জাই ; তথাচ দেখিবলৈ পালেও মুৰ ফুৰনি ধৰাত মানুহে আঁতৰতে ভৰি দি তলত পৰে ; এই ৰূপে গৰ থাকিলেও বোকাত মগ্ন হৈ জাই। কিন্তু দুআৰৰ ভিতৰত সোমাব পাৰিলে মাথোন তাৰ পৰা মাটি ভাল।

এই ৰূপে সমাজিকত চাই থাকোঁতে সেই সময়ত তৰলে আপোনাৰ ঘৰ আক ও পোআ দেখিলোঁ ; তাতে তাৰ চুবুৰিয়াবিলাকে দেখিবলৈ গোট খাই কেতবোৰে তাক উভতি অহা দেখি বুধিমন্ত মানুহ বুলি কলে, খ্রিষ্টিয়ানৰ লগ লৈ প্রাণ সঙ্কটত পেলোআৰ কাৰণে কেতবোৰে তাক অজলা বুলিলে ; আন কোনোএ তাৰ একো সাহ নাই দেখি নিন্দা কৰিব ধৰিলে, বোলে, জাত্রাৰ আৰম্ভন কৰিবলৈ তুমি সাহিয়াল হৈ আচিলা, মই সেই দৰে কৰা হলে অলপমান দুখ পোআৰ কাৰণে ইহঁকি আহিবলৈ এইমান অধম ন হলোঁ-হেঁতেন। এনে কথা সুনি তৰলে লাজ পাই তল মুৰ কৰি সিহঁতৰ মাজত বহি থাকিল ; কিন্তু পাচে সি অলপ মান সাহ পালত সিহঁতে তাৰ কথা এৰি, সাখ্যাত নো হোআ জি খ্রিষ্টিয়ান তেওঁক নিন্দা কৰিবলৈ ধৰিলে। তৰলৰ বিবৰনত এই কথা মাথোন।

## ২ আধ্যা

পাচে খ্রিষ্টিয়ান অকলেই ফুৰি জোআৰ সময়ত এটা মানুহক দূৰৈৰপৰা পথাৰ পাৰ হৈ আহিবৰ দেখিলে। পাচে ওচৰ চাপোঁতে দুইৰো বাট জোৰা খোআ ঠাইতে দৈবজোগে একে কালে সমুখা সমুখি হল। সেই মানুহৰ নাম স্রিজুত সংসাৰ-গিয়ানি ; তেওঁ সাৱিৰিক-বুধি গাৰ্ব্বত থাকে ; সেয়ে বৰ গাঁও, খ্রিষ্টিয়ান আগেয়ে থকা ঠাইৰ ওচৰ। সেই জনে খ্রিষ্টিয়ানক দেখি তাৰ কথাত কিছু উমান ধৰিলে ; কিয়নো বিনাস নগৰৰপৰা খ্রিষ্টিয়ান ওলাই জোআৰ কথা কোআ কুই কৰাত বৰকৈ খিয়াতি হল ; অকল আপোন নগৰত ন হই, আন ঠাইলৈকো বিয়াপিব ধৰিলে। সেই নিমিত্তে সংসাৰ-গিয়ানিএ তাক ইমান স্রমেৰে জোআ আৰু তাৰ হুমুনিয়াহ কেঁকনি দেখি, তাৰ কিছু ভু ধৰি কথোপকথন হবলৈ এই ৰূপে আৰম্ভন কৰিলে।

হেৰা ভকত, ভাৰেৰে ইমান দুখিত হৈ কলৈ জোআ ?

খ্রিষ্টিয়ান। ভাৰেৰে অতি দুখিত হৈচোঁ হই বাপু ; মই ভাবিচোঁ মোতকৈ দুখিত প্রাণি কেতিয়াও নাই কিচিল। আৰু কলৈ জোআ বুলি তুমি জে সুধিচা, তাকো কঁও, বাপু সুনা ; সৌৱা জি সৰু দুআৰ মোৰ আগত আচে, তালৈকে আহিচোঁ ; কিয়নো সেই ঠাইতে মোৰ এই গধুৰ বোজা গুচাবৰ উপাই সুনিম, ইয়াকে মোক বুজাইচে।

সংসাৰ গিয়ানি। তোমাৰ লৰা-তিৰোতা আচে নে ?

খ্রিষ্টিয়ান। আচে হই, কিন্তু এই ভাৰেৰে দুখিত হোআৰ কাৰণে আগৰ নিচিনাকৈ এতিয়া সিবিলাকত সন্তোস নে পাওঁ ; মনেৰে সেইবিলাক ন থকা জেন হৈচোঁ।

সংসাৰ-গিয়ানি। মই জদি তোমাক কিছু বুধি দিওঁ, তাক তুমি লবা নে ?

খ্রিষ্টিয়ান। জদি ভাল হই, লম ; কিয়নো ভাল বুধিত মোৰ প্রয়োজন আচে।

সংসাৰ-গিয়ানি। তেনে হলে মই এই বুধি দিচোঁ, তোমাৰ ভাৰ অতি বেগেৰে গুচাবলৈ উপাই কৰা ; তাক ন কৰা মানে তোমাৰ মন কেতিয়াও



G787

থিৰ ন হব, আৰু ইশ্বৰে তোমাক অনুগ্রহ কৰি জি জি বস্তু ভোগ কৰিবলৈ দিচে, সেই সকলোকে তুমি সুখেৰে ভোগ কৰিব নোআৰিবা।

খ্রিষ্টিয়ান। এৰা, সেই ভাৰ গুচুআ উপাইহে মই বিচাৰিচোঁ ; কিন্তু মই আপুনি গুচাব নোআৰোঁ, আৰু আমাৰ দেসৰ ভিতৰত মোৰ কানৰপৰা তাক গুচাব পৰা কোনো মানুহ নাই ; এই কাৰণে তাৰ পৰা মুকুত হবৰ নিমিত্তে মই তোমাত পুৰ্ব্বে কোআৰ দৰে এই বাটে দি আহিচোঁ।

সংসাৰ-গিয়ানি। তোমাৰ ভাৰৰ পৰা মুকুত হবলৈ কোনে তোমাক এই বাটে জাব দিচে ?

খ্রিষ্টিয়ান। জি জনক অতি উত্তম ভদ্র লোক জেন দেখোঁ, এনে জনাই জাব দিলে ; তেওঁৰ নাম উপদেসক, মোৰ মনত পৰিচে।

সংসাৰ-গিয়ানি। অস, এনে আলচ দিয়াৰ কাৰণে সি সাও পোআ হওক ! সি জি বাটে জাবলৈ দিচে, তাতকৈ সঙ্কট বিঘিনি হোআ বাট প্রিথিবিত আৰু নাই ; তাৰ আলচেৰে জদি চলা, মোৰ কথা স্বৰূপ বুলি জানিবা। এতিয়াও তাৰ কিছু প্রমাণ পাইচা, মই বুজিচোঁ ; তোমাৰ গাত নিৰ্ভাৰস দলদলনিৰ বোকা দেখিচোঁ ; কিন্তু সেই বাটে জোআ মানুহৰ দুখ-বোৰৰ মাজত, সেই দলদলনি আৰম্ভন মাথোন। মোৰ কথা সুনা, মই তোমাতকৈ বয়সিয়া ; জি বাটে তুমি গৈচা, তাতে ভাগৰ, আৰু স্রম, ভোক পিয়াহ, সঙ্কট, নাঙ্গটা হোআ, তৰোআল, সিংহ আৰু নাগবোৰ, এন্ধাৰ মৰনকো, আৰু ইয়াত বাজেও কি কি দুখ পাবা, তাক কব নোআৰি। এই সকলো কথা নিচেই স্বৰূপ, অনেক সাখিএ থিৰ কৰিচে। আৰু কি কাৰণে অচিনাকি মানুহৰ কথা সুনি বিবেচনা ন কৰাকৈ এইদৰে আপোনাক নষ্ট কৰা ?

খ্রিষ্টিয়ান। কিয় ? তুমি জি জি দুখ দেখালো, সেই আটাইতকৈও মোৰ পিঠিত এই জি বোজা, সি বৰ ভয়ঙ্কৰ ; সেই বোজাৰ পৰাহে মই মুকুত হব পাৰিলে, বাটত জি দুখ ন হওক, তালৈ মোৰ একো চিন্তা ন হই জেন বুজোঁ।

সংসাৰ-গিয়ানি। আগেয়ে কেনেকৈ এই ভাৰ পালা ?

খ্রিষ্টিয়ান। মোৰ হাতত এই জি পুথি, তাক পঢ়িহে পালোঁ।

সংসাৰ-গিয়ানি। এৰা, মই তাকে ভাবিচোঁ, লোকত জেনেকৈ ঘটিচে, সেইদৰে তোমাতো ঘটিল ; সিহঁতৰ সক্তিৰ বাহিৰে জি ওখ গধুৰ কথা, তাক পঢ়িব খোজাত তোমাৰ দৰে চিন্তাকুলত পৰে। পাচে সেই চিন্তাকুলেই

মানুহক অমানুহ কৰে, জেনেকৈ তোমাকো কৰা দেখিছোঁ ; আৰু তাত বাহিৰে জিহকে নে জানে, তাক পাবৰ নিমিতে সকলো বিধ সঙ্কটৰ নিৰাস্রইলৈ খেদাইচে।

খ্রিষ্টিয়ান। মইঁ জিহকে পাব খোজোঁ, তাক জানোঁ ; এই গধুৰ বোজাৰ পৰা জিৰনিহে বিচাৰোঁ।

সংসাৰ-গিয়ানি। কিন্তু এই জি বাটত এইমান সঙ্কট আচে. তাতেই কিয় জিৰনি বিচাৰা ? কিয়নো মোৰ কথা সুনিবলৈ তুমি সহিব পৰা হলে, তেন্তে জিহকে ইচা কৰা, এই বাটৰ সঙ্কটত ন পৰাকৈ তাক পাবলৈ মই উপাই বুজাব পাৰিলোঁহেঁতেন। অকল এইটেই ন হই, তোমাৰ ওচৰতে উপাই আচে ; তাৰেই সেই আটাই আপদৰ হাত সাৰি, তুমি অতি কুসল, মিত্তিৰৰ চেনেহ আৰু সান্তনা পোআ হবা।

খ্রিষ্টিয়ান। মিনতি কৰিচোঁ, আতা, সেই গোপনিয় কথা মোক বুজাই দিওক।

সংসাৰ-গিয়ানি। তেনে হলে সৌ খিন্তে নিতি নামে জি গাঁও আচে, তাতে বিধান-সিখ্যক নামেৰে এক মহাজন থাকে ; তেঁও গিয়ানৱন্ত, জসস্যা পোআ, আৰু তোমাৰ ভাৰৰ নিচিনা জি বোজা, তাক মানুহৰ কানৰ পৰা গুচাবলৈ তেঁও সমৰ্থ ; ময়ো দেখিলোঁ, তেঁও এই ৰুপে লোকক ভালেমান হিত কৰে। তাত বাজে ভাৰত জিবোৰৰ মন বিগিয়ান হৈ গৈচে, সিহঁতকো স্বস্ত কৰিবলৈ তেঁও নিপুণ। মই কোআৰ দৰে তেওঁৰ ওচৰলৈ গৈ এতিয়াও উপকাৰ পাব পাৰা। তেওঁৰ ঘৰ এড়াঁৰতকৈ দূৰ ন হই ; তেওঁক জদি ঘৰত নো পোআ, তেন্তে সুঅলা নামে তেঁওৰ এজন সুঅনি ডেকা পুতেক আচে ; তেওঁ বাপেকেৰে প্রায়ে সমান কৰিব পাৰে। মই কৈচোঁ, সেই ঠাইতে ভাৰৰ পৰা মুকলি হবা ; পাচে জদি তুমি আগৰ নিবাসি ঠাইলৈ জাবলৈ ভাল নেদেখা আৰু ময়ো তালৈ পাঁচিবলৈ মন ন কৰোঁ, তেন্তে এই গাঁৱলৈ আহিবৰ নিমিতে তুমি লৰা-তিৰোতালৈ বাত্রা দিবা ; সুদা ঘৰ অনেক আচে, তাৰে এটা সাস্তা ৰুপে ভেৰন দি লব পাৰিবা। সেইখন গাঁৱত খোআ বোআৰো সাস্তা আৰু উত্তম ; আৰু তাতকৈও জিহেৰে তোমাৰ দিনৰ সুখ সাধ্য হব, তোমাৰ সকলো চুবুৰিয়াবিলাক ভদ্রলোক, সুখিয়াতি আৰু সদ আচাৰ প্রৰ্বতা মানুহ হব।

এই কথা সুনি খ্রিষ্টিয়ান সংসয়ত পৰি কিছু কাল ৰৈ থাকি, পাচে থিৰ কৰি মনতে বুলিলে, এই জন মহন্ত লোকে জি কৈচে সেয়ে জদি স্বৰুপ হই,



তেন্তে তেঁওৰ বুধি লোআ মোৰ ভাল। ইয়াকে ভাবি আকও তেঁওত এই ৰুপে সুধিলে, বোলে, আতা, সেই উত্তম লোকৰ ঘৰলৈ কোন পোনে বাট ?

সংসাৰ গিয়ানি। সৌআ কিচু ওখ ঢোকা পৰ্বত দেখিচা নে ?

খ্রিষ্টিয়ান। হই, ভালকৈ দেখিছোঁ।

সংসাৰ-গিয়ানি। বাৰু সেই পৰ্বতৰ দাঁতিএই জাব লাগে ; প্রথমতে জি ঘৰ পাই, সেয়ে।

এতেকে খ্রিষ্টিয়ান আপোনাৰ পথৰপৰা এফলিয়া হৈ, উপকাৰ পাবৰ নিমিতে স্রিজুত বিধান-সিখ্যকৰ ঘৰলৈ জাবলৈ ধৰিলে ; কিন্তু দেখা, জেতিয়া পৰ্বতৰ ওচৰ পালে, তেতিয়া তাক বৰ ওখ জেন দেখে ; আৰু বাটৰ ওচৰে জি ফাল আচিল, সি অতি আহুনিয়া পৰা, আৰু তাৰ মুৰত পৰে বুলি ভই লাগি, খ্রিষ্টিয়ানে আৰু জাবলৈ সাহ নেপাই, কি কৰিম বুলি নে জানি থোহ মোহকৈ থিয় হৈ থাকিল। আৰু তেতিয়া তাৰ বোজা আগতকৈও গধুৰ জেন বুজে। আৰু পৰ্বতৰ পৰা জুইৰ সিখা ওলোআত, সি পোৰে বুলি বৰ ভই কৰিলে, তাতে খ্রিষ্টিয়ানৰ গাৰ ঘাম ওলাবলৈ ধৰি সি কঁপি কঁপি আচিল। তেতিয়া সংসাৰ-গিয়ানিৰ আলচ লোআৰ কাৰণে তাৰ মনত বৰ হৈচিল। এনে সময়ত উপদেসকক তালৈ পোনাই ওচৰলৈ আহিবৰ দেখিলে ; তেওঁক দেখি খ্রিষ্টিয়ানৰ মুখ লাজেৰে তেজ জেন ৰঙ্গা হৈ গল। পাচে উপদেসক ক্রমেৰে চাপি চাপি তাৰ ওচৰ পালত গম্ভিৰ আৰু ভয়ানক বদনেৰে তালৈ চাই, তাৰ দোস বুজাবলৈ ধৰি বুলিলে, এই ঠাইত কি কৰা, খ্রিষ্টিয়ান ?

সেই কথা সুনি খ্রিষ্টিয়ানে কি উত্তৰ দিম, তাক নে জানি বোবা হৈ থাকিল। তেতিয়া উপদেসকে আৰু বুলিলে, মই জি মানুহ বিনাস নগৰৰ গৰৰ বাহিৰে কান্দি থকা দেখিলোঁ, তুমি সেইটো নো হোআ নে ?

খ্রিষ্টিয়ান, হই, প্রিয় আতা, সেই মানুহ হঁও।

উপদেসক। সেই সৰু দুআৰলৈ মই তোমাক বাট দেখুউআ নাই নে ?

খ্রিষ্টিয়ানে বোলে, হই, প্রিয় আতা।

উপদেসক। তেন্তে কি কাৰণে এইমান বেগতে বাটৰ পৰা এফলিয়া হৈ গৈচা ? কিয়নো এইটো তোমাৰ বাট ন হই।

খ্রিষ্টিয়ান। নিৰ্ভাৰসা দলদলনি পাৰ হলত এজন মহন্ত লোকৰ লগ পালোঁ সমুখে থকা গাঁৱত মোৰ বোজা গুচাব পৰা এজন লোক পোআ জাব বুলি, মোক এই কথা বুজাই পতিওআলে।

উপদেসক। সেই জন কেনে মানুহ।

খ্রিষ্টিয়ান। এজন মহন্ত লোক জেন দেখোঁ, মোক সৰহ কথা কৈ, সেসত তাৰ বুধি লবলৈ মোৰ বিশ্বাস কৰালে, এই হেতু এখেলৈ আহিচোঁ ; কিন্তু এই পৰ্বত পাই, বাটৰ ওপৰত গৰাৰ সিল এই দৰে ওলমি থকা দেখি, মোৰ মুৰত পৰিব জেন বুজি একে বেলিএ থমকি ৰলোঁ।

উপদেসক। সেই মহন্তে তোমাত কি কলে ?

খ্রিষ্টিয়ান। তই কলৈ জা এই কথা মোত সুধিলে, ময়ো তাকে কলোঁ।

উপদেসক। আৰু তাৰ বাজে সি কি কলে ?

খ্রিষ্টিয়ান। পাচে তোৰ লৰা চো আলি আচে নে নাই, ইয়াক সোধাত মই তাকো কলোঁ ; কিন্তু মোৰ পিঠিত থকা ভাৰৰ কাৰণে আগৰ নিচিনাকৈ সিবিলাকত সন্তোস নে পাঁও বুলি কৈচোঁ।

উপদেসক। পাচে আৰু কি কলে ?

খ্রিষ্টিয়ান। মোৰ ভাৰৰপৰা মুক্তি পাবলৈ বেগতে উপাই কৰিব দিচে ; তাতে মই কলোঁ, ভাৰ পৰা জিৰনি পাবলৈ মোৰ ইচাহে ; আৰু মুক্তিৰ ঠাইলৈ কি ৰুপে জাব পাৰিম, এনে সিখ্যা পাবৰ নিমিত্তেহে মই সেঁা খন সৰু দুআৰলৈ জাবলৈ ধৰিচোঁ, ইয়াকে মই তাক বুলিলোঁ। তেতিয়া আপুনি মোক জি বাটত জাব দিলে, সেই বাটতকৈ উত্তম, চমু, আৰু এইমান আপদ ন থকা এটা বাট দেখুআম বুলি মোত কলে, আৰু জি মহাজনে এনে ভাৰ গুচাব জানে, তেওঁৰ ঘৰলৈ এই বাট পোনাইচে বুলি কলে। তাতে তাৰ কথা পতিয়াই বেগতে ভাৰৰ পৰা জিৰণি পাওঁ কি চাঁও, এই আসাৰে সেই বাটৰ পৰা এফলিয়া হৈ এই বাটত সোমালোঁ, কিন্তু এই ঠাই পোআত ইয়াৰ কথা জি ৰুপ হৈচে, তাক সত্য ৰুপে জানি, মই আগেয়ে কোআৰ দৰে আপদৰ ভয়ত থমকি ৰলোঁ, কিন্তু এতিয়া মই কি কৰিব লাগে; তাক নে জানোঁ।

তেতিয়া উপদেসকে কলে, তুমি কিচু কাল ৰবা, মই ইশ্বৰৰ কথা বুজাম। তাতে খ্রিষ্টিয়ান থিয় হৈ কঁপি কঁপি ৰৈ থাকিল। পাচে উপদেসকে কলে, সাৱধান হোআ, তোমোলাকে উপদেস দিয়া জনৰ কথা সুনিবলৈ বিমুখ হো আবিলাকে জদি নে সাৰিলে, তেন্তে স্বৰ্গৰ উপদেসকৰ পৰা বিমুখ হলে আমি সিহঁতকৈ কিমান নিচয়েৰে নে সাৰিম। আৰু ইয়াকো কলে, পুন্যৱন্ত জন আপোনাৰ বিশ্বাসৰ দোআৰাই জিব, কিন্তু ধৰমৰ পৰা জদি উলটে, তেন্তে সেই জনত মোৰ আত্মাই সন্তোস ন হব। আৰু সেই কথাৰ অৰ্থ তাৰ গাত পেলাই এই ৰুপে বুজালে, জি মানুহে এনে দুৰাৱস্তালৈ খেদি গৈচে, সেই জন তুমি এই, সৰ্বোপৰি জনৰ আদেস হেলা কৰিবলৈ আৰম্ভন কৰিলা, আৰু কুসলৰ পথৰ পৰা তোমাৰ ভৰি হোহোকাই নিয়াত তুমি প্ৰায়ে আপোনাৰ বিনাসৰ সঙ্কটত পৰিলা।



তেতিয়া খ্রিষ্টিয়ান মৰাৰ দৰে তেওঁৰ ভৰিত পৰি কান্দি কান্দি বুলিলে, হাই হাই সাও পোআ জি মই, মই সৰ্বনাস হলোঁ। ইয়াকে দেখি উপদেসকে তাৰ সোঁ হাতত ধৰি তুলি তাক বুলিলে, মানুহবিলাকৰ সকলো বিধ পাপ, আৰু নিন্দা সিহঁতলৈ খেমা হব, অবিশ্বাসি ন হৈ বিশ্বাসি হোআ। তেতিয়া খ্রিষ্টিয়ানে এফেৰিমান পুনৰ উসাহ লৈ উঠি, আগৰ দৰে উপদেসকৰ ওচৰত থিয় হৈ কঁপি আচিল।

তেতিয়া উপদেসকে আৰু বহাই কলে, জি কথা মই তোমাত কওঁ, তালৈ অতি সাৱধানে মন দি সুনা। জি মানুহে তোমাক ভুলালে, সি কোন, আৰু জি মানুহলৈ তোমাক পঠালে, সেই জনো কোন, ইয়াকে তোমাত বুজাম। জি জনে তোমাক লগ পালে, সি সংসাৰ-গিয়ানি। তাৰ এই নাম স্বৰুপ, কিয়নো সংসাৰৰ ভাৱে জি উপদেস, সি তালৈহে মন দিএ, সেই কাৰণে গিৰ্জা কৰিবৰ নিমিত্তে সদাই নিতি গাঁৱলৈ জাই। আৰু সেই সংসাৰিক উপদেসে পেৰেঙ্গনি অৰ্থাৎ প্ৰভুৰ প্ৰাচিতৰ কথাৰ পৰা মানুহক এৰু আই দেখি, তাক ভাল পাই ; এই হেতুকে তাৰ সংসাৰিক মন হো আত মোৰ স্বৰুপ ধৰম পথক লুটিয়াবলৈ জতন কৰে। সেই মানুহৰ আলচত তুমি অতি ঘিন কৰিব লগা তিনটা কথা আচে, ১, বাটৰ পৰা তোমাক আঁতৰোআ ; ২, পেৰেঙ্গনিলৈ তোমাৰ মন অনিচা কৰাবলৈ জি জতন ; ৩, মৰন জনমোআ নিয়মলৈ পোনোআ বাটত তোমাৰ ভৰি ঘুৰাই চলোআ।

প্ৰথমতে। সি বাটৰ পৰা তোমাক জে আঁতৰালে, তাৰ এনে কৰম ঘিন কৰিব লগা ; অকল সেয়ে ন হই, তুমি জে সন্মত হৈচিলা, তাকো ঘিন কৰিব লাগে ; কিয়নো সেই কৰম কৰাত তুমি সংসাৰ-গিয়ানি মানুহৰ কথাৰ নিমিত্তে ইশ্বৰৰ কথা তিয়াগ কৰিলা। প্ৰভুএ কৈচে, ঠেক দুআৰে দি সোমাবলৈ জতন কৰা ; মই জি সৰু দুআৰ দেখালোঁ, সেইটো ; কিয়নো জি দুআৰ আৰু বাটে দি পৰম আয়ুসলৈ জাই, সেই দুআৰ দুৰ্গম, বাটো ঠেক, আৰু তাক পোআ মানুহ তাকৰ। সেই সৰু ঠেক দুআৰ, আৰু তালৈ জোআ বাট, দুইৰো পৰা সেই দুষ্ট মানুহে তোমাক আঁতৰাই সৰ্বনাসৰ কাসৰলৈ আনিলে ; এতেকে তাৰ আঁতৰোআ কৰম ঘিন কৰা, আৰু তুমি

তাৰ কথা সুনাত আপোনাকো ঘিন কৰা।

দ্বিতিয়তে। তোমাৰ মন পেবেঞ্জনিলৈ অনিচা ৰবাবলৈ তাৰ জি জতন, তাকো ঘিন কৰিব লগা; কিয়নো মিচৰ দেসৰ সকলো সম্পতিতকৈও তাক প্ৰিতি কৰা আৱস্যক। তাত বাজে সকলো ঐশ্বৰ্য্যৰ ৰজাই তোমাত কৈচে, জি কোনোএ আপোনাৰ প্ৰান ৰাখিব খোজে, সি তাক হেৰুআব; আৰু জি কোনোএ জদি মোৰ ওচৰলৈ আহি আপোনাৰ বাপেক, মাক, তিৰোতা, লৰা, ভাই ভনিবিলাক, আৰু আপোনাৰ প্ৰানকো অপ্ৰিয় বুলি নে মানে, সি মোৰ সিস্য হব নোআৰে। এই হেতুকে সত্য জনাই জিহৰ অৰ্থে কৈচে, তাৰ বাহিৰে তুমি পৰম আয়ুস নোপোআ, তাৰেই তোমাৰ মৰন হব, এনে উপদেস জদি কোনো জনে তোমাক লোআব খোজে, তেন্তে তুমি সেই উপদেস আৱস্য ঘিন কৰিব লগা, ইয়াকে মই কৈচোঁ।

ত্ৰিতিয়তে। মৰন জনমোআ নিয়মলৈ জি বাট পোনাইচে, সেই বাটত তোমাৰ ভৰি ঘুৰাই নিয়াকো ঘিন কৰিব লাগে। এই কথা বুজিবৰ নিমিতে সি জি জনৰ ওচৰলৈ তোমাক পঁাচিলে, সেই জন কোন, আৰু তোমাৰ ভাৰ গুচাবলৈ সি কেনে অসমৰ্থ, তাক বিবেচনা কৰা।

জিৱনি পাবৰ নিমিতে জি জনলৈ তোমাক পঁাচিলে, সি বেটিৰ গৰ্ভত ওপজা জন; সেই বেটি এতিয়ালৈকে আপোনাৰ লৰাইঁতে সৈতে বন্দি হৈ আচে; উপমাৰ দোআৰাই সেই তিবিৰ অৰ্থ, এই জি চিনই পৰ্বত তোমাৰ মূৰত পৰে বুলি ভই কৰিলা, তাক বুজাই। তাই আৰু লৰাইঁতো জদি বন্দি হৈ থাকে, তেন্তে সিইঁতৰ দোআৰাই তুমি মুকুত হব পাৰিম বুলি কেনেকৈ আসা কৰিচা? এই হেতুকে ভাৰৰ পৰা মুকলি কৰিবলৈ এই বিধান-সিখ্যকৰ সাধ্য নাই। এতিয়ালৈকে কোনো মানুহ তেওঁৰ দোআৰাই কেতিয়াও মুকলি হোআ নাই, আৰু আগলৈকো হবলৈ অসম্ভাও। বিধানৰ কৰমেৰে পাপৰ ভাৰ গুচাব নোআৰা; কিয়নো বিধানৰ কৰমৰ দোআৰাই কোনো প্ৰানি পুন্যৱন্ত লিখা হব নোআৰে। এই হেতুকে সেই সংসাৰ-গিয়ানি মহন্ত এটা পৰ দেসি লোক, আৰু বিধান-সিখ্যক মহাজন হলে সি ভঁাৰি কোআ, তাৰ পুতেক সুঅলাও কপটিয়া, তোমাক উপকাৰ কৰিব নোআৰে। মোৰ কথা পতিয়াবা; সেই অগিয়ানি মানুহবিলাকৰ জি জি ডাঙৰ কথা সুনিলা, সেই সকলো কথা একো ন হই; মই দেখুউআ পথৰ পৰা তোমাক ওলটাই, পৰিত্ৰান হেৰুআবলৈ তোমাক ভুলাবৰ উপাই মাথোন কৰিচে। এই ৰূপে কৈ এঁটালত তেওঁৰ কথাত প্ৰমান হবৰ নিমিতে আকাসলৈ বৰ মাতেৰে



বিঙ্গিয়াই জাম্লা কৰিলে; তেতিয়া ওপৰে থকা পৰ্বতৰ পৰা জিহেৰে খ্ৰিষ্টিয়ানৰ গোটেই গাৰ নোম সিয়ৰিলে, এনে অগ্নি আৰু আকাসি বানি ওলাল। জি মাত সুনা গৈচিল, তাৰ বচন এই; জিবিলাক বিধানৰ কৰমৰ অধিন, সেইবিলাক সাও পোআ হই; কিয়নো এনে লিখা আচে, বিধানৰ পুথিত লিখা জি কৰম, সেই সকলো কৰম জি জনে নিচিদ্ৰ ৰূপে পালন ন কৰে, সি সাও পোআ হই।

এই সকলো কথা সুনি মৰনৰ বাহিৰে আন একোলৈ এসা ন থকাত খ্ৰিষ্টিয়ানে বৰ সোকেৰে কান্দিবলৈ ধৰিলে; আৰু জি কালত সংসাৰ-গিয়ানিৰ লগ পাইচিল, সেই কালকে সাও দি তাৰ কথা সুনাৰ কাৰনে আপোনাক বলিয়াতকৈ এহেজাৰ গুন অগিয়ানি বুলিলে; আৰু সেই মহন্তৰ জি কথা কেৱল সংসাৰিক স্বভাৱৰ পৰা কলে, সেই কথাই জে তাক সত্য পথৰ পৰা ওলোটোআব পাৰিচিল, ইয়াকে মনত ভাবি অতি লাজ পোআ হল। তাৰ পাচে সি আকও উপদেসকত মাত লগাই এই ৰূপে সুধিলে।

খ্ৰিষ্টিয়ান। হে আতা, আপোনাৰ মনে কি ধৰে? মই এসা কৰিবৰ ঠাই আচে নে? আৰু এতিয়া উলটি গৈ সেই সৰু দুআৰত সোমাব পাৰিমনে; নাইবা মোৰ এই অপৰাধৰ কাৰণে মোক তিয়াগ কৰি, লাজ দি তাৰ পৰা ওভোতাই খেদাব? এই মানুহৰ আলচ সুনাত মই মনত বৰ খেদ কৰিচোঁ; কিন্তু মোৰ পাপ খেমা হব পাৰিব নে?

তেতিয়া উপদেসকে কলে, তোমাৰ অপৰাধ বৰ ডাঙৰ হই; কিয়নো তুমি দুই পাপ কৰিলা; তুমি উতম পথ এৰিলা, আৰু তাত বাজে নিসেধ হোআ পথত গমন কৰিলা; তথাপি দুআৰৰ গৰাকিএ তোমাক গ্ৰহণ কৰিব; কিয়নো মানুহবিলাকলৈ তেওঁৰ অতি অনুগ্ৰহ আচে। এই কথা মাথোন সোঁৱৰা, আকও জেন এফলিয়া নো হোআ, এই নিমিতে সাৱধান কৰা; কি জানি তেওঁৰ ক্ৰোধ অলপ মাথোন জ্বলিলে, তুমি পথৰ পৰা নষ্ট হবা। তেতিয়া খ্ৰিষ্টিয়ান ঘুৰি উভতি জাবলৈ ধৰিলে; আৰু উপদেসকে তাক চুমা দি এবাৰ মিচিকাই, ইশ্বৰে তোমাক আসিৰ্বাদ কৰোক বুলি বিদাই দিলে। তেতিয়া সি বেগেৰে সৈতে জাবলৈ ধৰিলে; বাটত থকা কোনো মানুহত কথা ন কলে, আৰু কোনেও জদি তাত কিবা সোধে, তেওঁ সি উতৰ কৰিবলৈ মন নি দিএ। নিসেধ হোআ ঠাইতে জোআ এজনৰ নিচিনাকৈ গল; আৰু সংসাৰ-গিয়ানিৰ বুধিৰে চলিবলৈ জি বাট এৰি গৈচিল, সেই বাট আকও নে পাই মানে মোৰ ৰখ্যা পৰিল বুলি ভাৰিব নোআৰিলে।

কালক্ৰমে খ্ৰিষ্টিয়ানে সেই সৰু দুআৰৰ ওচৰ পাই, তাৰ ওপৰলৈ চাই এই কথা লিখা দেখিলে, চপৰিওআ, তেহে তোমালৈ দুআৰ মুকলি কৰা হব। তাতে সি দুআৰত বাৰে বাৰে চপৰিয়াই, এই কথা গাবলৈ ধৰিলে,

ভিতৰতে জি জন আচে,
মেলিব নে তেঁও দুআৰ ?
বন্দি বৰ অজোগ্য পাত্ৰ
দৰ্সন পাম নে অধিকাৰ ?
তেন্তে প্ৰভুৰ গুণ প্ৰসংসা
গানকৈ তুতি নেৰিম আৰ।

এই ৰুপে চপৰিয়াই থকাত সেসে হিতবাঞ্চক নামে এজন গম্ভিৰ মানুহ দুআৰলৈ আহি সুধিলে, দুআৰত মৰিয়াইচে কোনে ? কৰ পৰা আহিচে ? আৰু কি লাগে ?

খ্ৰিষ্টিয়ান। হে আতা, ইয়াত ভাৰ পোআ এটা দুখিত পাপি মানুহ আচে। বিনাস নগৰৰ পৰা আহি, আগলৈ হব লগা ক্ৰোধৰ পৰা উধাৰ জেন পাঁও, চিওন পৰ্বতলৈ জাবলৈ ধৰিচোঁ ; আৰু তালৈ বাট এই দুআৰে গলেহে হই, ইয়াকে সুনিচোঁ ; মোলৈ দুআৰ মেলিবলৈ আপোনাৰ জদি ইচা আচে, তাক জানিবলৈ মোৰ নিবেদন।

হিত-বাঞ্চকে বোলে, সকলো মনে মোৰ এই ইচা, ইয়াকে কৈ দুআৰ মেলিলে।

খ্ৰিষ্টিয়ান সোমাওঁতেই হিত-বাঞ্চকে তাক হাত দি টানি নিলে ; তাতে খ্ৰিষ্টিয়ানে সুধিলে, ইয়াৰ কাৰণ কি ? তেতিয়া তেঁও কলে, এই দুআৰৰ কিচু আঁতৰতে বেলজিবুব নামে এজন সেনাপতি থকা এটা সকত কাৰেঙ্গ ঘৰ আচে ; সি আৰু লগৰবিলাকে এই দুআৰলৈ মানুহক আহিবৰ দেখিলে, সিবিলাক নৌ সোমাঁওতেই জেন মৰিব, এই নিমিতে সেই কাৰেঙ্গৰ পৰা বান মাৰি থাকে। তেতিয়া খ্ৰিষ্টিয়ানে কলে, মই আনন্দিত হৈও কঁপি আচোঁ। এই ৰুপে সোমালত দুআৰৰ গৰাকিএ তাত সুধিলে, ইয়ালৈ আহিবলৈ তোমাক কোনে পাঁচিলে ?

খ্ৰিষ্টিয়ান। ইয়ালৈ আহি দুআৰত চপৰিয়াবলৈ উপদেসক নামে এজনে মোক পঁচাতে তাক কৰিলোঁ ; আৰু মই কি কৰিব লগা, আপুনি জে তাক কব, ইয়াকো তেঁও কৈচে।



হিত বাঞ্চক। তোমাৰ আগত এখান দুআৰ মুকলি কৰা হৈচে, তাক কোনেও বন্ধ কৰিব নোআৰে।

খ্ৰিষ্টিয়ান। মোৰ জি আপদৰ সঙ্কট পালোঁ, এতিয়াহে তাৰ লাভৰ আৰম্ভন পোআ হৈচোঁ।

হিত-বাঞ্চক। কিন্তু তুমি জে অকলেই আহিচা, ইয়াৰ কি কাৰণ ?

খ্ৰিষ্টিয়ান। কাৰণ, মই জেনে আপদৰ ভই দেখিলোঁ, মোৰ চুবুৰিয়া-বিলাকৰ কেৱে আপোনাৰ তেনে আপদৰ ভই নে দেখিলে।

হিত-বাঞ্চক। তুমি আহিবৰ কথা চুবুৰিয়াবিলাকে বুজ পাইচিল নে ?

খ্ৰিষ্টিয়ান। হই, বুজিলে ; মোৰ লৰা তিৰোতাও প্ৰথমতে মোক দেখি, উভতি যাবলৈ মাতিলে ; পাচে চুবুৰিয়াৰ কোনো লোকে থিয় হৈ চাই কান্দি কান্দি উভতি আঁহা বুলি কলে ; কিন্তু মই কানত সোপা দি মোৰ বাটে আহিলোঁ।

হিত-বাঞ্চক। তোমাৰ মন ওভোতাবলৈ সিবিলাকৰ কোনোএ তোমাৰ পাচত গৈচিল নে ?

খ্ৰিষ্টিয়ান। দুজন গৈচিল, মইমতালি আৰু তৰল, কিন্তু মোক ওভোতাব নোআৰে দেখি, মইমতালিএ নিন্দা কৰি গুচি গল, তৰলে হলে কিচুমান আহিল।

হিত-বাঞ্চক। সি কি কাৰণে অন্তলৈকে নাহিল ?

খ্ৰিষ্টিয়ান। নিৰ্ভৰসা দলদলনিলৈকে আমি দুয়ো একে লগে আহিলোঁ হই, আৰু অকস্মিতে তাতে পৰিলোঁ। তেতিয়া তৰল চুবুৰিয়াই নিৰসা হৈ পৰি আৰু বাট আহিবলৈ সাহ নেপালে। পাচ দলাদলনিৰ পৰা আপোন ঘৰৰ ফালে ওলাই সি মোত কলে, মই ভাগি নো হোআকৈ তুমি সেই সুন্দৰ ৰাজ পাবা ; ইয়াকে কৈ সি আপোনাৰ বাটে মইমতালিৰ পাচলৈ গৈচে,ময়ো আপোনাৰ বাটে এই দুআৰলৈ আহিচোঁ।

তাতে হিত-বাঞ্চকে কলে, হাই হাই, কেনে অগিয়ানি। স্বৰগৰ ঐশ্বৰ্জ পাবৰ নিমিতে সি জে অলপ দুখ সঙ্কট সহিবলৈ তাক জোগ্য নে দেখে, সেই অতুল্য ঐশ্বৰ্জ তাৰ মনত এইমান অপ্ৰিয় হৈচে নে ?

খ্ৰিষ্টিয়ানে বোলে, হই, তৰলৰ কথাত মই জি কলোঁ স্বৰুপ, আৰু মোৰ আপোনাৰ সকলো কথা সত্য ৰুপে জদি সৈ কাহোঁ, তেন্তে তৰলৰো মোৰো কৰম বেলেগ ন হই, ইয়াকে দেখা জাব ; সি আপোনাৰ ঘৰলৈ উভতি গৈচিল হই, কিন্তু ময়ো সংসাৰ-গিয়ানি নামে এজন লোকৰ কথাৰে ভুল হৈ,

মৰনৰ পথত জাবলৈ বাটৰ পৰা এফলিয়া হৈ গলোঁ।

হিত-বাঞ্চক। অৱাই, সেই জনক লগ পালা নে? জিৰনি বিচাৰিলৈ সি তোমাক বিধান সিখ্যক মহাজনৰ ওচৰলৈ পাঁচিব খোজে, হব লাগে; সিহঁত দুয়ো নিচেই ভাঁবি কোআ; কিন্তু তুমি তাৰ আলচ ললা নে?

খ্রিষ্টিয়ান। হই, জিমানলৈ সাহ থাকিল, সেই মানলৈকে তাৰ বুধিত চলি বিধান সিখ্যক মহাজনক বিচাৰি বিচাৰি তাৰ ঘৰৰ ওচৰত থকা জি পৰ্বত, সি মোৰ মূৰত পৰে জেন দেখিলোঁ; এই হেতুকে আৰু জাব নোআৰি তাতে ৰলোঁ।

হিত-বাঞ্চক। সেই পৰ্বত অনেক লোকৰ ম্রিত্যুৰ কাৰণ হল, আৰু পাচলৈকো হব; তুমি জে তাৰ তলত গুৰি নোহোআকৈ সাৰিলা, এয়ে তোমাৰ সুভাগ্য।

খ্রিষ্টিয়ান। স্বৰূপ, আতা, কিন্তু মই তাতে সংসয়েৰে চিন্তাকুল হৈ থাকোঁতে উপদেসকে দৈবাত আকও মোক লগ নো পোআ হলে, মোৰ কি গতি হলহেঁতেন, নে জানোঁ; তেঁও ইশ্বৰৰ অনুগ্ৰহতহে মোৰ ওচৰলৈ আহিল; সেয়ে নো হোআ হলে, মই এই ঠাই কেতিয়াও নে পালোঁহেঁতেন। তেও আহিলোঁ, এনে অধম মানুহ জি মই, মই আপোনাৰ আগত থিয় হৈ এই দৰে কথা কবৰ জোগ্য ন হঁও, সেই পৰ্বতৰ তলত মৰাৰে জোগ্য; ইয়াতে জে সোমাবলৈ পালোঁ, অস, মোলৈ কেনে অনুগ্ৰহ!

হিত-বাঞ্চক। ইয়ালৈ অহাৰ আগৈ এ জি কি কৰা ন হওক, তাৰ কাৰণে আমি কাকো সোমাবলৈ বাধা ন কৰোঁ, সিহঁতক কোনো মতে বাহিৰ কৰা ন হই; এই হেতুকে প্রিয় খ্রিষ্টিয়ান, মোৰ লগত এফেৰিমান আঁহা, তুমি জাব লগা বাটৰ কিছু কথা সিকাম। আগ ফাললৈ চোআ; সেইটো ঠেক পথ দেখিচা নে? সেই বাটে জাব লাগে। ওপৰ পিত্ৰি আৰু ভৱিস্যতবিলাক, খ্রিষ্ট আৰু তেঁওৰ পাঁচনিবিলাকৰ দোআৰাই তাক কৰা হৈছে; ট'াৰ জেনে পোন, তেনে পোন কৰি বন্ধা হৈছে; সেই বাটে তুমি জাব লগা।

তেতিয়া খ্রিষ্টিয়ানে বোলে, আভুআ মানুহে জিহেৰে পথ হেৰুৱাই, এনে আঁও বাট সোঁ বাট বেঁকা বেকি নাই নে?

হিত-বাঞ্চক। আচে, ইয়াৰ পৰা অনেক বাট এফলিয়া হৈ গৈচে, কিন্তু সেইবোৰ হলে বেঁকা আৰু বহল; ইটো নিচেই পোন আৰু ঠেক, এই চিনেৰেহে স্বৰূপ পথ জানিবা।

তাৰ পাচে মই সমাজিকত এনে দেখিলোঁ, খ্রিষ্টিয়ানে আৰু সুধিলে, বোলে,



মোৰ পিঠিত জি বোজা, তাক বা আপুনি গুচাব পাৰে নে? কিয়নো তেতিয়াও তাৰ পৰা মুকলি হোআ নাই, আৰু লোকৰ উপকাৰৰ বাহিৰে তাক কোনো ৰূপে গুচাবলৈ খ্রিষ্টিয়ানৰ একো সক্তি নাই কিচিল।

তেতিয়া তেঁও কলে, তোমাৰ বোজা হলে, তুমি মুক্তি হোআৰ ঠাই নো পোআ মানে তাক বৈ থিৰ মনে সহি থাকা; কিয়নো সেই ঠাই পালে সি আপুনি তোমাৰ পিঠিৰ পৰা খহি পৰিব।

তেতিয়া খ্রিষ্টিয়ানে কমৰ বান্ধি জাত্ৰালৈ আপোনাক জুগুত কৰিবলৈ ধৰিলে। তাতে হিত-বাঞ্চকে কলে, বোলে, দুআৰৰ পৰা অলপ দুৰ হৈ গলে তুমি অৰ্থ-দায়কৰ ঘৰ পাবা; তেঁও তোমাক অতি উতম কথা দেখুআব। তেতিয়া খ্রিষ্টিয়ানে আপোনাৰ মিতিৰ হিত-বাঞ্চকত বিদাই লোআত ইস্বৰে তোমাৰ মঙ্গল কৰোক বুলি, তেঁও পঠাই দিলে।

## ৩ আধ্যা

পাচে খ্রিষ্টিয়ানে গৈ গৈ অর্থ দায়কৰ ঘৰ পাই বাৰে বাৰে দুআৰ চপৰিয়ালে ; পাচে এজনে দুআৰলৈ আহি, ইয়াত কোন আচে বুলি সুধিলে।

তাতে খ্রিষ্টিয়ানে উতৰ দিলে, এখেত মই এজন বাটকুআ আচোঁ, দেও ; এই ঘৰৰ গৰাকিৰ এজন চিনাকি মানুহে মোৰ লাভৰ নিমিত্তে ইয়ালৈ আহিবলৈ দিচে ; এতেকে গিৰিহতে সৈতে কথা বাত্রা হব খোজোঁ।

তাতে সি ঘৰৰ গিৰিহতক মাতিলত এফেৰিমান পলমে তেওঁ আহি খ্রিষ্টিয়ানত সুধিলে, তোমাৰ কি ইচা হৈছে ?

খ্রিষ্টিয়ান, হে আতা, মই বিনাস নগৰৰ পৰা আহিচোঁ, চিওন পর্বতলৈ জাব খোজোঁ ; জিহেৰে মোৰ বৰ উপকাৰ হই, ইয়াত সোমালে আপুনি এনে কেতবিলাক সদ কথা মোক দেখাব, ইয়াকে এই বাটৰ মুখৰ দুআৰত থকা মানুহ জনে মোত কলে।

অর্থদায়ক। ভিতৰলৈ আঁহা ; জি কথা তোমালৈ হিত হব, তাক মই দেখাম। তেতিয়া আপোনাৰ লগুআক চাকি লগাবলৈ দি, মোৰ পাচে পাচে আঁহা বুলি খ্রিষ্টিয়ানত কলে। তেতিয়া গৈ এটা গুপুত খোঁটালি সোমাই লগুআক এখন দুআৰ মেলিবলৈ দিলে। দুআৰ মেলিলত খ্রিষ্টিয়ানে বাৰত আৰি থোআ কোনো গভিৰ জনৰ পুতলা দেখিলে। পুতলাৰ এই আকাৰ চকুএ স্বৰগলৈ চোআ হৈছিল ; হাতত সকলো পুথিতকৈ উতম পুথি ; তেওঁৰ ওঁঠতে সত্য ধৰমৰ বিধান লিখা আচিল ; জগতলৈ পিঠি দিয়া হৈচিল ; মানুহবিলাকক বিনই কৰাৰ নিচিনাকৈ থিয় হৈ থাকিল, আৰু তেওঁৰ মুৰৰ ওপৰত ঐস্বৰ্জৰ কিৰিটি ওলমি আচিল।

তেতিয়া খ্রিষ্টিয়ানে কলে, ইয়াৰ কি অর্থ ?

অর্থদায়ক। জি মানুহৰ এই পুতলা, হেজাৰৰ ভিতৰতো এনে মানুহ নে পাই, সি লৰা জনমাবও পাৰে, প্রসও কৰিব পাৰে, উপজিলে পিয়াহো দিব পাৰে। আৰু তুমি জে তাক স্বৰগলৈ চাই থকা, হাতত আটাইতকৈ উতম পুথি লোআ, আৰু সত্য ধৰমৰ বিধান তাৰ ওঁঠত লিখা দেখিলা, সেয়েৰেই তুমি ইয়াকে বুজিবা ; জেনেকৈ তুমি তাক মানুহবিলাকক বিনই ৰুপে থিয় হৈ থকা দেখিলা, সেইদৰে গোপনিয় কথা বুজি পাপি লোকক দেখাই দিয়া,



এয়ে তাৰ কৰম। আৰু তুমি জে তাৰ পিঠি জগতলৈ দিয়া, আৰু তাৰ মুৰৰ ওপৰত কিৰিটি ওলমি থকা দেখিলা, তাৰ এই অর্থ ; সি আপোনাৰ গৰাকিৰ কৰমত প্রিতি কৰা হেতুকে বর্তমান হোআ কথা অৱমান হেলা কৰি, সি পুৰি জগতত ঐস্বৰ্জ প্রতিফল অৱস্যে পাব। আৰু মই জে প্রথমতেই তোমাক এই পুতলা দেখালোঁ, তাৰ কাৰণ এই ; তুমি বাটত জাঁওতে জি দুর্গম ঠাই পাবা, তাত তোমাক সুপথ বুজাবৰ নিমিত্তে তুমি জোআ থানৰ অধিকাৰে অকল সেই মানুহক বাট দেখাঁওতা পাতিলে। এয়েৰে তোমাক জি বুজালোঁ, তালৈ সাৱধান হোআ, আৰু জি দেখিলা, তাক মনত তুমি ৰাখিবা ; জি লোকে সজ পথ দেখাম বুলি মৰনলৈ জোআ পথে তোমাক নিব, কি জানি বাটত জাঁওতে এনে কোনো মানুহ লগ পাবা।

পাচে অর্থ দায়কে খ্রিষ্টিয়ানৰ হাতত ধৰি, কেতিয়াও ন সৰা ধুলিএৰে পুৰ হোআ এটা বৰ খোঁটালিৰ ভিতৰলৈ নিলে ; তাক অলপ বেলি চালত সাৰিবৰ নিমিত্তে এটা মানুহ মাতিলে। সি সাৰিবলৈ ধৰাত ধুলি উৰি উৰি খ্রিষ্টিয়ানৰ নাকে মুখে পৰি প্রায়ে উসাহ লব নোঅৰা কৰিলে। তেতিয়া ওচৰত থকা এজনি চোআলিত অর্থদায়কে কলে, পানি আনি চটিওআ ; তাক কৰিলত দুখ নো হোআকৈ সেই খোঁটালি সাৰি আঁওতোআ হল।

তেতিয়া খ্রিষ্টিয়ানে বোলে, ইয়াৰ কি অর্থ ?

অর্থ-দায়ক। জি মানুহৰ মন ধৰমৰ সুভ বাত্রাৰ সোআদ লগা অনুগ্রহৰ দোআৰাই কোনো কালে সুচি কৰা ন হল, এই খোঁটালিএ সেই। তাৰ মুল পাপ স্বভাও, আৰু জি ভিতৰৰ কুচিত ৰোগে গোটেইটো গা অসুচি কৰিলে, সেইবোৰক ধুলিএ বুজাই ; প্রথমে জিটোএ সাৰিলে, সি বিধান ; জি জনিএ পানি আনি সিঁচিলে, তাই সুভ বাত্রা। আক বিধানে প্রথমতে সাৰিবলৈ ধৰাত ধুলি সৰহকৈ উৰা হেতুকে খোঁটালি আঁওতাব নোআৰিলে, আৰু তাৰ দোআৰাই তুমি প্রায়ে উসাহ লব নোঅৰা হলা, তুমি জে এই কথা দেখিলা, তাৰে ইয়াকে বুজিবা, বিধানে পাপৰ পৰা মন সুচি কৰোক চাৰি, পাপক জিয়াই, বলৱন্ত কৰে, আৰু মানুহৰ ৰিদয়ত বৰ্হায়ো, সি পাপ দেখাই, আৰু নিসেধ মাথোন কৰে, কিন্তু পাপ দমিবলৈ সক্তি দিব নোআৰে।

আৰু সেই চোআলিএ খোঁটালিত পানি সিঁচিলত, তুমি জে তাক স্রম নো হোআকৈ আঁওতোআ দেখিলা, তাৰ অর্থ এই বুজিবা ; জেতিয়া সুভ বাত্রাই আপোনাৰ উতম সোআদ গুণেৰে সৈতে মনত সোমাই, তেতিয়া জি ৰুপে চোআলিএ পানি চটিওআত ধুলি নুৰা দেখিলা, সেই ৰুপে পাপ

পৰাজই আৰু দমন কৰা হই, আৰু তাত বিশ্বাসৰ দোআৰাই আত্ম সুচি কৰা হোআত ঐশ্বৰ্জৱন্ত ৰজা সোমাই তাত নিবাস কৰাৰ জোগ্য।

তাৰ পাচে মই সেই সমাজিকত দেখিলোঁ অৰ্থ-দায়কে খ্রিষ্টিয়ানক হাতত ধৰি, এটা সৰু খোঁটালিলৈ নিলে। তাতে দুখন চকিত দুটা সৰু লৰা বহি আচিল; ৰৰটৰ নাম ৰাগ, সৰুটৰ নাম সহন। ৰাগক হলে অসন্তোসিয়া জেন দেখে, কিন্তু সহন সান্ত হৈ আচিল। তাতে খ্রিষ্টিয়ানে সুধিলে, ৰাগ অসন্তোস কৰি থকাৰ কি কাৰণ? অৰ্থ-দায়কে বোলে, আৰু বচৰ ন হই মানে সি উত্তম বস্তুলৈ বাট চাই থাকক, গৰাকিৰ এনে মন; কিন্তু সি সকলোকে এতিয়াই লব খোজে। সহনে হলে বাট চাই থাকিবলৈ মান্তি হই।

পাচে এজন মানুহে ধন এমোনা হাতত লৈ ৰাগৰ ওচৰলৈ আহি তাৰ ভৰিত বাকি দিয়া দেখিলোঁ; তাতে সি তুলি লৈ সি বৰ ৰঙ্গ কৰিলে; আৰু সহনক ইত্তিকিঙ্গ কৰি হাঁহিলে। মই এফেৰি চাই থকাত আটাইবোৰ ভগন কৰা দেখিলোঁ, ফটা কাপৰৰ বাহিৰে তাৰ একো নাইকিয়া হল।

তেতিয়া খ্রিষ্টিয়ানে অৰ্থ-দায়কত কলে, এই কথা কিছু প্রকাস ৰুপেৰে মোক বুজাই দিয়া।

তাতে অৰ্থ-দায়কে কলে, এই দুই লৰা উপমাহে হৈচে; ৰাগ হল এই জগতৰ লোক, আৰু সহন সি জগতৰ সন্তানবিলাকৰ উপমা। ৰাগে জেনেকৈ এই বচৰতে সকলোকে পাব খোজে, সেই ৰুপে জগতৰ লোকে ইচা কৰে; আন বচৰলৈ অৰ্থাত পৰলোকলৈকে বাট চাই থাকিব নোআৰে; সিহঁতৰ সুখৰ জি ভাগ, তাক এতিয়াই অৱস্যে লাগে। গচত থকা দুই চৰাইতকৈ হাতত থকা এটাই ভাল, এই উপকথা ইশ্বৰে দিয়া পৰকালৰ সুখৰ আটাই প্রমাণতকৈ সিহঁতে বৰকৈ মানে। কিন্তু জেনেকৈ সেই লৰাই বেগতে সকলোকে অকাৰ্জতে ভাঙ্গিলত ফটা কাপৰ মাথোন থকা দেখিলা জগতৰ সেসত এনে মানুহবিলাকৰ অৱস্থা সেই ৰুপে হব।

খ্রিষ্টিয়ানে কলে, এতিয়া মই বুজিচোঁ, অনেক কাৰণে সহনৰ বুধি ভাল। প্রথম কাৰন সি উত্তম বস্তুলৈহে বাট চাইচে। দৃতিয়, জি কালত সেই জনৰ ফটা কাপৰ মাথোন থাকিব, তেতিয়া ই জনে আপোনাৰ ঐশ্বৰ্জ ভোগ পাব।

অৰ্থ-দায়ক। আৰু এটা কাৰণ বৰ্হাই দিব পাৰা; এই কালৰ সম্পতি বেগতে ঢুকাই। এই হেতুকে ৰাগে আপোনাৰ বস্তু প্রথমে পোআত সহনক



ইহাৰ জিমান চিদ্র পালে, তাতকৈ সহনে পাচে আপোনাৰ ভাগ পোআত সেসতে ৰাগক হাঁহিবলৈ ঠাই পাব। কিয়নো সেসৰটোলৈ প্রথমটে অৱস্যে ঠাই দিব লাগে; কিন্তু সেসটৰ ভাগ সদাই আগ হৈ থাকে, আৰু সি কাকো ঠাই দিব লগা নাই; জি হেতু তাৰ পাচতে কেও নাহে। এতেকে জি জনে প্রথমতে আপোনাৰ ভাগ পাই, তাক বই কৰিবৰো তাৰ অৱস্যো কাল হই; কিন্তু জি জনে সেসে ভাগ পাই, তাৰ ভাগ চিৰকাল থকা হই। এই ৰুপে ধনৱন্তৰ অৰ্থে লিখা আচে, তুমি জিয়াই থকা কালত আপোনাৰ সুখ পাইচিলা, লাজাৰে দুখ পাইচিল; এতিয়া হলে সি সুখ পাইচে, তুমিও জাতনা পাইচা।

খ্রিষ্টিয়ান। তেন্তে মই বুজিচোঁ, বৰ্তমান কথাত লোভ কৰাতকৈ পৰকালৰ কথাৰ নিমিতে বাট চাই থকা ভাল।

অৰ্থ-দায়ক। স্বৰুপে কৈচা, কিয়নো জি বস্তু দেখা জাই, সেয়ে অলপ কালৰ; কিন্তু জি বস্তু অদ্রিস্য, সেয়ে অনন্ত কালৰ। এনে হলেও তথাপি বৰ্তমান কথা আৰু আমাৰ সংসাৰিক ইচা, এই দুয়ো চুবুৰিয়া হোআ দেখি, সিহঁতে বেগতে মিতিৰ পাতে; কিন্তু পৰকালৰ কথা আৰু আমাৰ সংসাৰিক মন অচিনাকি বেলেগ হোআ দেখি, সদাই আঁতৰি থাকে।

তেতিয়া সেই সমাজিকত দেখিলোঁ, অৰ্থ দায়কে আকও খ্রিষ্টিয়ানক হাতত ধৰি আন ঠাইলৈ নিলেগৈ। তাতে এখন বেৰৰ ওচৰত একুৰা জলি থকা জুই আচিল; আৰু সদাই তাৰ কোসতে মানুহ এজন থিয় হৈ, তাক নুমাবলৈ বহু পানি ঢালি থাকে, তথাপি সেই জুই অধিককৈ জলি ওখ হৈ হৈ উঠে।

তাতে খ্রিষ্টিয়ানে সুধিলে, ইয়াৰ অৰ্থ কি?

অৰ্থ দায়কে উত্তৰ দি কলে, জুই কুৰা মনৰ ভিতৰত ইশ্বৰৰ অনুগ্রহে কৰা কৰম; জুই নুমাই নষ্ট কৰিবলৈ পানি ঢলা মানুহ হলে, চইতান; আৰু পানি ঢলাতো জে জুই বাহিঁ বাহিঁ জলিচে, তাৰ কাৰনো দেখিবা। তেতিয়া খ্রিষ্টিয়ানক বেৰৰ সি লুটিলৈ নিলত, তাতে তেলৰ পাত্র হাতত লৈ এটা মানুহে গুপুতে জুইত তেল বাকি বাকি থকা দেখিলে।

তেতিয়া খ্রিষ্টিয়ানে সুধিলে, ইয়াৰ নো কি অৰ্থ?

অৰ্থ-দায়কে কলে, এই জন খ্রিষ্ট; মনৰ ভিতৰ জি কৰমৰ আৰম্ভন হৈচে, তাক অনুগ্রহৰ তেলৰ দোআৰাই ব্রিধি কৰে, এই কাৰণে চইতানে জিমান পাৰে নিবাৰণ কৰিলেও, তেঁওৰ লোকবিলাকৰ মন অনুগ্রহজুক্ত হৈ থাকে। আৰু সেই জুই ৰাখিবলৈ বেৰৰ পিঠি ফালে জে সেই মানুহ লুকাই থকা

দেখিলা, তাৰে ইয়াকে বুজিবা, মনৰ ভিতৰত অনুগ্ৰহ কি উপায়েৰে ৰখ্যা কৰা হৈচে, পৰিখা পোআ লোকে তাক বুজিবলৈ বৰ টান।

পাচে মই দেখিলোঁ, অৰ্থ-দায়কে আকও খ্ৰিষ্টিয়ানক হাতত ধৰি এডোখৰ সুন্দৰ ঠাইলৈ নিলে; সেই ঠাইত অতি উত্তম ওখ ৰাজ ঘৰ এটা আচিল; তাক দেখিবলৈ মনোহাৰি। এনেকুআ দেখি খ্ৰিষ্টিয়ানে বৰ ৰঙ্গ কৰিলে; আৰু ঘৰৰ ওপৰ চোতালত সোনৰ কাপৰ পিন্ধা কোনো লোক অহা জোআ কৰা দেখিলে। তাতে খ্ৰিষ্টিয়ানে সুধিলে, আমি ইয়াৰ ভিতৰলৈ জাব পাৰিম নে? তেতিয়া অৰ্থ-দায়কে তাক ধৰি ৰাজ ঘৰৰ দুআৰৰ ওচৰলৈ নিলত তাৰ চাৰিও ফালে অনেক লোক সমূহ থিয় হৈ আচিল; সোমাবলৈ ইচা কৰা জেন দেখি, কিন্তু ভয়ত সোমাব নোআৰে। আৰু জিবিলাক সোমাব লগা, সেইবিলাকৰ নাম লিখিবৰ নিমিত্তে দুআৰৰ কিচু আঁতৰতে কিতাপ আৰু সিঙ্গৰ মৈলাম থকা এজন মেজৰ কাসৰত বহি আচিল। তাত বাজে দুআৰ মুখৰ বাটত জাখৰ পিন্ধা অনেক পৰিয়া লোক থকা দেখিলে; জিটো সোমাব খোজে, তাক সাধ্য মানে বিঘিনি আৰু তাৰনা কৰিবৰ সিহঁতৰ মন, এই সকলোকে দেখি খ্ৰিষ্টিয়ান বিস্মই হল; কিন্তু আটাইবিলাকে ভই খাই হুহকি গলত খ্ৰিষ্টিয়ানে এটা টান মুখিয়া মানুহক সেই লিখি থকা জনৰ ওচৰলৈ জাবৰ দেখিলে। পাচে সি বুলিলে, হেৰা দেও, মোৰ নাও লিখি থবা; ইয়াকে কৈ সি মূৰত লোৰ টুপি এটা পিন্ধি হাতত তৰোআল উলিয়াই লৈ সেই সজোআ পৰিয়াবোৰক আক্ৰমণ কৰি দুআৰৰ ফাললৈ লৰি জোআ দেখিলে। তাতে সিহঁতে তাক বলতকাৰ কৰি ঘৈয়াবলৈ ধৰিলে, কিন্তু সি এফেৰিও সাহ নেৰি সিহঁত সকলোকে কাটিব চিঙ্গিবলৈ ধৰি অনেক তৰনাস্তি কৰি, সেসত ভালেমান ঘা পায়ো নিবাৰন কৰাবিলাককো দি বাট মুকলি কৰি ৰাজ ঘৰৰ ভিতৰলৈ সোমাল। এনে সময়ত ভিতৰত থকা লোক, অৰ্থাত ওপৰ চোতালত অহা জোআ কৰাবিলাকৰ পৰা এনে এক সুন্দৰ বানি সুনা গল;

আঁহা প্ৰিয়, ভিতৰ ফাল,
ভুগি সুখ অনন্ত কাল।

এই ৰুপে সি সোমালত সিবিলাকৰ জেনে বস্ত্ৰ তেনে বস্ত্ৰেৰে ভুসিত হল। তেতিয়া খ্ৰিষ্টিয়ানে মিটিকিয়াই অৰ্থ-দায়কে বুলিলে, ইয়াৰ অৰ্থ অৱস্য জানিচোঁ বুলি মই ভাবিচোঁ।

খ্ৰিষ্টিয়ানে কলে, এতিয়া মোক জাবলৈ দিয়া; কিন্তু অৰ্থ-দায়কে বুলিলে, ন হই, আৰু কিচু নে দেখাঁও মানে ৰৈ থাকা; পাচে তুমি আপোনাৰ বাটে দি জাবা। তাতে তেঁও আকও তাৰ হাতত ধৰি, জি অতি এন্ধাৰ এখোঁটালিত লোৰ গঁৰালৰ ভিতৰত এটা মানুহ বহি আচিল, তালৈ নিলে। সেই মানুহ দেখিবলৈ বৰ সুগিয়া; হাত সাবতি তললৈ মূকৈ চাই ৰিদই ভগাৰ দৰে দিঘল নিশ্বাস কাঢ়ি কাঢ়ি আচিল। তেতিয়া খ্ৰিষ্টিয়ানে সুধিলে, ইয়াৰ কি অৰ্থ? তাতে অৰ্থ-দায়কে খ্ৰিষ্টিয়ানক তাৰে সৈতে কথা হবলৈ বুলিলে।

তেতিয়া খ্ৰিষ্টিয়ানে সেই মানুহত সুধিলে। তুমি কোন? সি উত্তৰ কৰিলে, মই আগেয়ে জি নাচিলোঁ, সেয়ে হৈচোঁ।

খ্ৰিষ্টিয়ান। আগেয়ে কেনে আচিলা?

মানুহ। আগেয়ে মই আপোনাৰ আৰু লোকৰ দ্ৰিষ্টিতো সুন্দৰ ফলৱন্ত খ্ৰিষ্টিয়ান আচিলোঁ; তেতিয়া স্বৰগৰ নগৰলৈ জোআ বাটত আচোঁ বুলি ভাবিলোঁ, আৰু তাত সোমাবলৈ পাম, এনে আসাৰে মোৰ অতিসই আনন্দ আচিল।

খ্ৰিষ্টিয়ান। আৰু এতিয়া নো কেনে আচা?

মানুহ। এতিয়া নিৰসা মানুহ এটা হৈচোঁ; এই লোৰ গঁৰালত জেনেকৈ মোক বন্ধন হোআ দেখিচা, সেই ৰুপে নিৰসাত বন্ধন হৈ মুকলি হব নোআৰোঁ; হাই হাই, আৰু মুকলি হবলৈ অসাধ্য।

খ্ৰিষ্টিয়ান। তুমি এনে দুৰাৱস্থাত কেনেকৈ পৰিলা?

মানুহ। পৰ দি থাকি ইন্দ্ৰিয়ক দমন কৰিবলৈ এৰিলোঁ; ঘোঁৰাত লাগাম পেলাই দি মেলাৰ দৰে কাম আদিএ মোক নিবলৈ লাগাম পেলাই দিলোঁ; সাস্ত্ৰৰ বিৰোধ আৰু ইস্বৰৰ দায়াৰ অহিতে পাপ কৰিলোঁ; মই পবিত্ৰ আত্মাৰ অসন্তোস কৰোআত তেঁও মোক এৰি গল; চইতানক উচটালত সি মোৰ লগ ললেহি; ইস্বৰৰ খঙ্গ তুলিলত তেঁও মোক তিয়াগ কৰিলে; আৰু মোৰ মন আপুনি টান কৰাত তাক এতিয়া পালটাব নোআৰোঁ।

তেতিয়া খ্ৰিষ্টিয়ানে অৰ্থ-দায়কত সুধিলে, এনে মানুহৰ পৰিত্ৰানৰ নিমিত্তে একো আসা নাই নে? অৰ্থ-দায়কে কলে, তুমি তাত সোধা?

তেতিয়া খ্ৰিষ্টিয়ানে তাত সুধিলে, তুমি সদাই এই নিৰাসাৰ লোৰ গঁৰালত জেন নে থাকা, এনে এফেৰিও আসা নাই নে?

মানুহ। এফেৰিও আসা নাই।

খ্ৰিষ্টিয়ান। কিয়? ধন্যবাদ ইস্বৰৰ পুত্ৰ অতি ক্ৰিপাৱন্ত হৈচে।

মানুহ। মই তেঁওক অৱমান কৰি নকৈ পেৰেঙ্গনিত বধ কৰিলোঁ; তেঁওৰ ধৰমকো হেলা কৰি তেঁওৰ তেজ অপবিত্ৰ বস্তুৰ দৰে মানিলোঁ, আৰু অনুগ্ৰহেৰে দিয়া আত্মাকো অৱহেলা কৰিলোঁ। এই হেতুকে মই আপোনাক ইস্বৰৰ অঙ্গিকাৰবিলাকৰ পৰা বাজ কৰিলোঁ; এতিয়াৰ পৰা ভয়ঙ্কৰ দণ্ড আগ্যা, আৰু মই সত্ৰুক নাস কৰা অগ্নিমই ক্ৰোধলৈ ভয়েৰে অপেখা, মোলৈ এইবিলাক মাথোন থাকে।

খ্ৰিষ্টিয়ান। তুমি কিহৰ নিমিতে আপোনাক এনে দুৰাৱস্থাত পেলালা?

মানুহ। এই জগতৰ জি কাম অভিলাস, সুখ আৰু লাভত মই বৰ ত্ৰিপ্তি ভোগ কৰিম বুলি ভাবিলোঁ, সেইবিলাকৰ নিমিতে মই এনে অৱস্থাত পৰিলোঁ; কিন্তু এতিয়া সেই প্ৰতি সুখে মোক কামুৰি অগ্নিমই পোকৰ দৰে খাই থাকে।

খ্ৰিষ্টিয়ান। কিন্তু তুমি এতিয়াও উলট মন পালটাব নোআৰা নে?

মানুহ। ইস্বৰেহে পালটন কৰিবলৈ নিসেধ কৰিলে; বিস্বাস কৰিবলৈ তেঁওৰ বাক্যত এফেৰিও আসা দিয়া নাই, তেঁও আপুনিএ মোক এই লোৰ গঁৰালত বন্ধন কৰিলে, আৰু জগতৰ লোক আটাইবোৰেও মোক মুকলি কৰিব নোআৰে। অস, অস, অনন্ত কাল! অনন্ত কাল! মই অনন্ত কালত জি সাস্তিৰ লগ পাম, তাৰে সৈতে কেনেকৈ জুজ কৰিম? তেতিয়া অৰ্থ-দায়কে খ্ৰিষ্টিয়ানত কলে, এই মানুহৰ দুখ তোমাৰ মনত থাকি তোমাক সাৱধান কৰাঁওতা হওক।

খ্ৰিষ্টিয়ান। স্বৰুপ, আতা, এই কথা বৰ ভয়ঙ্কৰ; এই মানুহৰ দুখ জনমোআ কৰমৰ দূৰৈত জেন থাকোঁ, এই প্ৰাৰ্থনা কৰিবলৈ আৰু পৰ দি সাৱধানে থাকিবলৈ ইস্বৰ মোৰ সহাই হওক। এতিয়া মোৰ বাটে জাবলৈ বেলি ন হল নে?

অৰ্থ-দায়ক। তোমাক আৰু এটা কথা দেখাবৰ নিমিতে এফেৰিমান ৰবা; পাচে তুমি বাটে দি জাবা।

তেতিয়া অৰ্থ-দায়কে আকও খ্ৰিষ্টিয়ানৰ হাতত ধৰি আন এক খোঁটালিলৈ নিলে; তাতে সুই থকা খাটৰ পৰা এজন মানুহ উঠি আপোনাৰ কাপৰ পিন্ধি থাকোঁতে কঁপি কঁপি আচিল। তাতে খ্ৰিষ্টিয়ানে সুধিলে, ই নো কিয় এনেকৈ কঁপিচে? তেতিয়া অৰ্থ-দায়কে তাৰ কঁপাৰ কাৰণ খ্ৰিষ্টিয়ানত কবলৈ তাক আগ্যা কৰাত সি কবলৈ ধৰি বুলিলে, এই ৰাতি টোপনিত থাকোঁতে মই এটা সমাজিক দেখিলোঁ; তাতে দেখা, আকাস মণ্ডল ঘোৰ এন্ধাৰ হৈ গল, আৰু



অতি ভয়ঙ্কৰ মেঘৰ গৰ্জন আৰু বিদুলি হোআত মোৰ মনত বৰ বিয়াকুল লাগিল। এই ৰুপে সমাজিকত ওপৰলৈ চাই থাকোঁতে মেঘবোৰ আচৰিত ৰুপে লৰুআই নিয়া দেখিলোঁ। তেতিয়া ভেঁৰিৰ মহা সবদ সুনিলোঁ, আৰু স্বৰগৰ হেজাৰ হেজাৰ লোকেৰে আব্ৰিত হোআ এজন মানুহকো মেঘৰ ওপৰত বহি থকা দেখিলোঁ; সেই সকলোবিলাক অগ্নিমই বস্ত্ৰেৰে ভুসিত, আৰু আকাস মণ্ডলো জলন্ত অগ্নিৰে পুৰি আচিল। এনে সময়ত, হে মৰা লোক সকল, উঠা মহা সোধলৈ আঁহাহঁক, এই বচন সুনা গলত সিলবোৰ ফাটিল, মৈদামবোৰ মুকলি হল, আৰু তাত জি জি ম্ৰিত্যু লোক আছিল, আটাই-বিলাক ওলাল; তাৰে কেতবিলাকে বৰ আনন্দিত হৈ ওপৰলৈ চাই থাকিল; আনবোৰে পৰ্বতৰ তলত আপোনাক লুকাবলৈ উপাই বিচাৰিলে। তেতিয়া মই চাই দেখিলোঁ, মেঘত বহি থকা জনে এখান পুথি মেলি জগত খনৰ লোকক আপোনাৰ ওচৰলৈ আহিবলৈ দিলে। কিন্তু সোধ কৰ্তা আৰু অপৰাধত পৰা বিলাকে জি ৰুপে আঁতৰা আঁতৰি হৈ থাকে, সেই ৰুপে তেওঁৰ ওচৰৰ পৰা ওলাই অহা অগ্নিমই সিখাৰ দোআৰাই সিহঁতকো তেঁওৰ কিচু আঁতৰতে ৰখা হৈচিল। আৰু মেঘত বহা জনক আবৰি থকা পাৰিসদ-বিলাকত এই আগ্যা দিয়া সুনিলোঁ, বন আৰু ঘুগুলা আৰু নৰা গোটাই জুয়েৰে পুৰি থকা সৰোবৰত পেলোআগৈ। তেতিয়া মই থকা ঠাইৰ ওচৰতে প্ৰিথিবি ফাটি তলি নো হোআ কুণ্ড ওলাল; তাৰ মুখৰ বহু ধুঁআ, জুইৰ আঙ্গঠা, আৰু হোঁ হোঁকৈ ভয়ানক সবদো ওলাবলৈ ধৰিলে। সেই পাৰিসদ-বিলাকত আৰু এক আগ্যা দিয়া হল, ভঁৰালত মোৰ ধান চপাই থোআ। তাকে সুনিএই অনেক লোকক ধৰি মেঘৰ ওপৰলৈ লৈ জোআ দেখিলোঁ, কিন্তু মোক হলে এৰা হল। আৰু মই আপোনাক লুকাবলৈ ইচা কৰিও উপাই নে পালোঁ; কিয়নো মেঘত থকা জনৰ চকুৰ দ্ৰিষ্টি সদাই মোৰ গাত পৰি আচিল; আৰু মোৰ পাপবিলাকো স্মৰন হোআত মোৰ মনেই সকলো ভাৱে মোক দুসি কৰিলে। এনে সময়ত মই টোপনি ভাগি সাৰ পালোঁ।

খ্ৰিষ্টিয়ান। তুমি ইয়াক দেখি কিয় এই মান ভয়াতুৰ হলা?

মানুহ। আতা, মই ইয়াকে ভাবিলোঁ, মহা সোধৰ দিন অৱস্যে আহিল; কিন্তু তালৈ মই জুগুত নহঁও; আৰু দূতবিলাকে অনেকক গোটাই নি মোক এৰিলে, তাৰ কাৰনেহে বৰ ভই পালোঁ; তাত বাজে নৰকৰ কুণ্ডৰ মুখ মোৰ অতি ওচৰতে মুকলি হল; মোৰ ভিতৰেও মনে মোক বৰ দুখ দিলে, আৰু

সোধ কৰ্তাই খঙ্গ মুখ হৈ মোৰ ফাললৈ চকুৰ একে দ্ৰিষ্টিৰে সদাই চোআ জেন দেখিলোঁ।

তাতে অৰ্থ-দায়কে খ্ৰিষ্টিয়ানত সুধিলে, তুমি এই সকলো কথা মনত বিবেচনা কৰিলা নে ?

খ্ৰিষ্টিয়ান। হই, আতা, কৰিলোঁ, আৰু এইবিলাক কথাত মোৰ আসা আৰু ভয়ো লগা হৈছে।

অৰ্থ-দায়ক। তেন্তে তুমি জাব লগা বাটত তোমাৰ কোসত খুঁচি ঠেলিবলৈ এইবিলাক কথা কাঁটিৰ নিচিনাকৈ মনত ৰাখি থবা। তেতিয়া খ্ৰিষ্টিয়ানে কঁকাল বান্ধি জাত্ৰালৈ আপোনাক জুগুত কৰিব ধৰিলে। তাতে অৰ্থ দায়কে তাক আসিৰ্বাদ কৰি কলে, হে প্ৰিয় খ্ৰিষ্টিয়ান, তোমাক ৰাজ নগৰলৈ জোআ বাট দেখাই নিবলৈ সান্তনা কৰোঁতা সদাই তোমাৰ সহাই হওক।

তেতিয়া খ্ৰিষ্টিয়ানে আপোনাৰ বাট চাই বচন গাই গাই গল।

জাত্ৰাত মোৰ জি কাম আৰম্ভন,
তাত জেন ঠাৱৰ হব মন,
কথা চমত্‌কাৰ আচৰিত
ইয়াত পালোঁ দৰসন ;
কেতবোৰ অতি ঘোৰ ভয়ানক,
আৰু কেতবোৰ মনোহৰ,
অৰ্থ-দায়ক উপকাৰি
দেখাই দিলে পাপি নৰ ;
সদাই মন জেন মজি থাকে,
মোৰ এই প্ৰাৰ্থনা ইশ্বৰ।



## ৪ আধ্যা

পাচে মই সমাজিকত চাই দেখিলোঁ, খ্ৰিষ্টিয়ান জোআ চাৱলিয়া ওখ বাটৰ দুই ফালে পৱিত্ৰান নামে গৰেৰে বেৰা হৈছিল। সেই পথে খ্ৰিষ্টিয়ানে ভাৰ বঁওতা হৈ উঠি উঠি লৰি গল ; কিন্তু বোজাৰ কাৰণে বৰ শ্ৰমেৰেহে গল।

সেই ৰূপে লৰি ক্ৰমেৰে এখান ওখ ঠাই পালেগৈ ; তাতে এডাল পেৰেঙ্গনি পোতা আছিল, আৰু সেই ঠাইৰ কিচু তল ফালে এটা মুখ মুকলি মৈদামো আছিল। তেতিয়া সমাজিকত দেখিলোঁ খ্ৰিষ্টিয়ানে পেৰেঙ্গনিৰ ওচৰ পোআতেই তাৰ কানৰপৰা বোজাৰ বান্ধ সুলকি পিঠিৰপৰা খহি পৰিল ; আৰু বাগৰি বাগৰি মৈদামৰ মুখ পাই, তাতে সোমলগৈ ; পাচে মই আৰু তাক নে দেখিলোঁ।

তেতিয়া খ্ৰিষ্টিয়ান উচৌ আৰু আনন্দ লাগি, ৰঙ্গ মনেৰে বুলিলে, তেঁও আপোনাৰ দুখেৰে মোক জিৱনি, আৰু আপোনাৰ মৰনেৰে মোক জিৱন দিলে। পাচে সি আচৰিত মানি কিছুকাল তাক চাবলৈ বৈ থাকিল ; কিয়নো পেৰেঙ্গনিৰ দৰ্সনে তাৰ বোজাৰ পৰা এই ৰূপে মুকুত কৰাত সি বৰ বিস্মই মানিলে। এতেকে তাৰ মূৰত থকা ভুমুকৰ পৰা চকুৰ লো ওলাই গালে দি বৈ জোআলৈকে সি পেৰেঙ্গনিকে চাই চাই থাকিল। এই ৰূপে লোতক বৈ চাই থকা সময়ত দেখা, তিনি জন তেজস্বি লোক তাৰ ওচৰলৈ আহি, তোমাৰ কুসল হওক বুলি সম্ভাসা কৰিলে। পাচে প্ৰথম জনাই কলে, তোমাৰ পাপ খেমা কৰা হল। দুতিয় জনাই তাৰ ফটা কাপৰ গুচাই, নতুন বস্ত্ৰ পিন্ধালে। ত্ৰিতিয় জনাই তাৰ কঁপালত এটা চিন দিলে। আৰু মোহৰৰ চাব থকা এটা পুথিৰনুৰা তাৰ হাতত দি বুলিলে, তুমি লৰি জাঁওতে ইয়াকে চাবা, পাচে স্বৰ্গিয় নগৰৰ দুআৰ পাই তাতে দিবাগৈ। ইয়াকে কৈ সিবিলাক আপোনাৰ বাটে দি গল। তেতিয়া খ্ৰিষ্টিয়ানে বৰ ৰঙ্গ পাই তিনিটা ডেও মাৰি এই বচনেৰে গান কৰি কৰি গল।

পাপৰ বোজাত অতি দুখিত
দণ্ডৰ আছিলোঁ অধিন,

কোনো ঠাইত উপাই নে দেখি
ফুৰিছিলোঁ অনেক দিন ;
সেসত কি সুভাগ্য থানত
পৰি আছোঁ সুখিমই !
এখেত পিঠিৰ বোজা পৰিল,
বন্ধন সকল হৈচে খই ।
ধন্য ধন্য পেৰেঙ্গনি,
ধন্য এই মৈদামৰ থান,
মহা ধন্য জি জন পালে
তাত মোৰ হেতু অপমান ।

পাচে মই সমাজিকত দেখোঁতে খ্ৰিষ্টিয়ানে গৈ গৈ সেই ওখৰ তলতে এখন চাপৰ ঠাই পালে। তাত বাটৰ পৰা কিছু আঁতৰতে লোৰ সিকলিৰে ভৰি বন্ধা তিনি জন মানুহ টোপনিতে সুই থকা দেখিলে। সিবিলাকৰ এটাৰ নাম অবিবেচক, এটাৰ নাম এলেহুআ, আৰু সিটৰ নাম কুসাহিয়াল ।

খ্ৰিষ্টিয়ানে সিহঁতক এনে অৱস্থাত পৰি থকা দেখি, জগাব পাৰোঁ কি চাবোঁ বুলি, সিহঁতৰ ওচৰলৈ গৈ ৰিঙ্গিয়াই কলে, হেৰা ভকত লোক, তোমালোক জাহাজৰ মস্তুলৰ ওপৰত সুই থকা মানুহৰ নিচিনা ; তোমালাকৰ তলত মৰন সাগৰ, আৰু তলি নো হোআ অগাধ খালো আচে ; টোপনিৰ পৰা জগি আঁহা, আৰু তোমালোকৰ ইচা হলে মই তোমালোকৰ সিকলি গুচাবলৈ কাৰ্বাৰ কৰিম। খ্ৰিষ্টিয়ানে আৰু বুলিলে, গুঁজৰি থকা সিংহৰ দৰে অহা জোআ কৰা জি জন, সি ওচৰলৈ আহিলে, তোমালোক অৱস্যে তাৰ দাঁতেৰ কৰচা আহাৰ হবা। তাতে সিহঁতে খ্ৰিষ্টিয়ানক চকু মেলি চাই উতৰ কৰিবলৈ ধৰিলে। অবিবেচকে কলে, মই একো ভই নে দেখোঁ ; এলেহু আই বুলিলে, ৰবা, আৰু এফেৰি সোঁও অথন ; কুসাহিয়ালে বুলিলে, আটাই চৰিয়াবোৰ আপোন আপোন তলিতে ভৰ দি থাকিব লাগে, মই তোমাক আৰু কি উতৰ দিম ? এই কথা বুলি সিহঁতে আকও টোপনিয়ালে, আৰু খ্ৰিষ্টিয়ানো আপোনাৰ বাটে দি চলি গল ।

কিন্তু এনে সঙ্কটত থকা মানুহক জগাই সজ আলচ দি সিকলি গুচাবৰ মনেৰে সিহঁতক উপকাৰ কৰিব খোজা জি জন, তাৰ মৰম এনে হেলা কৰাত খ্ৰিষ্টিয়ানৰ মনত বৰ অসন্তোস লাগিল। এই ৰুপে অসন্তোস কৰি থাকোঁতে সেই ঠেক বাটৰ বাওঁ ফালে থকা জি গৰ, খ্ৰিষ্টিয়ানে তাৰ ওপৰেদি দুটা



মানুহক ৰগাই উঠি পাৰ হৈ আপোনাৰ ফাললৈ বেগাই আহিবৰ দেখিলে ; সিহঁতৰ নাম কৰ্মাচাৰি আৰু কপটিয়া। সিহঁতে ওচৰ পালত খ্ৰিষ্টিয়ানে এই ৰুপে সিহঁতে সৈতে কথা হবলৈ ধৰিলে ।

খ্ৰিষ্টিয়ান। হেৰা বাপু লোক, তোমোলাক কৰ পৰা আহিলা ? জোআ কলৈ ?

সিবিলাকে কলে, আমাৰ জনম ঠাই নিজ প্ৰসংসা নগৰ, আৰু প্ৰসংসাৰ নিমিতে চিওন পৰ্বতলৈ জাঁও ।

খ্ৰিষ্টিয়ান। তেন্তে বাটৰ মূৰত জি দুআৰ আচে, সেই পোনে দি কিয় নাহিলা ? জি জনে দুআৰে দি নো সোমাই আন কোনো পোনে উঠি সোমাই, সি চোৰ আৰু ডকাইত, এই জি কথা লিখা আচে, তাক তোমোলাকে নে জানা নে ? কৰ্মাচাৰি আৰু কপটিয়াই কলে, সেই দুআৰে দি সোমাবলৈ বাট অতি ঘুৰন ৰেন মা‍নি, আমাৰ দেসৰ প্ৰাই আটাই লোকে পোনাই আহি আমাৰ দৰে গৰ ডেই সোমোআৰ দস্তুৰ আচে ।

খ্ৰিষ্টিয়ান। তেও আমি জাব লগা নগৰৰ অধিকাৰৰ প্ৰকাসিত আগ্যা ভাঙ্গিলে, তাক আমাৰ অহিতে জগৰ বুলি নি লিখিব নে ?

তাতে কৰ্মাচাৰি আৰু কপটিয়াই খ্ৰিষ্টিয়ানত কলে, এই কথাত হলে, তুমি ইমান চিন্তাকুল হোআৰ একো প্ৰয়োজন নাই ; কিয়নো আমাৰ ফালে দস্তুৰ আচে, আৰু সাখি জদি লাগে, এহেজাৰতকৈ অধিক বচৰৰে পৰাও সেই দস্তুৰৰ প্ৰমান দিব পাৰোঁ ।

খ্ৰিষ্টিয়ান। কিন্তু গোচৰ হলে কানন মতে তোমোলাকৰ বেৱহাৰ নিদ্ধ‍ৰ্সি হব নে ?

সিহঁতে বুলিলে, এহেজাৰ বচৰতকৈও অধিক কাল থকা জি পুৰনি দস্তুৰ, নিয়ায়ৱন্ত সোধাৰুএ তাক বিধানৰ তুল্যকৈ মানিব, ইয়াত একো সংসই নাই ; আৰু তাত বাজে জদি আমি বাটতেহে আচোঁ, তেন্তে কেনি সোমালোঁ, তাক সোধাৰ কি কাম ? জদি বাটৰ ভিতৰ সোমালোঁ, সোমালোঁ এই, তুমি দুআৰে দি অহা আমি বুজিচোঁ, তেওঁ তুমি বাটতে মাথোন আচা ; আমি গৰ ডেই আহিও সেই বাটতে আচোঁ ; আমাত্তকৈ নো তোমাৰ অৱস্থা কি ভাল হৈচে ?

খ্ৰিষ্টিয়ান। তোমালোকে মনৰ আন্দাজেৰেহে আচৰন কৰা ; মই হলে, মোৰ প্ৰভুৰ সিখ্যাৰ দৰে আচৰন কৰোঁ। বাটৰ অধিকাৰৰ দোআৰাই তোমোলাক এতিয়াও চোৰ বুলিহে লিখা হৈচে, বাটৰ অন্তত কেনেকৈ স্বৰুপ

মানুহ বোলা হবা, ইয়াক মই নে জানোঁ। অধিকাৰৰ আগ্যা নো হোআকৈ তোমোলাক অকলেই সোমালা, আৰু তেওঁৰ অনুগ্ৰহ নো পোআকৈও অকলেই বাহিৰ কৰা হবা।

এই কথা সুনি সিহঁতে বাহুল্য ৰুপে উতৰ নি দি, খ্ৰিষ্টিয়ানক আপোনাৰ কাম চাই থাকিবলৈ দিলে। তেতিয়া সিহঁত খ্ৰিষ্টিয়ানৰ পৰা কিছু আঁতৰা আঁতৰি হৈ আপোনাৰ বাটে চলি গৈ থকা বাত্ৰা হবলৈ প্ৰাম্ভে এৰিলে। তথাপি সিহঁতে তাত এটি কথা কলে, বিধান আৰু ৰিতি হলে তোমাৰ সমানেই নিৰ্দ্দ সি ৰুপে আমি পালন কৰিম, আমাৰ ইয়াত সংসই নাই, আৰু তোমাৰ পিঠিত জি চোলা, তাৰ বাহিৰে তোমাৰে আমাৰ মাভত আৰু একো ভিন নে দেখোঁ, তোমাক নাঙ্গটা দেখি লাজ ঢাকিবৰ নিমিতে কোনো চুবুৰিয়াই তাক তোমাক দিলে, ইয়াকে বুজোঁ।

খ্ৰিষ্টিয়ান। তোমালোক দুআৰে দি নো সোমোআত কোনো বিধান বা ৰিতিৰ দোআৰাই পৰিত্ৰান পাব নোআৰিবা। মোৰ পিঠিত জি চোলা, তাক হলে মই জাব লগা নগৰৰ অধিকাৰে মোক দিচে ; তোমোলাকে কোআৰ দৰেই মোৰ নাঙ্গটা ঢাকিবৰ নিমিতেছে দিয়া হই ; আৰু ইয়াক তেওঁৰ মোলৈ অতি মৰমৰ চিন জেন মানি লৈচোঁ, কিয়নো আগেয়ে ফটা কাপৰৰ বাহিৰে মোৰ একো নাই কিচিল। আৰু বাটত জাঁওতে এই কথাত সান্তনা পাই মনেৰে ভাবোঁ, প্ৰভুএ মোৰ ফটা কাপৰ গুচুআ দিনত জি চোলা মোক অনুগ্ৰহ কৰি দিলে, সেই চোলা মোৰ পিঠিত থকাৰ কাৰনে মই ৰাজ নগৰৰ দুআৰ জেতিয়া পাঁও, তেতিয়া তাৰ অধিকাৰে দায়া ৰুপে মোক চিনিব। তাত বাজে জি চিন তোমোলাকে কি জানি নে দেখিলা, মোৰ কঁপালত এনে এটা চিন আচে ; জি দিনত কানৰ পৰা বোজা পৰিল, সেই দিনতে মোৰ ভুৰ প্ৰিয় বন্ধু এজনে এই চিন দিলে। আৰু কঁও সুনা, মই বাটত জাঁওতে পাঠ কৰি সান্তনা পাবৰ নিমিতে মোহৰ মৰা এটা পুথিৰ নুৰাও তেতিয়া মোৰ হাতত দি এই আগ্যা কৰিলে, স্বৰ্গিয় দুআৰ পালে তাত ইয়াক দিবি ; তাৰ পাচে তয়ো সোমোআৰ সেয়ে স্বৰুপ চিন হব। মই জানিচোঁ, এই সকলো বস্তুত তোমোলাকৰ প্ৰয়োজন আচে ; কিন্তু দুআৰে দি নহা হেতুকেহে পোআ নাই।

এইবিলাক কথা সুনি সিহঁতে খ্ৰিষ্টিয়ানক একো উতৰ নি দি ইজনে সি জনে চোআ চুই কৰি হাঁহিব ধৰিলে। এই ৰুপে সকলোএ বাটত জাওঁতে খ্ৰিষ্টিয়ান কিছু আগ হৈচিল ; আৰু আপোনাৰ বাহিৰে কাৰোএ সৈতে কথা নহৈ,



কেতিয়াবা হুমুনিয়াহ কাঢ়ি, কেতিয়াবা সান্তনা পাই গল ; আৰু জি নুৰা সেই তেজস্বিবিলাকৰ এজনে তাক দিলে, সেই নুৰা অনেক বেলি পাঠ কৰি মনত জিৰনি পালে।

এই ৰুপে সকলোএ গৈ গৈ, কাল ক্ৰমে কঠিন নামে এটা ঢোকা পৰ্বতৰ ওচৰ পোআ দেখিলোঁ। সেই পৰ্বতৰ নখত এটা ভুমুক আচিল, আৰু জিটো বাট সৰু দুআৰৰ পৰা পোনাই আহিল, তাত বাজে আন দুটা বাট সেই ঠাইতে আচিল, এটাই বাঁও ফাললৈ জাই, সিটোএ পৰ্বতৰ গুৰিৰ পৰা সোঁফালে পোনাই গৈচে ; কিন্তু ঠেক বাট হলে সেই পৰ্বতৰ মাজেদি পোনেই ওপৰলৈ জাই, আৰু ওপৰলৈ জোআ বাট অতি টান দেখি তাক কঠিন নামেৰে বোলে। তেতিয়া খ্ৰিষ্টিয়ানে ভুমুকৰ ওচৰলৈ গৈ আপোনাৰ প্ৰান জুৰাবলৈ তাৰ পানি খাই পৰ্বতৰ ওপৰলৈ জাবলৈ আৰম্ভন কৰি এই কথা গাবলৈ ধৰিলে।

পৰ্বত ইমান ওখ হলেও
ইচা কৰোঁ উঠিবৰ ;
কঠিন বাটত নে পাঁও বেজাৰ
দেখি এই পথ জিৱনৰ ;
সকল ভাগৰ ভয়ো তিয়াগি
উঠ, হে মন, কৰি সাহ,
সুখে সৈতে মিচা পথে
গলে পাচে সৰ্বনাস,
তাতকৈ দুখে সৈতেও স্বৰুপ
পথত লাভ পাই পৰম আস।

পাচে সি দুজনে সেই পৰ্বতৰ গুৰি পাই তাক ওখ আৰু গৰা হোআ দেখি, আৰু জাবৰ নিমিতে আন দুটা বাটো হোআত খ্ৰিষ্টিয়ান জোআ বাটে সৈতে সেই দুটাও পৰ্বতৰ সি ফালে মিল হব জেন ভাবি, তাতে জাবলৈ মন থিৰ কৰিলে। সেই বাট এটাৰ নাম আপদ, আনটৰ নাম সৰ্বনাস। তাতে জাবলৈ মন থিৰ কৰিলে। তাতে সিহঁতৰ এজনে আপদে দি গৈ বৰ অৰন্যৰ মাজত সোমাই হেৰাল, সিজনে সৰ্বনাসে দি গৈ অনেক অন্ধকাৰমই পৰ্বত থকা এডোখৰ বহল ঠাই পাই, তাতে উজুটি খাই পৰি, পাচে আৰু নুঠা হল।

পাচে মই খ্ৰিষ্টিয়ানলৈ চাই তাক পৰ্বতৰ ওপৰলৈ গৈ গৈ থকা দেখিলোঁ। প্ৰথমতে লৰি গৈচিল, পাচে ধিৰে ধিৰে গৈ, সেসত গৰা বাট হেতুকে হাতে

ভৰিএ বগুআ বাইহে জাব পাৰিলে। সেই ৰূপে পৰ্বতৰ মূৰ পাবৰ আধা বাট গলত তাতে ভাগৰ পোআ জাত্রিক লোক জিৰাবৰ নিমিতে পৰ্বতৰ অধিকাৰে কৰা এটা অতি সুন্দৰ গচৰ ঘোপ মৰা ঘৰ আছিল। তাতে খ্রিষ্টিয়ানে সোমাই বহি জিৰাবলৈ ধৰিলে। তেতিয়া বুকুৰ পৰা পুথিৰ নুৰা উলিয়াই পহি মনত সান্তনা পালে, আৰু পেৰেঙ্গনিৰ ওচৰত থাকোঁতে জি চোলা পাইচিল, তাকো চাই চাই সন্তোস হৈ ক্রমে টোপনিএ ধৰি ধৰি বৰ নিদ্রা হল। এই ৰূপে প্রায়ে গধুলিলৈকে সুই থাকোঁতে তাৰ হাতৰ পৰা নুৰা খহি পৰিল। পাচে এজন লোকে তাৰ ওচৰলৈ আহি জগাই বুলিলে, হেৰা এলেহুআ, তুমি পৰুআৰ ওচৰলৈ গৈ তাৰ পথ গমি চোআ, তেহে তুমি গিয়ানৱন্ত হবা। তেতিয়া খ্রিষ্টিয়ানে উচাব খাই উঠি লৰি গৈ পৰ্বতৰ মূৰ নে পাই মানে বেগাই চলি গল।

পৰ্বতৰ মূৰ পোআতেই দুজন মানুহ তাৰ ফাললৈ সমূখ হৈ লৰি আহিল; এটাৰ নাও ভয়াতুৰ, সিটৰ নাও সঙ্কাকুল। খ্রিষ্টিয়ানে সিহঁতক মাত লগাই সুধিলে হেৰা ভকত, তোমোলাকে কি কাৰণে ওভোতা বাটে লৰি আহিচাহঁক?

ভয়াতুৰে কলে, আমি চিওন পৰ্বতলৈ গমন কৰি এই কঠিন ঠাই পাৰ হলোঁ এই, কিন্তু জিমানলৈকে জাঁও, সিমান অধিক সঙ্কট পাঁও, এই হেতুকে ঘূৰি আহিলোঁ, উভতি জাম।

তাতে সঙ্কাকুলে বোলে হই, আমাৰ আগফালে নিচেই ওচৰতে দুটা সিংহ সুই আছিল, টোপনি নে সাৰে আচে, তাক কব নোআৰোঁ; তেও হাঁতোৰাৰে পোআলৈকে আমি জোআ হলে, আমাক ডোখৰ ডোখৰকৈ চিঙ্গিলেহেঁতেন, ইয়াক আমি জানিচোঁ।

তেতিয়া খ্রিষ্টিয়ানে কলে, তোমোলাকে মোৰ বৰ ভই লগালা; কিন্তু নিৰ্বিঘিনিএ থাকিবলৈ কত পলাম? মোৰ আপোন দেস লৈ জদি জাঁও, সি গন্ধকৰ জুয়েৰে পোৰা হবলৈ জুগুত হৈচে, তাত অৱস্যে বিনাস হম। স্বৰ্গিয় নগৰ জদি পাব পাৰোঁ, তাতে নিৰ্বিঘিনি হৈ কুসলে থাকিম, এই নিচই। এ হেতুকে মইচোন জাঁও; উভতি জোআই কেৱল মৰন; সমূখে জোআ মৰনৰ ভই হই, কিন্তু আগলৈ অনন্ত পৰম আয়ুস; মই আগ ফাললৈহে গৈ থাকিম। তেতিয়া সঙ্কাকুল আৰু ভয়াতুৰ পৰ্বতৰ নাম ফাললৈ লৰি গল, আৰু খ্রিষ্টিয়ান আপোন বাটে দি গল। কিন্তু সেই দুজনৰ মুখৰ পৰা সুনা কথা মনত পৰি বিবেচনা কৰি থাকোঁতে, পুথিৰ নুৰা চাই সান্তনা পাবৰ



নিমিতে তাক আনিবলৈ বুকত হাত দি খপিয়াই নেপালে। তেতিয়া খ্রিষ্টিয়ান বৰ বিয়াকুল হৈ, কি কৰিম, তাক নে জানিলে; কিয়নো সি জিহেৰে সান্তনা পাই পাই আছিল; আৰু স্বৰ্গিয় নগৰত সোমাবলৈ জি নুৰা তাৰ চিন পত্র হলহেঁতেন, তাক হেৰুআলে। এয়েৰেই বৰ চিন্তাকুল হৈ, কি নো কৰিব লগা, তাক থিৰ কৰিব নোআৰি, সেসত পৰ্বতৰ চালত থকা ঘোপ ঘৰত জিৰাওঁতে টোপনিওআৰ কথা তাৰ মনত পৰিল। তেতিয়া সি আঁঠু কাহিঁ মাটিত পৰি সেই অগিয়ানি কৰমৰ কথাত খেমা পাবৰ নিমিতে ইস্বৰলৈ প্রাৰ্থনা কৰিলে; পাচে উঠি নুৰা বিচাৰিবলৈ উলটি গল।

কিন্তু উভতি জাঁওতে গোটেইটো বাটত খ্রিষ্টিয়ানৰ মনত কিমান খেদ হৈচিল, তাক কেৱে কব নোআৰে। মাজে মাজে হুমুনিয়াহ পেলাই, মাজে মাজে কান্দে; আৰু জি ঠাই ভাগৰুআ পথক অলপকৈ জিৰাবলৈ মাথোন সজা হৈচিল, তাতে বলিয়াৰ দৰে টোপনিয়াই থকা হেতুকে আপোনাকে ঘনে ঘনে গৰিহনা কৰে। এই ৰূপে সি উলটি গৈ, জিনুৰাই জাত্রাত.তাক এইমান বেলি সান্তনা কৰিচিল, তাক সুভ দৈবেৰে পোআ হই কি চই, এই মনেৰে গোটেই বাটত ই ফালে সি ফালে নেৰি ভালকৈ চাই গৈচিল। পূৰ্বে টোপনিওআ ঘোপ ঘৰ দেখিব পৰা ওচৰ পালত গৈ, তাৰ টোপনিওআৰ দোস আৰুও মনত পৰি সেই দৰ্সনেই তাৰ খেদ আগতকৈও বৰকৈ বৰ্হালে। তেতিয়া সি আপোনাৰ পাপমই নিদ্রাত বিলাপ কৰিবলৈ ধৰি বুলিলে, হাই হাই, দুৰ্ভগিয়া মানুহ জে মই, মই কেনেকৈ দিনতেই টোপনিয়ালোঁ! কঠিন ঠাইতে কেনেকৈ নিদ্রাত পৰিলোঁ! পৰ্বতৰ গৰাকিএ জি বিস্রাম ঘৰ কেৱল জাত্রিকে জিৰাই প্রান জুৰাবলৈহে সাজিলে, তাক সৰিলৰ সুখৰ নিমিতে সয়ন ঘৰকে কৰোঁ, হাই হাই, মই কিয় এনেকৈ ইন্দ্রিয়ৰ ত্রিপ্তি বিচাৰিলোঁ। বিময়ৰ্থ ৰূপে কিমান খোজ কাহিঁ আহিলোঁ! চুফ সাগৰৰ বাটে ইস্রাএল লোকক পঠিওআত সিবিলাকৰো এই ৰূপ বাসনা হৈচিল। সেই পাপি নিদ্রাই নো হোআ হলে মই জি বাট আনন্দেৰে গলোঁহেঁতেন, সেই বাট কিমান দুখেৰে জাব লগা হল! আৰু এতে বেলি আগলৈ কিমান দুৰ বাট গলোঁহেঁতেন! জি বাট এবেলিহে জাব লাগিচিল, তাক তিনি বেলি জাবৰ প্রয়োজন হল। আৰু এতিয়া প্রাই দিনটো দুকাল; কি জানি ৰাতিএ পোআ হম। হাই হাই, মই নো সোআ হলে, মোৰ ভাল হলহেঁতেন! এই ৰূপে বিলাপ কৰোঁতে ঘোপ ঘৰ পাই তাতে বহি কান্দি কান্দি ক্রমে ইস্বৰৰ ইচাৰে বহা পাটৰ তললৈ চাই নুৰাটো দেখা পালে; তেতিয়া কঁপি কঁপি

বেগাই হাতেৰে ধৰি আনি বুকত সুমাই ললে। তাক পুনৰ পোৱা হলঁউ সেই মানুহৰ কিমান ৰঙ্গ হল, তাক কোনে কব পাৰে? কিয়নো সেই নুৰাই তাৰ জিৱন আৰু ইষ্ট ঠাইত প্ৰাজ্য হবলৈ প্ৰমাণ আচিল ; এই হেতুকে তাক বুকৰ চোলাত সুমাই থৈ, ইশ্বৰে জে নুৰালৈ তাৰ চকু পোনালে, সেই নিমিত্তে তেওঁক বিনই ৰূপে স্তুতি কৰিলে। পাচে আনন্দ মনেৰে আৰু চকুৰ লো বৈ বৈ আকও আপোনাৰ জাত্ৰা কৰিবলৈ ধৰিলে। অস, সেস ডোখৰ পৰ্বত কিমান বেগেৰে লৰি গল! তথাপি তাৰ মূৰ নৌ পাওঁতেই বেলি মাৰ গল ; তেতিয়া খ্ৰিষ্টিয়ানে পুৰ্বে টোপনিওআ অপৰাধৰ কথা সুঁঅৰি আকও বিলাপ কৰি কৰি বুলিলে, হাই হাই, পাপি নিদ্ৰা! তোৰ কাৰণেহে জাত্ৰাত ৰাতি এ মোক পোৱা হল। মোৰ দুষ্ট টোপনিৰ কাৰণে এতিয়া বেলিৰ পহৰ নোহোআকৈ জাব লাগে ; মোৰ ভৰিৰ পথ এন্ধাৰে ঢাকিব, আৰু ৰাতি ফুৰা ভয়ানক জন্তুৰ মাত সুনিব লগা হব! তেতিয়া সঙ্কাকুল আৰু ভয়াতুৰে সিংহক দৰ্সন পাই ভই খোআ কথাও তাৰ মনত পৰিলত সি আপোনাকে বুলিলে, এনে হিংসক জন্তুবোৰে ৰাতি আপোনাৰ আহাৰ বিচাৰি ফুৰে ; সিহঁতে এন্ধাৰে মূন্ধাৰে মোক জদি পাই, মই কেনেকৈ পলাম? মোক ডোখৰ ডোখৰ কৰি নি চিঙ্গাকৈ সিহঁতৰ পৰা কি উপায়েৰে সাৰিব পাৰিম?



৫ আধ্যা

এই ৰূপে খ্ৰিষ্টিয়ানে আপোনাৰ অকৰম চিন্তি বিলাপ কৰি গৈ গৈ, অকস্মিতে মূৰ দাঙ্গি চাই বাটৰ কাখৰত থকা সুন্দৰ নামে মনোহৰ এটা বৰ ওখ ৰাজ মন্দিৰ দেখিলে।

তেতিয়া মই সমাজিকত দেখিলোঁ, সি তাত ৰাতি থাকিবৰ আসাৰে তালৈ পোনাই বৰ বেগেৰে জাবলৈ ধৰিলে ; কিন্তু অলপ মান গৈ দুঅৰিৰ পজাৰ পৰা দু কুৰি টাৰ মানৰ আঁতৰ হৈ বৰ ঠেক বাটত সোমাল। তাতে ভালকৈ চাই চাই গৈ বাটতে দুটা সিংহ থকা দেখিলে। তেতিয়া সি মনতে বুলিলে, সঙ্কাকুল আৰু ভয়াতুৰে জি সঙ্কটত পৰি উলটি গ'ল, তাক এতিয়াহে দেখিচোঁ। সেই সিংহ হলে সিকলিৰে বন্ধা আচিল, কিন্তু খ্ৰিষ্টিয়ানে সিকলি নে দেখিলে ; এই হেতুকে আপোনাৰ আগত কেৱল ম্ৰিত্যু থকা বুজি ভই পাই, সিহঁতৰ পাচে মৱো উলটি জাম বুলি ভাবিলে। কিন্তু পৰিয়া নামে পজাত থকা জি দুঅৰি, সি খ্ৰিষ্টিয়ানক পাচ হুহকি জাবলৈ ধৰাৰ দৰে থমকি ৰোআ দেখি তাত ৰিঙ্গিয়াই কলে, হেৰা, বাটৰুআ, তোমাৰ সাহ এইমান নিৰ্বলি হৈচে নে? সিংহলৈ ভই ন কৰিবা ; সিকলিৰে বন্ধা আচে। বিস্বাসিৰ বিশ্বাস পৰিখা কৰিবৰ নিমিত্তে. আৰু অবিস্বাসিৰ অবিস্বাসো প্ৰকাস কৰিবৰ নিমিত্তে তাতে থোআ হৈচে। বাটৰ মাজে দি চলি আঁহা, তেহে তোমাৰ একো আপদ ন হব।

তাতে মই চাই দেখিলোঁ, খ্ৰিষ্টিয়ানে সিংহত ভয়েৰে কঁপি কঁপি দুঅৰিৰ কথাত মন দি সাৱধানে জোআত সিহঁতৰ গোজৰণি মাথোন সুনিলে, একো বিঘিনি নে পালে। তাতে সি আনন্দেৰে হাতত চাপৰ মাৰি গৈ, দুঅৰি থকা দুআৰ পাই তাৰ আগত থিয় হৈ দুঅৰিত সুধিলে, হে আতা, এই কি ঘৰ? আজি ৰাতি ইয়াত থাকিব পাৰিম নে? তাতে দুঅৰিত্ৰ কলে, এই ঘৰ পৰ্বতৰ অধিকাৰে সাজিলে ; জাত্ৰিকৰ হিত উপকাৰৰ নিমিত্তেহে সজা হৈচে। আৰু তুমি কৰ পৰা আহিলা. কলৈ বা জোআ, ইয়াকে দুঅৰিয়ে সুধিলে।

খ্ৰিষ্টিয়ান। মই বিনাস নগৰৰ পৰা আহি চিওন পৰ্বতলৈ জাত্ৰা কৰিচোঁ ; কিন্তু বেলি মাৰ জোআ দেখি, ঠাই পালে ৰাতি ইয়াত থাকিব খোজেঁা।

দুঅৰি। তোমাৰ নাম বা কি?

খ্রিষ্টিয়ান। মোৰ নাম এতিয়া হলে খ্রিষ্টিয়ান ; কিন্তু আগেয়ে অনুগ্রহ-হিন আচিল। জি য়াফেতৰ সন্তান ইস্বৰে স্যেমৰ তাম্বুত নি বাস কৰাব, সেই য়াফেতৰ বঙ্গহ হৈচোঁ।

দুঅৰি। কিন্তু বেলি মাৰ জোআত জে আহিচা, এনে পলম কৰাৰ কাৰন কি ?

খ্রিষ্টিয়ান। হাই হাই, দুর্ভগিয়া মানুহ জি মই, পর্বতৰ চালত সৌখিন্তে থকা ঘোপ ঘৰত মই টোপনিয়াই ন থকা হলে, ভালে মানৰ আগেয়ে পালোঁহেঁতেন। তেও প্রমাণৰ নুৰা নে হেৰোআ হলে টোপনিওআতো সোনকালে পালোঁহিহেঁতেন! তাক হেৰোআ নে জানি পর্বতৰ মূৰলৈকে আহিলোঁ, তেতিয়া তাক বিচাৰি নেপাই মনত বৰ অসন্তোসেৰে টোপনিওআ ঠাইলৈ উলটি জাব লাগিল ; পাচে তাক পাই সেসত আহিলোঁ।

দুঅৰি। বাৰু, এই ঠাইৰ এজনি কন্যা মাতি আনিম, তেওঁ জদি তোমাৰ কথাত ভাল পাই, তেন্তে ঘৰৰ বেৱহাৰৰ দৰে আপোনাৰ পৰিয়ালক দেখাই দিব। তেতিয়া পৰিয়া দুঅৰিএ ঘণ্টা মাৰিলত তাৰ সবদ সুনি সুবিবেকি নামেৰে গহিন সুন্দৰ চোআলি এজনি ঘৰৰ দুআৰে ওলাই, মোক কেলেই মাতিলা বুলি সুধিলে।

দুঅৰিএ কলে, এই জন মানুহ বিনাস নগৰৰ পৰা চিওন পর্বতলৈ জাত্রা কৰিচে, কিন্তু ভাগৰুআ আৰু ৰাতিএ পোআ হৈ ইয়াতে থাকিব খোজে। এই হেতুকে তোমাকে মাতিম বুলি কলোঁ ; তাৰে সৈতে তুমি কথা বাত্রা হৈ ঘৰৰ দস্তুৰ মতে জেনে উচিত দেখা, তাকে কৰিব পাৰা।

পাচে চোআলিএ, তুমি কৰ পৰা আহিচা কলৈ জোআ বুলি সোধাত, সি তাকে কলে, আৰু তুমি এই পথত কেনেকৈ সোমালা বুলি সোধাত তাকো কলে। তেতিয়া তেওঁ সুধিলে, বাটত কি কি দেখিলা, কাৰ লগ পাইচিলা ? সেসত তোমাৰ কি নাম বুলি সুধিলত সি কলে, মোৰ নাম খ্রিষ্টিয়ান ; আৰু জাত্রিকৰ হিত উপকাৰৰ নিমিত্তে পর্বতৰ অধিকাৰে এই ঘৰ সজা হোআ জানি, ইয়াত ৰাতিটো থাকিবলৈ মোৰ বৰ ইচা আছে। তাতে তেওঁ মৰমত মিটিকিয়ায়ো চকুৰ লো উলিয়াব খুজিলে। তেতিয়া এফেৰিমান বৈ তেওঁ বুলিলে, পৰিয়ালৰ আৰু জনি দেউক মাতি আনোঁ গৈ। পাচে তেওঁ দুআৰ মুখে বেগে সোমাই, সুবুধি, ধৰ্মিষ্ঠা; প্রিতিকাৰি, এই তিনি জনি মাতি আনিলত সিবিলাকে খ্রিষ্টিয়ানে সৈতে অলপমান কথা হৈ ভিতৰৰ পৰিয়ালৰ মাজলৈ নিলে। দুআৰ ডলিৰ কোসৰলৈ ঘৰৰ সকলোএ আগ বাঢ়ি আহি



তাক বুলিলে, হেৰা প্রভুৰ আসির্বাদ পোআ, তুমি ভিতৰলৈ আঁহা ; এনে জাত্রিক আলহি পুহিবৰ নিমিত্তেহে পর্বতৰ অধিকাৰৰ আগ্যাৰে এই ঘৰ সজা হৈচে। তাতে সি মুৰ দোঁআই সিবিলাকৰ পাচে পাচে ঘৰৰ ভিতৰলৈ গল। এই ৰূপে ভিতৰ সোমাই বহিলত কন্যাবিলাকে তাক জলপান কৰাই, ভোজ জুগুত ন হই মানে আমাৰ দুই এক জনিএ খ্রিষ্টিয়ানৰ লগত হিত উপদেসেৰে কাল নিয়াবলৈ আলচ কৰি, ধৰ্মিষ্ঠা, সুবুধি, প্রিতিকাৰি, এই তিনি জনিক কথা হবলৈ থলে। পাচে এই ৰূপে কথা আৰম্ভন কৰিলে।

ধৰ্মিষ্ঠা। আহঁা, প্রিয় খ্রিষ্টিয়ান, আমি আজি ৰাতি তোমাক বৰ মৰমেৰে আমাৰ ঘৰত ৰাখিচোঁ দেখি, আমাৰ হিত হবৰ নিমিত্তে জাত্রাত তোমাৰ জি সকলো কথা ঘটিল, তাক কোআ কুই কৰাচোন।

খ্রিষ্টিয়ান। তাতে মোৰ বৰ ইচা ; তোমাৰ এনে মতি হোআত মই বৰ ভাল পাওঁ।

ধৰ্মিষ্ঠা। জাত্রাত আয়ুসৰ কাল নিয়াবলৈ প্রথমতে কিহে তোমাৰ এনে মন কৰিলে ?

খ্রিষ্টিয়ান। মোৰ কানত পৰা এটা ভয়ঙ্কৰ সবদেই মোক জনম ভূমিৰ পৰা খদালে ? সেই সবদে বলে, তই এই ঠাইত জদি থাক, তেন্তে অৱস্যে তোৰ সর্বনাস হব।

ধৰ্মিষ্ঠা। কিন্তু সেই দেস এৰি কি দৈবেৰে এই পথলৈ আহিলা ?

খ্রিষ্টিয়ান। ইস্বৰৰ ইচাৰেহে হই ; বিনাসৰ ভয়ত থাকোঁতে কলৈকো জাম বুলি নে জানিলোঁ ; কিন্তু কঁপি কঁপি কান্দি থকাত দৈবজোগে উপদেসক নামে এজন মোৰ ওচৰলৈ আহি সৰু দুআৰৰ পথে জাব দিলে ; তেওঁ নে দেখুউআ হলে কেতিয়াও নে পালোঁহেঁতেন ; সেই পথ পাই এই ঘৰলৈ পোনাই আহিলোঁ।

ধৰ্মিষ্ঠা। তেনে হলে তুমি অর্থ-দায়কৰ ঘৰৰ ওচৰে দি নাহিলা নে ?

খ্রিষ্টিয়ান। হই আহিলোঁ, আৰু তাত জি জি কথা দেখিলোঁ, সেইবোৰ কথা মৰিবৰ দিনলৈকে মোৰ মনত লাগি থাকিব। সেই কথাৰ মাজত এই তিনটা বিসেস, চইতানে বিৰোধ কৰাতো খ্রিষ্টে কি ৰূপে মনৰ ভিতৰত আপোনাৰ অনুগ্রহৰ কৰম সিধি কৰিচে ; এজন মানুহে ইস্বৰৰ অনুগ্রহলৈ আসা কৰিব নোঅৰালৈকে কি ৰূপে পাপ কৰিলে ; আৰু জি জনে সপোনত ইস্বৰৰ মহা সোধৰ দিন আহিল বুলি জানিলে, এইবিলাক কথা মোৰ মনত বৰকৈ ৰল।

ধৰ্মিষ্ঠা। তেনে হলে সেই মানুহে কোআ সপোনৰ কথা সুনিলা নে ?

খ্ৰিষ্টিয়ান। এবা, সুনিলোঁ, সি বৰ ভয়ঙ্কৰ কথা। তাকে কোআত মোৰ ৰিদই বিদাৰিলে, তেওঁ তাক সুনাত মোৰ হিত বুলি জানিচোঁ।

ধৰ্মিষ্ঠা। অৰ্থ-দায়কৰ ঘৰত অকল ইয়াকে দেখিলা নে ?

খ্ৰিষ্টিয়ান। ন হই, তাত বাজে গৰাকিএ মোৰ হাতত ধৰি এটা বৰ সুন্দৰ ৰাজ ঘৰ দেখুআলে ; তাৰ ভিতৰৰ লোক সোনোআলি বস্ত্ৰ পিন্ধা হৈচিল ; ক্ৰমে চাই থাকোঁতে এজন সাহিয়াল মানুহ আহি দুআৰ ভেটি থকা অস্ত্ৰ লোআ ৰখিয়াবোৰক আক্ৰমণ কৰি ঘৈয়াই কাটি সোমাই গল, আৰু ভিতৰত থকাবিলাকেও আঁহা, অনন্ত সুখৰ ভাগি হবা, বুলি তাতে কলে। এইবিলাক কথা দেখা সুনাত মোৰ মন বৰকৈ মুহিলে, তাতে মোৰ আৰু বাট জাব ন লগা হলে বাৰেও মাহ সেই উত্তম লোকৰ ঘৰত থাকিলোঁহেঁতেন।

ধৰ্মিষ্ঠা। তাৰ পাচে বাটত কিবা দেখিলা নে ?

খ্ৰিষ্টিয়ান। কি দেখিলোঁ তাক কঁও, সুনা। সেই ঠাইৰ পৰা অলপ গলত মনেৰে দেখাৰ দৰে গাৰ তেজ বোআ এজনক গচত আৰি থোআ দেখিলো ; তেওঁক দেখা মাত্ৰকে পিঠিৰ ওপৰৰ জি বোজাৰে কেঁকাই আচিলো, সেই বোজা একে বেলিএ খহি পৰিল। সেই কথা মোলৈ বৰ আচৰিত, আৰু আগেয়ে তাৰ নিচিনা কেতিয়াও নে দেখিলোঁ। এনে সময়ত ওপৰলৈ চাই আচিলোঁ, কিয়নো ওপৰলৈ চাই নে থাকি নোআৰিলোঁ ; তেতিয়াই তিনি জন প্ৰকাসি লোক মোৰ ওচৰলৈ আহিল ; সিবিলাকৰ এজনে মোত কলে, তোমাৰ পাপ খেমা হল ; এজনে মোৰ ফটা কাপৰ গুচাই এই জি বুটা দিয়া চোলা তুমি দেখিচা, তাক মোক দিলে ; ত্ৰিতিয় জনে মোৰ কঁপালত জিচিন দেখা তাক লগাই, এই চাব মৰা পুথিৰ নুৰা হাতত দিলে ; এই কথা কৈ খ্ৰিষ্টিয়ানে বুকুৰ পৰা নুৰাটো উলিয়াই দেখালে।

ধৰ্মিষ্ঠা। কিন্তু এইবিলাকত বাজে আৰু আন নে দেখিলা নে ?

খ্ৰিষ্টিয়ান। দেখা পোআবিলাকৰ মাজত জি কলোঁ, এয়ে প্ৰধান, কিন্তু আন আন কথাও কিচু দেখিলোঁ। অবিবেচক, এলেহুআ, কুসাহিয়াল, এই তিনি জনক ভৰিত লোআৰে মই অহা বাটৰ কিচু আঁতৰতে টোপনিয়াই দেখিলো ; মই সিহঁতক জগাব পৰা সক্তি আচে, এনে ভাবিচা নে ? সিহঁতৰ বাহিৰে কৰ্মাচাৰি আৰু কপটিয়া, এই দুজনক গৰৰ ওপৰে দি বগাই উঠি আহিবৰ দেখিলোঁ ; আমি চিওন পৰ্বতলৈ জাত্ৰা কৰিচোঁ বুলি কই, কিন্তু সিহঁতৰ বেগতে বিনাস হল ; মই আপুনিও সিহঁতত তাক কলো, কিন্তু



ন পতিয়ালে, আৰু মই জি জি কৰম কঠিন পালোঁ, আটাইৰে মাজত এই পৰ্বতত উঠা, আৰু সিংহৰ মুখৰ ওচৰেদি অহা, এই দুই কৰমহে টান ; দুআৰত থকা সেই উত্তম দুআৰি নো হোআ হলে, কি জানি সেসতেই উলটি গলোঁ-হেঁতেন ; এতিয়া এই ঠাই পালোঁ দেখি ইশ্বৰক স্তুতি কৰোঁ ; আৰু ইয়াত মোক গ্ৰহণ কৰা হেতুকে তোমাৰো বৰ উপকাৰ জানিচোঁ।

পাচে সুবুধিএ খ্ৰিষ্টিয়ানত কিছু কথা সুধি তাৰ উত্তৰ সুনিব খুজিলে।

সুবুধি। তুমি জি দেসৰ পৰা আহিলা, তাক কেতিয়াবা কেতিয়াবা আৰু নো সোঁঅৰা নে ?

খ্ৰিষ্টিয়ান। সুঅৰিচোঁ, কিন্তু লাজ আৰু ঘিনেৰেহে সোঁঅৰোঁ। জি দেস এৰি আহিচোঁ, তালৈ মই মন কৰা হলে, উভতি জাবৰ উপাই পালোঁহেঁতেন ; কিন্তু এতিয়া হলে ইয়াতকৈ উত্তম অৰ্থাত স্বৰগি এক দেসলৈ ইচা কৰোঁ।

সুবুধি। সেই দেসত থাকোঁতে জিহত জিহত আদৰ আচিল, তাক লগত কিচু নানিলা নে ?

খ্ৰিষ্টিয়ান। হই, কিচু কিচু আনিলোঁ, কিন্তু মোৰ ইচাৰে ন হই ; বিসেসকৈ মনৰ জি সংসাৰিক ভাবনাত মই আৰু মোৰ প্ৰতিবাসি সকলে বৰ সন্তোস পালে, সেইবোৰ আনিলোঁ, কিন্তু এতিয়া সেই সকলো কথাত মোৰ কেৱল দুখ ; আৰু মই আপোনাৰ সোঁঅৰা সকলো কথা জদি বাচিব পাৰোঁ, তেন্তে সেই কথা সোঁঅৰিবলৈ ইচা ন কৰিলোঁহেঁতেন ; কিন্তু মোৰ জেতিয়া সজ কৰম কৰিবৰ ইচা হই, তেতিয়া কুকৰমেহে মোৰ লগ লই।

সুবুধি। এনে জি কথাই তোমাক বাধা কৰে, সেইবোৰক কেতিয়াবা কেতিয়াবা দমা জেন নো পোআ নে ?

খ্ৰিষ্টিয়ান। হই, কদাচিত পাঁও, কিন্তু ঘনে ঘনে ন হই ; এনে সুভাগ্য সময়েই মোৰ সুবৰ্নময় কাল।

সুবুধি। তোমাৰ এনে বিঘিনি জেতিয়া দমা জেন পোআ, তেতিয়া কি উপায়েৰে দমন কৰা হল, সেয়ে তোমাৰ মনত পৰিচে নে ?

খ্ৰিষ্টিয়ান। হই, মনত পৰিচে ; পেৰেঙ্গনিৰ ওপৰত জি দেখিলোঁ, তাক সোঁঅৰা, সি এটা উপাই ; আৰু মোৰ বুটা দিয়া চোলাক চোআ, নাইবা বুকত থকা নুৰাক চোআ, বা মই জোআ ঠাইৰ কথাত মনৰ উচাহ বাহিলে, সেই সকলোৰে দোআৰাই সংসাৰিক বিঘিনি গুচা জেন পাঁও।

সুবুধি। কি কাৰনে নো চিওন পৰ্বতলৈ জাবলৈ তোমাৰ এইমান ইচা আচে ?

খ্রিষ্টিয়ান। কাৰণ এই ; পেৰেঙ্গনিত জি জন আৰি মৰা হৈচিল, তাতে তেওঁক জিয়া দেখিবলৈহে মোৰ আসা আচে ; আৰু জি জি কথাৰ দোআৰাই এতিয়ালৈকে মোৰ বিঘিনি হৈচে, সেই সকলোৰে পৰা তাত মুকুত হবলৈ বাঞ্চা কৰোঁ, আৰু সেই ঠাইত মৰন নাই বুলি কই ; আৰু জি জি লোকত মোৰ বৰ সন্তোস হব, এনে লোকৰ মাজত মই নিবাস কৰিম। আৰু সঁচাকৈ কঁও, সুনা, তেঁও মোৰ বোজা গুচুআ হেতুকে মই তেঁওক প্রিতি কৰোঁ ; আৰু মোৰ ভিতৰৰ ৰোগত বিৰক্ত হৈচোঁ ; জি ঠাইত মই আৰু ন মৰিম, আৰু জি সভাই পবিত্র, পবিত্র, পবিত্র বুলি সর্বকালে গাই থাকে, সিবিলাকৰ লগত থাকিবলৈ মোৰ বৰ বাঞ্চা।

তেতিয়া প্রিতিকাৰিএ খ্রিষ্টিয়ানত সুধিলে, তোমাৰ লৰা-তিৰোতা আচে নে ? তুমি বিঐ মানুহ হৈচা নে ?

খ্রিষ্টিয়ান। তিৰোতা আচে, আৰু লৰাও চাইটি।

প্রিতিকাৰি। লগত কিয় নানিলা ? তেতিয়া খ্রিষ্টিয়ানে কান্দিব খুজি বুলিলে, অস, সেয়ে হলে মোৰ বৰ ইচা ; কিন্তু মোৰ জাত্রাৰ কথাত সিবিলাকে নিচেই বেজাৰ কৰিলে।

প্রিতিকাৰি। তুমি সিহঁতে সৈতে কথা বাত্রা হৈ, সিহঁতে পাচত থকাৰ ভই দেখাবলৈ কাৰ্বাৰ কৰিব লাগিচিলে।

খ্রিষ্টিয়ান। মই তাক কৰিলোঁ ; আৰু আমাৰ নগৰৰ জি বিনাসৰ কথা ইস্বৰে মোক দেখালে, তাক মই সিবিলাকত কলোঁ ; কিন্তু ইতিকিঙ্গ কৰা জেন মোক দেখিলে, কথা ন পতিয়ালে।

প্রিতিকাৰি। কিন্তু ইস্বৰে জেন তোমাৰ আলচক আসির্বাদ কৰে, এনে প্রার্থনা কৰিলা নে ?

খ্রিষ্টিয়ান। হই, বৰ ইচাৰে কৰিলোঁ, কিয়নো মোৰ ঘৈনি আৰু দুখিয়া লৰাটিহঁত মোলৈ বৰ ইষ্ট, তুমি ইয়াক জানিব লাগে।

প্রিতিকৰি। আৰু তোমাৰ আপোনাৰ খেদ আৰু সর্বনাসৰ ভই সিবিলাকত কলা নে ? সেই সকলো কথা তোমাৰ আগত ভালকৈ প্রকাস হল বুলি জানিচোঁ।

খ্রিষ্টিয়ান। বেলিএ বেলিএ ঘনে ঘনে কলোঁ। আমাৰ মুৰৰ ওপৰত অৰা হৈ থকা দণ্ডৰ কাৰণে মোৰ জি ভই, তাক সিবিলাকে মোৰ মলিন মুখ, চকুৰ লো, কম্পনৰ দোআৰাই চিনিব পাৰিলে ; কিন্তু সিবিলাকক মোৰ লগত জাত্রা কৰাবলৈ সেই সকলোৰে সক্তি নাই।



প্রিতিকাৰি। সিহঁতে জে তোমাৰে সৈতে নাহিল, কি আঁসোআহি কৰিলে ?

খ্রিষ্টিয়ান। ঘৈনিএ হলে এই সংসাৰ হেৰুআম বুলি সংসই কৰিলে ; লৰাহঁতেও সুখৰ মোহত মন দি আচে ; এই ৰূপে ই জনৰ এই কথা, সি জনৰ সেই কথাত থাকি এই দৰে অকলেই ফুৰিবলৈ মোক এৰিলে।

প্রিতিকাৰি। কিন্তু তোমাৰ লগত আনিবৰ বুধিৰে সিহঁতত জি কথা কলা কি জানি তোমাৰ সংসাৰিক আচৰনেৰে সেই কথা বিফল হই ?

খ্রিষ্টিয়ান। মোৰ আচৰন হলে, মই সলাগিব নোআৰোঁ হই ; মোৰ অনেক দাই আচে, মোৰ মনে জানিচোঁ। লোকৰ হিতলৈ জি উপদেস কোনো মানুহে সিহঁতৰ মনত গিয়ান কথাৰে লগাব খোজে, তাক অসুভ আচৰনেৰে সি বেগতে লুটিয়াব পাৰে, এয়ে স্বৰূপ ; তথাপি মোৰ আপোন কোনো কুকৰমেৰে জাত্রালৈ সিবিলাকৰ মন অনিচা ন কৰিবলৈ সাৱধানে আচিলোঁ, ইয়াকে কব পাৰোঁ। আৰু সেই কাৰনে সিবিলাকেও মোৰ আচৰন অতি কঠিন বুলিলে, আৰু সিবিলাকে জি কৰমত একো বেয়া নে দেখে, এনে কৰম সিবিলাকৰ হিতৰ নিমিতে মই তিয়াগ কৰিলোঁ, আৰু মই ইয়াকে বুজিচোঁ, মোৰ কিবা দেখি তাৰ দোআৰাই জদি সিহঁতে বাধা পাই, তেন্তে ইস্বৰৰ অহিতে নাইবা চুবুৰিয়াৰ বিৰোধে পাপ কৰিবলৈ মোৰ জি অতি ভই, তাৰ দোআৰাইহে পালে।

প্রিতিকাৰি। সেই ৰূপে কইনৰ কৰম অধৰমি আৰু ভায়েকৰ কৰম ধৰমি হেতুকে সি ভায়েকক অসুয়া কৰিলে ; তোমাৰ লৰা তিৰোতাই জদি তোমাৰ এনে কথাত বেজাৰ পাই তেন্তে সিহঁতে আপোনাক কৈলানৰ অপাত্র প্রকাসকৈ দেখাই, কিন্তু সিহঁতৰ প্রান দণ্ড দোসৰ পৰা তুমি আপোনাৰ জিৱাত্মা মুকুত কৰিলা।

মই সমাজিকত দেখোঁতে ভোজন জুগুত নো হোআলৈকে সিবিলাকক এই ৰূপে কথোপ কথন কৰি থকা দেখিলোঁ, পাচে সকলো জুগুত হলত ভোজনত বহিল। তেতিয়া মেজত নানা বিধ উত্তম খোআ বস্তু আৰু জঁকিয়াই নির্মল কৰা পনিয়ালৰ ৰসো আচিল। আৰু ভোজনত বহি থাকোঁতে সিবিলাকৰ সকলো কথা বাত্রা পর্বতৰ গৰাকিৰ অর্থেহে হৈচিল ; তেঁও কি কৰম, আৰু তাক কি কাৰনে কৰিলে, আৰু সেই ঘৰ বা কি কাৰনে সাজিলে, সেই সকলোকে কথোপ কথন কৰিলে। সিবিলাকৰ কথাৰ দোআৰাই তেঁও বৰ জুধাৰু সেনাপতি হৈছিল, আৰু ম্রিত্যুৰ সক্তি ৰুৰোআ জনক জুধ কৰি

জিনিচিল, ইয়্যাক মই বুজিলোঁ ; তথাপি সেই জুধ কৰি তেঁও আপুনি বৰ আপদত পৰিল, ইয়াকে সুনি তেঁওলৈ মোৰ প্ৰেম অতিসই বাৰ্হিল।

কিয়নো সেই কৰম কৰোঁতে তেঁওৰ তেজ বৰকৈ বৈ হানি হল, সিবিলাকে ইয়াকে কলে, আৰু মই এই কথা পতিয়াইচোঁ বুলি খ্ৰিষ্টিয়ানেও কলে। আৰু তেঁও আপোনাৰ দেসলৈ মৰমেৰেহে তাকে কৰিলে, এই নিমিতে সেই সকলো কৰমত তেঁওৰ অনুগ্ৰহৰ জসস্যা অধিক ৰূপে বাৰ্হিল। তাৰ বাহিৰে তাত থকা কেতবিলাক পৰিয়ালে বুলিলে, তেঁও পেৰেঙ্গনিত মৰাৰ পাচেও আমি তেঁওক দেখা পাই কথা বাত্ৰা হলোঁ ; আৰু সিবিলাকে তেঁওৰ মুখে মৰনৰ কথা সুনিবলৈ পোআত দ্ৰিঢ ৰূপে কই, পচিমৰ পৰা পুবলৈকে দুখিয়া জাত্ৰি লোকক তেঁওৰ সমান মৰম কৰোঁতা কেও নাই। তাত বাজে সিবিলাকে কোআ কথাৰ এই প্ৰমান দিলে, দুখিয়াৰ নিমিতে সেই কৰম কৰিবলৈ তেঁও আপোনাৰ সকলো ঐশ্বৰ্জ সোলোকাই পেলালে, আৰু অকল চিওন পৰ্বতত মই নে থাকোঁ, তেওঁ এনে অঙ্গিকাৰ কৰা সুনিলোঁ। সিবিলাকে আৰু বুলিলে, স্বভাৱেৰে মগনিয়াৰ আৰু গোবৰৰ দমত জনমা, এনে অনেক জাত্ৰিবোৰক তেঁও ৰাজ কোঁঅৰ কৰিলে।

এই ৰূপে দাম নিসালৈ কথোপকথন কৰি সিবিলাক ৰথ্যা হবৰ নিমিতে আপোনাক অধিকাৰৰ হাতত সমৰ্পন কৰি সুলেগৈ। বেলি ওলোআ দিসে চোআ খিলিকি দুআৰ থকা এখন ডাঙ্গৰ ওপৰ খোঁটালিত খ্ৰিষ্টিয়ানক সুআলে। ততে অৰুন উদইলৈকে খ্ৰিষ্টিয়ানে টোপনিতে থাকি, পাচে সাৰ পাই উঠি এই বচন গালে।

এতিয়া কেনে ঠাইত নো আচোঁ,
দেখোঁ অতি চমত্‌কাৰ ;
জাত্ৰি লোকক হিচু কি নো
কৰে মৰম উপকাৰ।
তেওঁ খেমিলে ক্ৰিপা কৰি,
মই জি পাপি লোক অধম,
প্ৰেম আনন্দে মন পুৰালে,
কৰি স্বৰ্গ বাসিৰ সম।

এই ৰূপে পুআ সকলো উঠিলত আৰু কিচু কথাবাত্ৰা হৈ সিবিলাকে খ্ৰিষ্টিয়ানত কলে, এই ঠাইৰ আচৰিত বস্তু নে দেখাঁও মানে তুমি জাব



নোআৰা। এই হেতুকে সিবিলাকে তাক পুথি পাঞ্জি পৰ্হা খোঁটালিলৈ নি অতি প্ৰাচিন বুৰঞ্জি দেখালে ; তাৰ ভিতৰত সেই পৰ্বতৰ অধিকাৰৰ বংসাৱলি প্ৰথমতে দেখালে, তেওঁ অনাদি জনমৰ দোআৰাই অনাদি জনৰ পুত্ৰ হৈচিল ; এই সমাজিকৰ কথা মোৰ মনত পৰিচে। আৰু তেওঁ জি জি কৰম কৰিলে, তাৰ বহুল বিবৰন, আৰু তেওঁ জি হেজাৰ হেজাৰ সেৱক আপোনাৰ কৰমত গ্ৰহন কৰিলে, সিবিলাকৰ নাম, আৰু কাল বিস্তাৰ বা স্ৰিষ্টি অৱসানত জি জি বসতি খই নে জাই, এনে বসতিত তেওঁ কি ৰূপে সিবিলাকক থলে; সেই সকলো কথা তাতে লিখা আচিল।

পাচে অধিকাৰৰ কোনো কোনো সেৱকে জি প্ৰসংসাৰ জোগ্য কৰম কৰিলে, বিসেসকৈ সি বিলাকে জি ৰূপে ৰাজ্যক পৰাজই কৰিলে, আৰু ধৰম কৰি প্ৰতিগ্যাৰ ফল পালে, সিংহৰ মুখ বন্ধ কৰিলে, অগ্নিৰ তাপ নুমালে তৰোআলৰ মুখৰ পৰা উধাৰ হল, দুৰ্বল হোআৰ পৰাও বলি হৈচিল, জুধত জয়জুক্ত হৈ বিৰোধ হোআ সৈন্যবোৰক খেদালে এই সকলো কথা তাৰ আগতে পৰ্হি সুনালে।

সেই ঘৰৰ বুৰঞ্জিৰ আন ভাগত এই কথা পৰ্হি দেখুআলে, জিবিলাকে সেই প্ৰভু আৰু তেওঁৰ কৰমৰ বিৰোধে আগেয়ে অনেক অনেক অপৰাধ কৰিলে, সিবিলাকক আদি কৰি সকলকো পুনৰ বাৰ আপোনাৰ অনুগ্ৰহত গ্ৰহন কৰিবলৈ তেওঁৰ ইচা আচে, তাত বাজে আন আন পুথি আৰু অনেক আচৰিত বস্তু খ্ৰিষ্টিয়ানে দেখিবলৈ পালে ; পুৰনি আৰু নও, ভবিস্যত বাক্য, আৰু সত্ৰুৰ ভই বিস্মই কৰোআ, জাত্ৰিকৰ সুখ সান্তনা কৰোআ জি কথা আৰু প্ৰতিগ্যা অৱস্যে ঘৰ্টিব, সেই সকলো তাৰ মাজত আচিল।

পাচ দিনা সিবিলাকে তাক লৈ অস্ত্ৰ থোআ খোঁটালিৰ ভিতৰলৈ গল ; তাতে সিবিলাকৰ অধিকাৰে জাত্ৰিকৰ নিমিতে জুগুত কৰি থোআ নানাবিধ বনুআ সাজ, তৰোআল, বাৰু, টুপি, বুকুবৰি সকলো ৰূপ প্ৰাৰ্থনা, অখই পইজাৰ আদি কৰি অনেক অস্ত্ৰ-সস্ত্ৰ দেখালে। আকাসৰ তৰাৰ সমান অসংখ্য লোকক অধিকাৰৰ সেৱাৰ নিমিতে ভুসিত কৰিবলৈকো সেই আহিলাই জুৰিব।

পাচে তেওঁৰ সেৱকে জি জি অস্ত্ৰেৰে আচৰিত কৰম কৰিলে, তাৰো কেতবিলাক দেখাই দিলে। মোচাৰ ডণ্ড, আৰু চিচিৰাক বধ কৰা য়াএলৰ গজাল হাতুৰি, আৰু জি কলহ, ভেৰি, চাকিৰে সৈতে গিদিওনে মিদিয়ানৰ ফৌজক খেদালে, সেইবোৰকো দেখালে। আৰু স্যামগৰে জিহেৰে চ.স

মানুহ মাৰিলে, সেই গৰুৰ কাঁটি ; আৰু চিমচোনে জিহেৰে মহা আচৰিত কৰম কৰিলে, সেই গালৰ হাৰ ; দাৱিদে জিহেৰে গাত নগৰৰ বিৰ গালিয়াতক মাৰিলে, সেই ফিঙ্গা দলি আৰু সিল ; আৰু প্ৰভুএ সংহাৰ কৰিবলৈ উঠা দিনাই তেওঁ জি তৰোআলেৰে পাপ পুৰুসক নষ্ট কৰিব, সেই সকলোকে আৰু আন আন উত্তম বস্তুকো দেখাই দিলে তাতে খ্ৰিষ্টিয়ানৰ বৰ সন্তোস হল। পাচে এই সকলো কথাৰ অন্তত সিবিলাকে পুনৰ বাৰ সয়ন কৰিলে।

পাচে মই সমাজিকত দেখিলোঁ, পুআ হলত খ্ৰিষ্টিয়ান উঠি আগ বাৰ্হি জাবলৈ উপাই কৰিলে ; কিন্তু আৰু এদিনলৈ পলম কৰিবৰ নিমিত্তে সিবিলাকে তাক বিনই কৰি কলে, কাইলৈ জদি দিন নিৰ্মল হই, তেন্তে তোমাক মনোহৰ পৰ্বতবিলাকক দৰ্সন কৰাম, তাতে তোমাৰ আৰু বৰ সান্তনা হব, কিয়নো আমি থকা ইয়াতকৈ সেই পৰ্বত তোমাৰ বাঞ্চিত থানৰ ওচৰ। এই কথা সুনি খ্ৰিষ্টিয়ান মান্তি হৈ ৰল। পাচে পুআ হলত সিবিলাকে ঘৰৰ ওপৰ চোতাললৈ খ্ৰিষ্টিয়ানক নি দখিন ফাললৈ চাব দিলে। তেতিয়া সি চাই দুৰৈত গচনি, পনিয়ালৰ খেতি, নানা বিধ ফুল আৰু গুটি, পুঙ্গ আৰু ভুমুক, এই সকলোৰে ভুসিত এখন অতি উত্তম আৰু দেখিবলৈ বৰ সুন্দৰ দেস দৰ্সন পালে। পাচে সি সুধিলে, সেই দেসৰ নাম কি ? সিবিলাকে বোলে, সেই দেস ইমানুএলৰ ৰাজ্য ; আৰু এই পৰ্বত জেনে, সিও তেনেকৈ সকলো জাত্ৰি লোকলৈ উমৈহতিয়া হৈচে। সেই ঠাই জেতিয়া পোআ, তেতিয়া তাত থকা মেৰ ৰখিয়াই দেখালে তুমি সেই ঠাইৰ পৰা চাই স্বৰ্গিয় নগৰৰ দুআৰ দেখিবলৈ পাবা।

পাচ দিনা খ্ৰিষ্টিয়ানে আকও আগ বাৰ্হিবলৈ ধৰাত সিবিলাক অমান্তি হোআ নাই, কিন্তু বাটত কি জানি কোনো সত্ৰুএ খ্ৰিষ্টিয়ানক আক্ৰমন কৰিব, এই সংসয়েৰে সিবিলাকে তাক বুলিলে, আঁহা, আমি আৰু বাৰ অস্ত্ৰ থোৱা খোঁটালিৰ ভিতৰলৈ জাঁওহঁক। তালৈ গলত সিবিলাকে অচেদ অভেদ সাজেৰে মূৰৰ পৰা ভৰিলৈকে খ্ৰিষ্টিয়ানক সজালে। এই ৰুপে জুগুত কৰা হলত খ্ৰিষ্টিয়ানে সেই মিত্ৰিৰবিলাকে সৈতে দুআৰৰ বাহিৰ হৈ দুঅৰিত সুধিলে, তুমি কোনোবা জাত্ৰি লোকক এই পোনে দি জাবৰ দেখিলা নে ?

দুঅৰিএ উত্তৰ কৰিলে, বোলে, হই, এজনক দেখিলোঁ।

খ্ৰিষ্টিয়ান। বিনই কৰিচোঁ, তাক চিনিলা নে ?



দুঅৰি। তাৰ নাও সুধিলোঁ, সি বেলে, মোৰ নাও বিস্বাসি।

খ্ৰিষ্টিয়ান। হঁা, মই তাক চিনোঁ, সি মোৰ নগৰৰ প্ৰতিবাসি, মোৰ ওচৰতে থাকে, মোৰ জনমা ঠাইৰে পৰা সি আহিল। তোমাৰ আন্দাজেৰে সি কিমান পালেগৈ ?

দুঅৰি। এতিয়া পৰ্বতৰ পইৰা পাব পাই।

তেতিয়া খ্ৰিষ্টিয়ানে বুলিলে, দুঅৰি ককাই, ইস্বৰ তোমাৰ সহাই হওক, আৰু তুমি মোক জি অনুগ্ৰহ কৰিলা, তাৰ কাৰণে প্ৰভুএ সদাই তোমাক অসিৰ্বাদ বৰ্হাই দিওক।

## ৬ আধ্যা

পাচে খ্রিষ্টিয়ানে আগ বাৰ্হি জাবলৈ ধৰাত সুবিবেকি, ধৰ্মিষ্ঠা, প্রেমকাৰি, সুবুধি, এই চাৰি জনি কন্যাই পৰ্বতৰ গুৰিলৈকে আগ বৰ্হাই থবৰ ইচা কৰি তাৰ লগত গৈ আগৰ উপদেস বাটতে কৈ থাকোঁতেই পৰ্বতৰ পৰা নানা ঠাই পালে। তেতিয়া খ্রিষ্টিয়ানে বুলিলে, উঠোঁতে জেনে কঠিন, নামোতেও তেনে সঙ্কট হোআ জেন দেখোঁ। তাতে সুবুধিএ মাত লগাই কলে, হই স্বৰুপ কিয়নো নম্র নামে জি খালত তুমি এতিয়া নামিচা, তাত পিচল নো খোআকৈ নমা বৰ টান ; এই কাৰনেহে আমি তোমাক পৰ্বতৰ গুৰিলৈ আগ বৰ্হাই আহিচোঁ, সিবিলাকে ইয়াকে কলে। তেতিয়া খ্রিষ্টিয়ানে বৰ সাৱধানেৰে নামিব ধৰিলে, তথাপি দুই এক পিচল খালে।

পাচে সামাজিকত চাই দেখিলোঁ, খ্রিষ্টিয়ানে পৰ্বতৰ তল পালত সেই উত্তম সখিবিলাকে তাক এটা ৰুটি, পনিয়ালৰ ৰস এচিঁচা, আৰু পনিয়াল এথোপা দি বিদাই কৰিলত সি বাটে দি গল।

কিন্তু সেই নম্র খালত খ্রিষ্টিয়ান বৰ ঠেকত পৰিল। কিয়নো সি এফেৰিমান গলত আপলিওন নামেৰে এক দুষ্ট অসুৰে তাক লগ পাবলৈ পথাৰৰ সি মুৰৰ পৰা আহিবৰ দেখিলে। তেতিয়া খ্রিষ্টিয়ানে ভই পাই, খোপনি পুতি ৰম নে, বা ছুহকি জাম, এই কথাত চিন্তা কৰিবলৈ ধৰিলে। পাচে আপোনাৰ পিঠিত একো আহিলা নাই কিয়াত মই তালৈ পিঠি দিলে সি সৰেৰে মোক বিন্ধিবলৈ চল পাব, ইয়াকে ভাবি সাহ দি প্রানপন কৰি খোপনি পুতি ৰবলৈ মন থিৰ কৰিলে। কিয়নো মই কেৱল প্রান ৰখ্যা কৰাত চকু দিলেও পলোআতকৈ ৰৈ থকা ভাল, সি ইয়াকে বুজিলে।

পাচে খ্রিষ্টিয়ানে সেই মনেৰে আগ বাৰ্হি জোআত আপলিওনো আহি তাৰ লগ পালে! সেই বিকটামুআ দেখিবলৈ ভয়ঙ্কৰ ; গাত মাচৰ দৰে বাকলি লগা হেতুকে তাত বৰ অহঙ্কাৰ ; নাগৰ দৰে তাৰ ডেউকা, ভালুকৰ দৰে ভৰি, পেটৰপৰা জুই আৰু ধুঁআ ওলাই, আৰু সিংহৰ মুখৰ দৰে তাৰ মুখ। জেতিয়া সি খ্রিষ্টিয়ানৰ ওচৰ পালে, তেতিয়া তাক চাই মুখ বিকটাই এই ৰুপে কথা সুধিবলৈ ধৰিলে।

আপলিওন, তই কৰ পৰা আহিচ, কলৈ জা ?



খ্রিষ্টিয়ান, সৰ্বদুষ্ট জি বিনাস নগৰ, তাৰ পৰা আহিচোঁ, চিওন পৰ্বতলৈ জাঁও।

আপলিওন। এই কথাৰ দোআৰাই তই মোৰ অধিন এক মানুহ বুলি জানিচোঁ ; সেই দেস খনেই মোৰ ; মই তাৰ অধিকাৰ, তাৰ ইস্বৰ। তোৰ ৰজাৰ পৰা তই কেনেকৈ পলাই জা ? তোৰ পৰা মই আৰু খাটনি পাবলৈ আসা নো হোআ হলে একে কোবেৰে তোক মাৰি মাটিত পেলালোহেঁতেন।

খ্রিষ্টিয়ান মই তোমাৰ দেসত উপজিলোঁ হই ; কিন্তু তোমাৰ খাটনি টান, আৰু তোমাৰ বেচেৰেও মানুহৰ প্রান বচাব নোআৰি, কিয়নো পাপৰ বেচ মৰনহে ; এই হেতুকে জেতিয়া বয়সিয়াল হলোঁ, তেতিয়া আন বুধিয়কৰ দৰে ময়ো আপোনাৰ ভাললৈ উপাই বিচাৰিলোঁ।

আপলিওন। এনে ৰুপে অলপ কথাতে কোনো ৰজাই আপোনাৰ প্রজাক নে হেৰুআই, ময়ো সেই ৰুপে তোক নে হেৰুআম। কিন্তু তোৰ খাটনি আৰু বেচৰ কাৰণে বেজাৰ জে পাইচ, তাত অসন্তোস এৰি উভতি জা ; আমাৰ দেসত জি জি আচে, তাকে তোক দিম, মই এই প্রতিগ্যা কৰিচোঁ।

খ্রিষ্টিয়ান। কিন্তু মই আন এজনত খাটিবলৈ সোমালোঁ, তেও ৰজাৰো ৰজা ; সেই দেখি মই তোমাৰ লগত উভতি গলে মোৰ অনিয়াই ন হব নে ?

আপলিওন। সেই কৰম কৰাত তই উপকথাৰ দৰে বেয়া সলাই বেয়াতকৈও বেয়াহে পালি। কিন্তু তাত খাটনি লগাইচোঁ বুলি কোআ, এনে অনেক মানুহে তাৰপৰা চল চাই পলাই, আকও মোলৈকে উভতি আহে, সিহঁতৰ এনে দস্তুৰ আচে, তয়ো সেই ৰুপে কৰিবি, তেহে তোৰ সকলো ভাল হব।

খ্রিষ্টিয়ান। তেওঁত মোৰ বিশ্বাস দিলোঁ, তেওঁৰ অধিন প্রজা হবলৈ সপতো কৰিলো, তেনে হলে এতিয়া সেই কথা এৰি উভতি গলে, ৰাজদ্রোহি হৈ ধৰা পৰি ফাঁচি নে জাম নে ?

আপলিওন। মোকো তই এনে কৰম কৰিলি, তেওঁ জদি আকও উভতি জা, তোক খেমা দি সকলো জগৰ এৰিম।

খ্রিষ্টিয়ান। পূৰ্বে তোমাত খাটিবলৈ জি অঙ্গিকাৰ কৰিছিলোঁ, তাক অবুজন সৰু কালতহে কৰিলোঁ ; তাত বাজে যি ৰজাৰ নিচানৰ তলত এতিয়া আশ্রই লৈচোঁ, তোমালৈ কৰা সেই অঙ্গিকাৰৰপৰা তেওঁ মুকুত কৰিবলৈ আৰু তাক কৰা জগৰ খেমিবলৈকো সক্তি আচে, ইয়াক মই জানিচোঁ ; আৰু হে বিনাস কৰোঁতা আপলিওন, মই মিচা কেনেকৈ কম, তেওঁৰ খাটনি, আৰু

বেচ, আৰু দাসবিলাক, তেওঁৰ সাসন, সম্ভাসন, আৰু ৰাজ্যক তোমাৰ এই সকলোতকৈ ভাল পাও ; এই হেতুকে মোৰ মন ওলোটাবলৈ এৰি দিয়্না, মই তেওঁৰ বন্দি হৈচোঁ, তেওঁৰ পাচেহে জাম।

আপলিওন। সুনা, তোমাৰ খঙ্গ ন হৈ তেজ সুথিল থাকোঁতেই তুমি জোআ বাটত আগলৈ কি কি পাবা, তাক আৰু এফেৰি বিবেচনা কৰা। সেই ৰজাৰ সেৱক অধিক ভাগে মোক আৰু মোৰ পথকো উলংঘা কৰা হেতুকে সেসত বৰ দুৰ্গতি পাই, তুমি ইয়াক জানিচা ; অমৰ্জতা ৰূপে সিহঁতৰ কতক হেজাৰ বধ কৰা হল ! আৰু তাৰ খাটনি মোতকৈ ভাল জে বুলিচ, তাক সেৱা কৰা কোনো মানুহক আমাৰ হাতৰপৰা এৰুআবলৈ সি আপুনি থকা ঠাইৰে পৰা কেতিয়াও অহা নাই, কিন্তু মই হলে, মোক স্বৰূপকৈ সেৱা কৰা লোকক তাৰ আৰু তাৰ বন্দিইঁতৰ হাতৰপৰা কিমান বেলি বলে বা চলেৰে এৰুআলো, তাক জগত খনেই জানে, আৰু সেই ৰূপেৰে তোকো এৰুআম।

খ্রিষ্টিয়ান। তেওঁ আপোনাৰ লোকক মুকুত কৰিবলৈ পলম কৰাৰ কাৰন এই, সিবিলাকে সেসলৈকে তেওঁৰ ভক্ত হৈ থাকে নে, নে থাকে তাক প্ৰকাস কৰিবৰ নিমিতে তেওঁ সিবিলাকৰ প্ৰেমৰ পৰিখা কৰিচে। আৰু সিবিলাকৰ অন্ত জি দুৰ্গতিৰ কথা কোআ, সিবিলাকে তাক বৰ মৰ্জতাহে মানে। বৰ্তমান কালত হলে সিবিলাকে মুকুত হবলৈ বৰ বাঞ্চা ন কৰে, সিবিলাকৰ ঐস্বৰ্জৰ নিমিতে আগলৈ বাট চাই থাকে ; জেতিয়া সিবিলাকৰ অধিকাৰ আপোনাৰ আৰু দুতবিলাকৰ ঐস্বৰ্জেৰে আহে, তেতিয়া সিবিলাকে ঐস্বৰ্জ পাব।

আপলিওন। তই এতিয়ালৈকে তাৰ খাটনিৰ বিস্বাস ৰাখি থকা নাই, তেন্তে তাৰ পৰা বেচ পাবলৈ তোৰ কি আসা আচে ?

খ্রিষ্টিয়ান। হে আপলিওন, মই কিহত তেওঁৰ বিশ্বাস নে ৰাখিলোঁ ?

আপলিওন। প্ৰথমে জাত্ৰা কৰিবলৈ ধৰোঁতেই নিৰ্ভাৰসা দলদলনিত পৰি প্ৰায়ে উসাহ নে পাই ক্লান্ত হৈ গলি ; আৰু তোৰ পিঠিৰ বোজা অধিকাৰে নু গুচাই মানে সহন কৰিব লগাৰ দৰে তই সহন কৰি নে থাকি তাৰ সোলোকাবলৈ অনেক অনুচিত উপাই বিচাৰিলি ; আৰু দুষ্ট ভাৱে টোপনিয়াই তোৰ অতি উত্তম বস্তু হেৰুআলি, আৰু সিংহ দেখি উভতি জাবলৈ প্ৰায়ে মন থিৰ কৰিচিলি ; তাত বাজে তোৰ জাত্ৰাৰ কথা, আৰু জিহকে দেখিলি সুনিলি, তাক জেতিয়া ক, তেতিয়া তোৰ সকলো কথা আৰু কৰ্ময়ত প্ৰসংসা পাবলৈহে তোৰ পেটত ইচা আচে।



খ্রিষ্টিয়ান। এই সকলো কথা স্বৰূপ, আৰু তুমি জি জি কবলৈ ন হল, এনে আন আন অনেক কথাও আচে ; কিন্তু মই জি অধিকাৰৰ খাটনি আৰু সেৱা কৰোঁ, তেওঁ দায়ালু খেমাৱন্ত ; আৰু তাত বাজে এই সকলো দুৰ্বলে আগৈত্ৰ আপোন দেসত মোক ধৰিচিল, তাতে লৰা কালত সেই সকলোকে পিয়াহ ৰূপে খালে তাৰ কাৰনে মনত দুখ পাই সেই বোজাৰ ভাৰত কেঁকাই কেঁকাই মোৰ অধিকাৰৰ পৰা খেমা পালো।

তেতিয়া আপলিওনে অতিসই খঙ্গেৰে মাত ফুটাই কলে, মই সেই অধিকাৰৰ সত্ৰু ; তাক, আৰু তাৰ আগ্যা, তাৰ প্ৰজা সকলোকে ঘিন কৰোঁ ; তোক আগচিবলৈহে আহিলোঁ।

খ্রিষ্টিয়ান। হেৰা আপলিওন, তুমি জি কৰা, তালৈ সাৱধান হোআ ; এইটো মহাৰজাৰ আলি, পবিত্ৰ পথ, এই হেতুকে তুমি আপোনাৰ নিমিতে সাৱধান কৰা।

তেতিয়া আপলিওনে গোটেইটো বাট জুৰি ভৰি ফেৰ্কেটা কৰি বুলিলে, এই কথাত মোৰ ভই নাই ; তই মৰিবলৈ আপোনাক জুগুত কৰ ; মোৰ নৰকি গাঁতত ধৰি মই সপত খাইচো, তই ইয়াৰ পৰা আগ বৰ্হি নে জা ; এই ঠাইতে তোৰ জিহাত্মা বাকি দিম ; এই কথা কৈ সি খ্রিষ্টিয়ানৰ বুকলৈ অগ্নি সৰ মাৰিলে, কিন্তু খ্রিষ্টিয়ানৰ হাতে বাৰু থকাত তাৰে সৰ ধৰি সেই আপদ নিবাৰন কৰিলে। তেতিয়া খ্রিষ্টিয়ান আপোনাক জুগুত কৰিবৰ সমই বুজি হাতেৰে অস্ত্ৰ ধৰিলে, আৰু আপলিওনেও তালৈ আক্ৰমন কৰি সিলা ব্ৰিষ্টিৰ দৰে সৰ বৰখিলে ; তাতে খ্রিষ্টিয়ান অতি সাৱধানে থকাতো মুৰ, হাত, ভৰিতো ঘা লাগিল ; তাৰ দোআৰাই সি এফেৰিমান থমকিল। তাক দেখি আপলিওনে সকলো সক্তি এৰে পুনৰ জুধ ধৰিলত খ্রিষ্টিয়ানে আকও সাহ পাই শক্তি আটে মানে নিবাৰন কৰিলে। এই ৰূপে দিনৰ এবেলাতকৈ অধিককাল সেই দোৰ্ঘোৰ জুধ হৈচিল, তাতে খ্রিষ্টিয়ানৰ শক্তি প্ৰায়ে অন্ত পৰিল ; কিয়নো অনেক ঘা লগা হেতুকে তাৰ বল ক্ৰমে ৰাস হৈ জাই, ইয়াক জানিবা।

পাচে আপলিওনে চল চাই খ্রিষ্টিয়ানৰ ওচৰলৈ চাপি মাল জুধেৰে আঁকোআল মাৰি বৰ ভয়ঙ্কৰ আফালেৰে পেলালে ; তাতে খ্রিষ্টিয়ানৰ হাতৰ পৰা তৰোআল উফৰি পৰিল। তাক দেখি আপলিওনে বুলিলে, এতিয়া তোক অৱস্যে পালোঁ ; ইয়াকে কৈ সি তাৰ গাত ভৰ দি প্ৰান মৰাৰ দৰে হেঁচি দিলে, খ্রিষ্টিয়ানেও প্ৰানৰ আসা প্ৰাই এৰিলে। কিন্তু সেই ধৰমি মানুহৰ নিচেই ওৰ পেলাবৰ নিমিতে আপলিওনে সেসৰ কোৰ জচাৰ সময়ত

ইস্বৰৰ ইচাৰ দোআৰাই খ্রিষ্টিয়ানে বেগতে আপোনাৰ হাত তৰোআললৈ মেলি তাক পাই তুলি লৈ কলে, হেৰা মোৰ সত্রু, মোৰ অহিতে আনন্দ ন কৰিবা ; জদি মই পৰোঁ, তেঁও আকও উঠিম। এই কথা কৈ খ্রিষ্টিয়ানে মৰন তুল্য এখোঁচ মাৰিলে, তাৰে সি প্রান মৰা ঘা পোআৰ নিচিনাকৈ হুহকিল। তাক খ্রিষ্টিয়ানে দেখি পুনৰ বাৰ আক্রমন কৰি খুঁচি বুলিলে, আমাক প্রেম কৰা জনৰ দোআৰাই এই সকলো কাৰ্জত আমি জয়তকৈও জয়জুক্ত হম। তেতিয়া আপলিওনে আপোনাৰ নাগ ডেউকা মেলি উৰি জোআত খ্রিষ্টিয়ানে তাক আৰু নে দেখিলে।

সেই ৰনত আপলিওনে নাগৰ দৰে কথা কৈ জুধ কৰা কাল খিনিত কেনে গোজৰনি আৰু ভয়ানক চিঁয়ৰ মাৰিচিল, আৰু খ্রিষ্টিয়ানৰ ফালেও কেনে কেঁকনি আৰু হুমুনিয়াহ তাৰ ৰিদয়ৰ পৰা ফুটিচিল, মই দেখা সুনাৰ দৰে নে দেখা নু সুনা কোনো লোকেও সেই সকলো ভয়ঙ্কৰ কথা মনেৰে বুজিব নোআৰে, খ্রিষ্টিয়ানে আপোনাৰ দুধৰিয়া তৰোআলেৰে আপলিওনক ঘৈয়োআ নে দেখে মানে সেই জুধৰ সমুদাই কালত মই তাৰ এবেলিও প্রসন মুখ নে দেখিলো ; তেতিয়া সি ওপৰলৈ চাই অলপ মিটিকিয়ালে হই, কিন্তু এনে হুসিত বিৰৰন মুখ মই কাবো কেতিয়াও দেখা নাই।

সেই ৰন ভগা হলত খ্রিষ্টিয়ানে বুলিলে, আপলিওনৰ অহিতে মোৰ সহাই হোআ জি জনে সিংহৰ মুখৰ পৰা মোক উধাৰ কৰিলে, এখেতে তেঁওৰ গুন কিৰ্তন কৰিম ; সি এনে মন কৰি এই কথা গাবলৈ ধৰিলে।

এই অসুৰৰ অধিপতি
বেলজিবুবে মোৰ বিনাস
চিন্তি, নৰ্কৰ সাজে ভুসিত
জুধত পাঁচি দিলে দাস,
মোক আক্রমি, হাতে অস্ত্র,
ৰাগে ধৰিলে অসুৰ ;
ধন্য মিখাএল সহাই হোআত
তৰোআলে নিলোঁ দুৰ ;
এই হেতু জইধনি কৰি
সদাই প্রভুৰ স্তুতি গাম,
সৰ্বকাল অনন্ত জুগে
ধন্য তেঁওৰ পবিত্র নাম !



পাচে জিৱন গচৰ কেত খনি পাত লোআ, এনে এটা হাত তাৰ কোসত ওলোআত খ্রিষ্টিয়ানে সেই পাত লৈ জুধত লগা জি ঘা, তাতে দিলত একে বেলিএ স্বস্ত কৰা হল। আৰু সেই ঠাইত বহি অলপৰ আগেয়ে পোআ জি পিঠা, তাক খাবলৈ, আৰু চিঁচাৰ ৰস পান কৰিবলৈ ধৰিলে। পাচে খ্রিষ্টিয়ানে সান্ত পোআ হৈ আকও জাত্রা কৰিবলৈ উঠি, কি জানি আন কোনো সত্রু ওচৰত আচে, এই ভয়েৰে তৰোআল উলিয়াই হাতত লৈ গল। কিন্তু সেই খালৰ ভিতৰত সি আপলিওনৰ পৰা আৰু একো বিঘিনি নেপালে।

কিন্তু সেই খালৰ মুৰতে ম্রিত্যুৰ চাঁয়া নামেৰে আন এটা খাল আচিল, তাৰ মাজে দি স্বৰ্গিয় নগৰলৈ বাট জোআ দেখি খ্রিষ্টিয়ানো সেই বাটেই জাব লগা হল। সেই খাল অতি নিৰ্জান ঠাই হই, য়িৰিমিয়া ভবিস্যত বক্তাই তাক এই ৰুপে বৰ্ণনা কৰিচে ; সেই ঠাই অৰন্য, মৰুভুমি, গাঁতেৰে পুৰ, নিৰ্জল আৰু ম্রিত্যুৰ চাঁয়াজুক্ত ; জাত্রিক লোকৰ বাহিৰে কোনো মানুহে তাৰ মাজে দি নে জাই, আৰু কোনোএ তাত বাসো ন কৰে। আপলিয়নে সৈতে জুধ কৰাত খ্রিষ্টিয়ানৰ জি দুৰ অৱস্থা হৈচিল, তাতকৈও ইয়াতহে বৰ ঠেকত পৰিল ; তাক এই কথা পৰ্হিলেই সেসত জানিবা।

সেই কালত মই সমাজিকত দেখিলোঁ, খ্রিষ্টিয়ানে ম্রিত্যুৰ চাঁয়াৰ খালৰ ওচৰ পোআৰ সমই উতম দেসৰ বিসম বাত্রা অনাবিলাকৰ সন্তান হুজন মানুহে উলটি লৰি জঁাওতে খ্রিষ্টিয়ানে সিহঁতৰ লগ পাই এই ৰুপে সুধিলে, তোমোলাক কলৈ গৈচিলা ?

মানুহবোৰে উতৰ দিলে, বোলে, উলটি জঁাও, উলটি জঁাও, তোমাৰো জদি প্রান আৰু মঙ্গল ৰাখিবৰ বাঞ্চা আচে, তুমিও এই ৰুপে কৰা।

খ্রিষ্টিয়ান। কিয়, হল নো কি ?

মানুহবোৰ। কি হৈচে সুনা ; তুমি জি বাটে আহিচা, তাতে আমিও সাহ থাকে মানে গৈচিলো, আৰু আহিবও প্রায়ে নোঅৰা হলোঁ, আৰু অলপমান দুৰে জোআ হলে তোমাক বাত্রা দিবলৈকো আহিবলৈ নে পালোঁহেঁতেন।

খ্রিষ্টিয়ান। কি নো লগ পালা ?

মানুহবোৰ। ম্রিত্যুৰ চাঁয়াৰ খালৰ ওচৰ পাই প্রাই তাত সোমালোঁ ; কিন্তু আমাৰ সুভাগ্যৰ কাৰনে সঙ্কটত নৌ পৰোঁতেই আগ ফাললৈ চাই তাক দেখিলোঁ।

খ্রিষ্টিয়ান। কি কি নো দেখিলা, তাক কোআচোঁন।

মানুহবোৰ। কি দেখিলোঁ! খালকে দেখিলোঁ, সি ধুনাৰ দৰে ঘোৰ অন্ধকাৰ, তাত প্রেত, পিসাঁচ, নাগ আদি কৰি সকলোকে দেখিলো। তাত বাজেও সেই খালত কবলৈকে সক্তি নাই, এনে দুখ নাই জাতনা আৰু লোহাৰে বন্ধন হোআ লোকৰ নিচিনা সর্বদাই হাঁহাকাৰেৰে চিঁয়ৰা সবদ সুনিলোঁ। ভাৰসা গুচাঁওতা বিক্রিতি মেঘবোৰেও সেই খাল ঢাকি ধৰিছে; আৰু তাৰ ওপৰত মৃত্যুএ আপোনাৰ ডেউকা সদাই মেলি ধৰি আচে, আৰু কি কম? সেই ঠাই মহা ভয়ানক, নিচেই বিক্রিতি ৰূপ।

খ্রিষ্টিয়ান। কিন্তু তোমালাকে জি কথা কলাহঁক, তাৰ দোআৰাই মোৰ বাঞ্চনিয় ঠাইলৈ এইটো জোআ বাট ন হই, এনে প্রমান নে দেখোঁ।

মানুহবোৰ। তেনে হলে এইটো তোমাৰা বাট হওক, আমি হলে তাক লঁও। এই কথা কৈ সিবিলাকে খ্রিষ্টিয়ানক এৰি বেলেগ হৈ গল; খ্রিষ্টিয়ানো আপোনাৰ বাটে দি চলিল কিন্তু আকও সক্রএ ধৰিবৰ ভয়েৰে সি হাতত তৰোআল উলিয়াই ললে।

পাচে মই সমাজিকত দেখিলোঁ, সেই খালত চকুৰ দ্রিষ্টিলৈকে বাটৰ সোঁফালে বৰ দ খাৱৈ আচিল। আগৰে পৰা পুৰুসানুক্রমে কনাই কনাবোৰক বাট দেখুআই নি অতি দুখেৰে দুয়ো সেই খাৱৈতে পৰি প্রান হেৰুআই। আৰু বাঁওফালে অতিসই ৰূপে প্রানৰে ভই হোআ এনে এডোখৰ বোকা আচিল; তাত উত্তম মানুহো জদি পৰে, তেওঁ ভৰি ৰাখিবলৈকে ঠাই নে পাব। সেই বোকাত দাৱিদ ৰজাও এবেলি পৰিচিল; তাৰ পৰা সক্তিমন্ত জনে উধাৰ ন কৰা হলে, উসাহ নে পাই তেও তাতে মৰিলহেঁতেন। সেই ঠাইত বাটো অতি ঠেক, তাতে সেই উত্তম খ্রিষ্টিয়ানে বৰ দুখ পালে; কিয়নো খাৱৈত ন পৰিবৰ নিমিতে একতিয়া হৈ গলে বোকাত পৰিব খোজে; জদি বোকাৰ পৰা একতিয়া হৈ জাই খাৱৈত পৰিব খোজে, এনে দুই সঙ্কট হৈচিলে। এই ৰূপে জাঁওতে তাক বৰ দুখেৰে হুমুনিয়াহ পেলাই জাবৰ মই সুনিলোঁ। কিয়নো ওপৰত কোআৰ বাহিৰে ঘোৰ অন্ধকাৰ হোআত কেতিয়াবা কেতিয়াবা আগ বাৰ্হিবৰ নিমিতে ভৰি দাঙ্গি কোন পোনে বা কিহৰ ওপৰত দিব তাক নু বুজিচিল।

সেই খালৰ মাজ থিনিত বাটৰ নিচেই কাখতে নৰকৰ মুখ থকা দেখিলোঁ। তাতে খ্রিষ্টিয়ানে বুলিলে, হাই হাই, এতিয়া নো মই কি কৰিম? তাৰ পৰা মাজে মাজে জুইৰ সিখা, ধুআ আৰু ফিৰিঙ্গঠি ভয়ঙ্কৰ সবদেৰে ওলাবলৈ



ধৰিলে। আপলিয়নে হলে খ্রিষ্টিয়ানৰ তৰোআললৈ ভই কৰিচিল, কিন্তু এইবিলাকে একোলৈও ভই ন কৰে; সেই নিমিতে সি তৰোআল ফাঁকত সুমাই থৈ, অনৰ্চিন প্রার্থনা নামে আন এক অস্ত্র ধাৰণ কৰিলে। তেতিয়া মই তাক কবৰ সুনিলোঁ, হে প্রভু, মোৰ প্রান ৰখ্যা কৰা, মই মিনতি কৰিচোঁ। সেই ৰূপে অনেক বাট জোআলৈকে অগ্নি সিখাই তাৰ ওচৰে ওচৰে থেদি গৈচিল। আৰু বায়ুৰ দৰে অহা জোআ কৰা অদ্রিস্য কোনোৰ দুখমই মাত সুনাত কেতিয়াবা কেতিয়াবা মনত ভাবিচিল, মোক ডোখৰ ডোখৰকৈ চিঙ্গিব নাইবা আলি বাটৰ ধুলিৰ দৰে গচকিব। এনে ভয়ঙ্কৰ দর্সন আৰু সবদ দুই তিনি ডাঁৰৰ বাটলৈকে দেখি সুনি জোআত এজাক ভুতে তাক আগচি ধৰিবলৈ অহা জেন সুনি, তাতে সি থমকি ৰৈ, মই এতিয়া কি কৰিব লগিয়া, তাকে গুনিবলৈ ধৰিলে। কেতিয়াবা কেতিয়াবা উভতি জাবলৈকে প্রাই মন কৰি পাচে আকও ভাবে, কি জানি মই আদ খনি বাট পাব পাঁওহি, আৰু অনেক আপদকো ঠেলি আহিলোঁ, এতিয়া আগ বাৰ্হি জোআতকৈ উলটি জোআৰ আপদ কি জানি সৰহ হব; এই বুলি আগলৈ জাবলৈ মন থিৰ কৰিলে। কিন্তু সেই ভুতবোৰ ক্রমে ক্রমে ওচৰ পালেহি জেন বুজিলে; পাচে সিহঁত নিচেই ওচৰ পালত খ্রিষ্টিয়ানে এঁটাহ পাৰি বুলিলে, মই প্রভু পৰম ইশ্বৰৰ সক্তিএৰে চলি জাঁও; তাতে সিহঁত হুহকি গৈ আৰু নাহিল।

আৰু এটা কথা সুঁঅৰি কঁও, খ্রিষ্টিয়ানে আপুনি আপোনাৰ মাতকে চিনিব নোআৰে, এনে অথিৰ হৈচিল। কেনেকৈ তাক জানিলোঁ, কঁও সুনা; সি সেই জলি থকা গাঁতৰ দুআৰৰ সমুখ পালত দুর্জন বিলাকৰ এটাই পাচ ফালে দি মনে মনে আহি ইশ্বৰক নিন্দা কৰা অনেক বেয়া কথা তাৰ কানত সুনালে; তাতে মোৰ মনৰ পৰা এনে নিন্দা কথা ওলাল বুলি বুজিলে, তেতিয়া খ্রিষ্টিয়ানে আগৈএ অতি প্রেম কৰা জনকে আপুনি এনে নিন্দা কৰা জেন ভাবি আন সকলো বেলিতকৈও মনত বৰ দুখ পালে। তথাপি সাধ্য হোআ হলে সি এনে ভাবনা ন কৰিলেহেঁতেন; কিন্তু আপোনাৰ কানত সোপা দিবলৈ, বা সেই নিন্দা নো কৰ পৰা ওলাল, তাক বুজিবলৈ তাৰ গিয়ান ন হল।

খ্রিষ্টিয়ানে এনে দুৰ অৱস্থাৰে অনেক দুৰলৈ গৈ আপোনাৰ আগেয়ে জোআ কোনো মানুহৰ মাত এই ৰূপ জেন সুনিলে, তুমি মোৰ লগত আচা, এই হেতুকে জেতিয়া মৃত্যুৰ চাঁয়াৰ খালৰ মাজে দি ফুৰোঁ, তেতিয়া কোনো

আপদলৈ ভই ন কৰোঁ। এই সুনি খ্রিষ্টিয়ান বৰ আনন্দিত হল, ইয়াৰ তিনটা কাৰন। প্ৰথম, সেই থলত তাৰ বাহিৰে ইস্বৰক ভই কৰা আন আন কোনো লোক আচে, ইয়াকে ভবিলে। দুতিয় কাৰন, সিবিলাক্ এনে ভয়ানক অন্ধকাৰ্মই থানত থকাতো ইস্বৰ সিবিলাকৰ লগতে আচে, ইয়াকো বুজিলে। আৰু মনত এই ৰুপে ভাবিলে, সিবিলাকৰ লগত ইস্বৰ জদি থাকে, তেন্তে এই ঠাইৰ বিঘিনিৰ কাৰনে মই তেঁওক দেখা নো পোআ হলেও কি জানি মোৰো লগত আচে। ত্রিতিয় কাৰন, অলপ মানৰ পাচে সেই মানুহক জদি লগ ধৰিব পাৰোঁ, তেন্তে মোৰ লগৰ সহাই হৰ, এনে আসা কৰিলে। এই ৰুপে চলি গৈ, আগেয়ে জোআকৈ মাতিলে ; কিন্তু সিও আপোনাক অকল সৰিয়া বুলি ভাবিচিল ; এই হেতুকে উত্তৰ দিবলৈ মন থিৰ কৰিব নোআৰিলে। ক্ৰমে ক্ৰমে ৰাতি পুআল ; তেতিয়া খ্রিষ্টিয়ানে কলে, তেঁও ম্রিত্যু চাঁয়াৰ সলনি ৰাতি পুআ কৰিচে।

এই ৰুপে পুআ হলত, খ্রিষ্টিয়ানে উভতি জাবৰ ইচাৰে ন হই, কিন্তু ৰাতিৰ এন্ধাৰত কি কি আপদৰ মাজে দি আহিচিল, তাক দিনৰ পহৰেৰে দেখিবৰ নিমিতে মুখ ঘুৰাই চাইচিল, তাতে সেই পথৰ ই দাঁতিএ খাৰৈ, সি দাঁতিএ বোকা, আৰু তাৰ মাজত বাট কেনে ঠেক, আৰু তাত থকা নৰকৰ ভুত, প্রেত, নাগ আদি সকলোকে ভাল ৰুপে দেখিবলৈ পালে। কিন্তু ৰাতি পুআলত সিহঁত ওচৰ নে চাপি দুৰৈতে থাকিল ; তথাপি সাস্ত্ৰত জি ৰুপে লিখিচে, বোলে, তেওঁ এন্ধাৰৰ মাজৰ পৰা দত থকা বস্তু প্ৰকাস কৰে, আৰু ম্রিত্যু চাঁয়াকো পহৰলৈ আনে, সেই ৰুপে খ্রিষ্টিয়ানৰ আগত এই সকলো প্ৰকাসিত হল।

সেই সকলো আপদত ৰাতি অধিক ভই পাইচিল হই, কিন্তু এতিয়া দিনৰ পহৰ হোআ হেতুকে আগতকৈ প্ৰকাস ৰুপে দেখি আপুনি অকলে কৰা জাত্ৰাৰ সকলো সঙ্কটৰ পৰা জে মুকুত পালে, এই কথাই তাৰ মন বিদাৰিলে। ক্ৰমে সুৰ্জ ওলাল, সিও খ্রিষ্টিয়ানলৈ এটি বৰ অনুগ্ৰহ ; কিয়নো ম্রিত্যু চাঁয়া খালৰ প্ৰথম ভাগত অনেক সঙ্কট হলেও তাতকৈও সেস ভাগৰ সঙ্কট অধিক, ইয়াকে জানিবা এতিয়া থকা ঠাইৰ পৰা খালৰ অন্তলৈকে গোটেই বাটত ফান্দ, কুন্দা, খোৰোচা, জাল পাতি পুৰকৈ থোআ হৈচিল ; আৰু গাত, নাদ, কুণ্ড, গৰা আদি এনেহে ঘন হৈচিল, জে প্ৰথম ভাগত অহাৰ নিচিনা এন্ধাৰ হোআ হলে, খ্রিষ্টিয়ানৰ জদি এহেজাৰ প্ৰান হই, তেওঁ মানুহৰ বিবেচনাত অৱস্যে সকলোকে হেৰুআলেহেঁতেন। কিন্তু পুৰ্বে কোআৰ দৰে সুৰ্জ ওলাল ;



তাতে খ্রিষ্টিয়ানে বুলিলে, তেওঁৰ প্ৰদিপ মোৰ মুৰৰ ওপৰত প্ৰকাস হৈচে ; তেওঁৰ পহৰৰ দোআৰাই এন্ধাৰৰ মাজেদি জাঁও।

সেই পহৰেৰে খ্রিষ্টিয়ান চলি গৈ খালৰ অন্তৰ ওচৰ পালে। তেতিয়া মই সমাজিকত দেখিলোঁ, সেই খালৰ অন্তত মানুবিলাকৰ অৰ্থাত এই বাটে দি পুৰ্বে জোআ জাত্ৰিক লোকৰ তেজ, হাৰ, ভস্ম, আৰু কটা চিঙ্গা সবোৰ পৰি পৰি আচিল। ইয়াৰ কাৰণ কি, এই ৰুপে ভাবি থাকোঁতে মই অলপ মান আগলৈ চাই এটা কোটৰ দেখিলোঁ। সেই কোটৰৰ ভিতৰত আগৰ কালতে পাপা আৰু দেও পুজক নামেৰে দুজন ৰাখ্যস বাস কৰিচিল ; জিবিলাকৰ হাৰ তেজ আদি তাত আচিল, সিবিলাকক সেই ৰাখ্যসৰ পৰাক্ৰম আৰু ৰাজ অনিয়াইৰ দোআৰাই নিৰ্দয়াৰে বধ কৰা হৈচিল। কিন্তু খ্রিষ্টিয়ান বৰ আপদে নো পোআকৈ সেই পোনে গল ; তাতে মই কিচু বিস্মই মানিলোঁ, কিন্তু তাৰ পাচত এই কথা সুনিলোঁ, দেওপুজক ৰাখ্যস মৰিবৰ অনেক দিন হল, আনটো ৰাখ্যস জিয়াই থাকিলেও আলৰ বুৰা হোআৰ কাৰনে আৰু ডেকা কালত জুজ কৰোঁতে বৰ দুখ পোআ হেতুকে জৰ্জৰিত আৰু হাৰৰ জোৰা লৰাব নোআৰে। এই হেতুকে এতিয়া সি আপোনাৰ কোটৰৰ মুখত বহি জাত্ৰিক লোক ওচৰে দি জোআ দেখি সিবিলাকক ধৰিব নোআৰাত দাঁত সিয়ৰাই আৰু হাতৰ নখ কামোৰে মাথোন ; তাত বাজে একো কৰিবৰ সক্তি নাই।

এই ৰুপে খ্রিষ্টিয়ানক আপোন বাটে চলি জোআ দেখিলোঁ। কিন্তু জেতিয়া কোটৰৰ দুআৰত বুৰা ৰাখ্যস বহি থাকিবৰ দেখিলে, তেতিয়া তাৰ অৰ্থে কি গুনিম, ইয়াত একো থিৰ কৰিব নোআৰিলে ; কিয়নো ৰাখ্যসে তাক খেদি জাবলৈ অসক্তিমন্ত হোআতো এই কথা তাক বুলিলে, তোমোলাকৰ আৰু কেতবিলাকক নো পোৰালৈকে ভাল হব নোআৰিবা। তাতে খ্রিষ্টিয়ানে একো উতৰ নি দি থিৰ মুখেৰে চলি গৈ একো আপদে নো পোআকৈ সি ফাল হল। তেতিয়া খ্রিষ্টিয়ানে এই গিত গান কৰিলে।

এনে অতিসই বিপৰিত
দুখত মই জে পাওঁ উধাৰ
ত্ৰিভুবনে এই আচৰিত,
এই হে দেখোঁ চমত্‌কাৰ।

কি নো কৰিম স্তুতি নতি ?
কি নো সুৰে ধৰিম গান ?
ধন্য জি জন প্ৰেমপতি
ৰখ্যা কৰিলে মোৰ প্ৰান।
মই অগিয়ানি মুৰুখ অতি
চলি জাবৰ বুধি নাই ;
মোক জি জনে দিলে গতি
মুকুট পিন্ধোক সৰ্বদাই ॥

৭ আধ্যা

পাচে খ্ৰিষ্টিয়ান জাঁওতে জাঁওতে জাত্ৰিকবিলাকে আগফাললৈ দেখিবৰ নিমিত্তে জি সৰু হাদাম সজা হৈছিল, তাক পাই উঠি আগফাললৈ চাই বিশ্বাসি নামেৰে এজনক জাত্ৰা কৰা দেখিলে, তেতিয়া খ্ৰিষ্টিয়ানে তাক ৰিঙ্গিয়াই মাতিলে, হেৰা ভকত, ময়ো তোমাৰ লগত জাঁও ৰবা। এই কথা সুনি বিশ্বাসিএ উলটি চালত খ্ৰিষ্টিয়ানে আকৌ ৰিঙ্গিয়াই কলে, মই তোমাৰ লগ নে পাওঁ মানে ৰবা, ৰবা। কিন্তু বিশ্বাসিএ কলে, নোআৰোঁ, মোৰ প্ৰান আঁচলৰ আগত বান্ধিহে আহিচোঁ ; তেজৰ প্ৰতিফল দিওঁতাই মোক খেদি আহিচে। এইকথা সুনি খ্ৰিষ্টিয়ানে অলপ বিৰকতি হৈ পাৰিলে মানে বল দি লৰি গৈ বিশ্বাসিৰ লগ পালে, আৰু পাচো পেলালে। তাতে পাচৰটো আগহে হল। তেতিয়া খ্ৰিষ্টিয়ান ভায়েকতকৈ আপুনি আগ হোআ দেখি গৰ্বি হৈ মিটিকিয়াই হাঁহিলে ; কিন্তু ভৰিলৈ সাৱধান নো হোআ হেতুকে উজুটি খাই পৰিল ; পাচে বিশ্বাসি পাই নো তোলেহি মানে উঠিব নোআৰিলে।

পাচে মই সমাজিকত দেখিলোঁ, সিবিলাক দুয়ো একে লগ হৈ বৰ প্ৰিতি ৰুপে চলি গৈ আপোন আপোন জাত্ৰাত জাৰ জি জি ঘটিচিল, সেই সকলো কথা মৰম ৰুপে কোআ কুই কৰিলে। প্ৰথমে খ্ৰিষ্টিয়ানে এই কথা কলে, অমান্যৱন্ত আৰু অতি প্ৰিয় ভাই বিশ্বাসি, মই জে তোমাৰ লগ পালোঁ, আৰু এই মনোহৰ পথত আমি দুয়ো সখি ভাৱে একে লগে জাব পৰাকৈ ইশ্বৰে জে আমাৰ স্বভাও মিলালে, ইয়াতে মই বৰ আনন্দ পাইচোঁ।

বিশ্বাসি। অপ্ৰিয় বন্ধু, আমাৰ নগৰৰ পৰাই তোমাৰ লগৰিয়া হৈ আহিম বুলি ভাবিছিলোঁ, কিন্তু তুমি আগ বহা হেতুকে ইমান দুৰ বাট অকলেই আহিব লগা হল।

খ্ৰিষ্টিয়ান। মই ওলাই অহাৰ পাচে তুমি কিমান দিনলৈকে জাত্ৰা ন কৰি বিনাস নগৰত আচিলা ?

বিশ্বাসি। জেতিয়ালৈকে তাত থাকিব পৰা আচিল, তেতিয়ালৈকে থাকিলো। কিন্তু তুমি ওলাই অহাৰ এফেৰি মানৰ পাচে আমাৰ নগৰ

স্বৰগৰ পৰা অহা জুয়েৰে দাহ কৰা হব, সকলোৰে মাজত এই ৰূপে এবাও হব ধৰিলে।

খ্রিষ্টিয়ান। কি? চুবুৰিয়াবিলাকে এই ৰূপে কলে নে?

বিস্বাসি। হই, কিচু কাললৈকে সকলোৰে মুখত এই কথাহে আছিল।

খ্রিষ্টিয়ান। তেনে হলে সেই আপদৰ পৰা সাৰিবলৈ তোমাত বাজে আন কেও নোলাল নে?

বিস্বাসি। সেই আপদৰ অনেক কথা মানুহে কোআ কুই কৰিলে, মই ইয়াকে কলোঁ হই, কিন্তু সিবিলাকে নিচয়ে তাত বিস্বাস কৰিলে, মোৰ মনে এনে ন ধৰে। কিয়নো সিহঁতৰ হুবা মুবাৰ মাজত তোমাৰ অৰ্থে আৰু তোমাৰ জি জাত্রা সিহঁতে নিৰসা বোলে, তাৰ অৰ্থে সিহঁতৰ কেতবিলাকে ইতিকিঙ্গ কৰা সুনিলোঁ। কিন্তু ওপৰৰ পৰা অহা জুই আৰু গন্ধক দোআৰাই আমাৰ নগৰৰ সেস হব, ইয়াকে মই বিস্বাস কৰিচিলোঁ, এতিয়াও কৰিচোঁ, এই হেতুকে পলাই আহিলোঁ।

খ্রিষ্টিয়ান। তুমি তোমাৰ চুবুৰিয়া তৰলৰ কোনো কথা সুনা নাই নে?

বিস্বাসি। হই খ্রিষ্টিয়ান, সি নিৰ্ভাৰসা দলদলনিলৈকে তোমাৰ পাচে পাচে গৈচিল, ইয়াকে সুনিলোঁ, আৰু তাত পৰিল বুলি কোনো কোনোএ কই। সি হলে সেই কথা মানুহক জনাবৰ ইচা ন কৰে; কিন্তু তাৰ বোকাৰে সি লেটি পেটি হৈচিল, ইয়াক মই জানোঁ।

খ্রিষ্টিয়ান। তাৰ চুবুৰিয়াবিলাকে তাত কি কলে?

বিস্বাসি। সি উভতি জোআৰ পাচভ সকলো বিধ মানুহৰ মাজত বৰ নিন্দা পোআ হল। কোনো কোনোএ তাক ইতিকিং আৰু হেলা কৰে, আৰু প্রাই কেৱে তাক কাম কাজ নি দিএ। সি নগৰৰ পৰা নোলোআ হৈ থকাতকৈও এতিয়া সাত গুনে বেয়া হ'ল।

খ্রিষ্টিয়ান। বাৰু সি জি বাট এৰিলে, নগৰিয়াবিলাকে জদি তাক হেলা কৰে, তেন্তে তাৰ অহিতে কিয় ইমান খিয়াল কৰে?

বিস্বাসি। সি ফাঁচি দিয়া হওক, সি মোট সলোআটো, সি আপোন মতত থকাটো ন হই, ইয়াক সকলোএ বোলে। মোৰ মনেৰে ভাবিচোঁ, সি সজ পথ তিয়াগ কৰাৰ কাৰণে ইস্বৰে তাৰ সত্রুবোৰক উপকথাৰ নিচিনাকৈ তাক নিন্দা কৰিবলৈ বৰ্হালে।

খ্রিষ্টিয়ান। তুমি তাত থাকোঁতে তাৰে সৈতে একো কথা বাত্রা ন হলা নে?



বিস্বাসি। তাক এবেলি নগৰৰ আলি বাটত লগ পালোঁ, কিন্তু সি মোক দেখি আপোন কৰমত লাজ পোআৰ নিচিনাকৈ একাতি হৈ সি দাঁতিএ গল এই হেতুকে ময়ো নে মাতিলোঁ।

খ্রিষ্টিয়ান। মই প্রথমে জাত্রা কৰা কালত সেই মানুহৰ কথাত কিচু আসা আছিল, কিন্তু নগৰ নষ্ট হোআ কালত সিও নষ্ট হব, মোৰ মনত এনে আসঙ্কা হৈচে। কিয়নো কুকুৰে আপোনাৰ বাঁতি খাবলৈ, আৰু ধুউআ গাহৰিএ বোকাত লেটি লবলৈ আকৌ উলটি জাই, এই স্বৰূপ পটন্তৰ তাত ঘটিচে।

বিস্বাসি। মোৰো তাৰ অৰ্থে এনে আসঙ্কা হৈচে, কিন্তু জাৰ জি ঘটিব, তাক কোনে নিবাৰন কৰিব পাৰে?

খ্রিষ্টিয়ান। বাৰু, বিস্বাসি সখি, তাৰ কথা এৰা হওক, আমাৰ আপোন আপোন বিসয়ৰ কথা বাত্রা কঁওহঁক। পথত আহোঁতে তোমাৰ কি কি ঘটিচিল তাক মোক বুজাই কোআ, কিয়নো মই জানিচোঁ, তুমি কিচু কিচু ঘটন, পালা, নাইবা তাক বৰ আচৰিত বোলা জাব।

বিস্বাসি। তুমি জি নিৰ্ভাৰসা দলদলনিত পৰিবৰ দেখিলোঁ, সেই সঙ্কটৰ পৰা মই সাৰি সৰু দুআৰ পালোঁহি; তথাপি কামুকি নামেৰে এজনি তিৰি লগ পোআত তাই মোক এটা হিংসা কৰিব খুজিলে।

খ্রিষ্টিয়ান। অস, তুমি জে তাইৰ জালৰ পৰা মুকুত হৈ আহিলা, এয়ে তোমাৰ বৰ সুভাগ্য। আগৰ কালত য়োচেফে তাইৰ দোআৰাই বৰ সঙ্কটত পৰি তাৰ প্রান প্রায়ে হেৰু আব লগা হৈচিল, কিন্তু সেসে তোমাৰ দৰে সি তাইৰ হাত সাৰিল। সেই জিবা হওক, তেও তাই তোমাক কি কি কৰিলে?

বিস্বাসি। তুমি তাইৰ কিচু কথা জানিবই পোআ; তথাপি তাইৰ বাক্য কিমান মধুৰ আৰু মৰমিয়াল হৈচিল, তাক ভাবিব নোআৰা। তাই সকলো সুখ সন্তোসৰ আসা দেখুআই মোক তায়ে সৈতে ফালৰি জাবলৈ বৰ জতন কৰিলে।

খ্রিষ্টিয়ান। ন হই, ভাই, পবিত্র মনৰ জি সন্তোস, তাই তাক দেখাব নোআৰে।

বিস্বাসি। তেওঁ মোৰ কথা বুজিচা, সকলো সংসাৰিক আৰু সৰিল অভিলাসৰহে সুখ দেখালে, তাক মই কৈচোঁ।

খ্রিষ্টিয়ান। তুমি জে তাইৰ হাতৰ পৰা ৰখ্যা পালা, তাৰ কাৰনে ইস্বৰক স্তুতি কৰিব লগা; কিয়নো ইস্বৰে ঘিন কৰাবিলাক তাইৰ খাৰৈত পৰিবগৈ।

বিশ্বাসি। মই তাইৰ হাতৰ পৰা সকলো ভাৱে ৰখ্যা পালোঁ নে, নে পালোঁ, তাক ঠিককৈ কব নো আৰোঁ।

খ্রিষ্টিয়ান। কি? তাইৰ ইচাৰ দৰে মান্তি হৈছিলা নে? ইয়াক মই নে ভাবো।

বিশ্বাসি। ন হই, মই তাইৰ লগত কুকৰম জে কৰোঁ, এই ৰূপে মান্তি হোআ নাই। কিয়নো এখন পুৰনি পুথিত জি কথা দেখিলোঁ, তাইৰ ভৰিৰ খোজে নৰককহে ধৰে, সেই কথা সুঁৱৰি তাইৰ দৰ্সনৰ মায়াৰে জেন মুহিত ন হওঁ, এই কাৰণে চকুকে মুদিলোঁ। তাতে তাই মোক অনেক প্রকাৰে গালি পাৰিলে, ময়ো বাটে দি গুচি গলোঁ।

খ্রিষ্টিয়ান। তুমি আহোঁতে তাত বাজে আৰু কোনো আপদত পৰা নাই নে?

বিশ্বাসি। মই কঠিন পৰ্বতৰ গুৰি পোআ সময়ত এটা অতি বুৰা মানুহক লগ পালোঁ, সি মোত সুধিলে বোলে, তুমি কোন, আৰু কলৈ জোআ? তাতে মই কলোঁ, মই জাত্রিক হৈ স্বৰ্গিয় নগৰলৈ জাঁও। তেতিয়া বুৰাই কলে, তোমাক ভদ্র লোক জেন দেখোঁ, মই বেচ দিলে তুমি মোৰ লগত থাকিবলৈ মান্তি হবা নে? তাতে মই তাৰ নাম আৰু তাৰ থকা ঠাই সোধাত সি বুলিলে, মোৰ নাম প্রথম আদম। কপট নামেৰে এখন নগৰতে থাকোঁ। তেতিয়া মই সুধিলোঁ, তোমাৰ কি বেৱসাই? আৰু জদি তোমাৰ কাম কৰোঁ, তেন্তে মোক কি বেচ দিবা? সি বুলিলে, মোৰ বেৱসাই নানা সুখ ভোগ, আৰু মোৰ বেচ এই, সেসত মোৰ সকলোৰে অধিকাৰ হবা। পাচে মই আৰু সুধিলোঁ, তোমাৰ ঘৰৰ আচাৰ বেবহাৰ কেনে, আৰু তোমাৰ আন চাকৰ আচে নে? তাতে সি কলে, মোৰ ঘৰত জগত খনৰ সকলো সুখ আচৰন কৰা হৈচে, আৰু মোৰ চাকৰবিলাক মই আপুনি জনমোআ। তেতিয়া মই সুধিলোঁ, তোমাৰ কিমান সন্তান আচে? সি উতৰ কৰিলে, মোৰ তিনি জনি জি মাথোন আচে; সিবিলাকৰ নাম সৰিলৰ সুখ-অভিলাসি, চকুৰ-লোভ-অভিলাসি, আৰু জিৱনৰ-অহঙ্কাৰি। আৰু তোমাৰ জদি ইচা হই, সিবিলাকক বিবাহ কৰিবও পাৰা। পাচে মই সুধিলো, মোক তোমাৰ লগত কেতে দিন মান বাস কৰাব খোজা? সি কলে, মই জিমান দিন জিয়াই থাকোঁ, তুমিও সিমান দিন মোৰ লগত থাকিবা।

খ্রিষ্টিয়ান। বাৰু, তুমি বুৰাই সৈতে সেসত কি কথা কৰিলা?

বিশ্বাসি। প্রথমতে তাৰ কথা উতম জেন দেখি তাৰ লগত জাবলৈ



অলপ ইচা হৈছিল; কিন্তু কথা বাত্রা হওঁতে মই তাৰ কঁপাললৈ চাই তাত এই কথা লিখা দেখিলোঁ, পুৰনি স্বভাও আৰু তাৰ সকলো কৰম তিয়াগ কৰা।

খ্রিষ্টিয়ান। আৰু তাৰ পাচে?

বিশ্বাসি। তেতিয়া জুইৰ নিচিনাকৈ এই কথা মোৰ মনত আহিল? সি জেই বা ন কওক, আৰু জেই বা প্রসংসাৰে ভুলাওক, তেও মোক জদি তাৰ আপোন ঘৰৰ ভিতৰলৈ নিব পাৰে, তেতিয়া মোক অবস্যে বন্দিকৈ বেচিব; ইয়াকে মনত বুজি তাক কলোঁ, মোক আৰু কথা ন কৰা; মই কেতিয়াও তোমাৰ দুআৰ মুখলৈকে নে জাঁও। তেতিয়া সি মোক সপিব ধৰি বুলিলে, জিহেৰে তোৰ আত্মালৈ তোৰ পথ তিতা হব, তেনে এটা তোৰ পাচে পাচে পঠাম তেতিয়া তাৰ ওচৰৰ পৰা জাবলৈ ধৰিলোঁ; কিন্তু জাবৰ নিমিত্তে ঘুৰিলত সি মোৰ গাত চিকোট মাৰি ধৰি এনে মৰন তুল্য আজোঁৰ মাৰি টানিলে, জে মই ভাবিলো, মোৰ এডোখৰ মঙ্গহ চিগি গল। তাতে সেই দুখেৰে মই এঁটাহ পাৰিলোঁ, অস অস। মই কেনে দুৰ্ভগিয়া মানুহ! পাচে পথে দি পৰ্বতৰ ওপৰলৈ গলোঁ।

এই ৰূপে ক্রমে ক্রমে পৰ্বতৰ আদখন বাটলৈ উঠি গৈ মই উভতি পাচলৈ চাই এজন মানুহ বায়ুৰ দৰে বেগাই মোৰ পাচে পাচে অহা দেখিলোঁ, জি ঠাইত ঘোপ ঘৰটো আচে, তাৰ ওচৰতে তেওঁ মোৰ লগ ধৰিলেহি।

খ্রিষ্টিয়ান। হই, ময়ো সেই ঠাইতে জিৰাবলৈ বহিচিলোঁ, কিন্তু অকস্মাতে টোপনিএ ধৰাত মোৰ এই চালৰ নুৰা বুকৰ পৰা হেৰুআইচিলোঁ।

বিশ্বাসি। প্রিয় ভাই, আগেয়ে মোৰ কথা সুনি এঁটোআ, পাচে তোমাৰ কথা কৰা। সেই মানুহে মোৰ ওচৰ পাই বাক্যে কোবে একে বেলিএই মাৰি মৰাৰ দৰে পেলালে। পাচে এফেৰি চেতন পাই মই তাক সুধিলোঁ, তুমি এই ৰূপে কিয় মোক মাৰিলা? তাতে তেওঁ কলে, তুমি গুপুতে প্রথম আদমলৈ মন কৰা, তাৰ কাৰনে মাৰোঁ, এই বুলি আকও মৰন তুল্য বুকুত কোব দি পাচ ফাললৈ আচাৰ খুআই পেলোআত আগৰ দৰে মৰাৰ নিচিনা হলোঁ। অলপৰ প'চে কিচু তত পাই মই চিয়ৰি কাকুতি কৰি তেওঁত খেমা মাগিলোঁ। তাতে মই খেমা কৰিব নে জানোঁ, ইয়াকে কৈ তেওঁ আকও কোব মাৰি পেলাই দিলে। তাতে আৰু এজন আহি তেওঁক বাধা ন কৰা হলে তেতিয়া নিচয়ে মোৰ অন্ত কৰিলেহেঁতেন।

খ্রিষ্টিয়ান। জি জনে সেই মানুহক নিবাৰন কৰিলে, তেওঁ নো কোন?

বিশ্বাসি। প্রথমে মই তেওঁক নি চিনিলোঁ কিন্তু পাচে মোৰ ওচৰে দি

চলি জোআত তেওঁৰ হাতত কোসতো বিন্ধা দেখি আমাৰ প্ৰভু বুলি বুজিলোঁ। পাচে ক্ৰমেৰে পৰ্বতৰ ওপৰলৈ গলোঁ।

খ্ৰিষ্টিয়ান। জি মানুহে তোমাৰ পাচে পাচে আহি লগ ধৰিচিল, সেই জন মোচা; তেওঁ কাৰো মুখলৈ নে চাই, আৰু জি জিবোৰে তেওঁৰ আগ্যা উলংঘন কৰে, সিহঁতক খেমা কৰিবও নে জানে।

বিস্বাসি। হই, মই তাক ভালকৈ জানিচোঁ, কিয়নো তেওঁ মোৰ লগ পোআৰ সেই প্ৰথম বেলি ন হই; মই ঘৰত নি চিন্ত ৰূপে থাকোঁতে তেওঁহে মোৰ ওচৰলৈ আহি কলে, তুমি জদি এই ঠাইত থাকা, তেন্তে তোমাৰ মুৰৰ ওপৰতে ঘৰ জলাই দিম।

খ্ৰিষ্টিয়ান। জি পৰ্বতৰ এফালে মোচাই তোমাৰ লগ পাইচিল, তাত থকা ঘৰ তুমি দেখা নাই নে?

বিস্বাসি। হই তাক দেখিলোঁ, তাৰ আগতে সিংহকো দেখিলোঁ; কিন্তু সিংহ হলে সুই থাকিব পাই, মোৰ মনে এনে ধৰিচে, তেতিয়া দুপৰ মান বেলা আচিল। দিনৰ ইমান থকা হেতুকে দুঅৰিৰ ওচৰে দি আহি ক্ৰমে ক্ৰমে পৰ্বতৰ পৰা নামিলোঁ।

খ্ৰিষ্টিয়ান। দুঅৰিএ মোত কলে, বিস্বাসি নামে এজনক এই পোনে জোআ দেখিলোঁ; কিন্তু দেখা ভাই, তুমি সেই ঘৰলৈ জোআ হলে মোৰ বৰ সন্তোস হলহেঁতেন; কিয়নো সেই গিৰিহঁতে তুমি মৰনলৈ জি জি নে পাহৰিলাহেঁতেন, এনে আচৰিত সকলো দেখালেহেঁতেন। কিন্তু মোত কোআচোন, নম্ৰ নামেৰে খালত তুমি কাকো লগ নে পালা নে?

বিস্বাসি। হই ভাই, অসন্তুসিয়া নামেৰে এটা মানুহক লগ পালোঁ, তাৰ ভুলুআ কথাত মই কান দিয়া হলে সি আপোনাৰ লগত মোক ওভোতাই লৈ গলহেঁতেন। সি এনে কাৰন দেখুআলে, এই খাল সকলো ভাৱে মৰ্জতা হিন হৈচে। তাত বাজে সি কলে, তুমি জদি এই খালৰ মাজে দি গৈ, আপোনাকে বলিয়াৰ নিচিনা কৰা, তেন্তে অহঙ্কাৰি, গৰ্বি, পণ্ডিত মানি, আৰু সংসাৰিক ঐশ্বৰ্জৱন্তকে আদি কৰি তোমাৰ জি কুটুম সকল আচে, সিবিলাকৰ কথা ন মনাত সকলোএ বৰ অসন্তুষ্ট হব, ইয়াক মই নিচয়ে জানেঁা।

খ্ৰিষ্টিয়ান। তুমি তাক কি উত্তৰ কৰিলা?

বিস্বাসি। মই উত্তৰ কৰিলোঁ, তুমি জাৰ জাৰ নাম কৈচা, সিবিলাক সকল জে মোৰ গিয়াতি ইয়াক কব পাৰো; কিয়নো সৰিলৰ সমন্ধেৰে



সিবিলাক মোৰ গিয়াতি আচিল হই, কিন্তু এতিয়া মই জাত্ৰিক হোআত সিবিলাকক জি ৰূপে এৰিলোঁ, সিবিলাকেও সেই ৰূপে মোক অগ্ৰাজ্য কৰিলে। এই হেতুকে সিবিলাক কেতিয়াও মোৰ বঙ্গহ নো হোআ হলে জেনে হলহেঁতেন, তেনেকৈ এতিয়া মোলৈ একো ন হই। আৰু মই তাক কলেঁা, তুমি এই খালৰ কথা জি কৈচা, সেই দৰে কেতিয়াও ন হই; কিয়নো মৰ্জতাৰ আগেয়ে নম্ৰ ভাও, আৰু পৰাৰ আগেয়ে অহঙ্কাৰ। এই হেতুকে তোমাৰ বিবেচনাত জি জি অতি ইচাৰ জোগ্য, সেই সকলোকে এৰি, গিয়ানৱন্তে জিহকে মৰ্জতা মানে, তাক পাবৰ নিমিত্তে এই খালৰ মাজে দি জাঁবলৈ ইচা কৰোঁ।

খ্ৰিষ্টিয়ান। সেই খালত আৰু কাকো লগ নে পালা নে?

বিস্বাসি। হই, লাজ নামেৰে এটাক লগ পালেঁা; কিন্তু এই জাত্ৰাৰ মাজত জাক জাক পালেঁা, সকলোৰে ভিতৰত তাৰ নাম বিপৰিত দেখিচোঁ। কিয়নো আন আন লোকক কিচু কাৰন দেখালে, ন হই বোলাকো সিবিলাকে সহিব পাৰে; কিন্তু এই সাহসিক লাজে কেতিয়াও উত্তৰ দিবলৈ নেৰে।

খ্ৰিষ্টিয়ান। কিয় ? সি তোমাক নো কি কৈচিল?

বিশ্বাসি। সি কি কৈচিল, তাকে সুনা। প্ৰথমতে সি ধৰমৰ অহিতেই কথা কলে, সি বোলে, মানুহে ধৰম বিচৰা নিচেই অতি গৰিহিত নিচ কৰম হই; আৰু নম্ৰ মন হোআ সিও অমানুহৰহে কৰম। আৰু এই কালৰ সাহিয়াল লোকবিলাকৰ অহঙ্কাৰ বেৱহাৰত ৰতি, তাৰ পৰা মানুহে আপোনাক জে বিৰকতি কৰি ৰাখে, তাৰ দোআৰাই সকলোৰে আগত হাঁহিয়াতহে পাই। তাত বাজেও আৰু কলে, সক্তিমন্ত, ধনি, গিয়ানি লোকবিলাকৰ মাজত তোমাৰ মতত ভৰ দিয়া লোক অতি তাকৰ। আৰু জিবিলাকে গ্ৰহন কৰিচে, সিবিলাকক আগৈএ অগিয়ানি ন কৰা হলে, আৰু জি বিসই কেৱে তেতিয়াও নে জানে, তাৰ অৰ্থে আপোন মনৰ সন্তোসেৰে সকলো সম্পতি হেৰোআৰ সঙ্কটত পেলাবলৈ নু ভুলুআ হলে তেন্তে কেতিয়াও গ্ৰহন ন কৰিলেহেঁতেন। তাত বাহিৰেও কালে কালে জি জাত্ৰিক লোক হৈচে, সিহঁত প্ৰাই সামান্য মুৰ্খ গৰিপ মানুহ, আৰু গিয়ান বিদ্যাতো সিখ্যা নো পোআ হৈ আচিলে। আৰু আন আন অনেক কথাৰ দোআৰাই মোক প্ৰাই নিৰুত্তৰ কৰি বুলিলে, ইস্বৰৰ কথা স্ৰবন কৰোঁতে হুমুনিয়াহ কাঢ়ি খেদ কৰি বহি থকা, আৰু পাচে ঘৰলৈ উভতি আহোঁতে নিস্বাস কাঢ়ি কেঁকাই জোআ বৰ লাজৰ কথা। চুবুৰিয়াৰ আগত সৰু সৰু দাইৰ খেমা

খোজা, আৰু কাহি লোআ বস্তু ওলোটাই দিয়া, ইও লাজ। আৰু সি ডাঙৰ লোকৰ পাপ সুন্দৰ সুন্দৰ নাম দি কলে, এনে এনে দাইৰ কাৰণে ধৰমে মানুহক বৰ লোকে সৈতে অচিনাকি কৰাই, আৰু অধম লোকক একে ধৰমৰ ভাগি হোআৰ কাৰণে আদৰ ৰুপে গ্রহন কৰাই, এইটো লাজ ন হই নে?

খ্রিষ্টিয়ান। পাচে তুমি তাত কি উত্তৰ কৰিলা?

বিস্বাসি। উত্তৰ হলে প্রথমতে মই দিবলৈ একো কথা নেপালোঁ, আৰু মোৰ মুখলৈ তেজ যেন উঠি ৰঙ্গা কৰে, সেই মানলৈকে লাজে মোক নিৰুত্তৰ কৰি প্রায়ে ঘটালে। সেসত মোৰ মনত এই কথা পৰিল, মানুহৰ মাজত জি প্রসংসিত হই, ইস্বৰে দেখাতে সি ঘিন লগা। আৰু মই ভাবিলোঁ, মানুহ কি ইয়াকে লাজে মোক দেখাইচে, কিন্তু ইস্বৰ নো কেনে, তেওঁৰ বাক্যাই বা কেনে, তাৰ একো কথা ন কই। আৰু মহা সোধৰ দিনত এই সংসাৰৰ সাহিয়াল লোকৰ মতে আমাক মৰন বা জিৱন ভুগিবৰ আগ্যা দিয়া ন হক, কিন্তু সৰ্বোপৰি জনৰ গিয়ান আৰু বিধানৰ মতে দিয়া হব। এই ৰুপে মই বিবেচনা কৰি বুলিলোঁ, ইস্বৰে জিহকে ভাল বোলে, জগতৰ সকলো লোকে তাৰ বিৰোধ কৰিলেও, সেয়ে অৱস্যে ভাল হই। এই হেতুকে ইস্বৰে জদি আপোনাৰ ধৰম ভাল, আৰু নম্ৰ মনো ভাল বোলে, আৰু স্বৰগ ৰাজ্যৰ নিমিতে জিবিলাকে আপোনাকে অগিয়ানি বুলি মানে, সিবিলাক জদি সকলোতেকৈ গিয়ানি আৰু জগতৰ মাজত সকলোতেকৈ ডাঙৰ হই; জি জনে খ্রিষ্টক ঘিন কৰে, তেঁওক প্রেম কৰা দৰিদ্র জনো তাতকৈ জদি ধনৱন্ত, তেন্তে হে লাজ, গুচি জা; তই মোৰ পৰিত্রানৰ সত্রু। মোৰ অধিকাৰ প্রভুৰ অহিত কৰি তোক কেনেকৈ ৰাখিম? তেনে কৰিলে তেওঁ অহা কালত কেনেকৈ তেঁওৰ মুখলৈ চাম? তেঁওৰ পথ আৰু দাসবিলাকত জদি লাজ পাঁও, তেন্তে তেঁওৰ আৰ্সিবাদ পাবলৈ কি আসা আচে? কিন্তু ভাই, সেই লাজ বৰ সাহিয়াল দুৰ্জন, তাক আঁতৰাই ঠেলি থব নোআৰিলোঁ। সি লাগি থাকি ধৰম পথত পোআ জি দুখ, তাৰ কোনো কোনো কথা সদাই মোৰ কানত ফুচ ফুচ কৰে সুনাই। সেসত মই তাক কলোঁ, এই কথাত বাদ কৰিবলৈ আমাৰ আৰু প্ৰয়োজন নাই। কিয়নো তই জি জি কথা ইতিকিঙ্গ কৰ, সেইবিলাক মই বৰ মান্যৱন্ত দেখিচোঁ। এই ৰুপে সেসত বিৰকতি কৰোআটক ঠেলি লগ এৰালোঁ। তাৰ লগ এৰাৰ পাচে এই গিত গান কৰিব ধৰিলোঁ।



স্বৰ্গিয় নিমন্ত্রন বানি
সুনে জি জি লোক,
জাত্রা কৰে ভক্তি জানি,
ভোগে নানা দুখ।

অনেক সত্রু দ্রোহ আচৰে,
ভিতৰ আৰু বাজ,
দুষ্টগনে নিন্দা কৰে,
ভদ্রে দিএ লাজ।

সৱিলৰ দুৰ্বলৰ কালে
নেৰি পৰিখাই,
বেৰি ধৰে চাৰিওফালে,
অপথে নিয়াই।

ঠেলি থলে আকও আহে
ঘূৰি ঘনে ঘন,
তেন্তে পৰ দি উত্তম সাহে
চলা জাত্রিগন।

খ্রিষ্টিয়ান। ভাই তুমি এনে সাহেৰে সেই দুষ্ট জনক দমন কৰা সুনি মই বৰ আনন্দ পাইচোঁ। তুমি জি কথা কৈচা, সকলোৰে মাজত সি বিপৰিত নাম পালে, তাক ময়ো ভাবোঁ। কিয়নো সকলোৰে আগত আমাক লাজ দিবৰ নিমিতে, আৰু বিসেসকৈ জি উত্তম, তাৰ কাৰণে আমাক লাজ পোআবৰ নিমিতে ৰাজ বাটলৈকো আমাক খেদি আহে, তাৰ ইমান সাহ। সি নিলাজ নো হোআ হলে এই দৰে কেতিয়াও ন কৰিলেহেঁতেন। কিন্তু আঁহা ভাই, তাক নিবাৰন কৰি থাকোঁহঁক; কিয়নো সি এইমান সাহ দেখালেও অগিয়ানিহঁতৰ বাহিৰে আন কাৰো জস ন কৰাই। এই কথাৰ প্রমান চিলোমোনেও লিখিচে; গিয়ানি লোক জসস্যাৰ অধিকাৰ হব; কিন্তু অগিয়ানি লোকৰ জসস্যাই কেৱল লাজ মাথোন হব।

বিস্বাসি। জি জনে প্রিথিবিত সত্যৰ ফলিয়াকৈ আমাৰ সাহ বৰ্হাবৰ ইচা আচে, লাজৰ অহিতে উপকাৰ পাবৰ নিমিতে আমি তেওঁলৈ প্রাৰ্থনা কৰিব লাগে, এয়ে মোৰ মন।

খ্রিষ্টিয়ান। তুমি স্বৰুপ কৈচা ; কিন্তু সেই খালত আন কাকো লগ নে পালা নে ?

বিশ্বাসি। মই হলে নে পালোঁ ; কিয়নো সেই খালৰ সেস ডোখৰত, আৰু ম্রিত্যুৰ চাঁয়াৰ খাল গোটেই খনতো বেলিৰ পহৰ পাইচিলোঁ।

খ্রিষ্টিয়ান। তেনে হলে তোমাৰ বৰ মঙ্গল হৈচিল, কিন্তু মোৰ হলে তেনে ন হল। প্রথমতে খাল সোমাওঁতেই আপলিওন নামেৰে অপবিত্র অসুৰে সৈতে বহু বেলি মোৰ বৰ ভয়ানক জুধ হৈচিল ; আৰু সি নিচয়ে মোৰ প্রান মাৰিব জেন বুলি ভাবিচিলোঁ। কিয়নো সি মোক আপোনাৰ তলত পেলাই একে বেলিএ গুৰি কৰিব খোজাৰ দৰে ভৰিৰে গচকিলে। মোক পেলাওঁতে হাতৰ পৰা তৰোআলো উফৰি গল, তেতিয়া সি বুলিলে, এতিয়া তোক মই পাম, ঠিককৈ জানিচোঁ। তাতে মই ইশ্বৰক প্রার্থনা কৰাত, তেওঁ মোৰ কথা সুনি, সকলো দুখৰ পৰা মোক উধাৰ কৰিলে, পাচে ক্রমেৰে গৈ ম্রিত্যুৰ চাঁয়াৰ খালত সোমালোঁ ; তাৰ আদখনি মান বাট জঁাওতে একো পহৰ নে পালোঁ ; তাতে অনেক বাৰ প্রান হেৰুআম বুলি জানিচিলোঁ। কিন্তু সেসত ৰাতি-পুআই সুর্জ ওলাল , পাচে তাৰে সেস ডোখৰ আগতকৈ সান্ত ৰুপে কুসলেৰে আহিলোঁ।



## ৮ আধ্যা

পাচে মই সমাজিকত চাই দেখিলোঁ, সিবিলাকে জঁাওতে জঁাওতে বিশ্বাসিএ দৈব জোগে এফলিয়াকৈ চাই কথকি নামেৰে এজন মানুহক আহি থকা দেখিলে। সেই পোনে বাট বহল হোআত অনেক মানুহ আঁতৰা আঁতৰিকৈ জাবলৈ ঠাই জুৰিলে, এই হেতুকে সেই মানুহে সিবিলাকৰ পৰা কিচু দূৰৈত চলি আচিল। সি ওখ মানুহ, আৰু ওচৰতকৈ দূৰৈত দেখিবলৈ সুন্দৰ আচিল। তাতে বিশ্বাসিএ সেই মানুহক সম্বোধন কৰি কথা বাত্রা হবলৈ ধৰিলে।

বিশ্বাসি। হেৰা ভকত, কলৈ জোআ ? স্বৰগ ৰাজ্যলৈ জাবলৈ ওলাইচা নে ?

কথকি। তালৈকেহে জঁাও।

বিশ্বাসি! বৰ ভাল ; তেনে হলে আমি তোমাৰ লগত গৈ উত্তম সঙ্গি পাম বুলি মই আসা কৰিচোঁ।

কথকি। মোৰো এনে বৰ ইচা, তোমোলাকৰ সঙ্গি হম।

বিশ্বাসি। তেনে হলে আঁহা, একে লগে জঁাওহঁক, আৰু জি জি কথাত আমাৰ হিত হই এনে কথা কৈ কৈ কাল নিয়াম।

কথকি। তোমাৰ সৈতে বা আনে সৈতে হিত কথা কবলৈ মোৰ বৰ সন্তোস, আৰু এনে উত্তম কৰমত মন দিয়া লোকৰ লগ পোআত মোৰ বৰ আনন্দ আচে। কিয়নো তোমাক স্বৰুপকৈ কৈচোঁ, জাত্রা কৰোঁতে এনে সদ আলাপত কাল নিয়াব খোজা মানুহ নিচয়ে তাকৰ ; সৰহ ভাগে জি কথাত একো হিত নাই, তাক কৈ থাকে ; ইয়াত মোৰ মনত বৰ দুখ পাওঁ।

বিশ্বাসি। এয়ে দুখৰ কাৰন হই, কিয়নো স্বৰগত থকা ইশ্বৰৰ কথা জি ৰুপে প্রিথিবিত থকা মানুহৰ জিবা মুখৰ স্রমৰ জোগ্য, এই ৰুপে আৰু কোন কথা জোগ্য হৈচে ?

কথকি। তোমাৰ কথা মই বৰ ভাল পাওঁ, কিয়নো তুমি জি কথাটি কৈচা, সেয়েই স্বৰুপ। তাত বাজে মই আৰু এটি কথা কঁও ; ইশ্বৰৰ বিসয়ে কথোপকথন কৰাৰ সমান সুখ দিঁওতা বা হিত কৰোঁতা কি আচে ? আচৰিত কথা সুনাত কোনো মানুহৰ জদি সন্তোস হই, তেন্তে এনে কথাৰ সমান সুখ

দিঁওতা কি পাব ? বিসেসকৈ ৰাজত্তিয়া কথা, ভবিস্যত কালৰ গোপনিয় কথা, অদ্ভুত আৰু আচৰিত কৰমত বিস্মই মানিব লগা চিন, এই সকলোকে জদি ভাল পাই, তেন্তে পবিত্র সাস্ত্রত জি জি কথা মনোহৰ আৰু সুন্দৰ ৰূপে লিখা আচে, তাৰ সমান সুখ দিওঁতা কথা আন কোন ঠাইত পাব ?

বিস্বাসি। এইটো কথা সঁচা হই, কিন্তু এনে কথোপকথনৰ দোআৰাই আমি জেন উপকাৰ পাঁও, এইহে আমাৰ প্রধান কার্জ।

কথকি। মই তাকেহে কৈচোঁ, এনে কথোপকথন বৰ উপকাৰি হই ; কিয়নো তাৰ দোআৰাই সংসাৰিক কথা জে নিস্ফল, পৰমার্থিক কথা জে সফল, ইত্যাদি সকলোকে বুজিব পাৰে। বিসেসকৈ নতুম জনম আৰু খ্রিষ্টৰ পুন্যৰ প্রয়োজন, আৰু আমাৰ কৰম জে অসিধ ইয়াকো মানুহে বুজিব পাৰে, তাত বাৰে এনে কথোপকথনৰ দোআৰাই মন পাবলৈ বিস্বাস, প্রার্থনা, বা সহন আদি কি ৰূপে কৰিব লাগে, তাকো সিকিব পাৰে। আৰু সুভ বাত্রা কেনে মহা প্রতিগ্যা, আৰু কেনে সান্তনা দিএ তাকো সিকি মানুহে আপোনাৰ মনত বৰ সন্তোস পাই। আৰু তাৰ দোআৰাই মিচা মত দুসিবলৈ, সঁচা মত থিৰ কৰিবলৈ আৰু অগিয়ানি লোকক উপদেস দিবলৈকো সিকিব পাৰে।

বিস্বাসি। তুমি জি কৈচা, সেই সকলো স্বৰুপ, তোমাৰ মুখৰ পৰা এনে কথা সুনি, মই বৰ আনন্দ পাইচোঁ।

কথকি। হাই হাই, সেই গিয়ান নাই কিয়াৰ কাৰনেহে সৰহ ভাগে পৰম আয়ুস পাবলৈ বিস্বাসৰ প্রয়োজন আৰু আত্মাৰ ভিতৰত অনুগ্রহৰ কৰম, তাৰো প্রয়োজন নে জানি, জি কৰমেৰে স্বৰগ ৰাজ্য কেতিয়াও পাব নোআৰে, এনে বিধানৰ কৰমত নিৰ্বুধিৰে কাল নিয়াই।

বিস্বাসি। তথাপি তোমাৰ অনুমতি পালে মই এটি কথা কঁও এই সকলোৰে পৰমার্থিক গিয়ান কেৱল ইস্বৰে দিয়া হই, মানুহে আপোনাৰ পৰিস্রম বা কথোপকথনৰ দোআৰাই কেতিয়াও পাব নোআৰে।

কথকি। তাক মই ভালকৈ জানেঁা ; কিয়নো স্বৰগৰ পৰা দিয়া ন হলে কেৱে একো পাব নোআৰে। অনুগ্রহৰ দোআৰাই সকলো হই, কৰমৰ দোআৰাই একো ন হই, এই কথা থিৰ কৰিবলৈ সাস্ত্রৰ পৰা এই প্রমান দিব পাৰোঁ।

বিস্বাসি। বাৰু, তেনে হলে আমি জি কথা ধৰি কথোপকথন কৰিম, এনে এটি কথা ধৰা চোন।



কথকি। বাৰু তোমাৰ জি ইচা ; স্বর্গিয় কথা বা সংসাৰিক কথা হওক, নিতি বা সুভ বাত্রাৰ কথা পবিত্র বা সামান্য, ভুত বা ভবিস্যত কথা, বিদেসৰ বা স্বদেসৰ কথা, সাৰ বা অসাৰ, জি কি কথাত ধৰিব খোজা, তাক কঁওহঁক ; হিত কথা হব লাগে মাথোন।

এই কথা সুনি বিস্বাসিএ আচৰিত মানিলে ; আৰু খ্রিষ্টিয়ান সেই সময়ত অকল সৰিয়াকৈ বুলি জোআ দেখি তেওঁৰ ওচৰলৈ গৈ মনে মনে কলে চোআ ভাই, আমি কেনে বুধিমন্ত সঙ্গি পালোঁ, তেওঁ আমাৰ বৰ উতম লগৰ জাত্রিক হবগৈ, মই জানিচোঁ।

তাতে খ্রিষ্টিয়ানে মিটিকিয়াই হাঁহি বুলিলে, তুমি জাৰ কথাত এইমান ভাল পোআ, সেই মানুহক জেয়ে নে জানে, এনে কুৰি জনকে সি আপোন বাক্যেৰে ভুলাব পাৰে।

বিস্বাসি। তেন্তে তুমি সেই মানুহক জানা নে ?

খ্রিষ্টিয়ান। এৰা, সি আপুনি আপোনাক জনাতকৈও মই তাক জানেঁা।

বিস্বাসি। তেনে হলে সি কোন ?

খ্রিষ্টিয়ান। তাৰ নাম কথকি ; আমাৰ নগৰ নিবাসি লোক। তুমি তাক নি চিনাত মই বৰ আচৰিত মানিচোঁ ; তথাপি আমাৰ নগৰ হলে বহল হঁওতে হই।

বিস্বাসি। সি কাৰ পুতেক ? নগৰৰ কোন খিনিত থাকে ?

খ্রিষ্টিয়ান। সি সুবক্তিৰ পুতেক, গল্প চুবুৰিতে থাকে। জিবিলাকে তাক চিনে, সেই সকলোৱে মাজত গল্প চুবুৰিৰ কথকি বুলি প্রখ্যাত হৈচে। তাৰ কথা হলে সুন্দৰ, তথাপি মানুহ হলে অকর্মন্য।

বিস্বাসি। দেখোঁতে তেঁও উতম মানুহ জেন দেখা জাই।

খ্রিষ্টিয়ান। হই, জিবিলাকে তাক ভালকৈ নি চিনে, সেইবিলাকে উতম জেন মানে। থকা ঠাইৰ পৰা আঁতৰত হলে সি ভাল মানুহ, কিন্তু থকা ঠাইত কিমান দুর্জন তাক কব নোআৰি। তুমি তাক উতম মানুহ বোলাত খনিকৰে নকচা লিখাৰ কথা মোৰ মনত পৰিচে ; তাৰ নকচাবোৰ দুৰৈৰ পৰা বৰ ভাল দেখি, ওচৰত হলে দেখিবলৈ বেয়া।

বিস্বাসি। তুমি উপহাস্য কৰিচা হবলা, তোমাক হাঁহিবৰ দেখিচোঁ।

খ্রিষ্টিয়ান। হাঁহোতে মিটিকিয়াই হাঁহিলোঁ হই, তথাপি এনে কথাত কদাচিতো উপহাস্য ন কৰোঁ, আৰু কাকো মিচা অপবাদো নি দিওঁ, ইস্বৰে তাক বাধা কৰোক। কিন্তু এই মানুহৰ কথা কিচু আৰু কঁও সুনা ; সি

সকলো বিধ লোকৰ আলাপ আৰু কথোপকথনত বৰ পাৰ্গত। তোমাৰ লগত এতিয়া জেনেকৈ কথোপকথন কৰিচে, তেনেকৈ মদপিৰ ঘৰতো কৰিব। আৰু তাৰ মুৰত জিমান অধিক মদ সোমাই, তিমান অধিক কথা মুখৰ পৰা ওলাব। তাৰ মনত বা ঘৰত বা কৰমত ধৰমে এফেৰিও ঠাই নেপাই। তাৰ জি আচে, সি কেৱল মুখতহে থাকে ; ধৰমৰ ফালে হলে চতুৰালি মাত্ৰ।

বিস্বাসি। অস অস, তাৰ এনে কথা নে? তেনেহলে মোৰ বৰ ভুল হৈচে।

খ্ৰিষ্টিয়ান। ভুল হৈচেতো, তাক অৱস্যে জানিবা। তুমি নিতি কথা সোঁঅৰা, সিহঁতে কই মাত্ৰ, পালন ন কৰে ; কিন্তু ইস্বৰৰ ৰাজ্য কথাত ন হই, সক্তিতহে হই। এই কথকিএ প্ৰাৰ্থনা, মন পালটন, বিস্বাস, নতুন জনম, এই সকলৰ অৰ্থে কেৱল কথাকেহে কব পাৰে, তাত বাজে একো নে জানে। তাৰ ঘৰলৈ মই কেইবা বেলিও গৈচিলোঁ, তাক পৰিয়ালৰ লগত আৰু আন ঠাইতো দেখিলোঁ। আৰু তাৰ জি কথা কৈচোঁ, তাক স্বৰূপ জানিহে কৈচোঁ। কনিৰ বাহ্‌ত জেনেকৈ সোআদ হিন, তেনেকৈ তাৰ ঘৰতো ধৰম হিন। তাৰ ঘৰত প্ৰাৰ্থনা নকৰে আৰু পাপিৰ নিমিতে খেদৰো একো চিন নাই। পহুএও আপোনাৰ সক্তিৰ দৰে ইস্বৰক তাতকৈ ভাল ৰূপে ভজে। অধিক কি কম, জিবিলাকে তাক জানে, সেইবিলাকৰ মাজত সি ধৰ মৰ দাগ, নিন্দা আৰু লাজৰ কৰম হই। নগৰৰ জি মুৰে সি থাকে, সেই ঠাইত তাৰ নিমিতে ধৰমক প্ৰসংসা প্ৰাই কেৱে ন কৰে। তাৰ চুবুৰিয়া সামান্য লোকেও তাৰ অৰ্থে বোলে, বাহিৰত সাধ, আপোন ঘৰত ভুত। তাৰ দুখীয়া পৰিয়াবোৰেও এই কথা জানে ; তাৰ এনে খঙ, সি গালি পাৰি আৰু অকাৰনত দাই ধৰাত চাকৰবোৰেও তাৰ কাম কেনেকৈ কৰিব লাগে, তাক নে জানে, আৰু তাৰ আগত কথা কবলৈকো সাহ নে পাই। আৰু জি বোৰ তাৰে সৈতে বেৱহাৰ কৰে, সিহঁতে বোলে, ইয়াতকৈ তুৰুকে সৈতে বেৱহাৰ কৰাই ভাল কিয়নো তুৰুকৰ মাজতে ইয়াতকৈ নিয়াই ৰূপ বেৱহাৰ কৰিবলৈ পাম। এই কথকিএ সিহঁতক জদি লগ পাই, তেন্তে মানুহৰ অসাধ্য হলে, সি চল চাই সেইবোৰকো বঞ্চনা কৰিলেহেতেন আৰু তাৰ লৰাকো আপোন খোজতে চলিবলৈ সিকাইচে। কিয়নো সিবিলাকৰ মাজত অলপ দোসাদোস বিচাৰ কৰা গিয়ান জদি দেখে, তাক অগিয়ান ৰূপে ভই বুলি সিহঁতক গালি পাৰে ; আৰু প্ৰাই কোনো কামৰ ভাৰ নি দিএ ; আৰু লোকৰ আগতো সিবিলাকক ভাল নো বোলে। মোৰ মনে হলে সি আপোন দুষ্ট কৰমেৰে বহু মানুহক



উজুটি খুআই পেলালে ; আৰু ইস্বৰে নিবাৰন ন কৰিলে, পাচলৈকো অনেকক নষ্ট কৰিব।

বিস্বাসি। ভাই, তোমাৰ কথা পতিয়াব লগা, কিয়নো তুমি বুলিচা মই তাক চিনোঁ, আৰু তুমি খ্ৰিষ্টিয়ানৰ দৰে লোকৰ বাত্ৰা কোআ। হিংসাৰ কাৰণে ন হই, সঁচা হোআৰ কাৰণেহে এইবিল্যক কথা কৈচা, মই তাক জানোঁ।

খ্ৰিষ্টিয়ান। তুমি প্ৰথমতে জি ৰূপে তাক জানিলা তাতকৈ মই ভালকৈ ন জনা হলে ন জান তোমাৰ দৰেই ময়ো ভাবিলোঁহেঁতেন আৰু ধৰমৰ সত্ৰুবিলাকৰ পৰা মই জদি এই কথা পালোঁহেঁতেন, তেতিয়া মিচা বুলিলোঁহেঁতেন, কিয়নো ভাল মানুহৰ নাম আৰু বেৱহাৰৰ অহিতে দুষ্ট লোকৰ মুখৰ পৰা এনে সি কথা ওলাই। কিন্তু মই তাৰ অহিতে জি জি কথা কলোঁ, তাত বাহিৰেও আন আন অনেক কথা মই আপোন চকুএ দেখা প্ৰমান দিব পাৰোঁ। তাক এৰিও ভাল মানুহবিলাকে লাজ পাই তাক ভাই বা সখি নো বোলে ; আৰু জিবিলাকে তাৰ নাম মাথোন সুনে, চিনাকি হলে, সিবিলাকৰ মুখ ৰঙ্গা পৰি জাই।

বিস্বাসি। তেনে হলে, কথা কোআ আৰু কৰম কৰা, এই দুই ভিন ভিন বিসয়, ইয়াক মই এতিয়া বুজিচোঁ, এতিয়াৰ পৰা এই কথা মই মনত ভালকৈ ৰাখিম।

খ্ৰিষ্টিয়ান। হই, সেই দুই ভিন ভিন বিসয়। জেনেকৈ সৰিৰ আৰু প্ৰান ভিন ভিন, তেনেকৈ সেই দুই কথাও ভিন ভিন ; আৰু জেনেকৈ প্ৰানহিন সৰিৰ মৰা স মাথোন, কৰমহিন বাক্যও সেই ৰূপ। ধৰমৰ প্ৰধান ভাগ আচৰনেই ; এই হেতুকে পিত্ৰিহিন আক বাঁৰি লোকক সিবিলাকৰ দুখৰ ৰখ্যা কালত দেখিবলৈ জোআ, আৰু সংসাৰৰ পৰা চেকা নলগাকৈ আপোনাকে ৰখা, এই এ পিত্ৰি ইস্বৰৰ আগত সুদ্ধ আৰু নিৰমল ধৰম-কৰম হই, এই কথা কথকিএ নেজানে ; এই কাৰনে সুনা আৰু বোলা এই দুই বিসয়ত জি পাৰগত হই, সিএ উতম খ্ৰিষ্টিয়ান হব পাৰে বুলি সি ভাবে ; এই ৰূপে আপোনাকে ভুলাই। সুনা হলে, সি কেৱল গুটি সিঁচা, সেই গুটিৰ পৰা মনত আৰু আচৰনত জি ফল পোআ হই, তাৰ প্ৰমান অকল বাক্যৰ দ্বাৰাই হব নোআৰে। আমি এই কথা নিচই জানিব লাগে জে, বিচাৰ দিনত বিচাৰ কৰতা জনাই মানুহবিলাকৰ আপোন আপোন কৰমৰ দৰে সোধ বিচাৰ কৰিব। তোমোলাকে বিস্বাস কৰিচিলা নে নাই? এনে কথা নুসুধি, তোমোলাকে

কৰম কৰিচিলা নে, বা কথাকেহে কৈচিলা ? এই বুলিহে সুধিব ; আৰু সেই সেই কৰমৰ দৰেই সিবিলাকক প্ৰতিফল দিব। এই কাৰনে সেস-দিনক, ধান দোআৰ কালে সৈতে পটন্তৰ দিয়া হৈচে ; কিয়নো ধান দোআ কালত লোকবিলাকে কেৱল শইচলৈহে চাই থাকে! তথাপি জি কোনো কৰম বিশ্বাসমূলক নহই, সেই এ গ্ৰাহ্য হব নোআৰে ; কিন্তু বিচাৰ দিনত কথকিৰ সুন্দৰ কথা জে সকলোভাৱে বিফল হব, ইয়াকে বুজাবৰ নিমিত্তেহে তোমাক কৈচোঁ।

বিশ্বাসি। এই কথা ওলোআত, মোচিএ জি চিনৰ দ্বাৰাই সুচি জন্তুৰ বৰমনা কৰিচিল, সেইএ এতিয়া মোৰ মনত পৰিচে ; জি জন্তুৰ খুৰা ফটা আৰু ঘাঁহ পাগুলে, সেই এ সুচি জন্তু, জি জন্তুএ ঘাঁহ পাগুলে কিন্ত তাৰ খুৰা ফটা নহই, নাইবা খুৰা ফটা কিন্তু সি ঘাঁহ নে পাগুলে, এনে জন্তু এই সুচি নহই। এই ৰুপে সহাপহু বৰজিত, কিয়নো সি ঘাঁহ পাগুলিলেও তাৰ খুৰা ফটা নহই। কথকি নিচই এ তাৰ নিচিনা হৈচে ; সি ঘাঁহ পাগুলে, অৰ্থাত গিয়ানে বিচাৰে ; ঘাঁহ ৰুপ জি বাক্য, তাক পাগুলে, কিন্তু তাৰ খুৰা ফটা নহই, অৰ্থাৎ পাপি লোকৰ পথৰপৰা আঁতৰ নহই, সি সহা পহুৰ নিচিনা ; কুকুৰ আৰু ভালুকৰ দৰে হাঁতোৰা থকা ; এই হেতুকে সি অপবিত্ৰ।

খ্ৰিষ্টিয়ান। হই ভাই, তুমি সুভবাত্ৰাৰ দৰে সেই কথাৰ ঠিক অৰথ কৰিচা বুলি মই ভাবিচোঁ। আৰু এটি কথা কঁও, পৌলে এনেকুআ অনৰথক কথকিবোৰৰ বিসয়ে কৈচে, সেইবোৰ সবদ কৰি থকা ভেঁৰি, বা টিংটিঙ্গোৱা তালৰ নিচিনা হই। আৰু আন ঠাইতো একে অৰথেৰে সিহঁতক সবদ কৰা নিস্প্ৰান বস্তু বুলিচে, অৰ্থাত স্বৰুপ বিশ্বাস আৰু সুভবাত্ৰাৰ অনুগ্ৰহবিহিন হোআ বস্তু ; এই হেতুকে জদি সিহঁতে স্বৰ্গদুতবিলাকৰ মুখে কোআৰ দৰে সুন্দৰ বাক্য বা ভাসা কব পাৰে, তথাপি স্বৰ্গৰাজ্যৰ মাজত অনন্ত জীৱনৰ অধিকাৰি হোআবিলাকৰ লগত কোনো ৰুপে ঠাই পাব নোআৰিব।

বিশ্বাসি। মই প্ৰথমে তাৰে সৈতে আলাপ কৰাত, বৰ সন্তোস পোআ নাচিলোঁ ; কিন্তু এতিয়া তাতকৈ অধিক বিৰকতি পাইচোঁ। তাৰ লগ এৰিবলৈ আমি এতিআ কি কৰিম ?

খ্ৰিষ্টিয়ান। তুমি জদি মোৰ আলচ সুনা, আক সেই দৰে কৰা, তেন্তে ইশ্বৰে তাৰ মন আকৰ্সন কৰি নে পালটোআলে সিও তোমাৰ সৈতে কথা বাত্ৰা হবলৈ বিৰকতি পাব, ইআকে তুমি অতি বেগে বুজিব পাৰিবা।



বিশ্বাসি। তেন্তে মই কি কৰিব লাগে ? তুমি বুধি দিআচোন।

খ্ৰিষ্টিয়ান। মই তোমাক এই বুধি দিচোঁ ; তুমি আকৌ তাৰ ওচৰলৈ গই, ধৰমৰ পৰাক্ৰমৰ এটা গধুৰ কথাৰ প্ৰস্তাও উলিওআ ; তাতে সি সেই কথাত সন্মত হব, ইআত সংসই নাই ; সেইৰুপে সন্মত হোআৰ পাচে, তাৰ মনত, আৰু ঘৰত, আৰু কথাবাত্ৰাতো সেই ধৰমৰ গুণ প্ৰকাসিত হৈচে নে নাই হোআ, ইআকে ঠিক কৰি সুধিবা।

এইৰুপে আলচ পাই বিশ্বাসিএ পুনৰ আগ বাঢ়ি গই কথকিক কলে, আঁহা ভাই, এতিআ কেনে আঁচা ?

কথকি। মই ভালে আচোঁ ; মোলৈ তোমাৰ অনুগ্ৰহ জানিচোঁ। মই ভাবিচিলো এতে বেলি একে লগে থকা হলে, আমি বহু কথাবাত্ৰা হব পাৰিলোঁহেঁতেন।

বিশ্বাসি। তোমাৰ জদি ইচা হয়, তেন্তে এতিআও হওকচোন। তুমি আগৈএ মোৰ মুখেৰে প্ৰস্ন কৰাবলৈ ইচা কৰিচিলা ; এই কাৰনে মই এই প্ৰস্ন কৰোঁ, ইশ্বৰৰ মুক্তি দিওঁতা অনুগ্ৰহ মানুহৰ মনত সোমাই কিৰুপে প্ৰকাস পাই ?

কথকি : এই প্ৰস্নৰ দ্বাৰাই মই বুজিচোঁ, আমি ধৰমৰ সক্তি আৰু ফলৰ বিসয়ে কথা কব লগিআ হয়। বাৰু, এইটো উত্তম প্ৰস্ন ; মইও ইআৰ উত্তৰ দিবলৈ ইচা কৰো। এই হেতুকে সংখেপে তাৰ উত্তৰ দিওঁ, সুনা। প্ৰথমেতে ইশ্বৰৰ অনুগ্ৰহ মানুহৰ মনত সোমালে, তাৰ দ্বাৰাই পাপৰ বিৰোধে মানুহৰ বৰ বিবাদ জনমে। আৰু দ্বিতিঅতে কঁও।

বিশ্বাসি। নহই, ৰবা ; আমি এটা এটাকৈ কথাৰ বিবেচনা কৰোঁহঁক। মই ভাবিচোঁ, ইশ্বৰৰ অনুগ্ৰহ মনৰ ভিতৰত সোমালে, আপোনাৰ পাপক ঘিন কৰিবলৈ মনৰ ইচা জনমাই ; তুমি এইৰুপে কোআ হলে ভাল হলহেঁতেন !

কথকি। কিয় ? পাপৰ বিৰোধে বিবাদ কৰা আৰু পাপক ঘিন, এই উভয়ৰ কি প্ৰভেদ আচে ?

বিশ্বাসি ! অস, বৰ বেলেগ আচে ; কিয়নো মানুহে চল কৰি পাপৰ বিৰোধে কথা কব পাৰে ; কিন্তু ইশ্বৰে দিআ ধৰমৰ স্বভাও নেপালে, কেতিআও পাপক ঘিন কৰিব নোআৰে। জিবিলাকে মনত, আৰু ঘৰত, আৰু কথোপকথনতো পাপক ভাল পাই, কিন্তু গিৰ্জা ঘৰত পাপৰ বিৰোধে বৰকৈ কথা কই, এনেকুআ বহুত মানুহ দেখিচোঁ। য়োচেফৰ অধিকাৰৰ

ঘৈনিএকে য়োচেফৰ লগত বেস্যা কৰম কবিবলৈ সম্পূৰ্ন ইচা হইছিল ; তথাপি তাই বৰকৈ এটাহ পাৰি, লোকবিলাকৰ আগত আপোনাকে অতি ধৰমি সতি জেন দেখুআলে। তাত ৰাজে আৰু কঁও, জেনেকৈ কোন তিৰোতাই আপোনাৰ কোলাৰ সন্তানে সৈতে বোল মাত কৰি, বেয়া, দুষ্ট বুলি কই ; কিন্তু আকৌ তেতিআই তাক সাবটি লই, মুখত চুমা দিএ, তেনেকৈ কোনো কোনো লোকেও পাপৰ অহিতে বিৰোধে কথা কই, তথাপি তাক প্ৰিতিভাৱে ৰাখে।

কথকি। মোৰ মনে বুজিচোঁ, তুমি কথাৰ চলহে বিচাৰিচা।

বিশ্বাসি! নহই, মই কেৱল স্বৰূপ কথা থিৰ কৰিবলৈহে ইচা কৰোঁ। বাৰু, সেয়ে জি কি নহওক, মনৰ ভিতৰত জি অনুগ্ৰহৰ কৰম আৰম্ভন হৈচে, তাৰ প্ৰমানৰ কি চিন দেখাব খুজিচা ?

কথকি। সুভবাত্ৰাৰ গোপনিয় কথাত জি গিয়ান, সেই এ অনুগ্ৰহৰ আৰম্ভনৰ দুতিয় চিন।

বিশ্বাসি। এই চিনৰ কথা প্ৰথমতে কোআ উচিত আচিল ; তথাপি আগৈএ কোআ হওক, বা পাচেই কোআ হওক, তেও মিচা ; কিয়নো মনত অনুগ্ৰহৰ লেস মাত্ৰ নেথাকিলেও, কোনো কোনো লোকক সুভবাত্ৰাৰ গোপনিয় কথাত অতি সই গিয়ানৱন্ত দেখা জাই। আৰু সকলোভাৱে গিয়ানি হৈও জদি ইশ্বৰলৈ তাৰ প্ৰেম-ভক্তি হিন হই, তেন্তে সি একো নহই ; কোনো ৰূপেও ইশ্বৰৰ সন্তান হব নোআৰে। দেখা, জেতিআ খ্ৰিষ্টে সিচ্যবিলাকক সুধিচিল, বোলে, তোমোলাকে এই সকলো বুজিচা নে ? তাতে সিস্যবিলাকত সুধিলে, বোলে, তোমালোকে এই সকলোকে বুজিচা নে ? তাতে সিস্যবিলাকে বুলিলে হয় প্ৰভু, বুজিচোঁ ; তেতিয়া তেঁও কলে, জদি সেই দৰে কৰম কৰা, তেন্তে তোমোলাক ধন্য। তেওঁ, কথা বুজি পোআ জনক ধন্য নুবুলি, কৰম কৰা জনক হে ধন্য বুলি কলে। কৰম নোহোআ এক ভাও গিয়ান আচে ; জি বন্দিএ আপোন প্ৰভুৰ আগ্যা জানিও, সেই দৰে কৰম নকৰে, সি সৰহ সাস্তিৰ দ্বাৰাই নিচয়ে নিগ্ৰহৰ জোগ্য হব। মানুহবিলাক স্বৰ্গৰ দুতৰ সমান গিয়ানি হব পাৰে, কিন্তু কেৱল তাৰেই খ্ৰিষ্টিয়ান নহই ; এই হেতুকে তোমাৰ সেই প্ৰমানৰ চিন স্বৰূপ নহল। কৰম নোহোআ গিয়ানত চতুৰালি, আৰু অহঙ্কাৰি বিলাকৰ সন্তোস হঁওতে হয়, কিন্তু ইশ্বৰে তাত সন্তোস ন হই, অকল আচৰনত হে সন্তোস হই ; তথাপি গিয়ানৰ বিনে যে মন সুচি হব পাৰে, এনে নহই, গিয়ানৰ অৱস্যে প্ৰয়োজন



আচে। দুবিধ গিয়ান আচে ; জি গিয়ানে কথা বুজাত মাথোন সন্তোস হই, সি এবিধ ; আৰু জি ফলৱন্ত গিয়ান, অৰ্থাত জি গিয়ানত অনুগ্ৰহৰ বিশ্বাস আৰু প্ৰেম থাকে সিও এবিধ ; সেই গিয়ানেই ঈশ্বৰৰ ইচাৰ দৰে চলিবলৈ মানুহৰ মনত উদগাই। প্ৰথমে কোআ গিয়ানে অকল চতুৰালিবিলাকৰ মন সন্তোষ কৰে, কিন্তু আন গিয়ান নেপালে স্বৰূপ খ্ৰিষ্টিয়ানৰ কেতিয়াও সন্তোস নহই। তাৰ প্ৰাৰ্থনা এইহে, হে ইশ্বৰ, মোক গিয়ান দিয়া, তাতে মই তোমাৰ বিধান মানিম, সকলো মনেৰে সৈতে তাক পালন কৰিম।

কথকি। তুমি আকও কথাৰ চলহে বিচাৰিচা ; কিন্তু এই ৰূপে ইটৰ সিটৰ হিত ন জনমে।

বিশ্বাসি। বাৰু, যদি তোমাৰ ইচা হই, তেন্তে ইশ্বৰৰ অনুগ্ৰহ মানুহৰ মনত কিৰূপে প্ৰকাস পাই, তাৰ আন এটা লখ্যন দেখুউআ।

কথকি। মই নোআৰোঁ ; এই কথাত আমাৰ দুই জনৰে একে মত হব নোআৰে, ইআক মই নিচয়ে জানিচোঁ।

বিশ্বাসি। তুমি জদি দেখুআবলৈ ইচা নকৰা, তেন্তে মোকে দেখুআবলৈ দিবা নে ?

কথকি। তোমাৰ ইচা হলে, দেখুআব পাৰা।

বিশ্বাসি। তেন্তে মই কঁও, সুনা। যাৰ মনৰ ভিতৰত অনুগ্ৰহৰ কাৰ্জ্য আৰম্ভ হল, তাৰ মনত আৰু তাৰ ওপৰত থকা লোকৰ আগতো সেই এ প্ৰকাস পাই। তাৰ মনত জেতিআ প্ৰকাস পাই, তেতিআ সি জে পাপী, আৰু স্বভাৱতে ঘিন লগা, আৰু অবিশ্বাসি দোসত দোসি হোআত, জিসুখ্ৰিষ্টত বিশ্বাস কৰাৰ দ্বাৰাই অনুগ্ৰহ প্ৰাপ্ত নহলে, সি জে নৰকলৈ জাব লাগিব তাকে সি বুজে। এনে গিয়ানৰ উদই হলে, সেই মানুহৰ পাপৰ কাৰণে খেদ আৰু লাজো হই। তাৰ বাহিৰে জিসুখ্ৰিষ্টই জে জগতৰে ত্ৰানকত্ৰা, আৰু তেঁওত আস্ৰই নললে আন কোনো উপাই নাই, সি ইআকো দেখে। গিয়ানৰ উদই হোআৰ পাচে, সেই মানুহৰ খ্ৰিষ্টলৈ ভোক আৰু পিআহ লাগে ; আৰু সেইৰূপে ভোক আৰু পিআহ লগা মানুহলৈ ইশ্বৰৰ প্ৰতিগ্যা আচে। এতেকে ত্ৰানকত্ৰা প্ৰভুলৈ তাৰ বিশ্বাস জিমান বৰ্হা বা টুটা, সেই অনুসাৰে তাৰ আনন্দ আৰু সান্তনা, আৰু ধৰমলৈকো স্নেহ জনমে ; আৰু সেই অনুসাৰে ত্ৰান-কত্ৰাক জানিবলৈ আৰু ইহ জগতত তেঁওৰ সেআ কৰিবলৈকো ইচাও হই। কিন্তু অনুগ্ৰহৰ কাৰ্জ্য অন্তৰত এইৰূপে প্ৰকাস পালেও, সেই মানুহে কেতিআবা হে জানিব পাৰে জে, এই এ নিচয় এ অনুগ্ৰহৰ কাৰ্জ্য। কিয়নো এই জগতত

থাঁকোতে, তাৰ কুস্বভাৱ আৰু কুবুধি হোআৰ নিমিত্তে, সেই কথা নিচয় কৰিবলৈ প্ৰাই এ অসমৰ্থ হই ; এতেকে সেই কাৰ্জ্য জে কেৱল অনুগ্ৰহৰ পৰা হে হই, তাক নিচয় কৰিবৰ নিমিতে তাৰ সদ বিবেচনা হোআৰ প্ৰয়োজন।

জাৰ মনত অনুগ্ৰহৰ কাৰ্জ্য আৰম্ভ হৈচে, তাৰ ওচৰত থকা লোকৰ আগত সেই কাৰ্জ্য এইৰূপে প্ৰকাস পাই ; প্ৰথমতে খ্ৰিষ্টত সেই মানুহৰ জি বিশ্বাস, সেই এ জে পৰিখ্যাসিদ্ধ, তাৰ সাখ্য দিআৰ দ্বাৰাই। দ্বিতিঅতে, সেইৰূপে সাখ্য দিআৰ দৰেই সদ আচৰন, অৰ্থাত পবিত্ৰ আচৰন কৰা, আৰু জগতৰ লোকৰ মাজত পবিত্ৰ কথোপকথন আৰু আচাৰ-বেৱহাৰ কৰা, এই সকলোৰে দ্বাৰাই সেই কাৰ্জ্য প্ৰকাস পাই। ইআৰ বাহিৰে, সি মনেৰে পাপক ঘিন কৰে, আৰু পাপৰ নিমিতে গুপুতে আপোনাকো ঘিন কৰে ; পৰিআলৰ মাজত পাপ দমন কৰিবলৈ, আৰু জগতৰ মাজত ধৰম বৃধি কৰাবলৈ উচিত ৰূপে চেষ্টা কৰে ; কপটিআ আৰু চতুৰালি কথকিৰ দৰে কেৱল কথাৰেই তাক কৰে, এনে নহই, কিন্তু ইস্বৰীঅ বাক্যৰ অধিনতা স্বিকাৰ কৰি, বিশ্বাসেৰে আৰু প্ৰেমেৰে তেঁওৰ আগ্যা পালন কৰাৰ দ্বাৰাই তাক প্ৰকাশ কৰে। এতেকে মানুহৰ মনত অনুগ্ৰহৰ কাৰ্জ্য আৰু তাৰ প্ৰকাস, এই উভই বিসয়ৰ জি সংখেপ বৰ্ণনা মই কৰিলোঁ, তাৰ বিপৰীতে জদি তোমাৰ কোনো কথা আছে, তেন্তে কোআ। আৰু জদি নাই, তেনেহলে মোকে আন এক প্ৰচন কৰিবলৈ অনুমতি দিআ।

কথকি। আপতি কৰিবলৈ এতিয়া মোৰ আৰু একো কাম নাই, তোমাৰ কথা সুনিবলৈহে মোৰ কাম। এই হেতুকে তুমি দ্বিতিঅ প্ৰচন ধৰা।

বিশ্বাসি। তেন্তে মই তোমাক সোঁধো, ধৰম গুনৰ জি ভাগ মনত প্ৰকাশ পায় বুলি বৰ্ণনা কৰিলোঁ, সেই ভাগ তোমাৰ মনত প্ৰকাস পাইচে বুলি তুমি কব পাৰা নে ? তোমাৰ আচৰন আৰু কথোপকথনেই সেই বিসয়ে প্ৰমান দিচে নে ? তোমাৰ ধৰম কাৰ্জ্যত আৰু সত্যতাত নে, নাইবা কেৱল বাক্যত আৰু মুখতহে মাথোন ? ইয়াৰ উতৰ তুমি জদি মোক দিআ, তেন্তে মিনতি কৰিচোঁ, ইস্বৰে জিহকে হই আৰু স্বৰূপ বুলিব, আৰু জি কথাতে তোমাৰ মনেও তোমাক নিৰ্দোসি কৰিব, তাত বাজে আন একো কথা নকবা। কিয়নো জি জনে আপুনি আপোনাক জোগ্য পাত্ৰ দেখুআই, সি পৰিখ্যা সিদ্ধ নহই, কিন্তু প্ৰভুএ জি জনক জোগ্য-পাত্ৰ গিয়ান কৰে, সি হে পৰিখ্যা সিদ্ধ হই। তাৰ বাহিৰে, মই এইৰূপ বা সেইৰূপ মানুহ বুলি জদি কঁও, কিন্তু মোৰ



আচাৰ-বেৱহাৰ আৰু ওচৰ চুবুৰিআবিলাকৰ প্ৰমানৰ দ্বাৰাই সেই কথা মিচা হই, তেন্তে সেই এ বৰ পাপ।

এই কথা সুনি কথকিৰ মুখ লাজতে কলা পৰিবলৈ ধৰিলে ; কিন্তু অলপৰ পাচে থিৰ হই বিশ্বাসিক সমিধান দি কলে, তুমি এতিয়া ধৰমাচৰন, মনৰ দোসাদোস গিয়ান, আৰু ইস্বৰৰ বিসয়ে কথা কবলৈ ধৰিচা ; আৰু জি কথা কোআ, তাত ইস্বৰক সাখি কৰিচা ; এইৰূপ কথা সুনিবলৈ মোৰ মন নাই, আৰু এনেকুআ প্ৰস্নৰ উত্তৰ দিবলৈকো মোৰ ইচা নাই। তুমি মোৰ উপদেসক নোহোআ ; আৰু জদিও তুমি আপোনাকে আপুনি মোৰ উপদেসক বুলি ভাবা, তথাপি মই তোমাক মোৰ বিচাৰকত্ৰা বুলি নেমানোঁ। কিন্তু মিনতি কৰি তোমাক এটা কথা সোঁধো, তুমি কি কাৰণে মোক এনে প্ৰস্ন ধৰিচা ?

বিশ্বাসি। তুমি অতি চতুৰ, আৰু কথাৰ বাহিৰে তোমাৰ আন কিবা সাৰ আচে নে নাই, তাক মই বুজিব নোআৰিলোঁ ; এই কাৰনে মই এনে প্ৰস্ন ধৰিলোঁ। তাৰ বাহিৰে তোমাক স্বৰূপকৈ কঁও, তোমাৰ ধৰম কেৱল মৌখিক, আৰু ধৰমৰ বিসয়ে জিমান জি কৈচা সেই এ তোমাৰ আচৰন বেৱহাৰৰ দ্বাৰাই মিচা বুলি প্ৰমান হই, ইয়াকে মই আন মানুহৰ মুখে সুনিচোঁ। লোকবিলাকে আৰু কই জে, তুমি বোলে খ্ৰিষ্টিয়ান বিলাকৰ মাজত কলঙ্ক স্বৰূপ, আৰু তোমাৰ বেয়া বেৱহাৰৰ দ্বাৰাই ধৰমৰ অধিক নিন্দা হৈচে ; আৰু তোমাৰ কুতচিত আচৰনতে বোলে, অনেক লোক উজুটি খাই পৰিল, আৰু তাৰ দ্বাৰাই আন আনবিলাকৰো সৰ্বনাস ঘটিবৰ সম্ভৱ। কিয়নো মদৰ দোকানলৈ জোআ, লোভ কৰা, বেভিচাৰ কৰা, সপথ খোআ, মিচা কথা কোআ, দুষ্টৰ লগত আলাপ কৰা, এই সকলো কৰম তোমাৰ ধৰমৰ বিৰুদ্ধ নহই। বেস্যাৰ বিসয়ে জি উপকথা লোকে কই, সেই এ তোমাত স্বৰূপ কই খাটিচে ; কিয়নো বেস্যাৰ জেনেকৈ সতি তিৰোতাৰ, তুমি ও তেনেকৈ সকলো ধাৰ্মিক লোকৰ লাজৰ বিসয় হৈচা।

কথকি। মানুহে কোআকুই কৰা কথা জেতিয়া তুমি ইমান বেগাই স্বৰূপ বুলি গ্ৰহন কৰি লোকক দোসি কৰিচা, এনে স্থলত তুমি জে খঙাল, অসন্তোসিয়া, আৰু আলাপ কৰাৰ অজোগ্য, তাক নিচই জনা গল। এতেকে এতিয়া মই বিদাই ললোঁ।

এই ৰূপে কথকি বিদাই হোআৰ পাচত, খ্ৰিষ্টিয়ানে বিশ্বাসিৰ ওচৰলৈ আহি তেঁওক কলে, দেখা, জি ঘটিব, তাক মই কৈচিলোঁ ; তোমাৰ কথা

আৰু তাৰ অভিলাস, এই উভঅৰ কেতিআও মিল হব নোআৰে ; সি তোমাৰ লগ এৰিব পাৰে, তথাপি আপোন কুকৰম এৰিব নোআৰে। কিন্তু মই কোআৰ দৰেই সি গল। বাৰু জাওক ; সি লোকৰ হানি নকৰি, কেৱল নিজৰহে হানি কৰিলে ; এক প্ৰকাৰে আমাৰ লাভ হে হল, সি নোজোআ হলে, আমি এ তাক এৰি জাব লাগিলহেঁতেন ; কিয়নো সি জেনেকুআ মানুহ, তেনেকুআ হইএই থাকিব, ইয়াক মই জানিচোঁ ; আমাৰ লগত থকা হলে, আমাৰ লাজহে হলহেঁতেন। আৰু পৌলেও কৈচে, এনে মানুহৰ পৰা প্ৰিথক হোআ।

বিশ্বাসি। তথাপি তাৰে সৈতে কিচু কথা বাত্ৰা হবলৈ পোআত, মই সন্তুষ্ট হৈচোঁ ; কিয়নো সি পাচেকৈ সেই সকলো কথা ভাবিব পাৰে ; কিন্তু সেইএ জি কি নহওক, মই তাৰ আগত স্বৰূপ কথা প্ৰকাস ৰূপে কলোঁ। পাচে জদি তাৰ সৰ্বনাস ঘটেও, তথাপি মই নিচইএ নিৰ্দোসি হম।

খ্ৰিষ্টিয়ান। হই তুমি তাৰ আগত সেই ৰূপে কথা কই ভাল কৰিলা ; কিয়নো এতিয়াৰ লোকৰ মাজত কোনো জনে সৈতে প্ৰকাসৰূপে কথা বাত্ৰা হোআ এনে এটি লোকও পাবলৈ টান। এই কাৰণে অনেক লোকৰ নাকত ধৰম দুৰ্গন্ধ স্বৰূপ হৈচে ; কিয়নো জিবিলাকৰ ধৰম কেৱল কথাত হে, আৰু জিবিলাকৰ আচাৰ-বেৱহাৰ দুষ্ট আৰু অপবিত্ৰ, এনে অগিয়ান লোকবিলাক ধাৰমিক বিলাকৰ আত্মিয় ৰূপে গ্ৰাহ্য হোআত জগতৰ লোকৰ বিধিনি জনমে, খ্ৰিষ্ট ধৰমৰ নিন্দা হয়, আৰু সৰল চিতৰ লোকবিলাক দুখিত হই। তুমি জেনেকৈ কথকিৰ আগত সত্য কথা কলা, তেনেকৈ সকলোএ জেন আনে সৈতে কথা বাত্ৰা হই, এই মোৰ বাঞ্চা ; কিয়নো তেনে কৰিলে, সিহঁত স্বৰূপকৈ ধৰমত আসক্ত হব, নতুবা ধাৰ্মিক লোকৰ লগ লোআ সিহঁতলৈ অসহনিঅ হই উঠিব। এই কথা কৈ খ্ৰিষ্টিয়ানে এই বচন গালে।

বাগ চতুৰ কথকি আহে,
দেখা, কেনে জস।
নিচান তুলি সৰ্ব-সাহে
লোকক কৰে বস।
কিন্তু বিশ্বাসিএ মনৰ
কথা মাত্ৰ কই,
তাতে সেই কপটি জনৰ
মুখ নিসবদ হই।



পুৰ্ন চন্দ্ৰৰ কলা জেনে,
ক্ৰমে পাইচে খ্যাই,
চতুৰালি ভকত তেনে,
সেসত লাজ ভুনজই।

পাচে খ্ৰিষ্টিয়ান আৰু বিশ্বাসি দুইও কথোপকথন কৰি কৰি জাত্ৰা কৰিলে। সেই ৰূপে কথাবাত্ৰা হৈ নোজোআ হলে সিবিলাকৰ পইখে বাট বৰ দিঘল জেন লাগিলহেঁতেন ; কিয়নো সেই সময়ত সিবিলাক অগাধ অৰন্যৰ মাজেদি গৈচিল।

## ৯ আধ্যা

পাচে সিবিলাক সেই অৰন্যৰ পৰা প্ৰাই ওলালত, বিস্বাসিএ দৈবাত পাচলৈ ঘুৰি চাই, আপোনাৰ ওচৰলৈ এজন লোকক অহা দেখি, তেওঁক চিনি পাইও কলে, ভাই, সৌ জন কোন আহিচে? চোআচোন। তাতে খ্ৰিষ্টিয়ানে ঘুৰি চাই কলে, অ, তেঁওএই মোৰ পৰম বন্ধু উপদেসক। বিস্বাসিএ কলে হই তেঁও মোৰো পৰম বন্ধু, কিয়নো তেঁও এই মোক দুআৰলৈ বাট দেখুআই দিচিল। এই কথা কঁওতেই উপদেসকে আহি সিবিলাকৰ লগ ধৰি সম্ভাসন কৰিলে।

উপদেসক। হে মোৰ প্ৰিয়বিলাক, তোমোলাকৰ মঙ্গল হওক, আৰু তোমোলাকৰ উপকাৰ কৰোঁতাবিলাকৰো মঙ্গল হওক।

খ্ৰিষ্টিয়ান। হে মোৰ প্ৰিয় উপদেসক, তোমাক দেখি মই কেনে আনন্দ পাইচোঁ। তোমাৰ সাখ্যাত পোআতে মোৰ অনন্ত হিতৰ নিমিতে জি, দইয়া আৰু সান্ত নোহোআকৈ তুমি জি স্ৰম কৰিচিলা, সেই সকলো মোৰ সোঁৱৰন হৈচে।

ৰিশ্বাসিএ কলে, মইও তোমাক দেখি হাজাৰ গুনে আনন্দ পাইচোঁ। হে প্ৰিয় উপদেসক, নিৰুপাই জাত্ৰিকৰ নিমিতে, তোমাক লগ পোআই কেনে আননদজনক!

উপদেসক। হে বন্ধুবিলাক, তোমোলাকে সৈতে মোৰ এৰাঁ এৰি হোআৰ পাচে তোমোলাকৰ কি কি ঘটিচিল, কিকি লগ পাইচিলা, আৰু কি ৰুপে নো আচৰন কৰি আহিচাহঁক, তাক মোক কোআ।

তাতে বাটত সিবিলাকৰ জি জি ঘটনা হৈচিল, আৰু অনেক দুখতো জি জি উপায়েৰে আহি, সেই ঠাই পালে হি, সেই সকলো কথা খ্ৰিষ্টিয়ান আৰু বিস্বাসিএ উপদেসকৰ আগত ভাঙ্গি কলে।

তাতে উপদেসকে কলে, বাটত পৰিখ্যাৰে দুখ পোআতো, তোমোলাক জে জইজুক্ত হলা, আৰু অতি দুৰ্বল হৈও আজিলৈকে জে সজ পথতে চলি আচা, ইয়াতে মই বৰ সন্তোস পাইচোঁ। হই মই স্বৰুপ কই কৈচোঁ মোৰ আপোনাৰ নিমিতে আৰু তোমোলাকৰ কাৰনেও মই অতিসই আনন্দ পাইচোঁ; কিয়নো মই সিঁচিলোঁ, তোমোলাকে দালা; আৰু জদি ধৈৰ্জেৰে



সইন কৰি থাকা, তেন্তে জি দিনত ধান দোআ আৰু ধান বোআ, দুইও এঁকে লগে আনন্দ কৰিব, এনে কাল আহিচে; ক্লান্ত নহলে, উচিত সময়ত সস্য দাবলৈ পাবা। তোমোলাকৰ সম্মুখে অবিনাসি কিৰিটি আচে; এই হেতুকে এনেকৈ লৰ মাৰিবা, জিহতে তাক পাব পাৰা। কোনো কোনোএ সেই কিৰিটি পাবলৈ বহু দুৰলৈকে জাত্ৰা কৰি গলেও, তাৰ পাচে আন কোনোএ আহি সিহঁতৰ পৰা তাক কাঢ়ি লই। কিন্তু তোমোলাকৰ কিৰিটি জেন কোনেও নলই, এই নিমিতে তোমোলাকৰ জি আচে, তাক দ্ৰিহৰুপে ধৰি ৰাখা। তোমোলাক এতিয়ালৈকে চইতানৰ অগ্নিবানো পোআ ঠাইৰ পৰা আঁতৰ হোআ নাই; আৰু পাপৰ বিৰুদ্ধে জুঁজ কৰিবলৈ, এতিয়াও তেজ বোআলৈকে প্ৰতিৰোধ কৰা নাই। তোমোলাকে জি ৰাজ্যলৈ মুখ কৰি গৈচা, সেই ৰাজ্য সদাই তোমোলাকৰ চকুৰ আগত থাকোক আৰু তোমোলাকৰ বিস্বাস অদ্ৰিচ্য বিষয়ত দ্ৰিহ হওক; ইহলোকৰ কোনো বিসয়কে তোমালোকৰ মন আৰু তাৰ অভিলাসলৈ বিসেস ৰুপে সাৱধান হবা; কিয়নো সেইএ সকলোতকৈ কপটিয়া আৰু অতিসই দুষ্ট। এতেকে তোমোলাকে থিৰ দ্ৰিষ্টিৰে গমন কৰা; ভই নকৰিবা, কিয়নো স্বৰ্গৰ আৰু প্ৰিথিৱিৰ সকলো সক্তি তোমোলাকৰ সহাই আচে।

তেতিআ খ্ৰিষ্টিয়ানে এই হিত কথা সুনি তেঁওৰ সলাগ ললে, আৰু অৱসিষ্ট পথ জঁাওতে সিবিলাকৰ উপকাৰৰ কাৰনে তেঁও জেন আৰু কথা কব, ইআকো তেঁওত বাঞ্চা কৰিলে; কিয়নো তেঁও ভাববাদি হোআত সিবিলাকলৈ কি কি আপদ ঘটিব, আৰু তাৰ পৰা কিৰুপে ৰখ্যা পাব, সেই সকলোকে সিবিলাকক কব পাৰে, ইআক নিচয়কৈ জানিলে। তাতে খ্ৰিষ্টিয়ানৰ এই প্ৰাৰ্থনাত বিস্বাসিও সন্মত হলত. উপদেসকে এইৰুপে কবলৈ ধৰিলে।

উপদেশক। বোপাহঁত, তোমোলাকে বহুত দুখেৰে স্বৰ্গ ৰাজ্যত সোমাব লাগিব। আৰু নগৰে নগৰে বন্ধন আৰু দুখ পোআহে হবা, ইয়াক তোমোলাকে সুভবাত্ৰাৰ সত্য বাক্যৰ দ্বাৰাই জানি আচা; এই হেতুকে দুখ ভোগ নকৰাকৈ অনেক দুৰ জাবলৈ আসাও নকৰিবা। কিয়নো তোমোলাক জি বাটেদি আহিচা, তাতে মোৰ বাক্য জে সত্য, ইয়াৰ কিচু প্ৰমান পাইচা, আৰু অলপৰ পাচে অধিক কৈও পাবা। কিয়নো এতিয়া তোমোলাক অৰন্যৰ পৰা প্ৰাই বাহিৰ ওলালা, ইয়াৰ পৰা অলপ আগ বাঢ়ি গলে, এখন চহৰ পাবা; সেই ঠাই পালেই তোমোলাক সত্ৰুবোৰৰ দ্বাৰাই বেষ্টিত হবা;

সিইঁতে তোমোলাকৰ প্ৰান নষ্ট কৰিবলৈ বিচাৰিব। আৰু নিচই জানিবা তোমালাকে জি মত অৱলম্বন কৰিচা, সেই মতৰ সত্যতাৰ বিসয়ে তোমোলাকৰ মাজত এজনে আপোনাৰ ৰক্তপাতৰ দ্বাৰাই সাখ্য দিব লাগিব। কিন্তু তোমোলাকক জিঅনৰ কিৰিটি দিব। সেই ঠাইত জি জন মৰে সেই জনৰ ম্ৰিত্যু অমৰ্জ্যাদা, আৰু কিজানি অতিসই জাতনাজুক্ত হলেও, সহজাত্ৰিকতকৈ সেই জনক অধিক ভাগ্যবান বুলিব লাগে ; কিয়নো সেইজন জে আগৈ এ স্বৰ্গিয় ৰাজধানিত সোমাব্ৰ, অকল সেই এ নহই, অৱসিষ্ট পথত দ্বিতিয় জনে জি সকলো দুখ জাতনা পাব, তাৰ পৰাও সেই জন মুক্ত হব। এই হেতুকে তোমোলাকে সেই নগৰ পাই, মই ইয়াত কোআ এই সকলো কথা জেতিয়া সিধ হোআ দেখিবা, তেত্তিআ তোমোলাকৰ বন্ধুক সুঁঅৰি আপোন বিলাকক পুৰুসালি জেন দেখুআবা, আৰু সত কৰম কৰি বিস্বাসি ত্ৰিষ্টিকত্ৰাৰ হাতত আপোন আপোন প্ৰান জেন সমৰ্পন কৰিবা, এই মোৰ বাঞ্চা।

পাচে মই সমাজিকত দেখিলোঁ, খ্ৰিষ্টিয়ান আৰু বিস্বাসিএ সেই অৰন্যৰ পৰা বাহিৰ হলত, সম্মুখে এখন নগৰ দেখা পালে ; সেই নগৰৰ নাম অসাৰ। আৰু নভগাকে গোটেই বচৰ থকা অসাৰ-হাট নামেৰে এখন হাট তাত আচে। আৰু সেই জি নগৰত এই হাট আচে, সেইএ অসাৰতকৈও অসাৰ ; আৰু তাত জি জি কিনা-বেচা হয়, সিও অসাৰ মাথোন, অৰ্থাত তাত গিয়ানবানে কোআৰ দৰে, জি জি ওলাই, সেই সকলো অসাৰ ; এই হেতুকেই তাৰ নাম অসাৰ-হাট থোআ হল।

এই হাট জে নতুনকৈ স্থাপন কৰা, এনে নহই ; বহু কালৰে পৰা হই আচে। তাক স্থাপন কৰাৰ কাৰন এই,—প্ৰাই পাঁচ হাজাৰমান বচৰৰ আগৈএ অনেক জাত্ৰিক লোক এই দুজন সাধু লোকৰ দৰে স্বৰ্গিয় নগৰলৈ জাত্ৰা কৰি গৈচিল। সিইঁতে জাত্ৰা কৰাৰ কাৰণে বেলচবুব, আপলিওন আৰু বাহিনিএ আপোনাৰ লগৰিয়াবিলাকে সৈতে, জাত্ৰিক লোকৰ স্বৰ্গিয় নগৰলৈ জোআ বাট এই নগৰৰ মাজেদি হোআ জানি, জি হাটত সকলো বিধ অসাৰ বস্তু গোটেই বচৰলৈ বেচা হয়, এনে এখন হাট সেই নগৰত পাতিবলৈ উপাই কৰিলে ; এতেকে ঘৰ, মাটি, বেঅসাই, ঠাই, বিসয়, আদৰ, মান্য-পদ, দেস, ৰাজ্য সুখ, অভিলাস, আৰু বেইচা-গমন আদি নানা সুখভোগ, ভাৰ্জা, স্বামি, সন্তান, প্ৰভু, দাস, জিঅন, তেজ, শৰিৰ, জিৱাত্মা, সোন, ৰুপ, মুকুতা বহু মুল্য ৰতন আদি সকলোকে তাত পোআ জাই।



তাত বাজে, টুটকিয়া, ঠগ, খেল বাজি, জুআচুৰি, বান্দৰ বিটলিআ, চলবাদি, আৰু সকলোবিধৰ টটাটিঙালিও এই হাটত দেখা পোআ জাই।

আৰু চুৰ, নৰ-বধ, বেভিচাৰ, মিচা সপথ খোআ, এই বিলাক কুচিত বিসয়কো বিনা মুলে তাত সদাই দেখিবলৈ পোআ জাই।

আৰু আন আন সৰু সৰু হাট বজাৰবোৰত জি ৰুপে আপোন আপোন নামে প্ৰখ্যাত হোআ প্ৰিথক প্ৰিথক আলি আৰু গোলা সাৰি সাৰিকৈ থাকে, আৰু নানা বিধ বস্তু বেচে, সেইৰূপে এই হাটতো আপোন আপোন ঠাই, গোলাৰ সাৰি, অৰ্থাত দেস আৰু ৰাজ্য পাতি থোআ হৈচে। তাতে কোনো সাৰিত ব্ৰিটিচৰ গোলা, কোনো সাৰিত ফ্ৰান্সৰ গোলা, কোনো সাৰিত ইটালিৰ গোলা, কোনো সাৰিত ইচপানিঅ গোলা আৰু কোনো সাৰিত জৰমানিৰ গোলা পাতি, তাত নানা বিধৰ অসাৰ বস্তু বেচিবলৈ থোআ হৈচে। আৰু অন্য অন্য হাটত জেনেকই কোনো প্ৰধান বানিজ্যৰ বস্তু থাকে, তেনেকৈ এই হাটতো ৰোমিআ বানিজ্য বেচিকৈ চলিত হৈচে। কিন্তু ইংলণ্ড দেসৰ লোকে আৰু আন কোনো কোনো দেসৰ লোকে সেইবোৰক বৰ এটা আদৰ নকৰে।

স্বৰ্গিয় নগৰলৈ জোআ বাট এই বৰ ডাঙৰ হাটৰ মাজেদি গৈচে ; জিবিলাকে এই নগৰেদি স্বৰ্গিয় নগৰলৈ জাবৰ ইচা নকৰে, সিবিলাক জগতৰ বাহিৰ হই জাব লগ হই। জি জনা ৰজাৰো ৰজা তেঁও জেতিয়া এই জগতত আচিল, তেতিয়া আপোন দেসলৈ জাঁওতে, এই নগৰৰ মাজেদি হে গৈচিল ; আৰু সেই দিনাই হাটৰ দিনো হৈচিল ; হই, মোৰ আৰু মনত পৰিচে, জিটোএ তেঁওক আপোনাৰ অসাৰ বস্তু কিনিবলৈ উচটালে, সি এই হাটৰ প্ৰধান গৰাকি বেলচবুব ; তেঁও সেই নগৰৰ মাজেদি জাঁওতে, তাক সেআ কৰা হলে, সি তেওঁক হাটৰ অধিকাৰি পাতিলেহেঁতেন। সেই ধন্য জনা এনে মৰ্জ্যাদাবান দেখি, বেলচবুবে আপোনাৰ অসাৰ বস্তুৰ অলপ অলপ তেঁওত জেন বেচিব পাৰিব, এই আসইএৰে তেঁওক হাটৰ সকলো পতিলৈ নি নি অলপ কালতে জগতৰ সকলো ৰাজ্যৰ ঐস্বৰ্জ্য তেঁওক দেখুআলে। তথাপি কিনা বেচা কৰিবলৈ তেঁওৰ এফেৰিও মন নোহোআত, সেই অসাৰ বস্তুত এক পাইও ব্যই নকৰি নগৰৰ পৰা গুচি গল। ইয়াতে জনা জাই জে, এই হাট অনেক দিনৰ পৰা হোআ, পুৰাতনিয়া, আৰু সকলোএ জনা প্ৰসিধ।

সেই এ জি কিঁ নহওক, স্বৰ্গিয় ৰাজধানিলৈ জাবৰ হলে, এই নগৰৰ মাজেদি নগলে নহই ; এই কাৰণে সেই জাত্ৰিক লোকে এই হাটৰ মাজেদি

জাব লগা হল। তাতে সিবিলাকো সেই পোনেই জাত্রা কৰিলে; কিন্তু দেখা, হাটত সোমাওঁতেই, সিবিলাকৰ কাৰণে হাটত থক. মানুহবিলাকৰ মাজত একে বেলএই হোৰামোবা হল, আৰু গোটেইখন চহৰতে কোৰ্হাল লাগিল। তাৰ কাৰন এই—

প্ৰথম, জাত্ৰিবিলাকে জি কাপৰ পিন্ধিছিল, সেইএ হাটত কিনা বেচা কৰা সকলোবিলাক কাপৰতকৈ বেলেগ; এই কাৰনে হাটৰ লোকবিলাকে সিবিলাকক দেখি আচৰিত মানিব ধৰিলে। তাতে কোনো কোনোএ সিবিলাকক অগিয়ান বুলি কলে; কোনোএ কলে, এইহঁত বলিয়া; আন বোৰে কলে, এইহঁত অসভ্য।

দ্বিতিয়, সিবিলাকৰ কাপৰত জেনেকৈ আচৰিত মানিলে, তেনেকৈ সিবিলাকৰ কথা সুনিও প্ৰাই কোনেও তাক বুজিব নোআৰাত, সিবিলাকে বৰ আচৰিত মানিলে, কাৰণ, সিবিলাক কনানিআ মানুহ হোআত, সিবিলাকে কনানিআ ভাসাৰে কথা কৈছিল; কিন্তু হাটৰ লোকবিলাক এই জগতৰ লোক; এই নিমিত্তে হাটৰ ইমুৰৰ পৰা সিমুৰলৈকে সকলোএ সিবিলাকক অসভ্য গিয়ান কৰিলে।

ত্ৰিতিয়, বিসেসকৈ মহাজনবোৰে আচৰিত মনাৰ কাৰন এই, জাত্ৰিক লোকে সিবিলাকৰ বেপাৰৰ বস্তুক মূল্যবান বুলি গন্য নকৰে, আৰু তাক চাবৰো ইচা নকৰে। আৰু জদি কোনোএ সিবিলাকক কিবা কিনিবলৈ মাতে, তেতিয়া সিবিলাকে আপোন আপোন কানত আঙ্গুলিৰে সোপা দি কই, অসাৰ বস্তুৰ পৰা মোৰ চকু ঘুৰুআ। ইআকে কই ওপৰলৈ চকু তুলি চাই, সিবিলাকৰ বেপাৰ বানিজ্য স্বৰ্গত থকা জেন দেখুআই।

জাত্ৰিক লোকৰ এনে বেঅহাৰ দেখি, কোনো এজনে নিন্দা ভাৱে সিবিলাকক সুধিলে, বোলে, তোমোলাকে কি কিনিব খোজা? তাতে সিবিলাকে তালৈ গমভিৰ দ্ৰিষ্টিৰে চাই কলে, আমি সত্যকেহে কিনো। এই কথা সুনিলতে, হাটৰ মানুহবোৰে সিবিলাকক আগতকই বিগতি কৰিবলৈ চল পাই, কেতবোৰে সিবিলাকক নিন্দা কৰিলে, কোনোটোএ বিগতি কৰিলে, কোনো কোনোএ ডাবি দিলে, আৰু আনবোৰে সিবিলাকৰ গালত চবাবলৈ কলে। এই ৰূপে ক্ৰমেৰে বৰ গোলমাল হোআত, সেসত গোটেইখন হাটৰ মাজত বৰ হোৰামোৰা লাগিল। তাতে হাটৰ গৰাকিএ ইয়াৰ বাত্ৰা পাই বেগাই তালৈ গই, জি মানুহবোৰৰ কাৰনে হাট প্ৰাই ভগাৰ নিচিনা হল, সিবিলাকৰ আচল বিচাৰ কৰিবৰ নিমিত্তে আপোনাৰ কোনো বিস্বাসি



লোকক মাতিবলৈ পঠালে। তাতে সিবিলাকক আচল বিচাৰ কৰিবলৈ অনা হলত, বিচাৰকবিলাকে সিবিলাকক সুধিলে, তোমোলাক কৰ পৰা আহিচা? আৰু কলৈ নো জোআ? আৰু এনে আচৰিত বেসেৰে ইয়াত নো কি কৰিচিলা? তাতে সিবিলাকে উত্তৰ দিলে, আমি সংসাৰত প্ৰবাসি আৰু জাত্ৰিক হৈ আমাৰ স্বৰ্গিয় জিৰুচালেম দেসলৈ আহিচোঁ; আৰু তোমোলাকে কি কিনিবা বুলি আমাক কোনো কোনোএ সোধাত, আমি সত্যকেহে কিনো, ইয়াকে কোআৰ বাহিৰে, চহৰৰ লোকে জে গালি পাৰি আমাৰ জাত্ৰা নিবাৰন কৰে, আমি এনে কোনো দোস কৰা নাই। কিন্তু সোধাৰু বিলাকে সিবিলাকৰ এই কথাত বিশ্বাস নকৰি উন্নত, বলিয়া, আৰু হাটত হোআদোআ লগাবলৈ অহা লোক বুলি দোসি কৰিলে। এতেকে হাটৰ সকলো মানুহক ৰঙ্গ দেখুআবৰ নিমিত্তে সিবিলাকক কোবাই, গাত বোকা পেলাই নি পিঞ্জৰাত ভৰালে। সিবিলাক সেই ৰূপ অৱস্থাত থাকোঁতে, হাটৰ কোনো কোনো লোকে সিবিলাকক নিন্দা, কোনো কোনোএ অপমান, আৰু কেতবোৰে নানাৰূপে বিগতি কৰিলে; আৰু হাটৰ গৰাকিএও সিবিলাকৰ এনে দুৰ্দসা দেখি হাঁহি আচিল। তথাপি জাত্ৰিক-বিলাকে ধৈৰ্জ্য ধৰি হিংসাৰ প্ৰতিৰোধে হিংসা, আৰু নিন্দাৰ প্ৰতিৰোধে নিন্দা নকৰি, কুকথাৰ সলনি সুকথা আৰু হিংসাৰ সলনি সদাই মৰম দেখুআই কেঅল আৰ্সিবাদ হে কৰা দেখি, জিবিলাক আনতকৈ বিবেচক, আৰু প্ৰমান নোলোআকৈ দোস নধৰে, এনেবিলাকে, জাত্ৰিক লোকক অপবাদ দিয়াৰ কাৰনে সেই দুৰ্জনবোৰক দাই দি ডবিআলে। তাতে দুৰ্জনবোৰে সিবিলাককো খঙ্গ কৰি গালি প্ৰাৰি কলে, তহঁতে পিঞ্জৰাত থকা লোকৰ নিচিনা দুষ্ট; বোধকৰোঁ, তহঁত সিহঁতৰ সঙ্গি; এতেকে তহঁতেও সিহঁতৰ সাস্তিৰ ভাগি হবি। পাচে সিবিলাকে কলে, আমি দেখিচোঁ জাত্ৰিক দুজন নিৰ্বিৰোধি, নিৰ্জু, আৰু কাকো হিংসা নকৰে; এতেকে সিবিলাকতকৈ বৰঙ্গ এই হাটৰ বেপাৰি লোকহে অনেকক পিঞ্জৰাত আৰু কুন্দাতো ৰখা উচিত। এইৰূপে দ্বন্দবাদ লাগি, ইটে সিটে কিলাকিলি কৰি আপুনি এই আপোনাৰ হিংসা কৰিলে। কিন্তু জাত্ৰিক দুজনে সকলোৰে সাখ্যাতে অতি ধৈৰ্জ্যৰে সদবেঅহাৰ কৰি আচিল। পাচে সেই জাত্ৰিক দুজনক আকৌ সোধাৰু-বিলাকৰ আগলৈ নিয়া হলত, হাটত হোৰামোৰা লগোআ কাৰনে সিবিলাকৰ গাত দাই দি, সিহঁতে নিৰ্দয়াৰূপে সিবিলাকক প্ৰহাৰ কৰি সিকলিৰে বান্ধিলে। আৰু আন কোনো লোকে জেন সহাই স্বৰূপে সিবিলাকৰ সপখ্য

হই কথা নকব, এই নিমিত্তে ভই দেখুআবৰ আসএৰে সিবিলাকক হাটৰ ইমূৰৰ- পৰা সিমূৰলৈকে লই ফুৰালে। কিন্তু খ্ৰিষ্টিয়ান আৰু বিস্বাসিএ আগতকৈও অধিক ধৈৰ্য্য ধৰি লোকবিলাকৰ গালি আৰু নিন্দা এনে নম্ৰ-ভাৱে সহন কৰিলে জে, সিবিলাকৰ তেনে নম্ৰ স্বভাৱ দেখি, হাটৰ কোনো কোনো লোক সিবিলাকৰ ফলিয়া হই গল। তাতে বিপখ্যবিলাকে খঙ্গেৰে পুৰ হৈ জাত্ৰিকবিলাকক বধ কৰিবলৈ থিৰ কৰি কলে, তইঁত কেৱল পিঞ্জৰা আৰু বেৰিৰ জোগ্য নহঅ, তইঁতে দুৰাচাৰি হৈ হাটৰ লোকক ভুলুআৰ কাৰণে তইঁত প্ৰান দণ্ডৰো জোগ্য, তইঁতৰ প্ৰান দণ্ডহে কৰিব লাগে।

পাচে সোধাৰুবিলাকে জেতিয়ালৈকে আন কোনো আগ্যা প্ৰকাস নকৰে, তেতিয়ালৈকে ৰখিয়াবিলাকে জাত্ৰিক দুজনক পুনৰাই পিঞ্জৰাত বন্ধ কৰি ৰাখিবৰ আগ্যা পাই, সিবিলাকক ভৰিত কুন্দা দি, পিঞ্জৰাত বন্ধ কৰি থলে।

এই ৰূপ দুৰ্দসাৰ সমইত, সিবিলাকৰ পৰম বন্ধু উপদেসকে কোআ কথা আৰু জি জি ঘটিব বুলি কৈচিল, সিইঁতে তাকে সুঁৱৰি, সিবিলাকৰ দুৰ্গতি আৰু জাতনাৰ মাজতো মন থিৰ কৰিলে। তাতে সিবিলাকৰ মাজত জি জনৰ দণ্ড হই, সেই জনেই আন জনতকই ভাগ্যআন হব, এই বুলি সিবিলাকে কোআমেলা কৰি মনত সান্তনা পালে। আৰু দুইজনে সেই দণ্ডৰ ভাগি হবলৈ আপোন আপোন মনত বাঞ্চা কৰিলে। তথাপি আন আগ্যা নেপাই-মানে, সিবিলাকে সহিষ্ণুতাৰে সকলোৰে সাসনকত্ৰা আৰু সৰ্বগ্য জনাৰ ইচাত আপোনবিলাকক সমৰ্পন কৰি, সন্তুষ্ট মনেৰে সেই অৱস্থাতে কাল নিয়াবলৈ ধৰিলে।

কিচুমান দিনৰ পাচে বিচাৰৰ নিৰুপিত সমই উপস্থিত হলত, নগৰৰ অধ্যখ্যবিলাকে বিচাৰ আৰু দণ্ডাগ্যা কৰিবৰ নিমিতে সিবিলাকক পিঞ্জৰাৰ পৰা বাহিৰ কৰি সত্ৰুবোৰৰ আগত থিয় কৰালে। বিচাৰ কত্ৰাৰ নাম স্ৰীজুত পুন্যদ্ৰিনাকাৰি। জাত্ৰিক লোকৰ দুয়োৰো অপবাদ কিচু কিচু লৰ হলেও তাৰ মূল প্ৰাই একে। সেই অপবাদৰ কথা এই—ইইঁত বেপাৰৰ সত্ৰু আৰু তাৰ বিঘিনি কৰোঁতা ; ইইঁতে নগৰৰ মাজত হোৱামোৱা লগাই বিৰোধ জনমালে ; আৰু এই নগৰৰ অধিপতিক আৰু তেঁওৰ আগ্যাকো আওহেলা কৰি আপোনাৰ কুমত লই প্ৰব্ৰিতি জনমাই এক লোকসমূহক ভুলাই নিলে।

তেতিয়া বিস্বাসিএ এই ৰূপে উতৰ দিবলৈ ধৰিলে,—অধিপতিতকৈও জি



জন প্ৰধান অধিপতি, তেঁওৰ অহিতে জি জি আচে, কেৱল সেইবোৰ অহিতৰ বাহিৰে মই আন কাৰো একো অহিত কৰা নাই। আৰু মই হোৱামোৱা কৰো চাৰি, মই আপুনিএই নিৰ্জুৰ মানুহ। আৰু জি লোকসমূহ আমাৰ ফলিয়া হৈচে, সিবিলাকে সত্যতা আৰু নিৰ্দোসিতা দেখিহে আমাৰ ফাললৈ আকৰ্সিত হল। সেই এ জি কি নহওক, তাক কৰাতে, সিবিলাক বেয়াৰ পৰা উত্তমলৈহে আহিচে। আৰু তুমি জি ৰজাৰ কথা কৈচা, সি হলে আমাৰ প্ৰভুৰ সত্ৰু বেলচৰ্বুব ; এতেকে মই তালৈ আৰু তাৰ দুতবোৰলৈকো একো ভই নকৰোঁ।

তেতিয়া এই আগ্যা প্ৰকাস কৰা হল জে, সোধৰ আসনৰ আগত থকা এই বন্দিআৰৰ অহিতে, আপোন ৰজাৰ ফলিয়া লোকৰ মাজৰ জদি কাৰোবাৰ কিবা কবলৈ আচে, তেন্তে সেই জনে ওলাই উতৰ দিওক। এই কথা সুনি অসুয়া, অমূলক ধৰম, অনধিকাৰ চৰ্চা নামেৰে, এই তিনটা সাখি ওলালত, বিচাৰকত্ৰাই সুধিলে, তইঁতে এই বন্দিআৰক চিনি পাঅ নে ? আৰু ইয়াৰ বিৰুধে আপোন ৰজাৰ পখ্যে তইঁতৰ কি কবলৈ আচে ?

তাতে অসুয়াই আগত থিয় হই এইৰূপে কলে ; দেউতা, মই এই মানুহক অনেক কালৰে পৰা চিনি পাঁও ; আৰু এই মান্যৱন্ত সোধাৰুবিলাকৰ আগত মই সপথ খাই কব পাঁৰো।

তাতে তাক সপথ খুউআ হলত, সি কবলৈ ধৰিলে, বোলে, দেউতা, এই মানুহৰ নাম সুনিবলৈ উতম হলেও, সি আমাৰ দেসত থকা সকলোতকৈ অধম ; সি ৰজা বা প্ৰজা, ৰিতি বা বেঅহাৰে একোকে নেমানে। কিন্তু আপোনাৰ অনিয়ম কথা, অৰ্থাত জিহক সি পবিত্ৰ আৰু বিস্বাসৰ মূল বোলে, তাকে সকলো মানুবিলাকক লোআবলৈ সি সকলো ভাৱে জতন কৰে। বিসেসকৈ মই নিজে তাক এবেলি এই কথা কোআতে কেৱল আমি কৰিবলৈ বাধা নথকা কৰমবোৰহে দুসিচে, এনে নহই, কিন্তু এইৰূপে কৰাতে, আমাকো দোসি কৰিচে।

তেতিয়া বিচাৰকত্ৰাই তাক কলে, তোৰ আৰু কিবা কবলৈ আচে নে ?

অসুয়া। হই দেউতা, মই তাৰ বিসয়ে অনেক কথা কব পাৰোঁ, কিন্তু মই সভাসদ সকলক বেজাৰ দিবলৈ ইচা নকৰোঁ। তথাপি আন সাখিএ সাখ্য দিআৰ পাচত জদি তাৰ প্ৰানদণ্ড কৰিবলৈ আৰু কোনো সাখ্যৰ প্ৰয়োজন থাকে, তেন্তে মই বিস্তাৰিতৰূপে আৰু সাখ্য দিম। তাতে বিচাৰকত্ৰাই তাক এফলিয়া হৈ থাকিবলৈ দিলে।

পাচে অমূলক ধৰমক মাতি, তাক বন্দিআৰলৈ চাব দি তাক সুধিলে; বোলে, তই ইয়াৰ বিৰুধে আপোন ৰজাৰ পখ্যে কি কব পাৰ? তেতিয়া তাক সপথ খুআলে। পাচে সি সাখ্য দি এইৰূপে কবলৈ ধৰিলে।

অমূলক ধৰম। দেউতা, এই মানুহে সৈতে মোৰ বৰ চিনা পৰিচই নাই, আৰু তাৰ লগত চিনাকি হবলৈকো মই ইচা নকৰোঁ; তথাপি দিন চাৰেকৰ আগৈএ এই চহৰত তাৰে সৈতে মই জি অলপ কথোপকথন কৰিচিলোঁ, তাৰেই সি জে কাজিয়া আৰু গোলমাল কৰা লোক হই, তাক মই ভালকৈ বুজিচোঁ। কিয়নো মই তেতিয়া তাৰ লগত কথাবাত্রা হওঁতে, আমাৰ ধৰম মিচা, আৰু তাৰ দ্বাৰাই কোনো মতে মানুহে ইস্বৰক সন্তুষ্ট কৰিব নোআৰে, এই বুলি সি কোআ সুনিচিলোঁ। এতেকে, দেউতা, এই কথাৰ পৰা জি প্রমান ওলাইচে, তাক আপুনি ভালকৈ বুজিচে; অৰ্থাত আমি এতিয়ালৈকে বোলে অনৰ্থক ৰূপেহে সেআ কৰিচোঁ, আৰু আমি পাপৰ ভাৰতেহে ৰই আচোঁ, আৰু সেসতে হুনু বিনষ্টও হম। মোৰ জি কবলৈ আচিল, সেইএ এই।

তেতিয়া অনধিকাৰ চৰ্চাক সপথ খুআই, বন্দিআৰৰ বিৰুধে আপোন ৰজাৰ পখ্যে সি জি জি কথা জানে, তাকে কবলৈ আগ্যা কৰিলে।

অনধিকাৰ চৰ্চা। হে ধৰম অৱতাৰ, হে সভাসদ সকল, এই মানুহক মই বহু কালৰে পৰা চিনি পাঁও, আৰু জি কথা কব নেপাই, সি এনে কথা কোআ সুনিলোঁ; কিয়নো সি আমাৰ ৰজা মহামহিম বেলচবুবৰ বিৰুধে অপবাদ দি নিন্দা কৰিলে; আৰু তেঁওৰ মান্যৱন্ত গিয়াতি বিলাক, অৰ্থাত স্রি জুত পুৰাতন স্বভাৱ, স্রি জুত সাৰিৰিক অভিলাস, স্রি জুত অপৰিমিত ভোগ, স্রি জুত অহঙ্কাৰ, স্রি জুত ব্রিদ্ধ লম্পট, আৰু স্রি জুত গ্রাসক আদি কৰি আমাৰ মহন্ত লোকসকলৰ বিৰুধে কথা কলে। তাত বাজে সি আৰু কলে, বোলে, মোৰ মনৰ দৰে সকলো লোকৰ মন জদি একে হই, তেন্তে সাধ্য হোআ হলে, এই মৰ্জ্যাদাঅন্ত লোকবিলাকৰ এজনেও আমাৰ চহৰত থাকিবলৈ আৰু ঠাই নেপালেহেঁতেন। ইয়াৰ বাহিৰে তাক সোধাৰু জি আপুনি, আপোনাৰ বিৰুধেও সি নিন্দা কৰিবলৈ একো ভই নকৰি, দুৰ্জন, অধাৰ্মিক আদি কৰি জি জি নিন্দা বচন আমাৰ চহৰৰ প্রাই সকলো মান্যঅন্ত লোকক কলে, এনে বচনেৰে আপোনাকো অপমান কৰিলে।

এই ৰূপে জেতিয়া অনধিকাৰ-চৰ্চাই তাৰ কথা কই এটালে, তেতিয়া বিচাৰকত্রাই সেই সোধৰ আসনৰ আগত থকা বন্দিআৰলৈ চাই কলে,



হেৰৌ বিস্বাস ঘাতক, পাসণ্ড, আৰু ৰাজদ্রোহি, তোৰ বিৰুধে এই উত্তম সাখিবিলাকে জি জি কলে, তাক তই সুনিলি নে?

বিস্বাসি। মই মোৰ নিজৰ পখ্যে কিচু কথা কব পাৰিম নে?

বিচাৰকত্রা। তই কথা কঅ! কথা কঅ চাবি তোক আৰু জিয়াই নেৰাখি, এই ঠাইতে এক মুহূৰ্তৰ ভিতৰতে তোৰ প্রানদণ্ড কৰিবলৈহে উচিত; তথাপি তোলৈ আমাৰ কেনে সহন, ইয়াক জেন সকলোএ দেখিব, এই নিমিত্তে তই অতি দুষ্ট পাসণ্ড হলেও, তোৰ জি জি কবলৈ আচে তাক সুনোহঁক।

বিস্বাসি। তেন্তে, প্রথমতে স্রি অসুয়াই জি কলে, তাৰ উতৰ দি ইয়াকে কঁও, জি জি সাসন, বা ৰিতি, বা বেৱহাৰ বা লোক ইস্বৰৰ বাক্যৰ বিপৰিত হই, সেই এ নিচই এ খ্রিষ্ট-ধৰমৰ বিৰুধে, ইয়াক কোআৰ বাহিৰে মই আন কোনো কথা কোআ নাই তথাপি এই কথাত জদি মোৰ ভুল হৈচে, তেন্তে তাৰ প্রমান দিলে মই তোমোলাকৰ আগত মোৰ সেই ভুল স্বিকাৰ কৰিবলৈ এতিয়াই জুগুত আচোঁ।

দ্বিতিয় সাখিএ হলে, অৰ্থাত স্রি অমূলক ধৰমই মোৰ অহিতে জি কথা কলে, তাৰ কথাত, মই কেৱল ইয়াকেহে কৈচিলোঁ জে ইস্বৰৰ সেৱাত ইস্বৰে জনমোআ স্বৰূপে বিস্বাস হব লাগে, কিন্তু ইস্বৰে প্রকাস কৰা ইচাৰ বাহিৰে আন কোনো ৰূপে এনে ইস্বৰিয় বিস্বাস উতপন হব নোআৰে। এই হেতুকে ইস্বৰৰ আৰাধনাত, ইস্বৰৰ প্রকাসিত বাক্যৰ লগত জি জি মিল নোহোআ কথা সুমুআইচে, সেই এ কেৱল মানুহৰ পৰা জনমা বিস্বাস, এতেকে সেই বিস্বাস পৰিত্রানৰ হিত কৰোঁতা নহই।

ত্রিতিয় অনধিকাৰ চৰ্চাই জি কথা কলে, সেই বিসয়ে, মই নিন্দা কৰা বুলি লোকে কোআ হেতুকে, কাৰো নাম নোলোআকৈ মই এই উতৰ দিওঁ জে, এই চহৰৰ ৰজা, আৰু তেঁওৰ জি পাত্র মন্ত্রিবিলাকৰ নাম সেই মানুহে কলে, সিবিলাক এই চহৰত বা দেসত নিবাস কৰাতকৈ নৰকতহে থাকিবৰ জোগ্য। ইয়াতে ইস্বৰে মোক অনুগ্রহ কৰোক।

তেতিয়া, বিবেচনা কৰিবৰ নিমিত্তে ওচৰত থকা জুৰিবিলাকক বিচাৰ-কত্রাই কলে, বোলে, জি মানুহৰ কাৰনে এই চহৰ খনেই লণ্ডভণ্ড হৈচিল, তাক তোমোলাকে দেখি আচা; আৰু এই উত্তম লোকবিলাকে তাৰ বিৰুধে সাখি হই জি জি কথা কৈচে, তাকো সুনিচা, তাত বাজে তাৰ উতৰ আৰু স্বিকাৰ কৰা কথাও সুনিচা। এতিআ, তাক ফাঁচি দিবলৈ উচিত নে, তাৰ প্রান

ৰখ্যা কৰিবলৈ উচিত, তাকে নিচই কৰা তোমোলাকৰহে কাৰ্জ্য ; কিন্তু ইয়াৰ বিসয়ে আমাৰ জি বিধি আচে তাবে কিচুমান তোমোলাকক বুজাবলৈ মই উচিত জেন দেখিচোঁ।

আমাৰ ৰজাৰ ভ্ৰিত্য মহা ফৰৌনৰ ৰাজতৰ কালত এই বিধি স্থাপন কৰা হৈচিল জে, ভিন মতৰ লোক জেন বাৰ্হি তেঁওতকৈ অধিক পৰাক্ৰমি নহই, এই কাৰনে সিবিলাকৰ মটা লৰাবিলাকক নদিত পেলাই দিবলৈ দিলে। আৰু নবুখদনেচৰ নামেৰে আমাৰ মহা ৰজাৰ আন এজন দাসে এই এটা বিধি স্থাপন কৰিছিল জে জিবিলাকে তেঁওৰ সুবৰ্নমই মূৰ্তিৰ আগত উবুৰি হৈ পৰি সেআ নকৰিব, সেইবোৰক প্ৰজলিত অগনি কুন্দত পেলোআ জাব। তাত বাজে দাৰিআবচ ৰজাৰ দিনতো জি জি মানুহে নিৰুপিত কালৰ ভিতৰত তেঁওৰ বাহিৰে কোনো ইস্বৰলৈ প্ৰাৰ্থনা কৰে, তাক সিংহৰ গাঁতত পেলোআ জাব, এনে এটা বিধি স্থাপন কৰা হল। এতেকে দেখা, সেই সকলো বিধি লঙ্ঘন কৰিলে ; কেৱল মনেৰে লঙ্ঘন কৰা হলেও আমি সহন কৰিব পাৰিলোঁহেতেন, কিন্তু এইৰুপে বাক্যৰে আৰু কৰমেৰেও তাক উলঙ্ঘন কৰাই বৰ অসহনিঅ।

আৰু দেখা, ফৰৌন ৰজাৰ ৰাজতৰ কালত জি বিধি স্থাপিত হৈচিল, সেই এ কোনো বিসেস দোসৰ কাৰনে হোআ নাচিল, কেৱল অনুমানৰ কাৰণে, অৰ্থাত আগলৈ হব লগিয়া অমঙ্গল নিবাৰনৰ অৰ্থেহে সেই বিধি স্থাপিত হৈচিল। কিন্তু ইয়াৰ দোস হলে অতি স্পষ্ট, আৰু দ্বিতিয় ও ত্ৰিতিয় বিধিও লঙ্ঘন কৰিচে, কিয়নো ই আমাৰ মতৰ বিৰুধে কথা কৈচে ; আৰু ই জে ৰাজদ্ৰোহি, ইয়াক নিজেই স্বিকাৰ ও কৰিচে ; এতেকে ই নিচইএ এ প্ৰাণ দণ্ডৰ জোগ্য।

তেতিয়া স্ৰি অন্ধ, স্ৰি অভদ্ৰ, স্ৰি হিংসক, স্ৰি কামুক, স্ৰি অত্যাচাৰি, স্ৰি গোঙ্গোৰা, স্ৰি গঁফাল, স্ৰি বিৰোধ, স্ৰি মিচলিআ, স্ৰি নিৰ্দআ, স্ৰি দিপ্তি-ঘ্ৰিনাকাৰি, আৰু স্ৰি খ্যমাহিন নামেৰে এই সভাসদ সকলে আলচ কৰিবৰ নিমিত্তে বাহিৰলৈ ওলাই গল, তাতে প্ৰথমে প্ৰতিজনে বিস্বাসিৰ অহিতে আপোন আপোন মনৰ কথা কলে ; পাচে সকলোএ একপৰামৰ্স হৈ তাক বিচাৰকত্ৰাৰ আগত দোসি কৰিবলৈ থিৰ কৰিলে। সিহঁতৰ কথা এই সভাপতি স্ৰি অন্ধই প্ৰথমে কলে, সেই মানুহ জে বিধৰমি হই, তাক মই নিচইএ জানিচোঁ, তাতে অভদ্ৰই কলে, এনে মানুহক ভুলোকৰ পৰা দূৰ কৰা ভাল, স্ৰি হিংসকে কলে, হই, তাকে কৰা ভাল, কিয়নো মই তাক দেখা মাত্ৰকে



ঘিন কৰোঁ। তেতিয়া স্ৰি কামুকে কলে, হয়, মই ও তাক দেখিব নোআৰোঁ। অত্যাচাৰিএ কলে, মইও তাক দুই চকুৰে দেখিব নোআৰোঁ ; কিয়নো সি সদাই মোৰ দোস ধৰে। স্ৰি গোঙ্গোৰাই কলে, তাক ফাঁচি দি'য়া, ফাঁচি দি'য়া। স্ৰি গঁফালে কলে, তাক বৰ নিহ লোক জেন দেখোঁ। স্ৰি বিৰোধে কলে তালৈ মোৰ বৰ খঙ্গ উঠিচে। আৰু স্ৰি মিচলিয়াই কলে, সি বৰ দুৰ্জন মানুহ। স্ৰি নিৰ্দয়াই মাত লগাই কলে, ফাঁচি দিয়াতকৈও সি অধিক দণ্ডৰ পাত্ৰ। স্ৰি দিপ্তি ঘিনাকাৰিএ কলে, তাক আমাৰ মাজৰ পৰা সিদ্ৰে গুচাই মাৰোঁহঁক। সেসত স্ৰি খেমাহিনে উতৰ দি কলে, মোক গোটেইখন জগত দিলেও মই কেতিয়াও তাৰে সৈতে প্ৰন? নকৰিম ; এতেকে আঁহা, আমি বিচাৰকত্ৰাৰ আগত সি দোসি বুলি, আৰু প্ৰানদণ্ডৰ জোগ্য বুলি কঁওহঁক।

তাতে সিহঁতে বিচাৰকত্ৰাৰ আগত সেই ৰুপে কলত, বিস্বাসি জৰ পৰা আহিচিল, তালৈকে লৈ গৈ, পাৰে মানে নিৰ্দয়াৰুপে তেঁওৰ প্ৰান বধ কৰিবলৈ বিচাৰকত্ৰাই ততখেনাত আগ্যা কৰিলে।

পাচে সিহঁতে আপোন বিধিৰ দৰে দণ্ড দিবলৈ তেঁওক বাহিৰলৈ নিলে ; তাতে সিহঁতে প্ৰথমে তেঁওক চাবুকেৰে কোবালে, আৰু গালে মুখে চৰালে ; পাচে কটাৰিৰে তেঁওৰ গাৰ মঙ্গহ চিৰিলে ; তাৰ পাচত শিলেৰে খুন্দিলে, আৰু তৰোআলৰ আগেৰে গাঁত খুঁচিলে। এই ৰুপে অতিসই জাতনা দি, সেসত সিহঁতে তেওঁক খুঁটাত বান্ধি, জুই লগাই দি পুৰি ভস্ম কৰিলে। এই দৰে বিস্বাসিৰ অন্ত পৰিল।

এনেতে মই দেখিলোঁ, লোকসমূহৰ পাচ ফালে দুই ঘোঁৰাৰে ৰথ এখন বিস্বাসিৰ নিমিত্তে ৰই আছিল ; সত্ৰুবোৰে তেঁওক বধ কৰা মাত্ৰে, তেঁওক সেই ৰথত তুলি তুৰি বাদ্যৰে মেঘৰ মাজেদি চমু বাটে অতি সিদ্ৰে স্বৰ্গিয় ৰাজধানিলৈ নিয়া হল। খ্ৰিষ্টিয়ানক বিচাৰৰ অলপ পলম হোআত পুনৰাই বন্দিসালত বন্দি কৰি থোআ হল। বন্দিসালত কিচু কাল থকাৰ পিচত, মানুহৰ ক্ৰোধ জি জনাৰ হাতত থাকে, সকলোৰে অধিপতি সেই ইস্বৰে সিহঁতৰ হাতৰ পৰা খ্ৰিষ্টিয়ানক ৰখ্যা কৰিলে। তাতে তেঁও ৰখ্যা পাই আপোন বাটেদি গুচি গল, আৰু জাওঁতে তেঁও এই বচন গালে ;—

হে বিস্বাসি, আপোন প্ৰভুত
ৰাখিলা তুমি বিস্বাস,
এতেকে তেঁওৰ লগত সদাই
সুখেৰে কৰিবা বাস।

জেতিয়া অবিশ্বাসি লোকে
হেৰুআই নিজ সুখ অসাৰ
ভুনজি নৰকৰ দুখ সৰ্বদাই
কান্দি থাকে হাহাকাৰ,
তেতিয়া বিশ্বাসি, কৰা গান ;
জিব তোমাৰ নাম সদাই,
লোকে তোমাক বধিলে হই
তেও তুমি আচা জিয়াই।



## ১০ আধ্যা

পাচে মই সমাজিকত দেখিলোঁ, খ্রিষ্টিয়ানে জাত্রাত অকলেই ওলাইনগল, আসাৱান নামেৰে এজন লোকেও তেঁওৰ লগ লৈ ভাই সমন্ধ কৰি তেঁওক কলে, ভাই, মই ও তোমাৰ সহজাত্রি হম। তেঁও হাটত খ্রিষ্টিয়ান আৰু বিশ্বাসিৰ দুৰ্দসাৰ কালত সিবিলাকৰ ভাল কথা আৰু ভাল আচৰন দেখি সুনি আসাজুক্ত হৈচিল ; এইৰুপে সত্যৰ সাখি হোআৰ কাৰনে এজনৰ ম্রিত্যু হল, আৰু ভস্মৰপৰা খ্রিষ্টিয়ানৰ জাত্রাৰ সঙ্গি হবৰ নিমিতে আন এজন উতপন হল ! আসাৱানে খ্রিষ্টিয়ানক আৰু কলে, বোলে, হাটৰ মাজৰ পৰা আৰু অনেক মানুহ আপোন আপোন উচিত কালত পাচেকৈ আহিব।

পাচে মই দেখিলোঁ, সিবিলাকে হাটৰ পৰা বাহিৰ ওলালতে সিবিলাকতকৈ আগ হৈ জোআ নিজ হিত চিন্তক নামেৰে এটা মানুহৰ লগ ধৰিলে। তাতে সিবিলাকে তাক সুধিলে, হেৰা দেও তুমি কোন দেসৰপৰা আহিচা ? আৰু এই বাটেদি নো কিমান দূৰলৈ জাবা ? তাতে সি কলে, মই মধুৰ বচন নামেৰে নগৰৰ পৰা আহিচোঁ, আৰু স্বৰ্গিঅ ৰাজধানিলৈ জাঁও। কিন্তু সি আপোনাৰ নাম নকলে।

খ্রিষ্টিয়ানে বুলিলে, মধুৰ বচন নগৰৰ পৰা আহিচা নে ? তাত কোনো ধামিক লোক আচে জানো ?

নিজ-হিত চিন্তকে বুলিলে, হই, আচে বুলি মই আসা কৰিচোঁ।

খ্রিষ্টিয়ান। বাৰু দেও, মই তোমাক কি নাম ধৰি মাতিম ?

নিজ হিত চিন্তক। তুমি মই পৰস্পৰ আচিনাকি হঁওতে হৈচোঁ হই, তথাপি জদি তুমি এই বাটে জোআ, তেন্তে মই ও তোমাৰ সঙ্গি হবলৈ বৰ ৰঙ্গ পাম ; জদি নহই, তেনে হলে মই অকলে জাম।

খ্রিষ্টিয়ান। এই মধুৰ-বচন চহৰৰ কথা মই আগেএই সুনিচিলোঁ ; আৰু মনত পৰিচে, লোকে তাক বৰ ধনি চহৰ বুলি বখানে।

নিজ-হিতক-চিন্তক। হই, সি বৰ ধনি চহৰ, তাক নিচই জানিবা ; আৰু তাতে মোৰ অনেক অনেক ধনৱন্ত গিয়াতি কুটুম্বও আচে।

খ্রিষ্টিয়ান। জদি তুমি বেজাৰ নোপাআ, তেন্তে সুধিব খোজেঁা, তাত নো তোমাৰ কোন কোন গিয়াতি কুটুম্ব আচে ?

নিজ-হিত-চিন্তক। প্রাই চহৰৰ সকলোবিলাকেই ; বিসেসকৈ, স্ৰিজুত ঘুৰন আতা, স্ৰিজুত কাল-চাই-প্ৰবত্ৰা আভা আৰু স্ৰিজুত মধুৰ বচন আতা, অৰ্থাত জাৰ বংসৰ নামেৰে প্ৰথমে চহৰৰ নামো হল ; তাত বাজে স্ৰিসিতল-মানুহ, স্ৰি দুমুখিয়া, স্ৰি জি-কি-নহওক, আৰু আমাৰ প্ৰচাৰক স্ৰি দুইজিবা নামেৰে মোৰ মোমাই, এই সকলোবিলাক মোৰ গিয়াতি-কুটুম্ব বুলি জানিবা ; আৰু তোমাক স্বৰুপকৈ কব লাগিলে হলে, মই এতিয়া এজন উত্তম ভদ্ৰ লোক হৈচোঁ। তথাপি মোৰ আজোককা হলে, এফাললৈ চাই আন ফালে নাও বাই নিয়া এনে নাওবৈচা আচিল ; আৰু সেই ৰুপ বেৱসাই বে মইও আপানাৰ প্ৰাই সকলো ধন আৰ্জিচোঁ।

খ্ৰিষ্টিয়ান, তুমি বিবাহিতা নে ?

নিজ-হিত-চিন্তক। হই, মই বিবাহিত ; মোৰ ভিৰোতা মান্যৱতি আৰু তাইৰ মাক ও মান্যৱতি ; তাই স্ৰি মতি চদ্মবেসি আইদেওৰ জিএক আচিল। এতেকে তাই উত্তম কুলত ওপজা ; আৰু তাই এনে সুসিখিত জে ৰজা প্ৰজা সকলোৰে সৈতে তাই উচিত ৰুপে বেৱহাৰ কৰিব জানে। আমি ধৰমত আসক্ত আন আন লোকৰ পৰা অলপমান ভিন হৈচোঁ হই, কিন্তু সেই এ কেৱল এই দুই সৰু বিসয় ; প্ৰথম, আমি সমুখে বায়ু আৰু সমুখে সোঁত ভাঙ্গি নেজাঁও, দ্বিতিয়, জেতিয়া ধৰমে সোনোআলি পইজাৰ পিন্ধি ফুৰে, তেতিয়া আমি তালৈ নিচই এ উতসাহি হঁও ; বিসেসকৈ নিৰ্মল দিনত মানুহবিলাকে প্ৰসংসা কঁৰোতে, তাৰ লগত জাবলৈ অধিককই ভাল পাঁও।

তেতিয়া খ্ৰিষ্টিয়ানে এফলিআ হৈ আপোন সঙ্গি আসাৱানক কলে, মোৰ মনে ধৰিচে, এইটো নিজ-হিত চিন্তক নামেৰে মধুৰ-বচন নগৰৰ মানুহ, জদি সেই এই স্বৰুপ হই, তেন্তে আমাৰ লগত আটাইতকই দুষ্ট মানুহ লগ হৈচে। তেতিয়া আসাৱানে কলে, তুমি তাক সোধাচোন, মই জানিচোঁ, সি অপোনাৰ নামত লাজ নেপাব। তাতে খ্ৰিষ্টিয়ানে পুনৰাই তাৰ ওচৰলৈ গৈ কলে, হে দেও, তোমাৰ কথাৰ দ্বাৰাই বুজিচোঁ জে তুমি আন দহ জনতকৈও বৰ বুধিমান লোক ; আৰু জদি মই ভুল নকৰিলোঁ, তেন্তে মোৰ মনে ধৰে মই তোমাক চিনো ; তুমি মধুৰ বচন চহৰৰ নিজ-হিত-চিন্তক নোহোআ নে ?

নিজ-হিত-চিন্তক। সেইটো মোৰ নিজ নাম নহই ; কিন্তু জিবোৰে মোৰে সৈতে থাকিব নোআৰে, সেইবোৰে মোক সেই উপনাম দিওঁতে দিচে হই।



তথাপি মোৰ আগৈএ আন আন সাধুবিলাকে জেনেকৈ নিন্দা অপমান সহি গল, তেনেকৈ মইও অপমান স্বৰুপ সেই নাম সহিব লাগে।

খ্ৰিষ্টিয়ান। বাৰু লোকে জে তোমাক সেই নাম ধৰি মাতে, তোমাৰ কোনো কাৰ্জ্যাই তাৰ কাৰন নহই নে ?

নিজ-হিত-চিন্তক। নহই, সেই এ কেতিয়াও নহই। মোৰ আচাৰ বেৱহাৰ মাজত সিবিলাকে সেই অপবাদৰ মুল স্বৰুপ কেৱল এটি খুদ্ৰ বিসয়ৰ উলেখ কৰিব পাৰে। জি জি সমইত সৰ্বসাধাৰনত প্ৰচলিত জি জি লোকাচাৰৰপৰা মোৰ অলপ লাভ হবৰ সম্ভব দেখোঁ, সেই সেই সমইত মই সেই সেই লোকাচাৰক উত্তম বুলি গ্ৰাহ্য কৰোঁ। ইয়াতে কোনো কোনোএ জদি মোক দোস দিএ, তেন্তে তাক আসিৰ্বাদ বুলিহে গিয়ান কৰোঁ। কিন্তু হিংসক লোকে তাৰ নিমিত্তে মোক নিন্দা নকৰোক।

খ্ৰিষ্টিয়ান। মই জি মানুহৰ কথা সুনিচিলো, তুমি এই সেই মানুহ অৱস্যে হোআ ; স্পষ্টৰুপে কঁও, তুমি জি ৰুপে অনিয়াইৰ কথা কৈচা, লোকে তোমাক সেই নাম দিয়াত মোৰ বিবেচনাত অলপো অনিয়াই বোধ নহই।

নিজ-হিত-চিন্তক। বাৰু তোমোলাকে জদি সেইৰুপে ভাবিচা ভাবা ; মই কি কৰিম ? তথাপি এতিয়াও জদি তোমোলাকে মোক সঙ্গিস্বৰুপে গ্ৰহন কৰা, তেন্তে তোমোলাকে উত্তম সঙ্গি লাভ কৰিবা।

খ্ৰিষ্টিয়ান। তুমি আমাৰ লগত গলে, সমুখে বায়ু আৰু সমুখে সোঁত ভাঙ্গি জাব লাগিব ; কিন্তু সেই এ তোমাৰ মত নহই জেন দেখিচোঁ। আৰু সোনোআলি পইজাৰ পিন্ধি ফুৰোঁতে ধৰমক জেনেকৈ স্বিকাৰ কৰা, ফটাচিটা কাপৰ পিন্ধোতেও তেনেকৈ স্বিকাৰ কৰিব লাগিব ; আৰু বাটত চলোঁতে লোক বিলাকে তাক প্ৰসংসা কৰা সমইত জেনেকৈ তাৰ ফলিআ হোআ, তেনেকৈ তাক সিকলিৰে বন্ধা সমইতো তাৰ ফলিয়া হব লাগিব।

নিজ-হিত-চিন্তক। তুমি মোক ভাৰ দিব নোপোআ, মোৰ বিস্বাসৰ ওপৰত তোমাৰ কোনো অধিকাৰ নাই, মোৰ ইচাৰ দৰেই তোমোলাকে সৈতে জাবদিয়া।

খ্ৰিষ্টিয়ান। নহই, মই জি কথা কলোঁ, তাত তুমি আমাৰ নিচিনাকৈ আচৰন নকৰিলে, তোমাক এখোজো জাব নিদিম।

তেতিয়া নিজ-হিত-চিন্তকে কলে, মোৰ পুৰনি মত মোলৈ নিৰ্দোস আৰু লাভ দিওঁতা হোআত, মই তাক কেতিয়াও এৰিব নোআৰোঁ ; তোমোলাকে সৈতে জদি মোৰ জোআ নহই, তেন্তে মই আগৰ দৰেই জাম, অৰ্থাত মোৰ

লগত সন্তোস পোআ কোনো লোকক লগ নেপাওঁ মানে, মই অকলসৰেই জাম।

পাচে মই সমাজকত দেখিলোঁ, খ্রিষ্টিয়ান আৰু আসাৱান দুইও জনে তাক পাচ পেলাই আগ হই গল ; কিন্তু অলপ দুৰ গই সিবিলাকৰ এজনে পাচলৈ উভটি চাই নিজ-হিত-চিন্তকৰ পাচত তিনটা মানুহক অহা দেখিলে ; আৰু দেখা, সিহঁতে তাৰ লগ ধৰিলত, নিজ-হিত-চিন্তকে সিহঁতক প্রনাম কৰিলে, আৰু সিহঁতেও তাক নমস্কাৰ কৰিলে। সেই মানুবিলাকৰ নাম স্রি জগত-ধাৰন, স্রি অর্থ প্রিয় আৰু স্রি সর্বসঞ্চই। সিহঁত স্রি নিজ-হিত-চিন্তকৰ আগৰ চিনাকি ; কিয়নো সিহঁতে লৰা কালত একে বিদ্যালইত সিখ্যা পালে। কিৰপিন নামেৰে এজন মানুহ সিহঁতৰ অধ্যাপক আছিল ; উওৰ দিসৰ লোভ প্রদেসৰ লাভ-ইচা নামেৰে জি এখন নগৰ আচে, তাতে সি নিবাস কৰিচিল। সেই অধ্যাপকে বল, চল, মিচা, প্রসংসা, চলবাদি, আৰু ধার্মিকৰ বেস আদি কৰি সকলো প্রকাৰ সিখ্যা সিহঁতক দিলে ; তাতে সেই চাৰিজন মানুহ আপোন অধ্যাপকৰ নিচিনা পার্গত হোআত, সিহঁতেও গাইপতি এনে পর্হাসালি পাতিব পৰা হল।

ওপৰে কোআৰ দৰে জেতিয়া সিহঁতে পৰস্পৰে সন্তাসন কৰি এটালে, তেতিয়া স্রি অর্থ-প্রিয়ই স্রি নিজ-হিত-চিন্তকক কলে, আমাৰ আগে জোআ সৌ কেইজন কোন ? কিয়নো খ্রিষ্টিয়ান আৰু আসাৱান তেতিয়ালৈকে দেখিব পৰাকৈ আছিল।

নিজ-হিত-চিন্তক। সিহঁত দুজন দুৰ-দেসিয় লোক ; আৰু সিহঁতে আপোনাবিলাকৰ মত অনুসাৰে জাত্রা কৰি গৈচে।

অর্থ প্রিয়। হাই হাই ! আমি সিবিলাকৰ উতম সঙ্গি হবলৈ, সিবিলাকে কিয় আমালৈ বাট চাই নেথাকিলে ? কিয়নো সিবিলাক, আমি, আৰু তুমি আটাইএ জাত্রিক হৈ জাত্রা কৰিচোঁ বুলি আসা কৰিচোঁ।

নিজ-হিত-চিন্তক। সেইএ হওঁতে হই ; কিন্তু আমাৰ আগত জোআ সেই মানুহবিলাকৰ এনে কঠিন বেৱহাৰ, আৰু আপোনাবিলাকৰ মতত এনেহে আসক্ত জে, সিহঁতে লোকৰ মত হেলা কৰে ; অন্য মানুহ জিমান কি ধার্মিক নহওক, তথাপি জদি সকলোভাৱে সিহঁতৰ দৰে নচলে, তেন্তে সিহঁতে আপোনাবিলাকৰ সঙ্গৰ পৰা তাক নিচইএ বাহিৰ কৰি দিব।

সর্ব-সঞ্চই। অস, সেইটো বৰ বেয়া। কিন্তু সাস্ত্রত এনেকুআ কেতবোৰ অতি ধার্মিক লোকৰ কথা পর্হিচোঁ, আৰু সিবিলাকৰ বেৱহাৰ এনে কঠিন



ৰুপে প্রকাসিত জে, সিবিলাকে আপোনাবিলাকৰ বাহিৰে আন সকলোকে দোসি কৰে। কিন্তু বিনই কৰোঁ, কোআচোন, তোমাৰে সিহঁতৰে মাজত নো কোন কোন কথাত বেলেগ হৈচে ?

নিজ-হিত-চিন্তক। সিবিলাকে হলে, আপোনাৰ থিৰ মনৰ বিশ্বাসেৰে বতৰ ভাল হওক বা বেয়া হওক সকলো কালতে জাত্রা কৰিবলৈ কার্বাৰ কৰে ; মই হলে বতাহ আৰু জুৱাবলৈ বাট চাওঁ। সিহঁতে ইশ্বৰৰ নিমিতে সকলোকে একে বেলিএ পৰিত্যাগ কৰে ; কিন্তু মই হলে আপোন প্রান আৰু সম্পতি ৰাখিবৰ নিমিতে নানা উপাই চিন্তো। আৰু সমুদাই লোক সিহঁতৰ বিৰুধে হলেও, সিহঁতে আপোনবিলাকৰ মত ধৰি থাকে ; মই হলে, জি ধৰমত আন দহ জন লোক চলে, আৰু জিহতে মোৰো হিত হই, তাকেহে ভাল পাঁও। জি সমইত ধর্মই ফটাকানি পিন্ধে আৰু অপবাদ পাই, তেতিয়াও সিহঁতে ধৰমৰ ফলিয়া হই থাকে ; কিন্তু মই হলে, ধর্মই নির্মল দিনৰ সোনোআলি পইজাৰ পিন্ধি প্রসংসনিয় হৈ ফুৰোঁতেহে মই তাৰ ফলিয়া হঁও।

জগত-ধাৰন। ভাল কৰিচা, মোৰ প্রিয় নিজ-হিত চিন্তক, তোমাৰ সেই মতকে ধৰি থাকা ; কিয়নো মই হলে এনেকৈ ভাবিচোঁ জে, জি কোনোএ আপোন সম্পতি ৰাখিব পৰাতো অগিয়ানৰ দৰে তাক হেৰুআই, এনে মানুহক মই মুৰুখ বুলিহে মানো। আমি সাপৰ নিচিনা টেঙ্গৰ হমহঁক। খ্যেতিৰ কথাত হলে, বতৰতহে ৰুব-দাব লাগে। মৌ-মাখিৰ বেৱহাৰ দেখা, সিহঁতে বাৰিসা এলেহুআ হৈ বাহত থাকে, আৰু কেৱল জি সমইত সুখেৰে ফুলৰ ৰস পাব পাৰে, সেই সমইতহে পৰিশ্রমি হই। ইশ্বৰে কেতিয়াবা বৰসুন আৰু কেতিআবা ৰদো দিচে ; এই হেতুকে সিহঁত এনে অগিয়ান হৈ বৰসুনত চলি গলেও, আমি নির্মল দিন পাবলৈ বাট চাই থাকিমহঁক। কিন্তু জিহৰ দ্বাৰাই ইশ্বৰে দিয়া সাংসাৰিক মঙ্গলসমুহ ৰখ্যা পাই, এনে মত হে মই সকলোতকৈ ভাল পাঁও। কিয়নো ইশ্বৰে এই জীৱনৰ সুমঙ্গলজুক্ত দ্রব্যবিলাক আমালৈ দান কৰিলত, তেঁওক সুঁৱৰিবৰ নিমিতে আমি সেই দ্রব্য ৰাখিবলৈ তেওঁৰ ইচা নহই গিয়ান থকা মানুহৰ, কোনে এই ৰুপে বুজিব পাৰে ? আব্রাহাম আৰু চলমোন ধৰমতে চহকি হই গল ; আৰু ইওবে কৈচে, ধার্মিক লোকে ধুলিৰ নিচিনাকৈ সোন সাঁচি থব ; কিন্তু আমাৰ আগত জোআ লোক দুই জন জদি তুমি কোআৰ দৰে স্বৰুপেই হই, তেন্তে সেই ধার্মিক লোক সিহঁতৰ পৰা নিচেই বেলেগ।

সৰ্ব-সঞ্চই। মই ভাবিচোঁ, এই কথাত আমাৰ সকলোৰে একে মত্ত হৈচে ; এতেকে এই বিসয়ে আৰু কবলৈ প্ৰয়োজন নাই।

অৰ্থ-প্ৰিয়। হই, এই বিসয়ে আৰু কবৰ প্ৰয়োজন নাই ; কিয়নো জিবিলাকে গিয়ানত, নাইবা সাস্ত্ৰতে বিশ্বাস নেৰাখে, ( আৰু তুমি দেখিচা, সেই দুই ও আমাৰ ফলিয়াই হই, তথাপি ) সিবিলাকে আপোনবিলাকৰ স্বাধিনতা নুবুজে, আৰু আপোন মঙ্গলৰ চেষ্টাও নকৰে।

নিজ-হিত চিন্তক। ভাই সকল, দেখা, আমি আটাই এ জাত্ৰা কৰিচোঁ ; এতেকে কু কথা, কু চিন্তাৰ পৰা আমাৰ মন ৰাখিবৰ নিমিতে তোমোলাকৰ আগত এই প্ৰস্ন কৰিবলৈ অনুমতি দিয়া।

কোনো মানুহ, ধৰম-প্ৰচাৰক হওক, বা মুদৈ হওক, বা জি কোনো নহওক, জেতিয়া সি কোনো সংসাৰিক লাভৰ উপাই দেখে, তেতিয়া ধৰম-সম্বন্ধিয় জি জি বিসয়ত পুৰ্বে মন নিদিচিল, সেই সেই বিসয়ত, বাহিৰে অতিসই জতন নেদেখুআলে, জদি বাঞ্চিত মঙ্গল পাব নোআৰেঁ, তেন্তে সি তেনে জতন দেখুআলে তাৰ সাধুতা নষ্ট হব নে ?

অৰ্থ-প্ৰিয়। তোমাৰ প্ৰস্নৰ অভিপ্ৰাই মই বুজিচোঁ ; আৰু এই মান্যবন্ত লোক সকলৰ ইচা হলে, মই তোমাক তাৰ উত্তৰ দিবলৈ চেষ্টা কৰোঁ। প্ৰথমে ধৰম-প্ৰচাৰকৰ বিসয়ে কঁও। জদি তাকৰ দৰমহা পোআ কোনো এজন জোগ্য প্ৰচাৰকে অনেক গুনে অধিক দৰমহাৰ কাম পাবৰ সুবিধা দেখে, আৰু জদি তাক পাবৰ নিমিত্তে সিকিবলৈ আৰু উপদেস দিবলৈ অধিক জতন দেখুআবৰ তেঁওৰ আৱস্যক হই, আৰু লোকৰ সন্তোসৰ নিমিত্তে জদি আপোনাৰ মত বেলেগ কৰিব লগা হই তেন্তে তেঁও তাক কিয় নকৰিব ? মোৰ বিবেচনাত কেৱল সেইএ নহই তেনেকুআ আন অনেক কৰম অধিকৰূপে কৰিলেও তেওঁৰ সাধুতাৰ ব্যতিক্ৰম নহব ; ইআৰ প্ৰমান কঁও, সুনা ;—

(১) অধিক দৰমহাৰ কাম পাবলৈ তেঁওৰ জি ইচা, সেইএ জে অনুচিত, তাক কোনে কব পাৰে ? কাৰন, ইস্বৰৰ অনুগ্ৰহত হে সেই কাম ওলাইচে, এতেকে সেই কাম জদি পোআ জাই, তেন্তে নিয়াই অনিয়াই নিবিচাৰি, তাক পাবলৈ চেষ্টা কৰিব পাৰে।

(২) তাত বাজে সেই কাম পাবৰ নিমিত্তে জদি সিকিবলৈ আৰু উপদেস দিবলৈ তেঁও অধিক জতন কৰিব লগা হই, তেন্তে তাৰ দ্বাৰাই তেঁও পুৰ্বতকৈ উত্তম মানুহহে হব ; আৰু কেৱল সেই এ নহই, তেঁওৰ বিদ্যা আৰু কাৰ্জ্য-নৈপুণ্যও ব্ৰিধি পাব ; আৰু তাতে ইস্বৰেও সন্তোস পাব।



(৩) আৰু লোকক সন্তুষ্ট কৰিবৰ নিমিত্তে সিবিলাকৰ মতে সৈতে আপোনাৰ মত মিল হোআ জি কথা তাত এই সদ গুন প্ৰকাস পাই। প্ৰথম পৰৰ হিত চিন্তা কৰা ; দ্বিতিয়, লোকক মৰম দেখুওআ আৰু উচটোআ ; আৰু ত্ৰিতিয়, তাৰ কাৰনে প্ৰচাৰক-পদ পাবৰ অধিক জোগ্যতা।

(৪) এতেকে মোৰ সিদ্ধান্ত এই, জি প্ৰচাৰকে অধিক দৰমহাৰ কামৰ নিমিত্তে তাকৰ দৰমহাৰ কাম এৰে, তাৰ নিমিত্তে সেই মানুহক লোভি বুলি দোষি কৰা অনুচিত, বৰং তাৰ দ্বাৰাই তেওঁৰ নিপুনতা আৰু জতন ব্ৰিধি পোআত, তেওঁক আপোন, কৰমত উদ্যোগি আৰু সাধ্য অনুসাৰে পৰৰ মঙ্গল সাধনৰ আকাঙ্খ্যা জানি মান্য কৰা কৰ্তব্য।

এতিয়া, তোমাৰ প্ৰস্নৰ দ্বিতিয় ভাগ, অৰ্থাত মুদৈৰ বিসয়ে জি কথা সুধিচা, তাকে বিবেচনা কৰোঁ।

কোনো মুদৈৰ জদি আপোন গোলা অতি সৰু, আৰু তাত কিনা বেচা কৰা মানুহ নিচেই তাকৰ হই, কিন্তু জদি ধৰমানুৰাগ প্ৰকাস কৰাৰ দ্বাৰাই সৰহ মানুহে কিনা-বেচা কৰে, আৰু তাতে তাৰ গোলা ডাঙ্গৰ হই, আৰু কোনো চহকি লোকৰ জিয়াৰিক বিয়া কৰিবলৈ পাই, তেন্তে তেনে ধৰমানু-ৰাগ দেখুআত তাৰ কোনো দোস নেদেখোঁ বৰং সেইএ তাৰ কৰ্তব্য কৰম ; কিয়নো,—

(১) জি কোনো ভাৱেই নহওক, মানুহে ধৰমানুৰাগ দেখুওআ ভাল।

(২) আৰু চহকি লোকৰ জিয়াৰিক বিয়া কৰিবলৈ, বা আপোনাৰ গোলালৈ অধিক বেচা-কিনা কৰা মানুহক আনিবলৈ জতন কৰা অনুচিত কৰম নহই।

(৩) তাত বাজে, জি মানুহে ধৰমানুৰাগ দেখুআই ওপৰোক্ত বিসয়বোৰ লাভ কৰে, সি আপুনি সত লোক হোআত, সতৰ পৰা সত বিসয় প্ৰাপ্ত হই, অৰ্থাত সেই ধৰমানুৰাগ দেখুওয়াটোৱেই হৈচে এজনি চহকি লোকৰ জিয়াৰি, অধিক কিনা-বেচা কৰা লোক, আৰু উত্তম বিসয় লাভ কৰাৰ উপাই ; আৰু সেইএ নিজে উত্তম ! এতেকে সেই সকলো পাবৰ নিমিত্তে ধৰমানুৰাগ দেখুওআ, অতি উত্তম আৰু লাভজনক কৰম হই।

অৰ্থ-প্ৰিয়ই নিজ-হিত-চিন্তকৰ প্ৰস্নৰ জি সিধান্ত দিলে, তাক সুনি সিহঁতে অতি উত্তম আৰু উপকাৰি বুলি সকলোৱে প্ৰসংসা কৰিলে, আৰু

বিসেসকৈ সিহঁতে ভাবিছিল জে, তাৰ উত্তৰ দিবলৈ কাৰো সাধ্য নাই ; তাতে খ্রিষ্টিয়ান আৰু আসাৱান তেতিয়াও মাত সুনিব পৰাতে থকা হেতুকে, আৰু সিবিলাকে আগেএ নিজ-হিত-চিন্তকৰ অহিতে কথা কোআৰ নিমিত্তেও সিহঁতে আলচ কৰি কলে, খ্রিষ্টিয়ান আৰু আসাৱানক লগ পোআ মাত্রকে এই প্রস্নৰ দ্বাৰাই সিবিলাকে সৈতে বাগজুদ্ধ কৰিমহঁক। তাতে সিহঁতে ৰিঙ্গিয়াই মাত্তিলত, খ্রিষ্টিয়ান আৰু আসাৱানে, সিহঁতে গৈ থাকোঁতে আপোনাবিলাকৰ মাজত এই পৰামর্স কৰিলে, বোলে, খ্রিষ্টিয়ান আৰু আসাৱানে খ্রি নিজ-হিত-চিন্তকত আগেএ জি বেজাৰ পালে, কিজানি সেই এ সিবিলাকৰ মনৰ পৰা গুচা নাই। এতেকে সেই প্রস্নৰ সিবিলাকৰ আগত প্রস্তাব কৰিবৰ নিমিত্তে খ্রি জগত ধাৱনক মনোনিত্ত কৰা জাওক ; এই বুলি তাক মনোনিত্ত কৰিলে।

পাচে খ্রিষ্টিয়ান আৰু আসাৱানক লগ পাই মঙ্গলবাদ কৰাৰ পাচত জগত-ধাৱনে খ্রিষ্টিয়ান আৰু তেঁওৰ সঙ্গি আসাৱানক আগত সেই প্রস্নটি উত্থাপন কৰি কলে, বোলে, তোমোলাকে জদি ইয়াৰ উত্তৰ দিব পাৰা, তেন্তে দিয়া।

তেতিআ খ্রিষ্টিয়ানে উত্তৰ দি বুলিলে জে ধৰমবিসয়ে জি জন লৰা মানুহ মাথোন, সিও এনে দহ হাজাৰ প্রস্নৰ উত্তৰ দিলে দিব পাৰে। কিয়নো জোহনৰ ৬ আধ্যাৰ ২৬ পদত লিখা প্রমান অনুসাৰে পিঠাৰ আসাত খ্রিষ্টৰ পাচত জোআ জদি অনুচিত হই, তেন্তে সাংসাৰিক লাভ আৰু সুখ পাবলৈ খ্রিষ্টক আৰু তেওঁৰ ধৰমক ভাঁৱ বোআ ঘোঁৰা কৰাত তাতকৈ কিমান ঘিন-লগিয়া হই। দেৱপূজক, কপটিআ, চইতান, আৰু মায়াবিবোৰৰ বাহিৰে আমি আন কাকো এনে ভাৱৰ মানুহ দেখা পোআ নাই। দেখা,—

(১) দেৱপূজক হমোৰ আৰু চিখিমে জেতিয়া জাকোবৰ গৰু, মেৰৰ জাক আৰু তেওঁৰ জিয়াৰি পাবলৈ মন কৰিলে, কিন্তু সিবিলাকৰ দৰে চুনত হোআত বাজে তাক পাবৰ কোনো উপাই নেদেখিলে, তেতিআ সিহঁতে আপোনাৰ নগৰ মানুহবোৰক কলে, সিবিলাকৰ নিচিনাকৈ জদি আমাৰ প্রতিজন পুৰুসক চুনত কৰা হই, তেন্তে সিবিলাকৰ গৰু মেৰৰ জাকবোৰ আৰু সম্পতিও আমাৰ নহব নে ? ইস্রাএল লোকৰ জিয়াৰি আৰু পসুৰ জাকবোৰক হাত কৰি লোআই সিহঁতৰ উদ্দেস্য আছিল, আৰু তাক পাবৰ নিমিত্তেহে সিহঁতে ধৰমক ভাৱ বোআ ঘোঁৰা কৰিলে। তাৰ বিবৰণ আদি পুস্তকৰ ৩৪ ; ২০—২৪ পঢ়িলে বুজিব পাৰিবা।



(২) কপটিয়া ফৰিচিবিলাক সেই মতৰ লোক আছিল। সিবিলাকে ধৰমানুৰাগি দেখুআবৰ নিমিত্তে দিঘল প্রার্থনা কৰিলে ; কিন্তু বাঁৰি লোকেৰ ঘৰ লুট কৰাই সিবিলাকৰ উদেস্য। এই কাৰনে সিহঁত ইস্বৰৰ পৰা অধিক দণ্ড প্রাপ্ত হল। লুক ২০ ; ৪৬, ৪৭।

(৩) চইতান স্বৰূপ জিহুদা সেই মতৰ লোক আছিল ; কাৰন, সি মোনাৰ ভিতৰত থকা ধন পাবৰ আসাৰে ধৰম গ্রহন কৰিছিল। কিন্তু, সেসত পাপত পতিত আৰু পৰিত্রান ভ্রষ্ট হৈ বিনাসৰ পাত্র হল।

(৪) মায়াবি চিমোন সেই মতৰ লোক আছিল, কিয়নো সি ধন পাবৰ নিমিত্তে পবিত্র আতমাক কিনিব খুজিছিল। এই কাৰণে পিতৰে তাৰ ওপজুক্ত ভর্চনা কৰিছিল। পাঁচনিৰ কৰমৰ ৬ ; ১৯—২২।

(৫) আৰু এই কথা মোৰ মনৰ পৰা নুগুচে ; জিবিলাকে সাংসাৰিক লাভৰ নিমিত্তে ধৰম গ্রহন কৰে সিবিলাকে সাংসাৰিক লাভৰ নিমিত্তে ধৰমক ত্তিয়াগ কৰে ; কিয়নো জিহেৰে সাংসাৰিক লাভৰ নিমিত্তেই সি সেই ধৰম আৰু আপোন কৰিছিল ; পাচে সংসাৰিক লাভৰ নিমিত্তেই সি সেই ধৰম আৰু আপোন প্রভুক বেচিছিল। এতেকে তোমোলোকক জি ৰূপে কৰা দেখিছোঁ, সেই ৰূপে তোমোলোকৰ প্রস্নত সন্মত হোআ মোৰ মনে হলে, সেই এ কেৱল দেৱপূজক, কপটিয়া, আৰু চইতানৰ মত মাথোন। তোমোলাকৰ কৰমৰ দৰে তোমোলাকৰ প্রতিফল হব।

তেতিয়া খ্রিষ্টিয়ানৰ এই ৰূপ উত্তৰ সুনি, সিহঁতে একো উত্তৰ দিব নোআৰি, ইটে সিটে মুখলৈ চোআচই কৰি বোবা হৈ থাকিল, আৰু খ্রিষ্টিয়ানৰ উত্তৰ জে জুক্তি-সিধ, তাক আসাৱানে সলগা দেখি, সিহঁতে অতিসই লাজ পাই তললৈ মুখ কৰি নিমাত হই থাকিল ; তাতে খ্রিষ্টিয়ান আৰু আসাৱান জেন আগ হৈ জাব, এই আসইএৰে নিজ-হিত-চিন্তক আৰু তাৰ লগৰিয়াবোৰেও ইফাল সিফাল কৰি পাচ পৰি থাকিল। তাতে খ্রিষ্টিয়ানে আপোনাৰ সঙ্গি আসাৱানক কলে, বোলে, এই লোকবিলাকে জদি মানুহৰ বাক্যৰূপ দণ্ড সহিব নোআৰিলে, তেন্তে ইস্বৰৰ দণ্ড পালে, কি কৰিব ? আৰু মাটিৰ পাত্রই দিআ প্রমানত জদি বোবা হল, তেন্তে সর্বনাসক অগ্নি-সিখাৰ আগত কি নো কৰিব ?

তেতিয়া খ্রিষ্টিয়ান আৰু আসাৱানে সিহঁতক পাচ পেলাই গল, আৰু অলপমান আগলৈ গৈ সান্তি নামে এখন মনোহৰ পথাৰ পালে, তাতে সিবিলাকে অতি নির্বিঘ্নে গমন কৰি গল ; কিন্তু সেই পথাৰ ঠেক হোআত,

সিবিলাকে তাক বেগতে পাৰ হল। সেই পথাবৰ সিফালে এটা পৰ্বত আছিল, তাৰ নাম লাভ্, সেই লাভ পৰ্বতত এটা ৰূপৰ আকৰ আছিল ; সেই আকৰ অতি লাভজনক জেন দেখি, আগৰ কালৰ কেতবিলাক জাত্ৰিক লোকে তাক চাবৰ নিমিত্তে এফলিয়া হই গৈছিল ; তাতে সিবিলাকে গাঁতৰ নিচেই ওচৰলৈ জাওঁতে, সেইএ ভ্ৰান্তিৰ মাটি হোআ হেতুকে, সিবিলাকৰ ভৰিৰ তলৰ মাটি খহি পৰাত, সিহঁতৰ অনেক লোক বিনষ্ট হল ; আৰু কোনো কোনোৰ হাত-ভৰি ভাগি মৰন কাললৈকে ঘুনিয়া হই থাকিল।

তেতিয়া মই সমাজিকত দেখিলোঁ বাটৰ এফালে অলপ দূৰৈত সেই ৰূপৰ আকৰৰ সমূখে ভাল মানুহৰ দৰে জাত্ৰিক লোকক মাতি, সেই আকৰ দেখুআবৰ নিমিত্তে দিমা নামেৰে এজন মানুহ থিয় হই আছিল। তাতে সি খ্ৰিষ্টিয়ান আৰু তেওঁৰ সঙ্গি আসাৱানক দেখি মাতি কলে, দেও সকল, এই পোনে আঁহাচোন মই তোমোলাকক এটা বস্তু দেখুআওঁ।

খ্ৰিষ্টিয়ান। আমাক বাটৰ পৰা এফলিয়াকৈ নিব পৰাৰ যোগ্য তাত নো এনে কি বস্তু আছে ?

দিমা। এই ঠাইত এটা ৰূপৰ আকৰ আচে, আৰু কেতবোৰ মানুহে ধন পাবৰ কাৰণে তাক খানিচে ; তোমোলাকেও আহি অলপ স্ৰম কৰিলে, সহজে চহকি হব পাৰিবা।

আসাৱান। আহাঁচোন ভাই, অমিও চাঁওগৈহঁক।

খ্ৰিষ্টিয়ান। মই হলে নেজাওঁ ; কাৰণ মই আগৈএ এই ঠাইৰ কথা সুনিচিলোঁ ; ইয়াত অনেক অনেক লোক মৰিল। তাত বাজে জিবিলাকে সেই ধন বিচাৰে, সিবিলাকলৈ সেই এ ফান্দৰ নিচিনা হৈ সিবিলাকৰ জাত্ৰা নিবাৰন কৰে।

তেতিয়া খ্ৰিষ্টিয়ানে দিমাক মাতি সুধিলে, সেই ঠাই বিপদজনক নহই নে ? আৰু সেই এ অনেক লোভৰ জাত্ৰাৰ বাধা জনমোআ নাই নে ?

দিমা। জদি মানুহে সাৱধান হই থাকে, তেন্তে একো বিপদজনক নহই ; কিন্তু এই কেই আসাৰ কথা কঁওতে, তাৰ মুখ বিবৰ্ন হই গল।

তেয়িয়া খ্ৰিষ্টিয়ানে আসাৱানক বুলিলে, আমি এখোজো সেই ফাললৈ নগৈ আপোন বাটে চলি জাঁওহঁক।

আসাৱান। মই নিচই এ জানিচোঁ, নিজ-হিত-চিন্তকে এই ঠাই পালেহি জদি আমাৰ দৰে তাকো মতা হই তেন্তে সি একে বেলিএই তাক চাবলৈ ঘুৰি জাব।



খ্ৰিষ্টিয়ান। তাত একো সংসই নাই ; কিয়নো তাৰ মতে সেই ফাললৈকে নিএ ; আৰু সি জদি তাত নমৰাকৈও থাকে, তেন্তে তালৈ জোআবোৰৰ এসৰ ভিতৰত সি কেৱল এটাইহে থাকিব।

তেতিয়া দিমাই সিবিলাকক আকৌ মাতি কলে, তোমোলাকে আহি ইয়াক নোচোআহি নে ?

খ্ৰিষ্টীয়ানে গহিন মাতেৰে কলে, হেৰ দিমা, তই স্বৰূপেই প্ৰভুৰ ধৰম পথৰ সত্ৰু। তই নিজে বাটৰ পৰা এফলিয়া হই জোআৰ কাৰণে সৰ্বোপৰি বিচাৰ কৰ্তাৰ দ্বাৰাই দণ্ডৰ পাত্ৰ হলি, ২ তিমথি ৪, ১০। আকৌ কি কাৰনে আমাকো সেই দণ্ডৰ ভাগি কৰিব খোজ ? আমি অলপমান এফলিয়া হই গলেই, আমাৰ ৰজাই নিচই এ তাৰ বাত্ৰা সুনিব, আৰু আমি জি ঠাইত তেঁওৰ আগত সাহিয়াল ৰূপে থাকিবলৈ ইচা কৰোঁ, তাত কেৱল লাজ হে পাম।

তাতে দিমাই পুনৰাই ৰিঙি মাৰি কলে, মই ও তোমোলাকৰ এজন তাই ; জদি কিছু বেলি সমই পলম কৰা, তেন্তে মই ও তোমোলাকৰ লগত জাম।

তেতিআ খ্ৰিষ্টিয়ানে তাক কলে, তোৰ নাম কি ? মই জি নাম ধৰি মাতিলোঁ, সেই এ তোৰ নাম নহই নে ?

দিমা। হই, মোৰ নাম দিমা ; মই আব্ৰাহামৰ সন্তান।

খ্ৰিষ্টিয়ান। হই, মই তোক চিনি পাঁও ; গেহজি তোৰ আজোককাৰ, আৰু জিহুদা তোৰ বাপেৰ ; সিহঁতৰ খোজতে তই ও চলিচ ; তোৰ কথাৰ মাজত এই এ চল মাথোন ; তোৰ বাপেৰক বিস্বাস ঘাতকতাৰ দোসত ফাঁচি দিয়া হল ; তাতকৈ তই উতম পুৰুসৰ জোগ্য নহৱ ; তই নিচই এ জানিবি, আমি জেতিয়া ৰজাৰ ওচৰ পাম তেতিয়া তোৰ এই কু আচৰনবোৰ ৰজাক জনাম। তাকে কই সিবিলাকে আপোন বাটে গুচি গল।

কিন্তু ইয়াত এনেকৈ অলপ পলম হোআত, নিজ-হিত-চিন্তক আৰু তাৰ সঙ্গিবিলাক আহি ওচৰ পালেহি। তাতে দিমাই সিহঁতক হাত বাউল দি মতাত, সিহঁত আটাইবিলাক তালৈ গল। তাৰ পাচে সিহঁতে গৰাৰ পৰা গাঁতৰ তললৈ চোআত তাতে পৰিল নে, নাইবা জানিবলৈকে তললৈ নামি গল, নতুবা গাঁতৰ পৰা জি বিসম বায়ু কেতিয়াবা ওলাই, তাৰেই উসাহ নিৰোধ হই মৰিল, মই তাৰ একো ঠিকনা নেপালোঁ ; কেৱল মাথোন ইয়াকে জানে জে, তেতিআৰে পৰা সিহঁতকয়আৰু সেই বাটত দেখা নগল। তাতে খ্ৰিষ্টিয়ানে এই বচন গালে ;—

দিমা আৰু নিজ-হিত-চিন্তক;
দেখাচোন কি ৰূপ মিলই,
এটাই মাত্তে, আনে লৰে,
জেন তাৰ লাভৰ ভাগি হই ;
এইৰূপে সেই দুই জন মানুহ
সংসাৰত পাই সন্তোস,
আৰু বাট জাত্রা নকৰি
থাকিল তাতে লাগি মোহ।

পাচে মই চাই দেখিলোঁ সেই পথাৰ পাৰ হই গই এই জাত্রিক লোকে বাটৰ নিচেই ওচৰতে এটা অতি পুৰাতনিয়া স্তম্ভ দেখা পালে। আৰু তাকে দেখি, সিবিলাকে বৰ আচৰিত গিয়ান কৰিলে ; কিয়নো স্তম্ভ কোনো এজনি তিৰোতা মানুহ স্তম্ভ হৈ জোআৰ আক্রিতি জেন দেখিলে। এতেকে তাক ভালকৈ চাবৰ নিমিতে সিবিলাক তাৰ ওচৰলৈ গল ; কিন্তু চাই চাই প্রথমে তাৰ একো নির্নই কৰিব নোআৰিলে। পাচত আসাৱানে তাৰ মূৰত আচৰিত আখৰেৰে লিখা কেতবোৰ আখৰ দেখা পালে। কিন্তু তেঁও নিজে অসিখিত হোআ হেতুকে, খ্রিষ্টিয়ানে তাৰ অর্থ কোনো উপাইএৰে ওলিয়াব পাৰে কি চাবে, এই নিমিতে তেঁও খ্রিষ্টিয়ানক মাতিলে ; কিয়নো খ্রিষ্টিয়ান লিখা-পর্হা জনা মানুহ। তাতে খ্রিষ্টিয়ানে গই চাই অলপ আলোচনা কৰা মাত্রে এই কথা পালে, "লোটৰ তিৰোতাক সোঁঅৰা।" পাচে তাক আপোনাৰ সঙ্গি আসাৱানৰ আগতো পর্হি সুনালে। তাতে সিবিলাকে দুইও বিবেচনা কৰি বুজিলে জে, লোটৰ তিৰোতাই ৰখ্যা পাবৰ নিমিতে চদোমৰ পৰা পলোআ সমইত লুভিয়া মনেৰে পাচলৈ ঘুৰি চোআত, তাই জি স্তম্ভৰ আক্রিতি হল, সেই এ এই। সিবিলাকে সেই অদ্ভুত দৰসন পাই, এই ৰূপে কথোপকথন কৰিলে,—

খ্রিষ্টিয়ান। অহ, মোৰ ভাই, এই এ অতি সুভ দর্সন, লাভ পর্বত চোআবৰ নিমিতে আমাক দিমাই মতাৰ পাচত, ইয়াক দর্সন পোআত আমালৈ সুভ হৈচে ; তাৰ বাঞ্চাৰ দৰে, আৰু ভাই, তোমাৰো ইচাৰ দৰে আমি তালৈ জোআ হলে, কিজানি এই তিৰোতাৰ নিচিনা আম্হিও পাচত অহা লোকলৈ এই ৰূপ অদ্ভুত দর্সন স্তম্ভ হলহেঁতেন।

আসাৱান। মই জে তেতিয়া অগিয়ান হৈচিলোঁ, ইআতে মই অতিসই



অসন্তোস পাইচোঁ, আৰু লোটৰ তিৰোতাৰ নিচিনা জে মোৰ দসা নহল, ইয়াতো বৰ বিস্মই মানিচোঁ ; কিয়নো তাইৰ পাপে আৰু মোৰ পাপে কি বিসেস আচে ? তাই পাচলৈ চালে মাথোন; কিন্তু মই হলে জাবলৈকে ইচা কৰিচিলোঁ। ইস্বৰৰ অনুগ্রহ ধন্য হওক মোৰ মনত জে তেনে ভাব উদই হল, তাৰ কাৰণে মই মনত বৰ লাজ পাইচোঁ।

খ্রিষ্টিয়ান। আমাৰ আগলৈ উপকাৰ হবৰ নিমিতে, ইয়াত জি জি দেখিচোঁ, আঁহা, তাক বিবেচনা কৰোঁহঁক, দেখা, এই তিৰোতা এটা সাস্তিৰ পৰা হাত সাৰিল ; কিয়নো চদোমৰ বিনাসত তাই নষ্ট নহল ; কিন্তু আমি দেখাৰ দৰে, তাই আন বিলাসত পৰিল, অর্থাত লৱন-স্তম্ভ হল।

আসাৱান। সেই এ স্বৰূপ আৰু তাই আমালৈ সিখ্যা আৰু চেতনা এই উভই হব পাৰে ; অর্থাত তাইৰ দৰে পাপ কৰিলে আমিও তাইৰ দৰে সাস্তি পাম ; এতেকে সেই পাপৰ বিসয়ে সাৱধান থকা আমাৰ উচিত, এই স্তম্ভই আমাক এই সিখ্যা দিচে। আৰু কোৰহ, দাহন, অবিৰাম, আৰু সিহঁতৰ লগত জি দুস পঞ্চাচ লোক আপোনবিলাকৰ পাপৰ কাৰণে বিনষ্ট হল, আমাক চেতনা দিবৰ নিমিত্তেহে সিহঁত চিন আৰু দ্রিষ্টান্ত স্বৰূপ হল। কিন্তু এটা কথাত মই বৰ আচৰিত মানিচোঁ, অর্থাত এই তিৰোতাই ধনৰ নিমিতে কেৱল পাচলৈ মুখ ঘুৰাই চোআৰ কাৰণে (কিয়নো তাই বাটৰ পৰা এটা খোজো এফলিয়া হই গল বুলি আমি পর্হা নাই) লৱন-স্তম্ভ হল, তেন্তে কেনেকৈ দিমা আৰু তাৰ লগৰিয়াবিলাকে থিৰ মনেৰে তেনে ধন বিচাৰিব পাৰিচে ? কেৱল সেই এ নহই, তাই জি সাস্তিত পৰিচিত, সেই সাস্তি সিহঁতৰ চকুৰ আগত দ্রিষ্টান্ত স্বৰূপ হৈ আচে ; চকু মেলিলেই দেখোন সিহঁতে তাইক দেখা পাব পাৰে।

খ্রিষ্টিয়ান। হই, ই বৰ আচৰিত ; মোৰ বিবেচনাত, সেই বিসইতে সিহঁতৰ মন কঠিন হই গল বুলি মই বুজিচোঁ। সোধাৰুৰ আগতে ডকা দি নিয়া, নাইবা ফাঁচি কাঠত তোলা সমইতে চুৰ কৰা মানুহ লগত সিহঁতৰ তুলনা কৰিচোঁ ; তাৰ বাহিৰে মই আন কাৰো লগত তুলনা দিব নোআৰোঁ। চদোমৰ মানুহবিলাক অতিসই পাপিষ্ঠ বুলি প্রখ্যাত হৈচিল ; কিয়নো সিহঁতে প্রভুৰ সাখ্যাতে পাপ কৰিলে, অর্থাত চদোমভূমি তেতিয়া উদ্যানৰ নিচিনা আচিল, আৰু প্রভুৱে সিহঁতলৈ ইমান অনুগ্রহ প্রকাস কৰাতো, সিহঁতে তেওঁৰ দ্রিষ্টিত পাপ কৰিলে, এই নিমিতে ইস্বৰে অতিসই ক্রুদ্ধ হই, আকাসৰ পৰা অগনি বৰসাই সিহঁতক আসহনিতা সাস্তি দিলে। এতেকে আমি বুজিব

পাৰিচোঁ জে, কুপথে নেজাবৰ নিমিতে ইমান দ্রিষ্টান্ত সমুখত থাকিলেও, জিবিলাকে দিমাৰ দৰে পাপ কৰে, সিবিলাকে অৱস্যে আটাইতকৈ কঠিন সাস্তি পাব।

আসাৱান। তুমি ঠিক কথা কৈচা, কিন্তু বিসেসকৈ, মই জে লোকলৈ এনে আহিঁ নহলো ইয়াতে মোলৈ বৰ অনুগ্রহ প্রকাস পাইচে। এতেকে ইস্বৰৰ ধন্যবাদ কৰা আৰু তেঁওৰ সাখ্যাতে ভইৰে আচৰন কৰা, আৰু লোটৰ তিৰোতাক সদাই সোৱঁৰনত ৰখা কর্তব্য।



১১ আধ্যা

তেতিয়া মই দেখিলোঁ, সিবিলাকে জাঁওতে জাঁওতে এখন মনোহৰ নদি পালেগৈ; সেই নদিক দাইওদ ৰজাই "ইস্বৰৰ নদি" বুলিচিল, কিন্তু জোহনে "অম্রিত জলৰ নদি" বুলিচিল। খ্রিষ্টিয়ান আৰু আসাৱানে আপোনবিলাকৰ বাটে এই নদিৰ দাঁতিএদি জোআ দেখি, বৰ ৰঙ্গ মনেৰে জাবলৈ ধৰিলে; তাত বাজে সিবিলাকে নদিৰ পানি পান কৰাত, সিবিলাকৰ স্রান্তি দুৰ হল; আৰু মনও আনন্দিত হল। সেই নদিৰ দুই পাৰে অনেক প্রকাৰ জিয়া গচ আচিল; তাত নানাবিধ গুটি ধৰিচিল; সেই গচবোৰৰ পাত আৰোগ্যজনক। এতেকে সিবিলাকে আনন্দ মনেৰে গুটি পাৰি ভোজন কৰিবলৈ ধৰিলে; আৰু অধিককৈ খোআত আৰু খোজ কাঢ়ি ফুৰাত তেজ বেয়া হলে জি জি ৰোগ জন্মে, সেই সকলো ভাল হবৰ নিমিতে সিবিলাকে সেই গচৰ পাত ভোজন কৰিলে। তাৰ বাহিৰে, সেই নদিৰ দুই পাৰে কেঁচা ত্রিন আৰু নানা ফুলেৰে বাৰেও মাহ বিভুসিত হোআ এখন পথাৰ আচিল। সেই পথাৰতে সিবিলাকে সয়ন কৰিলে; কিয়নো তাত সুলে কোনো বিঘিনি নাই। পাচে জেতিয়া সাৰ পালে, তেতিআ সিবিলাকে পুনৰাই গচৰ গুটি পাৰি ভোজন কৰিলে, আৰু পানি পান কৰি পুনৰাই নিদ্রা জাবৰ নিমিতে সুই থাকিল। এইৰুপে কেইবা দিন আৰু কেইবা ৰাতিও থাকিল। পাচে এই বচন গালে;

দেখাচোন, নদিৰ নির্মল জল,
কি ৰুপ স্রিঙ্খভাৱে বই;
স্রান্ত হই জোআ পথিক লোকৰ
প্রান জুৰাই আনন্দ দিআই।
কেঁচা ত্রিনে ভুসিত পথাৰ,
তাৰ সুগন্ধে মলমলাই;
তাৰ বাহিৰে জাত্রিক লোকে
নানা সুখে তিপ্তি পাই।

কি ৰূপ উত্পন, কেনে সুন্দৰ
ত্ৰিথ্যৰ গুটি পাতো হই ;
জি জন জানে, সি তাৰ বস্তু
বেচি, পথাৰ কিনি লই ।

পাচে সিবিলাকে আৰু এবাৰ সেই ঠাইতে ভোজন পান কৰি আগলৈ জাবলৈ জুগুত হল ; কিয়নো তেতিয়াও সিবিলাকৰ জাত্ৰা সমাপ্ত হোআ নাই ।

তেতিয়া মই সমাজিকত দেখিলোঁ, সিবিলাকে এই নদিৰ পাৰেদি অনেক অনেক দূৰ জাবলৈ নৌ পাঁওতেই, নদিৰ পৰা সিবিলাকৰ পথ কিচুমান বাটলৈকে আঁতৰ হই জোআ দেখিলে ; তাতে সিবিলাকে মনত বৰ অসন্তোস পালে ; কিয়নো নদিৰ ওচৰৰ বাট চিকন আছিল, আৰু নদি দেখিবলৈকো ভাল পালে ; তাৰ পৰা আঁতৰ হৈ জোআ বাট খলা-বমা, আৰু সিবিলাকে অনেক দিন জাত্ৰা কৰোঁতে সিবিলাকৰ ভৰি কোমল হই জোআত, তাত জাবলৈ মনত বিৰক্ত পালে ! এতেকে আগলৈ জাওঁতে উতম বাট পাবলৈ বাঞ্চা কৰিলে । এনেতে সিবিলাকৰ অলপ আগতে বাটৰ বাঁও ফালে অবাটৰ পথাৰ নামেৰে এখন পথাৰ আৰু তাত সোমাবলৈ এখন ডেওনা দেখা পালে ! তেতিয়া খ্ৰিষ্টিয়ানে তেঁওৰ সঙ্গি আসাৰানক কলে, সেই পথাৰ জদি আমাৰ বাটৰ ওচৰে ওচৰে গৈচে, তেন্তে বলা তাৰ মাজেদি- এই জাওঁহঁক ; ইয়াকে বুলি গই সেই পথাৰলৈ জাবৰ নিমিত্তে খ্ৰিষ্টিয়ানে সেই ডেওনাৰ ওপৰত উঠিলত বেৰাৰ ভিতৰ ফালে এটা বাট দেখিলে । তাতে খ্ৰিষ্টিয়ানে আনন্দিত হই কলে, হুই, মোৰ ইচাৰ দৰেই পাইচোঁ ; এই পোনে জাবলৈ সহজ হব ; আঁহা, প্ৰিয় আসাৰান, আমি পাৰ হই জাঁওহঁক ।

আসাৰান । কিন্তু পথে জদি আমাক আও-বাটে নিএ, তেতিয়া কি হব ?

খ্ৰিষ্টিয়ান । তেনে হব নেপাই ; চোআহিচোন, এই পথ ঠিক আলিবাটৰ কানেদি এই নগৈচে নে ? এই ৰূপে আসাৰানে আপোন সহজাত্ৰিৰ কথাত সন্মত হলত, দুইএ ডেওনা পাৰ হই, সেই পথেদি জাবলৈ ধৰিলে ; আৰু সৰু বাট হোআ হেতুকে তাত চলিবলৈ বৰ টান নেপালে ; আৰু জাওঁতে চকু তুলি আগলৈ চোআত, সিবিলাকৰ দৰে তাত এটা মানুহক বাট বুলি জোআ



দেখিলে, তাৰ নাম কু-সাহ ; তাতে সিবিলাকে তাক ৰিঙ্গিআই সুধিলে, বোলে, হেৰা, এই বাট কলৈ গৈচে ? সি বুলিলে, স্বৰ্গিঅ ৰাজধানিৰ দুআৰলৈ গৈচে । তাতে খ্ৰিষ্টিয়ানে কলে, দেখা, মই সেই ৰূপে ন কৈচিলোঁ নে ? এতেকে আমি জে স্বৰূপ বাটতে আচোঁ, ইআৰ দ্বাৰাই তুমি ঠিককৈ জানিব পাৰা । পাচে সিবিলাক কু-সাহৰ পাচে পাচে চলি গল । কিন্তু দেখা, এনেতে ৰাতি হলত, বৰ আন্ধাৰ হল ; তাতে পাচত জোআবোৰে আগত জোআটোক দেখা পাব নোআৰিলে ।

তেতিআ আগত জোআটোএ জাৰ নাম কুসাহ, সি বাট দেখা নোপোআত, জি গাঁত অহঙ্কাৰি মুৰ্খক ধৰিবৰ নিমিত্তে ভূমিৰ অধিপতিএ খনাইচিল, সি তাতে পৰি চুনচাত হল ।

তেতিয়া খ্ৰিষ্টিয়ান আৰু তেওঁৰ সহজাত্ৰি আসাৰানে তাক পৰিবৰ সুনি, কি হল কি হল বুলি সুধিলে ; কিন্তু তাৰ উতৰ দিঁওতা কোনো নহল, কেৱল কিবা কেঁকনিৰ মাতহে সিবিলাকে সুনিবলৈ পালে । তেতিয়া আসাৰানে কলে, এতিআ আমি কত আচোঁহঁক ? তাতে খ্ৰিষ্টিয়ান নিৰুত্তৰ হল ; কিয়নো আপোন ভাইক জে অপথে নিলে, সেই কথা তেতিয়াহে তেঁওৰ মনত পৰিল, সেই সময়তে অকস্মাত ৰতাহ বৰষুণ আৰু ভইঙ্কৰৰূপে মেঘ গৰ্জন হল, আৰু পানিও বৰকৈ বাঢ়িব ধৰিলে ।

তেতিয়া আসাৰানে আপোনা-আপোনি কেঁকাই বুলিলে, অস, ময় আপোন বাটত থকা হলে কেনে ভাল আছিল ।

খ্ৰিষ্টিয়ান । ভাই, এই বাটে আমাক অপথে নিব বুলি নো কোনে জানে ?

আসাৰান । ময় প্ৰথমে তালৈ ভই কৰি, তোমাক কিচু সাৱধান কৰাইচিলোঁ । তুমি মোতকৈ বয়সিআ নোহোআ হলে, ময় বৰকৈ নিসেধ কৰিলোঁহেঁতন ।

খ্ৰিষ্টিয়ান, প্ৰিয় ভাই, মোত বেজাৰ ন কৰিবা ; ময় তোমাক অপথে আনি, এনে ঘোৰ সঙ্কটত পেলোআৰ কাৰনে বৰ অসন্তোস পাইচোঁ । বিনই কৰোঁ, ভাই, মোক খেমা কৰা ; ময় তোমাক দুখ দিবৰ নিমিত্তে ইআক কৰা নাই ।

আসাৰান । থিৰ হোআ, ভাই, ময় তোমাক খেমা কৰিচোঁ ; তাত বাজে ময় ভাবিচো, এই এ আমাৰ হিত হে হব ।

খ্ৰিষ্টিয়ান, মোৰ লগত এনে এজন খেমাৱান ভাই থকাত ময় বৰ আনন্দ

পাইচোঁ ; কিন্তু আমি ইআত বৈ থকা ভাল নহই উভটি জাবলৈ কাৰ্বাৰ কৰোঁহঁক।

আসাৱান, কিন্তু প্ৰিয় ভাই, মোক আগত জাবলৈ দিয়া।

খ্ৰিষ্টিয়ান। নহই, ভাই, মোৰ দোসতেই দুই ও পথ-ভ্ৰষ্ট হলোঁ, এই দেখি মইহে আগত জাব খোজোঁ ; কিয়নো জদি কোনো আপদ ঘটে, তেন্তে মইহে তাত আগেএ পৰিবৰ উচিত।

আসাৱান। নহই, নহই, মই তোমাক আগত জাবলৈ দিব নো আৰোঁ ; কিয়নো তোমাৰ মন উগুলথুগুল হোআত, কিজানি আকৌ পথ-ভ্ৰষ্ট হবা। তেতিয়া সিবিলাকে সাহ পাবৰ নিমিতে কোনো এজনে কোআ এই সবদ সুনিলে বোলে, "আলিবাটলৈ তোমাৰ মন পোলোআ হওক, অৰ্থাত প্ৰথমে জি বাটেদি গৈচিলা, তালৈকে উভটি জোআ," কিন্তু তেতিয়া হলে, পানি বৰকৈ বৰ্হাত, উভতি জোআ বাটত বৰ সঙ্কত আচিন। তাতে ময় ভাবিচিলোঁ, বাট এৰি জোআতকৈ তালৈ উভটি জোআ অতি টান। তথাপি এই দুজন লোকে উভটি জাবলৈ সাহ পালে। কিন্তু একেই ঘোৰ আন্ধাৰ, তাতে জলাহাৰ পানি বৰকৈ বৰ্হাত, সিবিলাক উভটি জাঁওতেন কি দহ বাৰমান জোবোৰা খাই পানিত তল জাব লগিআ হৈচিল।

সেইৰুপে সিবিলাকে সকলোভাৱে জতন কৰাতো, সেই ৰাতি আলি বাটৰ ডেওনা পাব নো আৰিলে। পাচে সিবিলাকে সৰু পঁজা এটা পাই তাতে বহি ৰাতি পুআবলৈ বাট চাই থাকিল ; কিন্তু বৰ ভাগৰ লগাত টোপনি গল। সিবিলাক সুই থকা ঠাইৰ পৰা অলপ দূৰৈত সংসই নামেৰে এটা কোঁঠ আচিল, আৰু তাৰ গৰাকি আসা-ভঙ্গ নামেৰে এটা অসুৰ। জি ভুমিত খ্ৰিষ্টিয়ান আৰু আসাৱান সুইচিল, সেই ভুমিও অসুৰৰ হোআত, সি আপোন পথাৰৰ মাজত ফুৰোঁতে, আপন ভুমিত সিবিলাকক সুই থকা পালে। তাতে সি বিকটমুৰ্ত্তি হই কটু বাক্যেৰে সিবিলাকক জগাই কলে, বোলে, হেৰহঁত উঠ, তহঁত কৰ মানুহ? আৰু মোৰ ভুমিত তহঁতে নো কি কৰিচহঁক? তাতে সিবিলাকে বুলিলে, হে দেউতা,আমি জাত্ৰিক মানুহ ; আমি আপোন বাট হেৰুআলোঁ। তেতিয়া অসুৰে বুলিলে, তহঁতে আহি এই ৰাতি মোৰ ভুমিত সোআৰ কাৰণে, তহঁতৰ জগৰ হল ; এতেকে তহঁত এতিয়া মোৰ লগত জাব লাগে। তাতে সিবিলাকতকৈ অসুৰ বলৱান হোআ হেতুকে, সিবিলাক তাৰ লগত জাব লগিআ হল। তাত বাজে সিবিলাকে নিজেও দোসি বুলি জানি, তাৰ অহিতে একো কথা কব নোআৰি



মনে মনে থাকিল। তেতিয়া অসুৰে সিবিলাকক আগ কৰি, পাচে পাচে খেদি লই গই, কোঁঠৰ এটা অন্ধকাৰময় বন্দিসালত পেলাই থলে। সেই ঠাইতে সিবিলাকে বুধবাৰৰ ৰাতিপুআৰ পৰা শনিবাৰৰ ৰাতিলৈকে আহাৰ, বা এটোপা পানি, বা পোহৰৰ মুখকে দেখা নেপালে ; আৰু কেনে আচা বুলিও কোনো সোঁধোতা নাচিল ; এইৰুপে সিবিলাক অতি দুৰ্দসাত পৰি, মিতিৰ-কুটুমবৰ পৰা নিচেই আঁতৰ হৈছিল। তাতে খ্ৰিষ্টিয়ানৰ দুগুন দুখ বাৰ্হিল ; কিয়নো তেঁওৰ নিবুৰ্ধি আলচৰ দ্বাৰাইহে সিবিলাক এনে দুখত পৰিল।

আসা ভঙ্গ অসুৰৰ ভইআতুৰি নামেৰে এজনি তিৰোতা আচিল। অসুৰে ৰাতি সুবৰ সময়ত তাইক কলে, মোৰ ভুমিত দুজন মানুহে অনধিকাৰ প্ৰবেস কৰাৰ কাৰনে, ময় সিহঁতক বন্দিসালত বন্ধ কৰি ৰাখিচোঁ ; সিহঁতক কি কৰিলে ভাল হব? তাৰ তিৰোতাই সুধিলে, সিহঁত নো কৰ পৰা আহিচে? কলৈ জাব খুজিচিল? পাচে অসুৰে সেই সকলোকে কলত, তাই বুধি দি বুলিলে, তুমি ৰাতিপুআই উঠি, সিহঁতক নিৰ্দইৰুপে কোবাবাগৈ। পাচে অসুৰে ৰাতিপুআই উঠি কাঁইট থকা লাঠি এডাল লই সিবিলাকৰ ওচৰলৈ বন্দিসাললৈ গল ; আৰু সিবিলাকে তাৰ বিৰুদ্ধে একো কথা নোকোআতো, সি প্ৰথমেই সিবিলাকক কুকুৰক কৰাৰ দৰে বিকৰ্থনা কৰিলে ; পাচে সিবিলাকৰ ওপৰত পৰি নিৰ্দয়াৰুপে কোবোআত, সিবিলাক এনেহে লাল কাল হল জে, উঠি কোনো কৰম কৰোক চাৰি আপোন আপোন গাকে সিবিলাকে মাটিতে লৰচৰ কৰি ঘুৰাব নোআৰিলে। সি ইয়াকে কৰি এঁটাই, সিবিলাকক দুখ-বেদনাত বিলাপেৰে সোক কৰিবলৈ এৰি গল। এনে দুৰাৱস্থাতে সিবিলাকে হুমুনিআই আৰু কেঁকনিৰে সেই গোটেই দিন নিআলে। পাচে ৰাতি ভইআতুৰিএ আপোনাৰ গিৰিএকে সৈতে সিবিলাকৰ বিসয়ে কথাবাত্ৰা হই, সিবিলাক তেতিআও জিআই থকা জানিলত, তাই অসুৰক বুলিলে, সিহঁত জেন আত্মঘাতি হব, এনে আলচ সিহঁতক দিয়া। পাচে ৰাতি পুআলত, সি পুৰ্বৰ দৰে খঙ্গেৰে সিবিলাকৰ ওচৰলৈ গল ; আৰু সি দিনৰ জাতনাৰে সিবিলাকক লাল কালহই থকা দেখিও, সিবিলাকক এই আলচ দিলে, বোলে, দেখ, তহঁতে এই ঠাইৰ পৰা কেতিয়াও মুকলি হব নোআৰিবি, এতেকে তহঁতে ডিঙ্গিত ডোল লগাই, বা কটাৰিৰে কাটি, নতুবা বিহ খাই এ মৰা ভাল ; কিয়নো জি জিৱনত ইমান দুখ এনে জিৱনত কি প্ৰয়োজন আচে? কিন্তু সিবিলাকে মুকলি হবৰ

নিমিত্তে তাক মিনতি কৰিলে। তাতে সি সিবিলাকলৈ ক্ৰোধেৰে চাই এনেহে বেগেৰে খেদি গৈছিল, জে পৰা হলে ততখ্যনাত নিজেই সিবিলাকক বধ কৰিলেহেঁতেন ; কিন্তু বহুদিনৰপৰা সেই মানুহৰ ম্ৰিগি ৰোগ আছিল ; ৰদ উঠিলে, সময়এ সময়এ সেই ৰোগৰ কাৰনে সি মূৰ্চিত হই কিচু পৰলৈ হাত ভৰি লৰচৰ কৰিব নোআৰা হই ; এই সময়তো সি সেইৰুপে হঠাৎ মূৰ্চিত হোআত, সি আৰু একো কৰিব নোআৰিলে ; কিন্তু সিবিলাকৰ বিসয়ে কি কৰিব, তাকে বিবেচনা কৰিবলৈ তাৰ পৰা গুচি গল। এই সময়তে বন্দিআৰ দুইজনে অসুৰৰ বুধি লোআ ভাল নে বেয়া এই বিসয়ে পৰামৰ্স কৰিবলৈ ধৰিলে।

খ্ৰিষ্টিয়ান। ভাই আমি কি কৰিমহঁক। এইৰুপে জিয়াই থকা অতি দুখ্যজনক। ময় হলে, সেইৰুপে জিয়াই থকা ভাল নে, নাইবা একেবাৰে মৰাই ভাল, তাক কব নো আৰিচোঁ। জিয়াই থকাতকৈ টেটুত চেপা দি মৰি জোআই মোৰ মনে ভাল জেন বুজোঁ, আৰু এই বন্দিসালত থকাতকৈ মৈদামত থকাই সুখ জেন পাঁও, এতেকে এই অসুৰৰ আলচ লমনে নলম ?

আসাৱান ? আমাৰ বৰ্তমান অৱস্থা অতি ভইআনক হওঁতে হৈচে হই, আৰু এনে ভাৱে সদাই থকাতকৈ মোলৈকো মৰনেই নিচই এ সুভাগ্য ; কিন্তু আমি জি দেসলৈ গৈচোঁ, তাৰ প্ৰভুএ জি কথা কৈচে, তাক বিবেচনা কৰোঁহঁক দেখা, তেঁও কৈচে, "নৰ-বধ নকৰিবা"। এতেকে অইনক বধ কৰা জদি অনুচিত হই, তেন্তে তাতকৈ আমি অসুৰৰ আলচ লৈ আপোনাকে বধ কৰা অধিক গুনে নিসিদ্ধ বুলি মানিব লাগে। তাত বাজে আৰু কওঁ, জি জনে লোকক বধ কৰে, সি কেৱল তাৰ সৰিৰকহে বধ কৰে ; কিন্তু জি জনে আপোনাকে আপুনি বধ কৰে, সি সৰিৰ আৰু আত্মা দুইকো একেবাৰে বধ কৰে। ইয়াৰ বাহিৰে, ভাই, তুমি মৈদামত জিৱনি পোআৰ কথা কৈচা, কিন্তু বধ কৰাবোৰ জে নৰকলৈ অৱস্যে জাব, তাক তুমি পাহৰিলা নে ? কিয়নো অনন্ত জিৱনত বধ কৰোঁতাবিলাকৰ কোনো অধিকাৰ নাই ; আৰু এই এটা কথা আমি বিবেচনা কৰোঁহঁক জে, সকলো বিধি ব্যৱস্থা আসা-ভঙ্গ অসুৰৰ অধিন নহই ; মই ভাবিচোঁ, আমাৰ দৰে সি আন লোককো বন্দিসালত বন্ধ কৰি ৰাখিছিল ; তথাপি সিবিলাকে তাৰ হাত সাৰি গল। জি জন ইশ্বৰে জগত স্ৰিষ্টি কৰিলে, তেঁও কিজানি আসা-ভঙ্গ অসুৰক মাৰিব, নাইবা কোনো সময়ত সি আমাক বন্ধ কৰি তলা-চাবি মাৰিবলৈকে পাহৰিব, নতুবা পুনৰাই সি কিজানি ইয়াতে মূৰ্চিত হৈই পৰি, হাত-ভৰি লৰচৰ কৰিব



নো অৰা হব, তাক কোনে কব পাৰে ? ময় হলে এইৰুপে মন থিৰ কৰিচোঁ জে, জদি তাৰ আকৌ এনে ঘটনা হই, তেন্তে অতি সাহেৰে তাৰ হাত সাৰিবলৈ ময় প্ৰানপনে যতন কৰিম ; আগেএ জে সেইৰুপে ন কৰিলোঁ, এই এ অতি মূৰ্খৰ কাৰ্জ হল। তথাপি হে মোৰ ভাই, আমি ধৈৰ্জ্য ধৰি অলপমান সহন কৰি থাকোঁহঁক , জি দিনা আমি আনন্দেৰে মুকলি হই জাব পাৰিম ; এনে কাল কিজানি আহিব ; কিন্তু আমি আত্মঘাতি নহওঁহঁক। এইবোৰ কথাৰে আসাৱানে আপোন ভাইৰ মন তেতিয়া কিচু থিৰ কৰিলে, এইৰুপে গোটেই দিন সেই অন্ধকাৰতে সিবিলাক দুই ও সোকাকুল অৱস্থাত পৰি থাকিল।

পাচে গধুলি বেলা হলত, বন্দিআৰবোৰে আপোন আলচ ললে কি নললে, অসুৰে তাক জানিবৰ নিমিত্তে পুনৰাই বন্দিসাললৈ গল ; আৰু সি তালৈ গই সিবিলাকক জিয়াই থকা পালে হই, কিন্তু সেইএ নথকাৰ নিচিনা ; কিয়নো অন-জলৰ অভাৱত, আৰু তাৰ কোবৰ ঘাৰ কাৰণেও সিবিলাকে নিশ্বাস লোআৰ বাহিৰে প্ৰাইএ একোকে কৰিব নোআৰিচিল। তথাপি মই কোআৰ দৰে, সি সিবিলাকক জিয়াই থকাকে পালে ; এই নিমিত্তে সি অতিসই ক্ৰোধেৰে সিবিলাকক কলে, তইঁতে জদি মোৰ আলচ নলঅ, তেন্তে এনে দুৰ্দসা ঘটাম জে, তইঁতৰ জনম নোহোআ হলেই ভাল আছিল।

ইআকে সুনি সিবিলাকে বৰকৈ কঁপিব ধৰিলে, আৰু খ্ৰিষ্টিয়ানক হলে মূৰ্চিত হই জোআ জেন দেখিলোঁ ; কিন্তু অলপ চেতন পালত, অসুৰে দিয়া আলচ ললে ভাল নে বেয়া, তাকে সিবিলাকে পুনৰাই বিবেচনা কৰিবলৈ ধৰিলে। পাচে খ্ৰিষ্টিয়ানক হলে সেই আলচত সনমতি প্ৰকাস কৰা জেন দেখা গৈচিল কিন্তু আসাৱানে পুনৰাই তেঁওক এইৰুপে উতৰ দিলে—

আসাৱান। হে মোৰ ভাই, তুমি ইয়াৰ আগেএ কেনে সাহিআল আছিলা, তাক সোঁঅৰা নাই নে ? আপলিওনে তোমাক মৰ্দন কৰিব নোআৰিলে ম্ৰিত্যুচায়াৰ সমথলত তুমি জি জি দেখিলা, সুনিলা বা গমকে পালা তোমাক বিনষ্ট কৰিবলৈ সেইবোৰৰো সাধ্য নহল ; তাত বাজে কেনে দুখ, কষ্ট ভই আৰু অদভুত দৰ্সনৰ পৰা তুমি ৰখ্যা পালা! এতিয়া অৱসেসত ইমান ভইআতুৰ হোআ নে ? ময় স্বভাৱতে তোমাতকৈ নিচেই নিৰ্বলি মানুহ, তথাপি এই অন্ধকাৰ বন্দিসালত ময় জে তোমাৰ লগতে আচোঁ, ইআক তুমি দেখিচাই ; তাত বাজে এই অসুৰে তোমাৰ দৰে মোকো খতবিখত কৰিলে ; সি মোৰো অন-জল নিবাৰন কৰিচে ; আৰু তোমাৰে সৈতে মইও পোহৰ

নোপোআকৈ সোক্ৰ কৰিচোঁ; এতেকে আমি আৰু অলপমান ধৈৰ্য্য ধৰোঁহঁক। অসাৰ হাটত তুমি কি ৰূপে পুৰুসালি গুনেৰে সিকলি, পিনজৰা, আৰু নিষ্ঠুৰৰ ম্ৰিত্যুকো হেয় গিয়ান কৰি একো ভই নকৰিলা, তাক সোঁৱৰাচোন। এতেকে জিহতে খ্ৰিষ্টিয়ান মানুহৰ হঁাহিআত নহই, বিসেসকৈ তাৰ কাৰণেই পাৰোঁমানে সহনিআ হুই থাকোঁহঁক।

পাচে আকৌ ৰাতি হোআত অসুৰে আপোনাৰ তিৰোতাৰ লগত সোঁওতে তাই বন্দিআৰহঁতৰ কথা, বিসেসকৈ সিহঁত তাৰ আলচত সন্মত হল কি নহল সেই কথাও তাক সুধিলে। তাতে অসুৰে উত্তৰ দি কলে সিহঁত নিচেই কঠিন মানুহ সিহঁতে সকলো প্ৰকাৰ দুখকে সহিবলৈ ইচা কৰে, তথাপি আত্মঘাতি হবলৈ ইচা নকৰে। তাকে সুনি তাই বুলিলে, কাইলৈ সিহঁতক কোঁঠৰ চোঁতাললৈ নি আগেএ তুমি জি বোৰক নষ্ট কৰিছিলা, সেইবোৰৰ হাৰ মুৰ আদি দেখুআই সিহঁতৰ মনত এইৰূপে প্ৰবোধ জন্মাই কবা জে, তহঁতৰ আগে এ অহাবোৰক জি কৰিলোঁ, এইআ চাইক এইৰূপে এসপ্তাহৰ মুৰত তহঁতকো ডোখৰ ডোখৰ কৰিম।

পাচে ৰাতি পুআলত, অসুৰে আকৌ বন্দিসাললৈ গই সিবিলাকক কোঁঠৰ চোঁতাললৈ নি ঘৈনিএকে কোআৰদৰে দেখুআই সিবিলাকক কলে, এইবোৰ তহঁতৰে নিচিনা আগৰ জাত্ৰিক আছিল, আৰু তহঁতৰ দৰে ইহঁতেও মোৰ ভুমি গচকিলে পাচে ময় উচিত সমইত সিহঁতক এইৰূপে ডোখৰ ডোখৰ কৰি পেলালো, দেখ দহ দিনৰ মুৰত তহঁতকো এই একেৰূপে কৰিম, এতিয়া তহঁতে আপোনাৰ গাঁতলৈ উভতি জাহঁক; সি তাকে কৈ সিবিলাকক তালৈকে কোবাই কোবাই নিলে। তাতে সিবিলাক আগৰ দৰে দুখ-সন্তাপেৰেই গোটেই সনিবাৰৰ দিনটো তাত পৰি থাকিল। পাচে জেতিয়া ৰাতি হল, তেতিআ অসুৰৰ ঘৈনিএক ভইআতুৰি আপোনাৰ গিৰিএক অসুৰে সৈতে সুবলৈ গলত, সিহঁত দুইও আপোনাৰ বন্দিআবহঁতৰ কথা আকৌ কোআকুই কৰিবলৈ ধৰিলে। বুৰা অসুৰে কলে, সিবিলাকক জে কোনো আলচেৰে বা সাস্তিএই বিনষ্ট কৰিব নোআৰিলোঁ ইআতে ময় বৰ বিস্মই মানিচোঁ তাতে ঘৈনিএকে বুলিলে, ময় ভাবিচোঁ কিজানি কোনো লোকে আহি ৰখ্যা কৰিব বুলি সিহঁতে আসা কৰিচে, নাইবা সিহঁতৰ লগত কোনো চাবি আচে হবলা, তাৰে সৈতে বন্দিসালৰ দুআৰ মেলি মুক্ত হব পাৰিম বুলি ভাবিচে। তেতিয়া অসুৰে মাত লগাই কলে, মোৰ প্ৰিয়া, তুমি কি কৈচা। তুমি এনেকৈ ভাবিচা নে? তেনেহলে ময় ৰাতিপুআই সিহঁতৰ গা চামগৈ।



সেই সনিবাৰৰ ৰাতি মানিসা মানত, খ্ৰিষ্টিয়ান আৰু আসাৱানে ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, আৰু প্ৰাই ৰাতিপুআ পোহৰ হোআলৈকে প্ৰাৰ্থনা কৰি থাকিল। পাচে পোহৰ হোআৰ অলপৰ আগেএ, উত্তম খ্ৰিষ্টিয়ানে বিস্মই হোআৰদৰে অকস্মাত উত্তসাহ মাতেৰে কলে, অস, ময় কেনে অগিয়ান! বাহিৰ হৈ জাবৰ সুবিধা থকাতো, কিয় এই দুৰ্গন্ধ অন্ধকাৰময় বন্দিসালত পৰি থাকিচোঁ? মোৰ বুকত অঙ্গিকাৰ নামেৰে এটা চাবি আচে; আৰু ময় জানিচোঁ, তাৰ দ্বাৰাই সংসই কোঁঠৰ আটাইবোৰ তলা মেলিব পাৰিম। তাতে আসাৱানে বুলিলে, সেই এ দেখোন অতি সুভ সংবাদ; প্ৰিয় ভাই, তোমাৰ বুকৰ পৰা তাক উলিআই চোআচোন পাৰা নে নোআৰা মেলিব।

তেতিয়া খ্ৰিষ্টিয়ানে আপোনাৰ বুকৰ পৰা তাক উলিআই বন্দিসালৰ দুআৰ মেলিব পাৰে কি চাবে, এই নিমিত্তে চাবিটো তলাত সুমুআই, ঘুৰুআত, অতি সহজে দুআৰ মুকলি হল; তাতে খ্ৰিষ্টিয়ান আৰু আসাৱান দুইও বেগতে ওলাই আহিল। তেতিয়া খ্ৰিষ্টিয়ানে কোঁঠৰ দুআৰলৈ আহি, সেই চাবিৰে তাকো মেলি কোঁঠৰ চোঁতাল ওলালহি, তাৰ পৰা বাহিৰৰ লোৰ দুআৰলৈ আহিল; আৰু তাকো মেলিব লগিআ হলত, তেওঁ সেই চাবিটো সুমুআই ঘুৰুআত বৰ টান পালে; তথাপি চাবিএ সেই তলাকো মেলিলে; কিন্তু সেই দুআৰ মুকলিহঁওতে, এনেহে কেৰকেৰনি মাত হল জে, তাতেই আসা-ভঙ্গ অসুৰে সাৰ পাই, আপোনাৰ বন্দিআৰবোৰক খেদি জাবলৈ বেগাই উঠিল, কিন্তু আপোন অঙ্গ-প্ৰত্যঙ্গবোৰত সক্তি নোহোআ জেন পালে; কিয়নো তাক পুনৰাই সেই ম্ৰিগি-ৰোগে ধৰিছিল, এই নিমিত্তে সি কোনো মতে সিবিলাকৰ পাচত খেদি জাব নোআৰিলে? এতেকে খ্ৰিষ্টিয়ানে আপোন সঙ্গি আসাৱানে সৈতে হৈ পুনৰাই ৰাজবাট পাই ৰখ্যা পৰিল, কিয়নো সিবিলাক অসুৰৰ ভুমিৰ পৰা বাহিৰ ওলাই গল।

ডেওনা পাৰ হৈ গলত, সিবিলাকৰ পাচত অহা জাত্ৰিক লোক জেন আসা-ভঙ্গ অসুৰৰ হাতত নপৰিব, এই নিমিত্তে সেই ডেওনাত কি চিন থম বুলি ইজনে সিজনে বিবেচনা কৰিবলৈ ধৰিলে, পাচে বিবেচনা কৰি, সেই ঠাইতে এটা স্তম্ভ পুতিলে, আৰু তাৰ একালে এই কথা লিখি থলে, "এই ডেওনা পাৰ হৈ সংসই কোঁঠলৈ জোআ বাট, আৰু আসা-ভঙ্গ অসুৰ তাৰ অধিপতি হই স্বৰ্গিঅ ৰাজধানিৰ ৰজাক ঘিন কৰি, তেওঁৰ পবিত্ৰ জাত্ৰিক লোকক নষ্ট কৰিব খোজে।" এইৰূপে লিখি থোআতে, পচে অহা ভালেমান লোকে তাক পঢ়ি

সেই আপদৰ পৰা ৰখ্যা পালে। পাচে সিবিলাকে তাকে কৰি এটাই, এইৰুপে্ বচন গালে ;

পথৰ পৰা নিসেধ ভুমি
সোমাই গই পালোঁ জি ফল,
তাক চাই অন্য জাত্রিক লোকে
কৰোক সাৱধান এই থল।
সংসই কোঁঠত নিবাস কৰে
আসা-ভঙ্গ অসুৰ নাম জাৰ
এই ভুমিত সুমাই জি জি লোক,
হব সি তাৰ বন্দিআৰ।

পাচে সিবিলাকে জাঁওতে জাঁওতে, মনোহৰ নামেৰে পৰ্বতবোৰ পালেগৈ। আগৈএ জ্বি পৰ্বতৰ কথা কৈচিলোঁ, সেই পৰ্বতৰ অধিকাৰিজনেই এই পৰ্বতবোৰবো অধিকাৰি। এই হেতুকে সিবিলাকে তাত থকা ফুলনি বাৰি, উদ্যান, দ্রাখ্যাবাৰি আৰু পানিৰ ভুমুক আদি চাবৰ নিমিত্তে পৰ্বতবোৰৰ ওপৰলৈ উঠি গল ; আৰু সিবিলাকে তাতে গা ধুই গচৰ গুটি পাৰি খাই ত্রিপ্ত হল। আৰু সেই পৰ্বতবোৰৰ টিঙ্গত মেৰ-ৰখিআবিলাকে বাটৰ কাসৰত থিঅ হই আপোন আপোন জাঁকবোৰ চৰাই আচিল। এই কাৰনে সেই জাত্রিক লোকে সিবিলাকৰ ওচৰলৈ গই, ভাগৰুআ পথিক লোকে বাটত কোনোৰ লগত কথোপকথন কৰোঁতে আপোনাৰ লাখুটিত জেনেকৈ ভৰ দিএ, তেনেকৈ সিবিলাকেও আপোন আপোন লাখুটিৰ ওপৰত ভৰ দি, মেৰ ৰখিআবিলাকক সুধিলে, বোলে, এই মনোহৰ পৰ্বতবোৰ কাৰ? আৰু এইবোৰৰ ওপৰত চৰোআ জাকবোৰ বা কাৰ ?

মেৰ-ৰখিআ। এই পৰ্বতবোৰেই ইমানুএলৰ দেস ; আৰু ইআৰ পৰা তেওঁৰ' ৰাজধানি দেখা পোআ জাই ; আৰু এই জাকবোৰো তেওঁৰে, তেওঁ ইহঁতৰ নিমিত্তে আপোন প্রানকো দিলে।

খ্রিষ্টিয়ান। এই বাট স্বৰ্গিঅ ৰাজধানিলৈকে গৈচে নে ?

মেৰ ৰখিআ। হই তোমোলাক ঠিক পথতে আচাইক।

খ্রিষ্টিয়ান। তালৈ কিমান দুৰ ?

মেৰ-ৰখিআ। সেই ঠাইৰ প্রক্রিত জাত্রিকবিলাকৰ বাহিৰে আন সকলো'-লৈকে অতি দুৰ।

খ্রিষ্টিয়ান। বাটত কোনো ভই আচে নে ?



মেৰ-ৰখিআ। জিবিলাকৰ পখ্যে ভই নেথাকিবৰ কথা, সিবিলাকৰ পখ্যে কোনো ভই নাই ; কিন্তু দুৰাচাৰিবিলাক তাত পতিত হব।

খ্রিষ্টিয়ান। বাটত স্রান্ত হোআ পথিক লোকৰ প্রান জুৰাবলৈ, এই পৰ্বতবোৰত কোনো উপাই আচে নে ?

মেৰ-ৰখিআ। এই পৰ্বতবোৰৰ অধিকাৰএ আমাক এনে আগ্যা দিলে, বোলে, প্রবাসি লোকক আলহি সুধিবলৈ নেপাহৰিবা ; এতেকে এই ঠাইত জি জি আচে, সেই সকলো তোমোলাকৰেই।

ময় সামাজিকত আৰু এনে দেখিলোঁ, সিবিলাক জে জাত্রিক লোক হই, ইআক জেতিআ মেৰ-ৰখিআবিলাকে বুজিলে, তেতিয়া সিবিলাকেও অনেক অনেক কথা সিবিলাকক সুধিলে. বোলে, তোমোলাক নো কৰপৰা আহিচাইক ? কিয়নো খিবিলাকে এই ঠাইলে লখ্য কৰি জাত্রা আৰম্ভ কৰে, সিবিলাকৰ মাজত অতি তাকৰ লোকেহে এই খিনিলৈকে আহি পৰ্বত পালেহি ; এই ৰুপে সোধাত, সিবিলাকে আন আন ঠাইত জেনেকৈ, ইআতো তেনেকৈ উত্তৰ দিলত, মেৰ-ৰখিআবিলাকে আনন্দ পাই সিবিলাকলৈ ক্রিপাদ্রিষ্টি কৰি বুলিলে, বাৰু, মনোহৰ পৰ্বতবোৰৰ ভাগি হোআ।

তেতিয়া গিয়ানি, পৰিখিত, সচেতন আৰু সৰল নামেৰে এই এই মেৰ-ৰখিআবিলাকে সিবিলাকৰ হাতত ধৰি আপোনাবিলাকৰ ঘৰলৈ তাত জি জি আহাৰ খোআ হৈচিল, তাকেই সিবিলাকক ভোজন কৰালে। পাচে মেৰ-ৰখিআবিলাকে সিবিলাকক কলে, আমাৰে সৈতে চিনা-পৰিচই হবলৈ, আৰু বিসেসকৈ এই মনোহৰ পৰ্বতবোৰৰ সুখৰ ভাগি হবলৈকো তোমোলাক জেন ইআত কিছু দিন থাকা, আমি এনে ইচা কৰোঁ। তেতিয়া খ্রিষ্টিয়ান আৰু আসাৱানে বুলিলে, বাৰু, আমি থাকিবলৈ সন্মত আচোঁ। পাচে বহু ৰাতি হলত, সিবিলাক সুবলৈ গল।

তেতিয়া ময় সমাজিকত দেখিলোঁ, ৰাতি পুআলত, একে লগে পৰ্বতবোৰৰ ওপৰত ফুৰিবৰ নিমিত্তে মেৰ-ৰখিআবিলাকে খ্রিষ্টিয়ান আৰু আসাৱানক মাতিলে। তাতে সিবিলাক মেৰ-ৰখিআবিলাকৰ লগত ফুৰিবলৈ গ'ল ; আৰু ফুৰোঁতে ফুৰোঁতে, সিবিলাকে চাৰিওফালে অতি মনোহৰ দেখিলে। পাচে মেৰ-ৰাখিআবিলাকে ইটে সিটে কোআকুই কৰিলে, বোলে, এই জাত্রিক লোকক আমি কোনে কোনো আচৰ্জ্য বিসই দেখুআম নে ? তাতে সিবিলাক সকলোৰে সেই কথাত সন্মত হলত ভ্রান্তি নামেৰে এক পৰ্বতলৈ

সিবিলাকক চাব দিলে। তাতে খ্রিষ্টিয়ান আৰু আসাৱানে চাই, পৰ্বতৰ পৰা পৰি চুৰ্নিক্ৰিত হৈ থকা কেতবোৰ মানুহৰ মৰা সঅ তলত দেখা পালে। তেতিয়া খ্ৰিষ্টিয়ানে সুধিলে, ইআৰ অৰ্থ কি ? তাতে মেৰ-ৰখিআবিলাকে কলে, সিবিলাক ম্ৰিতবিলাকৰ পুনৰুত্থানৰ বিসয়ে হুমিনাই আৰু ফিলিত্ৰৰ মিচা বাক্যৰ দ্বাৰাই ভ্ৰান্ত হৈছিল, সিবিলাকৰ বিসয়ে তোমালোকে সুনা নাই নে ? সিবিলাকে বুলিলে, হই, সুনিলোঁ। বাৰু এই পৰ্বতৰ তলিত জিৰিলাকৰ সঅ চুৰ্নিক্ৰিত হৈ থকা দেখিচা, সেইএ সিহঁত। আৰু আন লোক জেন অতি ওখলৈ নুঠিব, বা এই পৰ্বতৰ নিচেই কাসৰলৈ নেজাব, এই নিমিত্তে সিহঁত সকলোৰে আৰ্হি হবৰ কাৰনে, আজিলৈকে সিহঁতক মৈদাম নিদিআকৈ তাতেই থোআ হৈচে।

তাৰ পাচে ময় চাই দেখিলোঁ, মেৰ-ৰখিআবিলাকে সাৱধান নামেৰে আন এটা পৰ্বতৰ ওপৰলৈ সিবিলাকক লই গই, তাৰপৰা সিবিলাকক দুৰৈলৈ চাবলৈ দিলে। পাচে সিবিলাকে সেই দৰে চালত, তাত থকা মৰিসালিৰ মাজত ইফাল-সিফালকৈ অহা-জোআ কৰি থকা কেতবোৰ মানুহক দেখা পোআ জেন বুজিলে ; আৰু সিহঁত বাৰে বাৰে মৈদামবোৰত উজুটি খাই তাৰপৰা বাহিৰ ওলাব নোঅৰা দেখি, সিহঁত অন্ধ বুলি জানিলে। তাতে খ্ৰিষ্টিয়ানে সুধিলে, ইআৰ অৰ্থ কি ?

তেতিআ মেৰ-ৰখিআবিলাকে উত্তৰ দি কলে, এই পৰ্বতবোৰৰ তলিৰ পৰা অলপ দুৰৈত এই বাটৰ বাঁওফালে, পথাৰলৈ জোআ এখন ডেওনা তোমোলাকে নেদেখিলা নে ? সিবিলাকে বুলিলে, হই দেখিলোঁ। তেতিআ মেৰ-ৰখিআবিলাকে কলে, সেই ডেওনাৰ পৰা আসা-ভঙ্গ অসুৰৰ সংসই-কোঁঠলৈ এটা পোন বাট আচে। পাচে সোঁ মৰিসালিৰ মাজত ফুৰি থকা লোকবোৰ পুৰ্বে তোমোলাকৰ নিচিনাকৈ জাত্ৰা কৰি ডেওনালৈকে আহি, সেই ঠাইৰ বাট খলা-বমা হোআৰ কাৰনে, সিহঁতে ডেওনা পৰা হৈ সেই পথাৰলৈ গৈছিল ; তাতে আসা-ভঙ্গ অসুৰে সিহঁতক ধৰি, সংসই-কোঁঠত পেলাই থলে। এইৰুপে অসুৰে সিহঁতক অন্ধকাৰময় বন্দিসালত কিচুমান দিন ৰাখি. পাচে সিহঁতৰ চকু কাৰ্হি অন্ধ কৰি মৰিসালিৰ মাজলৈ নিলে ; তাতে "কুসলৰ পথৰপৰা জি কোনোএ অপথলৈ ভ্ৰমন কৰি জাই, সি মৰা লোকৰ সমাজৰ মাজত নিবাস কৰিব" গিয়ানৱানে কোআ এই বচন সিদ্ধ হবলৈ, সি আজিলৈকে সিহঁতক তাত ভ্ৰমি ফুৰিবলৈ এৰি থলে। তেতিয়া খ্ৰিষ্টিয়ান আৰু আসাৱনে মুখলৈ চোআচুই কৰিলত,



দুয়োৰো চকুৰ লো টোপা-টোপে পৰিল ; তথাপি মেৰ-ৰখিআবিলাকৰ আগত সিবিলাকে তাৰ একো কথা নকলে।

পাচে ময় সমাজিকত দেখিলোঁ, মেৰ-ৰখিআ বিলাকে সিবিলাকক কোনো এক চাপৰ ঠাইলৈ লই গই, পৰ্বতৰ কাসত থকা এটা গুহাৰ দুআৰ মেলি, সিবিলাকক তাৰ ভিতৰলৈ চাব দিলে। তাতে সিবিলাকে চাই ভিতৰখন ঘোৰ আন্ধাৰ আৰু ধুৱঁলি-কুঁৱলি দেখিলে। তাত বাজে অগ্নিৰ সবদৰ নিচিনা গুমগুমনি মাত, আৰু কোনো জাতনা পোআ লোকৰ হাহাকাৰ শবদ, আৰু গন্ধকৰ ঘ্ৰান পোআ জেনো বুজিলে। তাতে খ্ৰিষ্টিয়ানে কলে, ইয়াৰ অৰ্থ কি ? মেৰ-ৰখিআ বিলাকে কলে, এইএ নৰকলৈ জোআ সুৰুকিআ বাট ; এই পোনেদিয়েই কপটিআ লোক তালৈ জাই, অৰ্থাত এচৌৰ দৰে জি বিলাকে আপোন জ্যোৰ্ঠধিকাৰ বেচি জিহুদাৰ নিচিনাকৈ জি বিলাকে আপোন প্ৰভুকে বেচে আলেকজান্দৰৰ দৰে জি বিলাকে সুভবাত্ৰা হেলা কৰে, আৰু জিবিলাকে অননিঅ আৰু তাৰ তিৰোতা চাফিৰাৰ দৰে মিচা কথা কই, আৰু প্ৰতাৰনা কৰে ; এনেকুআ সকলোবিলাকেই এই বাটেদি জাই।

তেতিয়া আসাৱানে মেৰ-ৰখিআ বিলাকক কলে, বোধ কৰোঁ, আমি এতিয়া জেনে জাত্ৰিক, ই বিলাকেও তেনে জাত্ৰিক দেখুআইচিল, নহই নে বাৰু ?

মেৰ-ৰখিআ। হই, অনেক দিনলৈকে সি বিলাকে সেইৰুপে দেখুআইচিল।

আসাৱানে। সিবিলাকে জাত্ৰা-কৰি কিমান দুৰ বাট আহি পৰিত্ৰান হেৰুআলে ?

মেৰ-ৰখিআ। কোনো কোনোএ অধিক দুৰলৈকে আহিচিল, কোনো কোনোএবা এই পৰ্বতকে নেপালেহি।

তেতিয়া জাত্ৰিক দুইজনে ইজনে সিজনলৈ চাই কলে, তেন্তে সক্তি পাবৰ নিমিত্তে বলৱানত কৈও বলৱান জনাৰ আগত দ্ৰিহৰুপে প্ৰাৰ্থনা কৰিবলৈ আমাৰ অতি প্ৰয়োজন।

মেৰ-ৰখিআ। হই, এনে সক্তি পালে, তাক বেৱহাৰ কৰাও তোমোলাকৰ উচিত।

এনে সময়তে সেই জাত্ৰিক লোকে আপোন পথে জাত্ৰা কৰিবলৈ ইচা কৰিলে ; আৰু মেৰ-ৰখিআ বিলাকৰো তেনে ইচা হৈচিল। তাতে সিবিলাক

সকলোএ একে লগে পর্বতবোৰৰ মূৰলৈকে গল। তেতিআ মেৰ-ৰখিআ-বিলাকে ইজনে সিজনক কলে, এই জাত্রিকহঁতে জদি আমাৰ দূৰবিনেৰে চাবলৈ পার্গত হই, তেন্তে আঁহা, সিবিলাকক স্বৰ্গিঅ ৰাজধানিৰ দুআৰ দেখুআওঁহঁক। তাতে জাত্রিকবিলাকে অতি আগ্রহেৰে সন্মত হলত, মেৰ-ৰখিআ বিলাকে সি বিলাকক নির্মল নামেৰে এটা বৰ ওখ পর্বতৰ টিঙ্গলৈ নি, চাবৰ নিমিত্তে সিবিলাকৰ হাতত দূৰবিন দিলে।

গোপনিঅ, অগাধ বিসই বুজিবলৈ মন হই জাৰ,
সি মেৰ ৰখিআলৈ আহি, দেখোক কথা চমতকাৰ।

তেতিয়া সি বিলাকে চাবলৈ কার্বাৰ কৰিলে; কিন্তু মেৰ ৰখিআ বিলাকে সি বিলাকক এই জি সেস দর্শন দেখুআলে, তাৰ কাৰণে সিবিলাকৰ হাত কঁপিবলৈ ধৰাত, সিবিলাকে দূৰবিনেৰে থিৰে চাব নোআৰিলে; তথাপি সিবিলাকে দুআৰৰ নিচিনা জেন কিবা দেখিলে, আৰু সেই ঠাইৰ কিছু কিছু ঐচর্জ্যও দেখা পোআ জেন বুজিলে। সিবিলাকে তাৰ পৰা জাঁওতে এই বচন গালে—

আন সকলো লোকৰ পৰা
জি জি কথা গুপুত ৰই,
মেৰ ৰখিআ লোকৰ দ্বাৰাই
তেনে কথাৰ প্রকাস হই।
গোপনিঅ অগাধ বিসই
বুজিবলৈ মন হই জাৰ,
সি মেৰ ৰখিআলৈ আহি,
দেখোক কথা চমতকাৰ।

পাচে সিবিলাক জাবলৈ ওলালত, মেৰ ৰখিআবিলাকৰ এজনে সিবিলাকক পথ-বিত্তান্তৰ এখান পত্র দিলে; দুতিয় জনে কলে, প্রসংসকলৈ সাৱধান হবা; ত্রিতিয় জনে কলে, মোহ-ভূমিত নিদ্রা নেজাবা; আৰু চতুর্থ জনে কলে, ইস্বৰে তোমোলাকৰ মঙ্গল কৰোক। তেতিয়া ময় টোপনিৰ পৰা সাৰ পালোঁ।



## ১২ আধ্যা

পাচে ময় টোপনি গই আকৌ সমাজিকত এই দুজন জাত্রিক লোকক পর্বতবোৰৰ পৰা নামি আলিবাটেদি ৰাজধানিলৈ জোআ দেখিলোঁ। এই পর্বতবোৰৰ গুৰিৰ পৰা অলপমান দূৰৈত, বাটৰ বাঁওফালে গর্ব নামেৰে এখন দেশ আচে; সেই দেশৰ পৰা এটা বেঁকা বেঁকি সুৰুকিআ বাট আহি ৰাজবাটত পৰিচেহি। বাটৰ সেই জোৰাতে, গর্ব-দেসৰ পৰা অহা এটা খর্তকিআ ডেকা মানুহক দেখা পালে, তাৰ নাম অগিয়ান। তেতিয়া খ্রিষ্টিয়ানে তাক সুধিলে, বোলে, তুমি কৰ পৰা আহিচা? আৰু কলৈ জাবা?

অগিয়ান। আতা, বাঁওহাতে সৌ পোনে অলপ দূৰৈত জি দেস আচে, সেই এ মোৰ জনম্‌-ভূমি; আৰু ময় স্বৰ্গিঅ ৰাজধানিলৈ আহিচোঁ।

খ্রিষ্টিয়ান। তুমি নগৰৰ দুআৰত কিৰুপে সোমাবা? কিজানি তুমি তাত কিবা ঠেকত পৰিবা।

অগিয়ান। কিয়? আন ধার্মিক লোকে জেনেকৈ সোমাই, মই ও তেনেকৈ সোমাম।

খ্রিষ্টিয়ান। তোমাৰ লগত এনে কি আচে জে তাকে দেখুআলেই তোমালৈ দুআৰ মেলি দিব?

অগিয়ান। ময় আপোন প্রভুৰ ইচা জানো আৰু সদাচৰনেৰে ময় দিন নিআইচোঁ, আৰু জাক জি দিব লগা, তাকে দিওঁ; তাত বাজে ময় ইস্বৰৰ আগত প্রার্থনা কৰি ঘনে ঘনে লঘোন কৰোঁ, আৰু মোৰ সম্পতিৰ দহ ভাগৰ এভাগ ইস্বৰলৈ দিওঁ দুখিয়াক দান কৰোঁ; আৰু ময় জি ঠাইলৈ জাওঁ, তাৰ নিমিত্তে মোৰ দেসকে এৰি আহিলোঁ।

খ্রিষ্টিয়ান। কিন্তু বাটৰ মূৰত জি সৰু দুআৰ আচে, সেই দুআৰেদি তুমি নোসোমাই এই বেঁকাবেঁকি সুৰুকিআ বাটেদি সোমালাহি; এতেকে তুমি আপোনাৰ কথাত জি কি নেভাবা তথাপি ময় এই আসঙ্কা কৰিচোঁ জে, মহাসোধৰ দিন জেতিয়া পাবহি তেতিয়া তুমি নগৰৰ মাজত সোমাবলৈ পোআ চাবি, চোৰ আৰু ডকাইত বুলিহে গনিত হবা।

অগিয়ান। আতা সকল, মোৰে সৈতে তোমোলাক নিচেই অচিনাকি

ময়ো তোমোলাকক নেজানো, এতেকে তোমোলাকে আপোন আপোন দেশৰ ধৰম মানি থাকা, ময়ো মোৰ দেসৰ ধৰম মানি থাকিম, সেসত সকলোৰে সুভ গতি হব বুলি আসা কৰিচোঁ। তোমোলাক জি সৰু দুআৰৰ কথা কৈচা, সি আমাৰ দেসৰ পৰা জে অতি দূৰ, তাক সকলোএ জানে। আমাৰ গোটেই দেসৰ লোকৰ মাজৰ এটা মানুহেও তালৈ জোআ বাট চিনি পাই বুলি মোৰ মনে নধৰে, আৰু তাক জানিবৰো একো সকাম নাই ; কিয়নো দেখা, আমাৰ দেসৰ পৰা সোঁটে কেঁচা বৰনিয়া সুন্দৰ সুৰুকিআ বাট আহি এই ৰাজ বাটত পৰিচে।

তেতিয়া খ্রিষ্টিয়ানে সেই মানুহক মনেৰে আপোনাকে আপুনি গিয়ানি দেখুওআ জেন বুজিলে। তাতে তেওঁ আসাৱানৰ কানত ফুচফুচাই কলে, ইয়াত কই মূৰ্খতে অধিক আসা আচে। তাৰ বিসয়ে আৰু এইৰূপে কলে, জিটো মূৰ্খ, সি বাটত ফুৰোঁতে, আপোনাৰ মূৰ্খতা প্রকাস কৰাত সি জে মূৰ্খ হই তাকে সকলোৰে আগত চিনাকি দিএ। আমি কি কৰিম ? তাৰে সৈতে আৰু কথাবাত্রা হম নে, নাইবা তাৰ আগত জি জি সুনুআ হল, তাকে বিবেচনা কৰিবৰ নিমিত্তে আমি এতিয়া তাক এৰি আগ হৈ জাম, আৰু পাচত তাৰ নিমিত্তে পলম কৰি পুনৰাই তাৰ ভুল দেখুআই তাক ক্রমেৰে ভাল কৰিব পাৰোঁ কি চাৰোঁ, তালৈকো যতন কৰিম ? তেতিআ আসাৱানে এই বচন গালে—

অগিয়ানক কোআ জি হল,
    সেই কথা সি ভাবি চাওক ;
উত্তম আলচ লবৰ কাৰন
    অৱহেলা নকৰোক।
জি জন নজনাকৈ থাকি,
    পৰম লাভত নেপাই গিয়ান,
ইস্বৰে কয় তাক স্রজিলেও
    নকৰিব পৰিত্রান।

আসাৱানে আৰু বুলিলে, একেবাৰেই তাৰ আগত সকলোকে কবলৈ ভাল যেন নেদেখোঁ ; তোমাৰো এই একে ইচা আচে জদি, বলা, আমি সম্প্রতি তাৰ আগ হই জাওহঁক, পাচে সি সহিব পৰাৰ দৰে কৰিমহঁক।

এইৰূপে পৰামৰ্স কৰি, সিবিলাক দুইও জনে অগিয়ানক পাচ পেলাই আগে আগে জাত্রা কৰি গল। কাক এটি অলপমান বাট গই, সিবিলাকে



এটা অন্ধকাৰমই সুৰুকিআ বাটত সোমাল ; তাতে সাতোটা ভূতে সাত গচ সকত লেজুৰে বান্ধি, আগৈএ পৰ্বতৰ দাঁতিত সিবিলাকে জি দুআৰ দেখিচিলে, সেই সেই দুআৰলৈকে ওভোটাই নিয়া এনে, এটা মানুহক লগ পালে। তাকে দেখি, উত্তম খ্রিষ্টিয়ান আৰু তেঁওৰ সঙ্গি আসাৱানও কঁপিব ধৰিলে ; তথাপি ভূতবোৰে সেই মানুহক লই জাওঁতে তাক চিনি পোআ জাই কি এই আসএৰে খ্রিষ্টিয়ানে তালৈ চালে ; কিয়নো ধৰম ভ্রষ্ট চহৰত নিবাস কৰা পাচ হেঁাহেঁাকা নামেৰে মানুহটো বুলি তেঁও ভাবিচিলে ; কিন্তু চোৰ পৰা মানুহৰ দৰে, সি লাজতে তল-মূৰ কৰি থকাত, তাক ভালকৈ দেখা পাব নোআৰিলে। তথাপি সি জোআৰ পাচে, আসাৱানে তালৈ চাই, "সুখাভিলাসি ইস্বৰ-সেৱক, আৰু সৰ্বনাসৰ পাত্র বিস্বাস-ঘাতক" এই বুলি লিখা এখন কাগজ তাৰ পিঠিৰ ওপৰত দেখা পালে।

তেতিয়া খ্রিষ্টিয়ানে আপোনাৰ সঙ্গি আসাৱানক কলে, ইয়াৰ ওচৰৰ কোনো ঠাইত এজন ভদ্রলোকৰ ঘটনাৰ বিসয়ে জি কথা মোক আগৈএ কোআ হৈচিল, সেইএ এতিয়া মোৰ মনত পৰিচে। সেই মানুহক নাম অল্প-বিস্বাস আচিল ; কিন্তু তেঁও পৰমাৰ্থিক মানুহ হই সৰল নামেৰে এখন চহৰত নিবাস কৰিচিল। সেই ঘটনাই এই জে, এই সুৰুকিআ বাটৰ মূৰত বহল পথৰ দুআৰ নামেৰে এখন ঠাই আচে, সেই ঠাইৰ পৰা এটা সুৰুকিআ বাট আহিচে, তাৰ নাম মৰা মানুহৰ সুৰুকিআ বাট ; কিয়নো তাত বাৰে বাৰে অনেক লোকক বধ কৰিলে, পাচে সেই অল্প বিস্বাসে আমাৰ নিচিনাকৈ জাত্রা কৰোঁতে, সেই ঠাইত বহি হঠাত টোপনি গল। তেতিয়া বহল-পথৰ দুআৰৰ পৰা সেই সৰু বাটেদি অতি দুৰ্জন তিনিটা মানুহ আহিল ; সিহঁত পৰস্পৰ ভাই-ককাই ; সিহঁতৰ নাম ত্রাসজুক্ত, সঙ্কা, আৰু অপৰাধ। সিহঁতে বাটত অল্প বিস্বাসক দেখি অতি সিঘ্রে তেঁওৰ ওচৰলৈ লৰি গল। সেই সময়তে সেই ভদ্রলোক জনে টোপনিৰ পৰা সাৰ পাই, জাত্রা কৰিবলৈ উঠিচিল মাথোন ; এনেতে সিহঁত সকলোটিএ তেঁওৰ ওচৰলৈ গই, ভয়ঙ্কৰ মাতেৰে তেঁওক থিৰে থাকিবলৈ কলে। তাতে অল্প-বিস্বাসে অতিসই ভই পোআত, তেওঁৰ মুখ সুকাই একেবাৰে বিবৰ্ন হই গল। তাতে জুজ কৰিবলৈ বা পলাবলৈকে তেওঁৰ একো সক্তি নেথাকিল। তেতিয়া ত্রাসযুক্তে বুলিলে, তোৰ ধনৰ মোনা মোক দে ; কিন্তু তেওঁ তাকে দিবলৈ পলম কৰাত, (কিয়নো তেঁওৰ ধন তেনেকৈ দিবলৈ মনত বেয়া লাগিল), সঙ্কাই তেঁওৰ ওচৰলৈ লৰি গই, তেঁওৰ জোলোঙ্গাৰ ভিতৰত হাত সুমুআই, তাৰ পৰা

এমোনা ধন কাঢ়ি ললে। তেতিআ অল্প-বিশ্বাসে ডকাইত বুলি চিঞঁৰ মাৰিলে; তাকে সুনি অপৰাধে তাৰ হাতত থকা টাঙ্গোনেৰে অল্প-বিশ্বাসৰ মূৰত মাৰ মৰি, তেঁওক মাটিতে পেলালে; তাতে তেঁওৰ মূৰৰ পৰা তেজ ববলৈ ধৰিলত, তেঁও প্ৰাই মৰিব লাগিয়া হল। সেইখিনি পৰলৈকে ডকাইতবোৰ তেঁওৰ ওচৰত থিয় হইএই আছিল। কিন্তু সেসত কোনো মানুহ বাটত অহা যেন গম পাই, উতম-আসা চহৰত নিবাস কৰোঁতে মহানুগ্ৰহ নামেৰে মানুহজন বুলি ভই কৰি, সিহঁতে সেই ভদ্ৰলোক জনেক দুৰ্দসাতে এৰি পলাই গল। তাৰ অলপ পাচত, অলপ বিশ্বাসে চেতন পাই তাৰ পৰা উঠি খোৰা খোৰকৈ লাহে লাহে আপোনাৰ বাটে জাবলৈ ধৰিলে। এই এ তেঁওৰ ব্ৰিতান্ত।

আসাৱান। কিন্তু তেঁওৰ জি জি আছিল, সেই সকলোকে ডকাইতবোৰে লুট কৰি নিলে নে?

খ্ৰিষ্টিয়ান। নহই, জি ঠাইত তেঁওৰ অলঙ্কাৰ ৰাখিছিল, তাক লুট কৰা নাই; তেঁও সেইবোৰক ৰাখিবলৈ পালে। কিন্তু মোৰ আগত কোআৰ দৰে সেই ভদ্ৰলোকজনে আপোনাৰ হানি হোআত, বৰ অসন্তোস পালে; কিয়নো ডকাইতবোৰে তেঁওৰ বাট খৰচা ধন প্ৰাই আটাইখিনিকে লুট কৰি নিলে, আৰু ময় কোআৰ দৰে তেঁওৰ জি থাকিল, সেই এ কেৱল আপোনাৰ অলঙ্কাৰখিনি মাথোন; তাৰ বাহিৰে জি অলপ ধন থাকিল, তাৰেই তেঁওৰ জাত্ৰাৰ সেসলৈকে নুজুৰিলে। আৰু ময় সুনিলোঁ জে, তেঁও আপোনাৰ প্ৰান ৰাখিবৰ নিমিত্তে মাজে মাজে ভিখ্যা কৰিব লগা হৈছিল; কিয়নো তেঁওৰ জি অলঙ্কাৰ আছিল, তাক বেচিব নোআৰিলে, এই কাৰনে তেঁও ভিখ্যা কৰি আৰু নানা উপাই কৰি, আপোনাৰ অৱসিষ্ট জাত্ৰা সেস কৰিলে; তথাপি ঘনে ঘনে অনাহাৰেহে গৈছিল।

আসাৱান। কিন্তু স্বৰ্গিয় ৰাজধানিতে সোমাবৰ নিমিত্তে তেঁওৰ জি প্ৰমান পত্ৰ আছিল, তাক ডকাইতবোৰে জে নিবলৈ নেপালে, এইএ বৰ আচৰিত নহই নে?

খ্ৰিষ্টিয়ান। সেইএ আচৰিত হওঁতে হই; কিন্তু সিহঁতে তাক নে পালে; তথাপি তেঁও আপোন বুধিৰে জে তাক ৰাখিলে, এনে নহই, কেৱল ইস্বৰৰ অনুগ্ৰহতহে ৰখ্যা পৰিল; কিয়নো ডকাইতবোৰ এনে অকস্মাতে ওলাল জে, তেঁও বিচুৰ্তি হোআত, কোনো বস্তু ৰাখিবলৈ তেঁওৰ একো সক্তি নেথাকিল।

আসাৱান। কিন্তু সিহঁতে তেঁওৰ সেই অলঙ্কাৰস্বৰূপ প্ৰমান পত্ৰ নিবলৈ নোপোৱাই তেঁওলৈ বৰ সান্তনাজনক হৈছিল বুলি বুজিছো।



খ্ৰিষ্টিয়ান, তেঁও জদি উচিতৰূপে তাক বেৱহাৰ কৰিলেহেঁতেন, তেন্তে তাত আৰু অধিক সান্তনা পাব পাৰিলেহেঁতেন; কিন্তু ময় জিবিলাকৰ পৰা এই ব্ৰিতান্ত সুনিচোঁ, সিবিলাকে কৈছিল বোলে ডকাইতবোৰে তেঁওৰ ধন কাঢ়ি নিলত, তেঁও অতিসই ভইএৰে বিচুৰ্তি হোআত, অবসিষ্ট পথত জাত্ৰা কৰোঁতে, তেঁও তাক বেৱহাৰ কৰোক চাৰি, সেই বস্তু আচে জেন বুলিও তেঁওৰ মনত নপৰিছিল; আৰু জদিও কোনো সময়ত মনত পৰাৰ দ্বাৰাই অলপ সান্তনা পাব খোজে, তথাপি ডকাইতে কাঢ়ি নিআ ধনৰ চিন্তা পুনৰাই মনত উদই হোআত, সেই চিন্তাই আন সকলো কথা মনৰ পৰা গুচাই পেলাই তেঁওক ব্যাকুল কৰে।

আসাৱান। এইএ বৰ দুঃখৰ বিসয়।

খ্ৰিষ্টিয়ান। তাক আৰু কব লাগিচে নে? বৰ দুঃখৰ বিসয় নহই নো কি? তেঁওৰ নিচিনাকৈ জদি বিদেসত আমাৰ ধন লুট কৰি নিএ, আৰু সৰিৰকো খত-বিখত কৰে, তেন্তে তেঁওৰ দৰে আমাৰ মনত দুখ নেলাগিলহেঁতেন নে? তেঁও বেচাৰাই জে এনে মনোদুখত নমৰি জিআই থাকিল ইয়াতে ময় বৰ আচৰিত মানিচোঁ। মোৰ আগত এইৰূপে কোআ হৈছিল বোলে তেঁও জাত্ৰা কৰোঁতে অৱসিষ্ট পথত কেৱল আপোনাৰ দুখ-সন্তাপৰ কথাকেহে সিঁচি সিঁচি গৈছিল; বিসেসকৈ কোন ঠাইত আৰু কি ৰূপে লুট কৰি নিলে, কোন কোন ডকাইত, আৰু তেঁওৰ কি কি হানি হল, কি ৰূপে তেঁও খত-বিখত হই আপোন প্ৰান বচাইছিল, সেই সকলো কথা তেঁওৰ লগ ধৰাবিলাকক আৰু তেঁও জিবিলাকৰ লগ ধৰিলে, সিবিলাক সকলোকে কই কই গল।

আসাৱান। জাত্ৰা কৰি জাওঁতে, তেঁও এনে দুৰৱস্থাতো জিৱিকাৰৰ নিমিত্তে জে নিজৰ কোনো অলঙ্কাৰ নেবেচিলে, নতুবা সোঁতাকে নথলে, এইএ বৰ আচৰিত।

খ্ৰিষ্টিয়ান। তুমি মূৰৰপৰা চোচকাৰা নুগুচাৰ দৰে কথা কৈচা। তেঁও সেইবোৰক কিহৰ নিমিত্তে সোঁতা থব? আৰু কাক নো বেচিব? জি দেসত তেঁওৰ বস্তু লুট কৰা হ'ল, সেই গোটেই দেসৰ মাজত এনে অলঙ্কাৰ নচলে; আৰু তাৰ পৰা জি উপকাৰ পাব পাৰিলেহেঁতেন, সেই উপকাৰতো তেঁওৰ একো প্ৰয়োজন নাছিল। তাত বাজে, স্বৰ্গিয় ৰাজধানিৰ দুআৰ পোআ কালত, তেঁওৰ লগত সেই অলঙ্কাৰ নথকা হলে, তেঁওৰ সেই ঠাইত সোমাবৰ অধিকাৰ নেথাকিলহেঁতেন, ইয়াক তেঁও নিজে ভালকৈ জানিছিলে;

আৰু দহ হাজাৰ ডকাইত ওলাই দুখ দিয়াতকৈ ইটোহে তেঁওলৈ অধিক হানিজনক হলহেঁতেন।

আসাৱান। ভাই, তুমি এনে টেঙা মাতেৰে কিয় কৈচা? এচৌএ দেখোন আপোন জ্যেষ্ঠাধিকাৰ বেচিলে; আৰু কেৱল এসাঁজ আহাৰৰ নিমিত্তেই তাক বেচিলে; আৰু সেই জ্যেষ্ঠাধিকাৰেই তাৰ প্ৰধান অলঙ্কাৰ আছিল বুলি জানিবা। জদি এচৌএ তেনে কৰিব পাৰিলে, তেন্তে অল্প বিশ্বাসে নো কিঅ কৰিব নোআৰিলে?

খ্ৰিষ্টিয়ান। এচৌএ আপোন জ্যেষ্ঠাধিকাৰ বেচিলে হই, আৰু আন আন অনেকেও সেই দৰে কৰে, আৰু তাকে কৰোঁতে, সেই দুৰ্জন মানুহৰ নিচিনাকৈ আপোনাকে বিসেস আসিৰ্বাদৰ পৰা বঞ্চিত কৰে; কিন্তু এচৌৰে আৰু অল্প বিশ্বাসৰে মাজত অনেক প্ৰভেদ আচে; আৰু সিহঁতৰ অধিকাৰো বেলেগ বেলেগ বুলি জানিবা। এচৌৰ জ্যেষ্ঠধিকাৰ চাঁ মাথোন আছিল; কিন্তু অল্প-বিশ্বাসৰ অলঙ্কাৰ তেনে নহই। এচৌৰ ইশ্বৰ তাৰ পেটেই; অল্প-বিশ্বাসৰ পেট তেনে নহই। এচৌএ হলে, পেটৰ ভোক মাৰিবলৈহে ৰাঞ্চা কৰিচিল, কিন্তু অল্প-বিশ্বাসৰ সেই বিশ্বাসৰ দ্বাৰাই তেনে কুকৰ্ম্মৰ পৰা তেঁও ৰখ্যা পোআ হৈছিল; এই হেতুকে এচৌএ জেনেকৈ আপোন জ্যেষ্ঠাধিকাৰ বেচিল, তেনেকৈ তেঁও আপোন অলঙ্কাৰ বেচোক চাৰি তাক আৰু অধিক মূল্যৱান বুলিহে গন্য কৰিলে। এচৌৰ জে অলপ বিশ্বাস আছিল, এনেকুআ কথা তুমি কোনো ঠাইতো পৰ্হা নাই; জি অভিলাসৰ বসিভুত হই সেই দৰে কৰাত কোনো আচৰিত নহই। সৰিৰৰ অভিলাস দমন কৰিবলৈ জাৰ স্থিদইত বিশ্বাস নাই সিবিলাক সকলোএ জে আপোন জ্যেষ্ঠাধিকাৰ আৰু জিৱাত্মা আদি কৰি সকলোকে নৰক আৰু তাৰ অধিকাৰি ভুত-চইতানক বেচে, ইয়াত ময় বিস্মই নেমানো কিয়নো গাধৰ জাক-ফুৰা কাল হলে, জেনেকৈ তাক কোনেও বাধা কৰিব নোআৰে, তেনেকৈ সিহঁতো জেতিয়া আপোনাৰ অভিলাসত আসক্ত হই, তেতিআ তাত জি কি নঘটোক, তথাপি তাক পুৰ কৰিহে এৰে। কিন্তু অল্প-বিশ্বাসৰ হলে আন ৰুপ স্বভাৱ; তেঁওৰ মন ধৰমত আসক্ত, আৰু তেঁওৰ জিৱিকাও পাৰমাৰ্থিক আৰু স্বৰ্গিয় সম্বন্ধিয়; এই হেতুকে কিনোতা মানুহ থাকিলেও, আপোনাৰ মন অসাৰ বস্তুৰে পুৰ কৰিবলৈ, এনে মানুহে কি কাৰনে আপোনাৰ অলঙ্কাৰ বেচিব? মানুহৰ ভোক লাগিলেও, খাবৰ নিমিত্তে কোনোবাই পইচা দি খেৰ কিনিব নে? নাইবা তুমি কৰ্পো চৰাইক কাউৰিৰ দৰে জানো গেলা



মঙ্গহ খুআব পাৰিবা? সাংসাৰিক অভিলাস পুৰ কৰিবৰ নিমিত্তে, অবিশ্বাসিবোৰে আপোনাৰ সকলো বস্তু আৰু আপোনাকো সোঁতা থই, নহলে বেচে; কিন্তু জিবিলাকৰ বিশ্বাস অলপ হলেও আচে, সিবিলাকে সেই দৰে কৰিব নোআৰে; এতেকে ভাই এই বিসয়ে তোমাৰ ভ্ৰম হৈচে।

আসাৱান। হই তুমি ঠিক কথা কৈচা, তাক ময় স্বিকাৰ কৰিচোঁ; কিন্তু তোমাৰ টেঙ্গা মাতত মোৰ অলপ খং উঠিচিল।

খ্ৰিষ্টিয়ান। কিয়? ঘি চটফটিয়া চৰাইএ আপোনাৰ মুৰৰ চোকোৰা নুগুচাকৈএ অচলতি বাটত লৰি ফুৰে, তোমাক সেইবোৰৰ তুলনাহে মাথোন দিচিলোঁ। কিন্তু সেই কথা এতিয়া এৰি দিয়া; জি মুল কথা ধৰিচিলোঁ, তাক মাথোন বিবেচনা কৰেঁহক, তাতে আমাৰ দুইৰো মাজৰ সকলো বিৰোধ গুচিব।

আসাৱান। বাৰু, সেই ৰুপে কৰা; কিন্তু প্ৰিয় ভাই খ্ৰিষ্টিয়ান, মোৰ মনে নিচই জানিচে জে সেই তিনটা ডকাইত নিচেই ভইআতুৰ; কিয়নো তেনে নোহোআ হলে, বাটত কোনো লোক অহাৰ গম পোআতে, সিহঁত সেইৰুপে নপলালেহেঁতেন। সেইএ জি কি নহওক, অল্প-বিশ্বাসে কিয় সাহ নকৰিলে? ময় ভাবিচোঁ, তেঁও এবেলি জুঁজিব খোজা হলে পাৰিলেহেঁতেন; পাচত তেতিয়া বলে নোআৰি নিৰুপাই হেন দেখিলেহেঁতেন, তেতিয়াহে হাৰ মনা উচিত আছিল।

খ্ৰিষ্টিয়ান? সিহঁত ভইআতুৰ মানুহ বুলি অনেকে কৈচিল হই; কিন্তু পৰিখ্যাৰ সময়ত অতি অলপ লোকেহে সেইৰুপে পালে। জি সাহৰ কথা কৈচা, সেই এ হলে, অলপ-বিশ্বাসৰ এফেৰিও নাচিল। আৰু ভাই, ময় তোমাৰ কথাত বুজিচোঁ, তুমি এনে অৱস্থাত পৰা হলে কেৱল এবাৰ জুঁজিএই তুমিও হাৰিলাহেঁতেন; আৰু আমাৰ পৰা সিহঁত এতিয়া আঁতৰত আচে দেখি, কেৱল তোমাৰ এনে সাহ হৈচে; কিন্তু তেঁওৰ নিচিনাকৈ তোমাৰ আগত ওলোআ হলে, কিজানি তেতিয়া তোমাৰো ভাবনা বেলেগ হৈ গলহেঁতেন।

আৰু এটা কথা বিবেচনা কৰি চোআ, সেই ডকাইতবোৰ জে আপোনা আপুনি গৰাকি, এনে নহই; সিহঁত তলি নোহোআ কুণ্ডৰ ৰজাৰ অধিনৰ খাটনিআৰ; প্ৰয়োজন হলে, সেই ৰজাই নিজে আহি সিহঁতক সহাই কৰে; তাৰ মাত সিংহৰ গৰ্জনৰ নিচিনা। অল্প-বিশ্বাসৰ দৰে ময় নিজেও এনে যুদ্ধত আক্ৰান্ত হোআত, সিহঁতৰ জুদ্ধৰ ভয়ানকতা জানিচোঁ। কিয়নো

সেই তিনটা দুৰ্জ্জন লোক মোৰ ওপৰত পৰোঁতে, ময় খ্ৰিষ্টিয়ানৰ উপজুক্ত প্ৰতিৰোধ কৰিবলৈ ধৰাত, সিহঁতে অকস্মাত এটা সব্দ কৰিলত, ততখনাত সিহঁতৰ ৰজা ওলালহি। কিন্তু ময় ইস্বৰৰ অনুগ্ৰহত অচেদ্য-অভেদ্য সাজেৰে সজ্জিত আছিলোঁ; তেনে নোহোৱা হলে, মোৰ প্ৰান এটা কনা কড়িৰ সমানো মূল্যৱান বুলি গনিত নহলহেঁতেন। তথাপি সেইৰূপে সাজ পিন্ধাতো, বলৱানৰ দৰে জুদ্ধ কৰা বৰ দুসাধ্য জেন পালোঁ। এনে জুদ্ধত আক্ৰান্ত হলে কি কি কষ্ট ঘটিব, তাক জুদ্ধ কৰাবিলাকত বাজে আন কোনেও নেজানে।

আসাবান; সেইএ হওঁতে হই কিন্তু মহানুগ্ৰহ নামেৰে এজন লোক বাটত আহিছে বুলি ভাবিএই সিহঁত দেখোন পলাই গল।

খ্ৰিষ্টিয়ান। হই, সেইএ স্বৰূপ, মহানুগ্ৰহ ওলোআ মাত্ৰকে, সিহঁত নেলাগে সিহঁতৰ গৰাকিও অনেকবাৰ পলাই গৈচে; আৰু এইএ বৰ আচৰিতো নহই; কিয়নো তেঁও ৰজাৰ প্ৰধান জুজাৰু। কিন্তু ময় ভাবিচোঁ, অল্প-বিস্বাসবে আৰু ৰজাৰ জুজাৰুৰে মাজত তুমি কিবা বিভিন্নতা দেখিব পোআ। ৰজাৰ আটাই প্ৰজাবিলাক তেঁওৰ বিসেস জুজাৰু নহই, আৰু সিবিলাকে পৰিখ্যাৰ কালত মহানুগ্ৰহৰ দৰে জুদ্ধ কৰিব নোআৰে। এটি সৰু লৰাইও দায়ুদৰ নিচিনাকৈ গলিয়াথক মাৰিব পাৰে, নাইবা বলদৰ বল ঘনচিৰিকাত থাকে, এনে কথা ভাবিবলৈ উচিত নে? কোনো বলি, কোনো নিৰ্বলি আছে; কেতবিলাকৰ বৰ বিস্বাস, আনবোৰৰ অলপ বিস্বাস থাকে। কিন্তু অল্প-বিস্বাস হলে দুৰ্বলিবিলাকৰ মাজৰ আছিল এই কাৰণে তেঁও হাৰিল।

আসাৱান। সেই তিনি জন ডকাইতৰ লগত সেই সময়ত অল্প-বিস্বাসৰ সলনি মহানুগ্ৰহৰ সাখ্যাত হোআ হলে, ভাল হলহেঁতেন।

খ্ৰিষ্টিয়ান। মহানুগ্ৰহৰ সাখ্যাত হোআ হলেও, কিজানি তেঁওৰো সক্তিয়ে প্ৰাই নজুৰিলেহেঁতেন। কিয়নো নিচই জানিবা, মহানুগ্ৰহ অস্ত্ৰ-জুদ্ধত বৰ পাৰ্গত হোআত, জিমান বেলি তৰোআলৰ আগত ৰাখিব পাৰে, সিমান বেলিলৈ সিহঁতক দমন কৰি ৰাখিব পাৰিব! কিন্তু জদি ত্ৰাসজুক্ত, সঙ্কা, বা আনটো এই তেঁওত সোমাবলৈ পাই, তেতিয়া তেঁও সিহঁতৰ দ্বাৰাই মাটিতে নপৰাকৈ নেথাকিব। আৰু জেতিয়া কোনো মানুহ পতিত, হই, তেতিয়া সি আৰু একো কৰিব নোআৰে, তাক তুমি জানাই।

জদি কোনোএ মহানুগ্ৰহৰ মুখলৈ ভালৰূপে চাই, তেন্তে সি তেঁওৰ মুখত থকা ঘা আৰু দাগৰ দ্বাৰাই মোৰ কথা জে প্ৰমানিত হই, তাক ভালকৈ



জানিব পাৰিব। তেঁও জুদ্ধ কৰোঁতে, মই এবাৰ তেঁওক এনে কথা কোআ সুনিচিলোঁ, "জিৱনৰ আসা নথকালৈকে দুখৰ ভাৰ মোৰ ওপৰত পৰিল।" সেই দুৰ্জ্জনবোৰে সিহঁতৰ লগৰিয়াবোৰৰ সৈতে দায়ুদক কেনে হাঁহাকাৰেৰে বিলাপ আৰু ক্ৰন্দন কৰোআলে। হেমন আৰু হিচকিআও আপোন আপোন দিনত অতিসই জুজাৰু বুলি প্ৰখ্যাত আছিল; পাচে সিহঁতৰ দ্বাৰাই আক্ৰান্ত হোআত, অতি কষ্টেৰে সিবিলাকৰ প্ৰান ৰখ্যা পৰিচিল; আৰু ইয়াকে সিবিলাকে বৰ সুভাগ্য বুলি মানিব লগা হৈছিল। পিতৰে হলে এক সময়ত, সিহঁতে মোক কি কৰিব পাৰে? ইয়াকে বুলি এদিন সিহঁতৰ ওচৰলৈ গৈচিল, অনেকে কই, তেঁও পাঁচনি বিলাকৰ মাজত প্ৰধান, কিন্তু সেই দুৰ্জ্জনবোৰে তেঁওলৈ এনেহে নিষ্ঠুৰ বেৱহাৰ কৰিচিল জে অৱসেসত তেঁও এজনি বেটি চোআলিলৈকে ভই কৰিলে।

ইয়াৰ বাহিৰে, সেই ডকাইতবোৰ জদি কোনোৰ দ্বাৰাই কেতিয়াবা পৰাজিত হব লগা হই তেতিয়া সিহঁতে সুহৰিওআ মাত্ৰকে সাধ্যে পাৰেমানে সিহঁতৰ ৰজাই আহি সিহঁতক সহাই কৰে; কিয়নো সি কেতিয়াও সিহঁতৰ মাত সুনাতকৈ আঁতৰ হই নাথাকে। আৰু সেই ৰজাৰ বিসয়ে এনে কথা লিখা আচে, বোলে "জদি কোনোএ তাক আঘাত কৰে, তেনে হলে তাৰ একো নহব; তালৈ জাঠি, কাঁৰ, বা সেল মাৰিলে সকলো মিচা হব। সি লোহাক খেৰৰ নিচিনা, আৰু পিতলক পচা কাঠৰ নিচিনা গিয়ান কৰে। ধনুৰ কাঁৰেও তাক খেদাব নোআৰে। ফিঙ্গাৰ সিল তাৰ আগত ঘিলা হেন হৈ পৰে; সি গদাক ঘুলা জেন মানে আৰু বৰ্সাৰ সব্দত সি হাঁহে।" এনে স্থলত মানুহে কি কৰিব পাৰে? জদি তাৰ লগত সদাই ইয়ুবৰ ঘোঁৰা থাকে, আৰু সাহ কৰি তাত উঠি ফুৰিবলৈকো নিপুন হই, তেন্তে সি অতি আচৰিত কমকো কৰিব পাৰিব, কিয়নো তাৰ ডিঙ্গি কেসৰেৰে ভুসিত। সি কচুআ ফৰিঙ্গৰ দৰে জঁাপ মাৰে। তাৰ নাকৰ ফোৰোহনিৰ সক্তি অতি ভয়ানক সি ভৈয়ামত ভৰি মাৰে, আৰু আপোনাৰ বলত উলাস কৰে; অস্ত্ৰ-সস্ত্ৰেৰে সুসজ্জিত হোআ সৈন্যৰ সমুখলৈ সি ওলাই জাই! সি ভইক হাঁহে, ত্ৰাস নেপাই, আৰু তৰোআলৰ মুখৰ পৰা নোলটে। তুন, চিকমিকিআ বৰসা আৰু জাঠিএ তাৰ ওপৰতসব্দ কৰে। সি ভয়ানক মুৰ্তি ধৰি ক্ৰোধত মাটিকে গ্ৰাস কৰে। আৰু তুৰধ্বনি সুনিলে, সি থৰে ঠিয় হই নাথাকে। তুৰিধ্বনিৰ লগে লগে সি হিঁ-হিঁ সব্দ কৰে। সি দুৰৈৰ পৰা জুদ্ধৰ গোন্ধ পাই, আৰু সেনাপতিবোৰৰ গৰ্জ্জন আৰু সিংহনাদ সুনে। ইয়ুব, ৩৯, ১৯-২৫।

কিন্তু তুমি মই জি পদাতিক লোক, আমি হলে সত্রুৰ লগ পাবলৈ বাঞ্চা নকৰোঁহঁক, আৰু আন আন লোক, পৰাজিত হোআ সুনিও আমি সিবিলাকতকৈ উত্তম জুদ্ধ কৰিব পাৰিম বুলি মনতে গর্ব নকৰোঁহঁক ; আৰু আমি বিৰত্ব নেদেখুআওঁহঁক ; কিয়নো পৰিখ্যাৰ সময়ত লোকে প্রাই সদাই বিআকুলত পৰে। তাৰ প্রমান, মই আগেএ কোআ পিতৰৰ কথালৈ চোআ ; তেঁও কেৱল গর্ব কৰিলে এনে নহই ; আপোন অহঙ্কাৰি মনেৰে কৈচিল জে, মই প্রভুৰ নিমিত্তে আনবিলাক লোকতকৈ উত্তম, বিস্বাসি, আৰু সাহিআল হই সেসলৈকে থিৰে থাকিম, কিন্তু সেই তিনটা দুর্জনৰ দ্বাৰাই বিচুর্তি হই দুর্দসাত পৰা, তেঁওৰ দৰে আন কোন আচে ?

এতেকে জেতিয়া ৰাজ-পথত এনে ডকাইতৰ কথা সুনিচোঁহঁক, এনে স্থলত এই দুই কৰম কৰিবলৈ আমাৰ বৰ আবস্যক আচে,

প্রথম। ৰনৰ সাজ পিন্ধি জাত্রা কৰিবলৈ আমাৰ প্রয়োজন, বিসেসকৈ এখন ঢাল লব লাগে , কিয়নো তাক নোলোআৰ কাৰনে, জি জনে লিবি-আথনে সৈতে এনে ঘোৰ জুদ্ধ কৰিচিল, সেই জনে তাক জই কৰিব নোআৰিলে। কাৰন আমাৰ হাতত ঢাল নেথাকিলে, সি আমালৈ একো ভইনকৰে। এই হেতুকে, এনে জুদ্ধত জি জন বিসেস পার্গত আচিল, তেঁওএ কৈচে "বিসেসকৈ জিহেৰে তোমোলাকে পাপাত্মাৰ সকলো অগ্নিবান নুমাব পাৰিবা, এনে বিস্বাসৰূপ ঢাল ধৰা।"

দ্বিতিয়। আমাৰ লগত জাবলৈ ৰজাৰ পৰা সহাই খোজা আমাৰ আৱস্যক বিসেসকৈ তেঁও আপুনি জেন আমাৰ লগত জাব এনে জাজ্ঞা কৰা আমাৰ উচিত। দাইওদ ৰজাৰ এনে সঙ্গি থকাৰ কাৰনে, তেঁও ম্রিত্যুচাঁয়াৰ সমথলেদি জাওঁতেও আনন্দ কৰিচিল ; আৰু মোচিএও আপোনাৰ সঙ্গি ইস্বৰক নোপোআত এটা খোজো আগলৈ নগৈ জি ঠাইত আচিল, সেই ঠাইতে মৰিবলৈ বাঞ্চা কৰিচিলা। এতেকে, ভাই তেও জদি আমাৰ লগত জাই তেন্তে আমাৰ অবিহনে অহঙ্কাৰি সহাইবোৰ মৰা-সবোৰৰ তলত পৰে।

মই হলে ইয়াৰ আগেএ সেই জুদ্ধত পৰিচিলোঁ আৰু দেখা সর্বোত্তম জনাৰ অনুগ্রহত মই ৰখ্যা পালেও আপোন বলত প্রসংসা কৰিব নোআৰোঁ তেনেকুআ জুদ্ধত জদি আৰু পৰিব নলগা হই, তেন্তে মই বৰ আনন্দ কৰিম। কিন্তু বোধ কৰোঁ এতিয়াও আমি সকলো আপদৰ হাত সৰা নাই। সেইএ জি কি নহওক, জি জনে সিংহ আৰু ভালুকৰ হাতৰ পৰা মোক উদ্ধাৰ



কৰিলে, সেই ইস্বৰে ইয়াৰ পাচতো অচুনওত পলেষ্টিআৰ হাত পৰাও আমাক উদ্ধাৰ কৰিব, মই এনে আসা কৰিচোঁ তেতিয়া খ্রিষ্টিয়ানে এই বচন গালে —

অল্প-বিস্বাস বপুৰাটি
মাজত পৰি ডকাইতৰ,
হেৰুআলে আপোন বস্তু
ইচমৰা তাক বিস্বাসি নৰ।
বর্হাবলৈ তোমাৰ বিস্বাস
কার্বাৰ কৰা অতিসই ;
তাত জিনিবা সত্রু অজুত,
নহলে তিনিওটা নহই।

এইৰূপে সিবিলাকে ক্রমে ক্রমে আগ হই গল আৰু অগিয়ানো সিবিলাকৰ পাচে পাচে চলিলে। পাচে সিবিলাকে গই থাকোঁতে আন এটা বাট আহি সেই বাটত পৰা পালে ; আৰু জাব লগা বাট জেনে সেই বাটকো সিবিলাকে তেনে পোন জেনে দেখিলে। তাতে সেই দুটা বাটৰ কোনটোএদি জাব লাগে তাক সিবিলাকে বুজিব নোআৰিলে ; কিয়নো দুইটা বাট একে ৰকম দেখা গৈছিল ; এই কাৰনে সিবিলাকে বিবেচনা কৰিবৰ নিমিত্তে কিচুমান পৰ তাতে থিয় হই ৰল। এইৰূপে সিবিলাকে তাত বাটৰ কথা ভাবি থাকোঁতেই দেখা গাত বগা বস্ত্র পিন্ধা এজন কলা মানুহে সিবিলাকৰ ওচৰলৈ আহি সুধিলে, তোমোলাকে ইয়াত কিয় থিয় হই আচাহঁক ? সিবিলাকে কলে, আমি স্বর্গিয় ৰাজধানিলৈ জাওঁ ; কিন্তু এই দুইটা বাটৰ কোনটো বাটে জাব লাগে তাক আমি নেজানো। সেই মানুহটোএ কলে, মোৰ পাচে আহঁাহক মইও তালৈকে জাওঁ। তাত খ্রিষ্টিয়ান আৰু আসাৱান ৰাজ-পথত পৰা সেই বাটেদি সেই মানুহৰ পাচে পাচে গল ; কিন্তু সেই বাট ক্রমে ক্রমে ঘুৰি জোআত, জি নগৰলৈ সিবিলাকে জাব খুজিচিল সেই নগৰৰ বিপৰিত ফালে সিবিলাকে জাবলৈ ধৰিলে। তাতে নগৰ সিবিলাকৰ পাচ-ফালে থাকিল ; তথাপি মানুহটোৰ পাচে পাচেই গই আচিল। কিন্তু সিবিলাকে তালৈ চিন্তা কৰাৰ আগেএ সি দুইকো নি এখন জালত পেলালেগৈ। তাতে পৰি সিবিলাক এনেকৈ জেঁাট-পোট লাগি ৰল জে তেতিয়া কি কৰিব তাক সিবিলাকে বুজিবই নোআৰিলে। তাতে এনে সময়তে সেই কলা মানুহৰ গাৰ পৰা বগা অস্ত্র খহি পৰিল।

সিবিলাক কত আচে, তাক তেতিয়াহে সিবিলাকে জানিব পাৰিলে। সিবিলাকে জাৰ পৰা আপোনাকে আপুনি মুক্ত কৰিবলৈ অসমৰ্থ হোআত, তাতে পৰি অনেক পৰলৈকে হাহাঁকাৰেৰে ক্ৰন্দন কৰি থাকিল।

তেতিয়া খ্ৰিষ্টিয়ানে আপোনাৰ সঙ্গি আসাৱানক কলে বোলে মই দেখিচোঁ এতিয়া আমি বৰ ভুলত পৰিচোঁ। মেৰ-ৰখিয়াবিলাকে প্ৰসংসকলৈ সাৱধান হবৰ নিমিত্তে আমাক আগ্যা কৰা নাচিল নে? "জি মানুহে আপোন ওচৰচুবুৰিয়াৰ মিচা প্ৰসংসা কৰে, সি তাৰ ভৰিলৈহে জাল পাতে," গিয়ানৱান লোকে কোআৰ দৰে, আজি আমি এই কথা আমাত সিদ্ধ হোআ পালোঁ।

আসাৱান। আমি আও-বাটে নগৈ স্বৰূপ পথৰ উদেস পাবৰ নিমিত্তে, মেৰ-ৰখিয়াবিলাকে আমাৰ হাতত এখন পত্ৰও দিচিল কিন্তু আমি তাক পঢ়িবলৈহে পাহৰিলোঁহঁক আৰু বিনাসৰ পথৰ পৰাও আপোনাকে নেৰাখিলোঁহঁক। এই কথাত দাইওদ ৰজা আমাতকৈও বৰ গিয়ানি আচিল; কিয়নো তেঁও কৈচিল, "মানুহৰ কাৰ্জ্য বুজি তোমাৰ মুখৰ বাক্যেৰে দুৰাচাৰি লোকৰ পথৰ পৰা মই আপোনাকে প্ৰিথকে ৰাখিচোঁ।" এইৰূপে সিবিলাকে জালত পৰি বিলাপ কৰি থাকিল। অৱসেসত জৰি একোঁচাৰ চাবুক এডাল হাতত লই এজন তেজস্বি পুৰুসক সিবিলাকৰ ওচৰলৈ অহা দেখিলে। তেঁও ওচৰ পাই সিবিলাকক সুধিলে বোলে তোমোলাক কৰ পৰা আহিচা আৰু ইআন নো কি কৰিচাহঁক? সিবিলাকে বুলিলে, আমি চিওনলৈ জাত্ৰা কৰোঁতা দুখিত জাত্ৰিক লোক; কিন্তু বগা বস্ত্ৰ পিন্ধা এটা কলা মানুহৰ দ্বাৰাই আও-বাটলৈ আহিলোঁ; কিয়নো সি কৈচিলে মইও তালৈকে জাওঁ, তোমোলাক মোৰ পাচে পাচে আঁহা তেতিআ চাবুক ধৰা জনে বুলিলে, সেই মানুহ দিপ্তিমন্ত দুতৰ ৰূপ ধৰা প্ৰসংসক নামেৰে ভাবিকোআ পাঁচনি। তাকে কই তেঁও জাল চিঙ্গি সিবিলাকক মুক্ত কৰি সিবিলাকক কলে তোমোলাক মোৰ পাচে পাচে আঁহা মই পুনৰাই তোমোলাকক প্ৰকিত পথলৈ লই জাওঁ। এই বুলি প্ৰসংসকৰ পাচত জাওঁতে সিবিলাকে জি বাট এৰি আহিচিল, তালৈকে তেঁও সিবিলাকক ওভোটাই লই গল। তেতিয়া তেঁও সিবিলাকক সুধিলে, বোলে, জোআ ৰাতি তোমোলাকে কত সুইচিলাহঁক? সিবিলাকে বুলিলে, মেৰ-ৰখিয়াবিলাকৰ লগত মনোহৰ পৰ্বতবোৰৰ ওপৰত সুইচিলোঁ। তেতিয়া তেঁও আকৌ সুধিলে, মেৰ-ৰখিয়াবিলাকৰ পৰা তোমোলাকে পথ-গ্যাপক পত্ৰ পোআ নাই নে? সিবিলাকে কলে, হই, পাইচিলোঁ।



তেঁও কলে, তেতিয়া বাটৰ বিসয়ে সংসই জনমা কালত তাক উলিয়াই নপাহলা কিয়? সিবিলাকে বুলিলে, তাক আমি পঢ়িবলৈ নহল। তেঁও কলে, তাত বাজেও, প্ৰসংসকলৈ সাৱধান হবৰ নিমিত্তে মেৰ-ৰখিয়াবিলাকে আগ্যা দিয়া নাই নে? সিবিলাকে বুলিলে, হই, দিচিল; কিন্তু এনে উত্তম কথা কোআ মানুহ জনেই জে প্ৰসংসক হই, এনে কথা আমাৰ মনত নাহিল।

তেতিয়া মই সমাজিকত দেখিলোঁ, তেঁও সিবিলাকক মাটিত উবুৰি হই পৰিবলৈ আগ্যা দিলে। পাচে সিবিলাকে তাকে কৰিলত সুপথত চলিবলৈ জে উচিত হই তাকে সিকাবৰ নিমিত্তে তেঁও সিবিলাকক অতিসই ৰূপে প্ৰহাৰ কৰিলে; আৰু প্ৰহাৰ কৰোঁতে তেঁও কলে "জি জি লোকক মই প্ৰেম কৰোঁ, সেই সকলোকে অনুজোগ কৰোঁ আৰু সাস্তি দিওঁ; এই হেতুকে উদ্যোগি হই মন পালটোআ।" তাকে কৰি এটাই, তেঁও মেৰ-ৰখিয়াবিলাকৰ আন আন আগ্যাত ভালকৈ মন দি থাকিবলৈ কই সিবিলাকক জাত্ৰা কৰি জাবলৈ আগ্যা দিলে তাতে তেঁওৰ সকলো অনুগ্ৰহ সলাগ লই, সিবিলাকে সুপথত সাৱধান ৰূপে চলি গই এই বচন গালে;

জাত্ৰিক লোকে অপথে গই  
জি দুৰ্দসাত পতিত হল,  
ইয়াত আহি, তাক দেখাহি  
বাটৰুআ লোক সকল।।  
উত্তম সিখ্যা সুনাৰ পিচত,  
মনত নৰখাৰ কাৰণ,  
সিবিলাকে পৰি জালত  
কান্দি আচিল হই বন্ধন;  
কিন্তু সিবিলাকে সেসত,  
হই, তাৰ পৰা পালে ত্ৰান;  
তথাচ অন্য লোকে ইয়াক  
দেখি জেন হওক সাৱধান।

## ১৩ আধ্যা

এইৰূপে গই কিচুমান পৰৰ পাচত, সিবিলাকে চকু তুলি চাই আলি বাটত অকলেই লাহে লাহে সিবিলাকৰ সমুখে এটা মানুহক অহা দেখিলে। তেতিয়া খ্রিষ্টিয়ানে আপোন সঙ্গি আসাবানক কলে, বোলে, দেখা, চিওনৰ ফাললৈ পিঠি কৰি সৌ মানুহটো আমাৰ সমুখলৈ আহিচে।

আসাবান। হই, মইও তাক দেখিচো ; এতিয়া আমি সাৱধান হওঁহঁক, কিজানি সিও প্রসংসক। সেই মানুহৰ নাম নাস্তিক। সি ক্রমে ক্রমে চাপি আহি সিবিলাকৰ লগ ললেহি। তাতে সি খ্রিষ্টিয়ান আৰু আসাৱানক সুধিলে, বোলে, তোমোলাক কলৈ জোৱা ?

খ্রিষ্টিয়ানে কলে, আমি চিওন পর্বতলৈ জাওঁ।

তাকে সুনি নাস্তিকে বৰকৈ হাঁহিবলৈ ধৰিলে।

তাতে খ্রিষ্টিয়ানে সুধিলে, তুমি কিয় হাঁহিচা ?

নাস্তিক। এই পথত আপোন আপোন কষ্টৰ বাহিৰে আন একো লাভৰ আসা নাই ; তথাপি জে তোমোলাক এনে দুর্গম জাত্রাত প্রৱিত হলাহঁক তোমোলাকৰ এই মুৰ্খতা দেখিহে মই হাঁহিচে।

খ্রিষ্টিয়ান। কি কৈচা ? আমি তাত গ্রাহ্য নহম বুলি তুমি ভাবিচা নে ?

নাস্তিক। গ্রাহ্য হোআৰ কথা এৰি দিয়া ; তোমোলাকে জি ঠাইৰ কথা কৈচাহঁক, তেনেকুআ ঠাই এই জগতৰ মাজতেই নাই।

খ্রিষ্টিয়ান। ইহলোকত নাই হই, কিন্তু পৰলোকত আচে।

নাস্তিক। মইও আপোন দেসত থাকোঁতে, তোমোলাকে কোআৰ দৰে সুনিচিলোঁ ; এই কাৰণে তাক বিচাৰিবৰ নিমিত্তে জাত্রা কৰি গই আজি কুৰি বচৰলৈকে সেই নগৰ জতন কৰি বিচাৰিলোঁ ; কিন্তু জাত্রাৰ প্রথম দিনত জেনে, এতিয়াও তেনেকৈ তাৰ একোৰো গমকে নাপালোঁ।

খ্রিষ্টিয়ান। এনে ঠাইৰ কথা আমি সুনিলোঁ, আৰু তাক পাব পাৰি বুলি বিশ্বাসো কৰিচোঁ।

নাস্তিক। মই আপোন দেসত থাকোতে এনেকে বিশ্বাস নকৰা হলে, তাক বিচাৰিবৰ নিমিত্তে ইমান বাটলৈ নাহিলোঁহেঁতেন। এনে ঠাই থকা



হলে, মই তাক নিচইএ পালোঁহেঁতেন ; কিয়নো তাক পাবৰ নিমিত্তে
তোমোলাকতকৈ মই অধিক বাট গৈচিলোঁ ; কিন্তু নোপোআতহে এতিয়া
উভতি আহিচোঁ। তাক পাবৰ আসাৱে মই জি জি এৰি গৈচিলোঁ, সেই সেই
বস্তুৰেইহে মোৰ প্রান জুৰাবলৈ মই এতিয়াৰ পৰা কাৰ্বাৰ কৰি থাকিম।
তেতিয়া খ্রিষ্টিয়ানে আপোনাৰ সঙ্গি আসাৱানক কলে, এই মানুহে জি
কথা কৈচে, সেই এ স্বৰূপ হই নে ?
আসাৱানে সমিধান দি বুলিলে, সাৱধান হোআ, ইও প্রসংসকবোৰৰে
এটা, এনেকুআ মানুহৰ কথাত মন দিয়াতে, এতিয়া অলপতেই আমাৰ
কিমান দুৰৱস্থা ঘটিচিল তাক সোঁৱৰা। এনে কথা হব পাৰে নে জে, চিওন
পর্বত নাই ? আমি মনোহৰ-পর্বতবোৰৰ পৰা সেই নগৰৰ দুআৰ জানো
তেতিয়া দেখা পোআ নাই ? এতিয়া দেখা নেপাওঁ বুলি বিশ্বাসপথত
নচলিম নে ? চাবুক ধৰা মানুহ জনে জেন আহি আমাৰ লগ নধৰে, এই
নিমিত্তে আহাঁ, আমি আগ বাঢ়ি জাওঁহঁক। জি পাঠ তুমি মোক সিকাবৰ
উচিত আচিল তাক মইএ তোমাক জনাওঁ, অর্থাত "হে মোৰ পুত্র, উপদেস
মানিবলৈ নিৱিত হলে, তুমি গিয়ানৰ কথাৰ পৰা ভ্রান্ত হবা," এতেকে,
ভাই, সাস্ত্রত কোআৰ দৰে আমি জি উপদেস পালোঁ তাকে মানি থাকোঁহঁক,
সেই মানুহৰ কথা নুসুনিবা ; আহাঁ আমি আত্মাৰ পৰিত্রানৰ নিমিত্তে বিশ্বাসত
থিৰে থাকোঁহঁক।
খ্রিষ্টিয়ান। হে মোৰ ভাই, মই আমাৰ বিশ্বাসত সংসই কৰি জে তোমাক
এই কথা সুধিচোঁ, এনে নহই ; কিন্তু তোমাৰ পৰিখ্যাৰ নিমিত্তে, আৰু
তোমাৰ মনৰ সৰলতাৰ ফল দেখিবৰ কাৰনেহে তোমাক সুধিচোঁ। এই
মানুহক হলে মই জানিচোঁ জে এই জগতৰ অধিপতিৰ দ্বাৰাই ইয়াৰ গিয়ান-
চকু অন্ধ কৰা হল। এতেকে আঁহা, আমি দুইও আগবাঢ়ি জাওঁহঁক,
"কিয়নো আমি সত্যক জানি আচোঁ, আৰু সত্যৰ মাজত কোনো মিচা
নেথাকে, ইয়াক আমি জানো।"
আসাৱান। এতিয়া মই ইশ্বৰৰ মহিমাযুক্ত আসাৰে আনন্দ কৰিচোঁ।
তেতিয়া সিবিলাকে সেই নাস্তিকক এৰি গুচি গল, আৰু সিবিলাকক
হাঁহি হাঁহি আপোন বাটে গুচি গল।
পাচে মই সমাজিকত দেখিলোঁ, সিবিলাকে জাত্রা কৰি গই গই জি
দেসৰ বায়ুত বিদেসিয় লোকৰ নিদ্রা অনোআ গুন থাকে, এনে এখন দেস
পালেগৈ। সেই ঠাইতে আসাৱানে ঘুমটিৰে পুৰ হই কলমটিয়াবলৈ ধৰিলে।

তাতে তেঁও খ্রিষ্টিয়ানক কলে, বোলে, মোৰ এনেহে টোপনি ধৰিচে জে মই চকুকে মেলিব নোআৰোঁ ; ইআতে অলপমান সোওঁ দিয়া।

খ্রিষ্টিয়ান। কোনোমতেও নোআৰোঁ ; কিজানি সুই টোপনি গলে, আমি কেতিয়াও সাৰ পাব নোআৰিম।

আসাৱান। মোৰ ভাই, এনে কথা কিয় বোলা? মই জানিচোঁ, ভাগৰুআ লোকলৈ টোপনি বৰ সোৱাদ ; টোপনি গলে, আমাৰ ভাগৰ গুচিব।

খ্রিষ্টিয়ান। মেৰৰখিয়া বিলাকৰ এজনে আমাক জে মোহ ভুমিলৈ সাৱধান কৰাইচিল, তাক তুমি সোঁৱৰা নাই নে? তাৰ অৰ্থ এই, আমি টোপনিয়াবলৈ ভই কৰিব লাগে। এই হেতুকে আমি আন মানুহৰ দৰে টোপনিয়াই নেথাকি পৰ দি চেতন থাকোঁহঁক।

আসাৱান। মোৰ দোস হৈচে হই তাক মই স্বিকাৰ কৰিচোঁ, মই অকলসৰিয়া হোআ হলে, টোপনি গই মৰনৰ সঙ্কটত পৰিলোঁহেঁতেন। "এজনতকৈ দুজন ভাল," গিয়ানবানে কোআ এই বচন স্বৰূপ, তাক মই এতিয়া বুজিচোঁ। ইমানলৈকে তুমি মোৰ সঙ্গি হোআত, মোৰ বৰ হিত হৈচে ; আৰু তুমি আপোনাৰ এই ভ্ৰমৰ কাৰনে উতম ফল পাবা।

খ্রিষ্টিয়ান। তেন্তে আহাঁ, এই ঠাইত, ঘুমটি ভাঙ্গিবৰ কাৰনে, কোনো হিত কথাৰ কথোপকথন কৰোঁহঁক।

আসাৱাণ। মইও তাকে বৰ ইচা কৰো।

খ্রিষ্টিয়ান। আমি প্ৰথমে কোন কথা ধৰিমহক?

আসাৱান। ইস্বৰে আমালৈ প্ৰথমে জি কৰিচিল, সেই বিসয়ে ধৰা জাওক কিন্তু ভাই, তোমাৰ ইচা হলে, প্ৰথমে তুমিএই আৰম্ভ কৰা।

খ্রিষ্টিয়ান। বাৰু তেন্তে মই আগেএ এটা বচন গাঁও ;—

ধৰমি লোকৰ টোপনি
ধৰেহি জদি নয়ন,
তেন্তে সিবিলাকে সুনোক
জাত্রিৰ কথোপকথন
কোনো ৰূপে সিবিলাকে
এনে উতম সিখ্যা লই,
আপোন নিদ্রাজুক্ত চকু
ৰাখোক মুকলি নিচই।



ধাৰমিক লোকৰ মিত্র আলাপ
ঘুমটিৰ নিবাৰন হই ;
নৰকৰ ভুত অহিত হলেও,
তাত নহব একো ভই।

গান সেস হলত, খ্রিষ্টিয়ানে আসাৱানক কলে, মই তোমাক এটা কথা সোধোঁ। তোমাৰ মনৰ এতিয়াৰ ভাব প্ৰথমে কি ৰূপে উতপন হৈছিল?

আসাৱান। কি ভাবৰ কথা সুধিচা? মই কি ৰূপে আপোন আত্মাৰ মঙ্গলৰ বিসয়ে প্ৰথমে ভাবিবলৈ আৰম্ভ কৰিলোঁ, তাৰ বিসয়ে সুধিচা নেকি?

খ্রিষ্টিয়ান। হই, মই সেই বিসয়েই সুধিচোঁ।

আসাৱান। বাৰু তেন্তে সুনা ; আমাৰ হাটখোলাত জি জি বস্তু দেখা জাই আৰু বেচা জাই সেই সকলোতে মই অনেক দিনলৈকে আসক্ত হই থাকিচিলোঁ ; সেইবোৰ বস্তুত এতিয়ালৈকে আসক্ত হই থকা হলে সেই এ মোক সেসত বিনষ্ট, আৰু নৰকত মগ্ন কৰিলেহেঁতেন, তাক মই এতিআ ভালকৈ জানিচোঁ।

খ্রিষ্টিয়ান। সেইবোৰ নো কি কি বস্তু?

আসাৱান। জগতৰ সকলো ধন আৰু জসস্যা ; তাৰ বাহিৰে ৰতি-ৰস, লম্পটাচৰন, উন্মত, সুৰা-পান, অসুচি-কৰম, কামাভিলাস, মিচা কথা কোআ, বিশ্ৰাম-বাৰ নমনা, ইস্বৰ-নিন্দা আদি কৰি জিবোৰে আতমা বিনষ্ট কৰে সেই সকলোতে আসক্ত হই তেনে আচৰন কৰিবলৈ মই ভাল পাইচিলোঁ ; কিন্তু পাচত তুমি, আৰু বিসেসকৈ জি জনক আপোন বিশ্বাস আৰু সদাচৰনৰ কাৰনে অসাৰ-হাটত বধ কৰা হল, নেই প্ৰিয় বিশ্বাসিএ কোআ ধৰম-বাক্য সুনি বিবেচনা কৰাত, মই বুজিলোঁ জে, এই সকলোৰে ফল মৰনহে ; আৰু তেনে কুকৰমৰ নিমিতে আগ্যা নমনা লোকৰ ওপৰত ইস্বৰৰ ক্ৰোধ থাকে।

খ্রিষ্টিয়ান। তুমি তেতিয়া একে বেলিএই আপোনাকে দণ্ডৰ পাত্র বুলি ভাবিচিলা নে?

আসাৱান। নহই, পাপ জে অতিসই মন্দ, আৰু পাপ কৰা বিলাকৰ ওপৰত জে ইস্বৰৰ ক্ৰোধ থাকে, তাক জানিবলৈ প্ৰথমে মোৰ ইচা নাচিল ; এই কাৰনে ইস্বৰিয় বাক্যৰ দ্বাৰাই মোৰ মন জেতিয়া উদ্বিগ্ন হবলৈ ধৰিলে তেতিয়া মই সেই বাক্যৰূপ পোহৰৰ পৰা মোৰ গিয়ান-চকু মুদাই ৰাখিবলৈহে মই কাৰ্বাৰ কৰিচিলোঁ।

খ্রিষ্টিয়ান। ইস্বৰৰ পবিত্র আত্মাই জনমোআ গিয়ানৰ বিৰুদ্ধে কিয় এনে বেৱহাৰ কৰিচিলা ?

আসাৱান। তাৰ কাৰন এই ;—প্রথম, ইস্বৰৰ পৰা জে এনে চেতনা মোৰ মনত জন্মিচিল মই তাৰ বুজকে নেপালোঁ ; আৰু ইস্বৰে পাপৰ বিসয়ে চেতনা দি জে পাপিৰ মন-পৰিবর্তনৰ আৰম্ভ কৰে, তাকো মই কেতিয়াও নেভাবিচিলোঁ। দ্বিতিয়, তেতিয়া সাৰিৰিকভাৱে মই পাপক বৰ ভাল পাইচিলোঁ ; তাক এৰিবলৈ মোৰ ইচা নাচিল। ত্রিতিয়, মোৰ আগৰ পুৰাতনিয়া বন্ধুবিলাকৰ সঙ্গ আৰু বেৱহাৰ মোলৈ প্রিয় হোআত, সিহঁতক ত্যাগ কৰিবলৈ বৰ টান পাইচিলো। চতুর্থ, জি সমইত পাপৰ বিসয়ে মোৰ চেতনা হল, সেইখিনি সমই মোলৈ এনেহে ভয়ানক আৰু মনত দুখ দিওঁতা হৈচিল জে, তাক সোঁঅৰন কৰাই মোলৈ অতি অসহনিয় হই উঠিল।

খ্রিষ্টিয়ান। তেন্তে তোমাৰ কথাৰ দ্বাৰাই মই বুজিচোঁ জে তুমি আপোন দুখৰ পৰা কোনো কোনো সমইত জিৰনি পাইচিলা।

আসাৱান। সেইএ হওঁতে হই, কিন্তু মোৰ মনত পুনৰাই জেতিয়া সেই চিন্তা উপস্থিত হই, তেতিআ মই আগতকৈও অতি অধিক কষ্ট ভোগ কৰোঁ।

খ্রিষ্টিয়ান। কিয় ? তোমাৰ মনত পাপ-চিন্তা নো আকৌ কিহে আনে ?

আসাৱান। সেইএ নানা কথাৰ দ্বাৰাই অর্থাত,

১। বাটত ফুৰোঁতে জদি কোনো ভদ্র লোকক লগ পাওঁ ;

২। কোনোক জদি ধৰম-সাস্ত্র পৰ্হিৰৰ সুনো ;

৩। জদি মোৰ মুৰেই বিথাই ;

৪। কোনোএ জদি ঘোৰ ওচৰ-চুবুৰিয়া নৰিয়া পৰাৰে কথা কই ;

৫। কোনোএ জদি অমুক মানুহ মৰিল বুলি সম্বাদ দিএ ;

৬। জেতিয়া মই আপোন মৰনৰ বিসয়ে চিন্তো ;

৭। অকস্মাত কোনো লোক মৰিল বুলিএ জেতিয়া সুনো ;

৮। বিসেসকৈ জেতিয়া মই ইস্বৰৰ মহাসোধলৈ সোনকালে জাব লাগিব বুলি ভাবোঁ তেতিয়া মই পাপৰ বিসয়ে আৰু বৰকৈ চিন্তা কৰিবলৈ ধৰোঁ।

খ্রিষ্টিয়ান। জেতিয়া তোমাৰ মনত পাপ-চিন্তাই এই এই ৰুপে ধৰিচিলে, তেতিয়া তাক একে বেলিএ তোমাৰ মনৰ পৰা দুৰ কৰিব পাৰিচিলা নে ?

আসাৱান। মই নিজে নোআৰিলোঁ ; কিয়নো মোৰ পাপচিন্তা মনৰ পৰা দুৰ কৰি খেদাবলৈ মই জিমান স্রম কৰিচিলোঁ, সিমান অধিককৈ মোৰ দোসাদোস গিয়ানো আহিচিল ; আৰু মোৰ মন পাপলৈ ঘুৰি জোআ অহিত



হলেও, জদি কোনো সমইত এনে কথা মনত পৰে তেতিয়া দুগুন খেদ মোৰ মনত আহি লাগেহি।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰা !

আসাৱান। তেতিয়া মই ভাবোঁ জে মই সদাচৰনত প্রব্রিত হবলৈ জতন কৰিব লাগে ; সেইএ নহলে, মোৰ নিচইএ দণ্ড হব।

খ্রিষ্টিয়ান। তুমি সেইৰুপ সদাচৰনত প্রব্রিত হবলৈ জতন কৰিচিলা নে ?

আসাৱান। মই জে কেৱল পাপৰ পৰা পলালোঁ, এনে নহই, মই সকলো পাপি লোকৰ সঙ্গৰ পৰাও আঁতৰ হই ধৰম কৰমত মন দিলোঁ ; অর্থাৎ প্রার্থনা কৰা, ধৰম-সাস্ত্র পাঠ কৰা, পাপৰ কাৰনে খেদ কৰা, আৰু ওচৰ-চুবুৰিআৰ লগত সত্য আলাপ কৰা আদি কৰি জি নানা সতকৰম, সেই সকলোতে মন দিলোঁ ; তাক এতিয়া ভাঙ্গি কবলৈ গলে বহুত হই।

খ্রিষ্টিয়ান। সেই সকলো কৰম কৰাৰ পাচত, তোমাৰ মন ভাল হল বুলি ভাবিচিলা নে ?

আসাৱান। হই, কিচু কাললৈকে মই সেই ৰুপে ভাবিচিলোঁ ; কিন্তু সেসত মোৰ সেই সকলো সতকৰম ৰুপে সেতু ভাগি ভইৰুপে ঢৌ আহি মোৰ ওপৰত আকৌ পৰিলহি।

খ্রিষ্টিয়ান। তুমি পাপ ত্যাগ কৰি সদাচৰনত প্রব্রিত হোআতো, তোমাৰ মনত দুখ আকৌ কেনেকৈ লাগিচিল ?

আসাৱান। অনেকভাবে সেই দুখ মনত আহিচিল ; বিসেসকৈ সাস্ত্রৰ এই বচন পৰ্হোতে সেই দুখে ধৰিচিলেহি, "আমাৰ সকলো ধৰম-কৰম মলিন বস্ত্রৰ নিচিনা ;" আৰু "বিধানৰ কৰমৰ দ্বাৰাই কোনো প্রানি ধার্মিক বুলি গনিত হব নোআৰে।" "এইৰুপে তোমালোককো জি জি আগ্যা কৰা হৈচে, সেই সকলোকে কৰিও, আমি অনুপজোগি দাস, আমাৰ জি জি কর্তব্য, তাকে মাথোন কৰিলোঁ, এই কথা বুলিবা ;" এইৰুপে আন আন অনেক আচে। তাকে পৰ্হি, মই এই দৰে আপোন-আপুনি বিবেচনা কৰি চালোঁ জে মোৰ সকলো পুন্য জদি মলিন বস্ত্রৰ নিচিনা হই আৰু বিধানৰ কৰমৰ দ্বাৰাই জদি কোনো প্রানি ধার্মিক বুলি গনিত হব নোআৰে, আৰু জি জি আগ্যা কৰা হৈচে, সেই সকলোকে কৰিও জদি আমি অনুপজোগি দাসহে হলোঁ, তেন্তে বিধানৰ দ্বাৰাই স্বর্গ লাভৰ আসা কৰা ব্রিথা। তাত বাজে মোৰ মনতে আৰু এই কথা গমি চালোঁ জে, কোনো মানুহে জদি মহাজনৰ পৰা এস টকা ধাৰে লই, পাচে নগদ ধন দি বস্তু কিনে, তথাপি তাৰ আগৰ

ধাৰ জদি নেমাৰে, তেন্তে মহাজনে তাৰ ওপৰত গোচৰ কৰি, আগৰ ধাৰ নুসুজেমানে তাক বন্দিসালত ৰাখিব পাৰে।

খ্রিষ্টিয়ান। সেই কথা তুমি আপোনাত কি ৰুপে খটালা ?

আসাবান। কিৰুপে খটালোঁ, সুনা ; মই আপোনাৰ মনতে এনেকৈ বিবেচনা কৰিলোঁ জে, মই আপোন পাপৰ কাৰণে ইস্বৰৰ আগত ধৰুআ হৈ আচোঁ ; আৰু এতিয়া পাপ ত্যাগ কৰাতে সেই ধাৰৰ পৰিসোধ হব নোআৰে। এই হেতুকে বৰ্তমান কালত, মই সকলোভাৱে সদ আচৰনত প্ৰব্ৰিত হলেও, আগৈএ কৰা অপৰাধৰ কাৰনে মোৰ ওপৰত জি দণ্ড পৰিব তাৰ হাত সাৰিবলৈকো মই উপাই বিচৰা উচিত।

খ্রিষ্টিয়ান। হই, সেইএ স্বৰুপকৈ খাটিচে ; বাৰু, কই থাকা, মই আৰু সুনিবলৈ ইচা কৰোঁ।

আসাৱান। মই পাপ ত্যাগ কৰাৰে পৰা জি আন এটা চিন্তাই মোৰ মনত অসন্তোস জন্মালে, সেইএ এই ; মোৰ জি আচৰনক মই সদআচৰন বুলি গিয়ান কৰিচিলোঁ, তাক জেতিয়া মই ভালকৈ বিবেচনা কৰিলোঁ, তেতিয়া তাতো কেৱল পাপকেহে লাগি থকা দেখিলোঁ, আৰু নতুন নতুন পাপ ওলাই সকলো পুন্য কৰমত মিহলি হোআহে বুজিলো। এই হেতুকে মোৰ মনত পৰিচে জে মই আগৰ দৰে আপোন ধৰম-কৰমত আৰু প্ৰসংসা কৰিব নোআৰিলোঁ কাৰণ পুৰ্বে মোৰ আচৰন নিৰ্দোস হলেও সম্প্ৰতি মোৰ এদিনৰ ধৰম-কৰমত জি পাপ থাকে, সেই পাপেই কোনো এদিন মোক অৱস্যে নৰকত পেলাব, ইআক মই ভালকৈ জানিলোঁ।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰিলা ?

আসাৱান। কি কৰিলোঁ, সুনা ; বিস্বাসিৰ আগত মোৰ মনৰ কথা ভাঙ্গি নকলোঁমানলৈকে, কি কৰিব লাগে, তাক মই বুজিবই নোআৰিলোঁ ; তেঁওৰে সৈতে মোৰ বৰ চিনা-পৰিচই আচিল। তাতে তেঁও মোক এই কথা কলে বোলে, জি জন পুৰুসে কেতিআও কোনো পাপ কৰা নাই, এনে জন পুৰুসৰ পুন্য তুমি নেপালে তোমাৰ পুন্যে বা জগতখনৰ পুন্যও তোমাক কোনো ৰুপে পৰিত্ৰান কৰিব নোআৰিব।

খ্রিষ্টিয়ান। বিস্বাসিএ তোমাক স্বৰুপ কথা কলে বুলি তুমি ভাবিচিলা নে ?

আসাৱান। জি কালত মই আপোন পুন্যত সন্তুষ্ট হই আচিলোঁ, সেই কালত তেঁও মোক এনে কথাকোআ হলে, তেঁওৰ সেই পৰিস্ৰমৰ কাৰনে মই তেঁওক মুৰ্খহে বুলিলোঁহেঁতেন। কিন্তু পাচত জেতিয়া মই আপোনাকে নিৰুপাই জেন দেখিলোঁ, আৰু মোৰ সত কৰমৰ মাজতো কিমান পাপ মিহলি হই আচে, তাকো বুজিলোঁ, তেতিয়াহে তেঁওৰ কথা সত্য বুলি স্বিকাৰ কৰিব লগা হলোঁ।

খ্রিষ্টিয়ান। কিন্তু তেঁও জেতিয়া তোমাৰ আগত প্ৰথমে সেই কথা কলে, তেতিয়া, জি মানুহে কেতিয়াও পাপ কৰা নাই, এনে নিৰ্দোসি পুৰুস এজন পোআ জাব পাৰে বুলি তুমি মনত ভাবিচিলা নে ?

আসাৱান। স্বৰুপেই মই প্ৰথমে তেঁওৰ কথা বৰ অসম্ভৱ জেন ভাবিচিলোঁ ; কিন্তু তেঁওৰে সৈতে আৰু কিচুমান পৰ কথোপকথন আৰু আলাপ কৰিলতহে সেই কথা স্বৰুপ বুলি জানিলোঁ।

খ্রিষ্টিয়ান। সেই জন মানুহ কোন, আৰু তেঁওৰ দ্বাৰাই বা তুমি কি ৰুপে পুন্যৱান হব পাৰিবা, তাক তুমি বিস্বাসিক সুধিচিলা নে ?

আসাৱান। হই সুধিচিলোঁ ; তেঁও মোক কৈচিলে বোলে, সেই জন সৰ্বোপৰি ইস্বৰৰ সোঁফালে বহি থকা প্ৰভু জিসু খ্রিষ্ট ; তেঁও অৱতিৰ্ন হই প্ৰিথিৱিত থাকোঁতে, জি জি কৰম কৰিলে, বিসেসকৈ পেৰেঙ্গ-কাঠত অৰা কালত জি জি দুখ ভোগ কৰিলে, সেই সকলোতে বিস্বাস কৰি তেঁওৰ দ্বাৰাই পুন্যৱান হোআ তোমাৰ আৱস্যক। তাতে মই তেঁওক আৰু সুধিলোঁ, সেই জনৰ পুন্যে আন জনক ইস্বৰৰ আগত পুন্যৱান কৰিবলৈ কেনেকৈ জুৰিব ? তেঁও বুলিলে, সেইজন স্বৰুপেই সৰ্বসক্তিমান স্বয়ঙ্গ ইস্বৰ আৰু তেঁও জি জি কৰম কৰিলে, আৰু জি ম্ৰিত্যু ভোগ কৰিলে, সেই সকলো আপোনাৰ নিমিত্তে কৰিলে এনে নহই, কিন্তু তোমাৰ মোৰ আদি কৰি সকলোৰে নিমিত্তেহে কৰিলে ; আৰু তুমি জদি তেঁওত বিশ্বাস কৰা তেন্তে তেঁও কৰা সকলো কৰম, আৰু সেই কৰমত জি জি পুন্য হই সেই সকলোকে তোমাৰ বুলিএই গনিত হব।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰিলা ?

আসাৱান। মই তেঁওত বিস্বাস কৰিলেও, কিজানি তেঁও মোক উদ্ধাৰ কৰিবলৈ সন্মত নহব, এনে ভাবনা মোৰ মনত জনমাত, সংসই হৈচে বুলি কলোঁ।

খ্রিষ্টিয়ান। সেই কথাত বিস্বাসিএ কি উত্তৰ দিলে ?

আসাৱান। তেঁও কলে, জিসু-খ্রিষ্টৰ ওচৰলৈ গই চোআ ; তাতে মই কলোঁ, জাবলৈ সাহ নেপাওঁ। বিস্বাসিএ বুলিলে, ভই নকৰিবা ; তেঁও

ধাৰ জদি নেমাৰে, তেন্তে মহাজনে তাৰ ওপৰত গোচৰ কৰি, আগৰ ধাৰ নুসুজেমানে তাক বন্দিসালত ৰাখিব পাৰে।

খ্রিষ্টিয়ান। সেই কথা তুমি আপোনাত কি ৰুপে খটালা ?

আসাবান। কিৰুপে খটালোঁ, সুনা ; মই আপোনাৰ মনতে এনেকৈ বিবেচনা কৰিলোঁ জে, মই আপোন পাপৰ কাৰণে ইস্বৰৰ আগত ধৰুআ হৈ আচোঁ ; আৰু এতিয়া পাপ ত্যাগ কৰাতে সেই ধাৰৰ পৰিসোধ হব নোআৰে। এই হেতুকে বর্তমান কালত, মই সকলোভাৱে সদ আচৰনত প্রব্রিত হলেও, আগৈএ কৰা অপৰাধৰ কাৰনে মোৰ ওপৰত জি দণ্ড পৰিব তাৰ হাত সাৰিবলৈকো মই উপাই বিচৰা উচিত।

খ্রিষ্টিয়ান। হই, সেইএ স্বৰুপকৈ খাটিচে ; বাৰু, কই থাকা, মই আৰু সুনিবলৈ ইচা কৰোঁ।

আসাৱান। মই পাপ ত্যাগ কৰাৰে পৰা জি আন এটা চিন্তাই মোৰ মনত অসন্তোস জন্মালে, সেইএ এই ; মোৰ জি আচৰনক মই সদআচৰন বুলি গিয়ান কৰিচিলোঁ, তাক জেতিয়া মই ভালকৈ বিবেচনা কৰিলোঁ, তেতিয়া তাতো কেৱল পাপকেহে লাগি থকা দেখিলোঁ, আৰু নতুন নতুন পাপ ওলাই সকলো পুন্য কৰমত মিহলি হোআহে বুজিলো। এই হেতুকে মোৰ মনত পৰিচে জে মই আগৰ দৰে আপোন ধৰম-কৰমত আৰু প্রসংসা কৰিব নোআৰিলোঁ কাৰণ পুর্বে মোৰ আচৰন নির্দোস হলেও সম্প্রতি মোৰ এদিনৰ ধৰম-কৰমত জি পাপ থাকে, সেই পাপেই কোনো এদিন মোক অৱস্যে নৰকত পেলাব, ইআক মই ভালকৈ জানিলোঁ।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰিলা ?

আসাৱান। কি কৰিলোঁ, সুনা ; বিস্বাসিৰ আগত মোৰ মনৰ কথা ভাঙ্গি নকলোঁমানলৈকে, কি কৰিব লাগে, তাক মই বুজিবই নোআৰিলোঁ ; তেঁওৰে সৈতে মোৰ বৰ চিনা-পৰিচই আচিল। তাতে তেঁও মোক এই কথা কলে বোলে, জি জন পুৰুসে কেতিআও কোনো পাপ কৰা নাই এনে জন পুৰুসৰ পুন্য তুমি নেপালে তোমাৰ পুন্যে বা জগতখনৰ পুন্যও তোমাক কোনো ৰুপে পৰিত্রান কৰিব নোআৰিব।

খ্রিষ্টিয়ান। বিস্বাসিএ তোমাক স্বৰুপ কথা কলে বুলি তুমি ভাবিচিলা নে ?

আসাৱান। জি কালত মই আপোন পুন্যত সন্তুষ্ট হই আচিলোঁ, সেই কালত তেঁও মোক এনে কথাকোআ হলে, তেঁওৰ সেই পৰিস্রমৰ কাৰনে মই



তেঁওক মূর্খহে বুলিলোঁহেঁতেন। কিন্তু পাচত জেতিয়া মই আপোনাকে নিৰুপাই জেন দেখিলোঁ, আৰু মোৰ সত কৰমৰ মাজতো কিমান পাপ মিহলি হই আচে, তাকো বুজিলোঁ, তেতিয়াহে তেঁওৰ কথা সত্য বুলি স্বিকাৰ কৰিব লগা হলোঁ।

খ্রিষ্টিয়ান। কিন্তু তেঁও জেতিয়া তোমাৰ আগত প্রথমে সেই কথা কলে, তেতিয়া, জি মানুহে কেতিয়াও পাপ কৰা নাই, এনে নির্দোসি পুৰুস এজন পোআ জাব পাৰে বুলি তুমি মনত ভাবিচিলা নে ?

আসাৱান। স্বৰুপেই মই প্রথমে তেঁওৰ কথা বৰ অসম্ভৱ জেন ভাবিচিলোঁ ; কিন্তু তেঁওৰে সৈতে আৰু কিচুমান পৰ কথোপকথন আৰু আলাপ কৰিলতহে সেই কথা স্বৰুপ বুলি জানিলোঁ।

খ্রিষ্টিয়ান। সেই জন মানুহ কোন, আৰু তেঁওৰ দ্বাৰাই বা তুমি কি ৰুপে পুন্যৱান হব পাৰিবা, তাক তুমি বিস্বাসিক সুধিচিলা নে ?

আসাৱান। হই সুধিচিলোঁ ; তেঁও মোক কৈচিলে বোলে, সেই জন সর্বোপৰি ইস্বৰৰ সোঁফালে বহি থকা প্রভু জিসু খ্রিষ্ট ; তেঁও অৱতির্ন হই প্রিথিৱিত থাকোঁতে, জি জি কৰম কৰিলে, বিসেসকৈ পেৰেঙ্গ-কাঠত অৰা কালত জি জি দুখ ভোগ কৰিলে, সেই সকলোতে বিস্বাস কৰি তেঁওৰ দ্বাৰাই পুন্যৱান হোআ তোমাৰ আৱস্যক। তাতে মই তেঁওক আৰু সুধিলোঁ, সেই জনৰ পুন্যে আন জনক ইস্বৰৰ আগত পুন্যৱান কৰিবলৈ কেনেকৈ জুৰিব ? তেঁও বুলিলে, সেইজন স্বৰুপেই সর্বসক্তিমান স্বয়ঙ্গ ইস্বৰ আৰু তেঁও জি জি কৰম কৰিলে, আৰু জি ম্রিত্যু ভোগ কৰিলে, সেই সকলো আপোনাৰ নিমিত্তে কৰিলে এনে নহই, কিন্তু তোমাৰ মোৰ আদি কৰি সকলোৰে নিমিত্তেহে কৰিলে ; আৰু তুমি জদি তেঁওত বিশ্বাস কৰা তেন্তে তেঁও কৰা সকলো কৰম, আৰু সেই কৰমত জি জি পুন্য হই সেই সকলোকে তোমাৰ বুলিএই গনিত হব।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰিলা ?

আসাৱান। মই তেঁওত বিস্বাস কৰিলেও, কিজানি তেঁও মোক উদ্ধাৰ কৰিবলৈ সন্মত নহব, এনে ভাবনা মোৰ মনত জনমাত, সংসই হৈচে বুলি কলোঁ।

খ্রিষ্টিয়ান। সেই কথাত বিস্বাসিএ কি উত্তৰ দিলে ?

আসাৱান। তেঁও কলে, জিসু-খ্রিষ্টৰ ওচৰলৈ গই চোআ ; তাতে মই কলোঁ, জাবলৈ সাহ নেপাওঁ। বিস্বাসিএ বুলিলে, ভই নকৰিবা ; তেঁও

তোমাক আমন্ত্রন কৰিচে। ইয়াকে কই তেঁও, খ্রিষ্টৰ ওচৰলৈ জাবৰ কাৰনে মোৰ মনত সাত জনমাৰলৈ, খ্রিষ্টৰ আগ্যাৰে ৰচনা কৰা এখনি পুথি মোক দিলে। আৰু সেই পুথিৰ বিসয়ে তেঁওমোক কলে জে, স্বৰ্গ আৰু প্রিথিৱিতকৈ ইয়াত লিখা বচনবোৰৰ বিন্দু বিসর্গ একেবাৰে অলৰ। তাতে মই তেঁওক সুধিলোঁ, প্রভুৰ ওচৰলৈ গলে মই তাত কি কৰিব লাগিব? তেঁও কলে, পিত্রিএ জিসু খ্রিষ্টক তোমাৰ আগত জেন প্রকাস কৰিব, এই নিমিত্তে আঁঠু পাৰি সকলো চিতেৰে সকলো মনেৰে তেঁওলৈ কাকুতি কৰিব লাগিব। তেতিয়া কি ৰূপে তেঁওত জাজ্ঞা কৰা উচিত তাকে মই তেঁওক সুধিলোঁ। তাতে তেঁও কলে, তুমি গই তেঁওক ক্রিপাসনৰ ওপৰত পাবা; তেঁওৰ ওচৰলৈ জোআবিলাকৰ পাপ খেমা কৰিবৰ নিমিত্তে তেঁও সদাই তাত বহি থাকে। তাতে মই কলোঁ, তালৈ গই কি কথা কব লাগে তাক মই নেজানো। তেতিয়া বিস্বাসিএ এইৰূপে কব দিলে, হে ইস্বৰ, পাপি জি মই, মোক দয়া কৰা, আৰু জিসু খ্রিষ্টক জানি তেঁওত বিস্বাস কৰিবলৈ সক্তি দিয়া; কিয়নো তেঁওৰ পুন্য নথকা হলে, আৰু তেঁওত মই আস্রই নললে, অৱস্যে বিনষ্ট হম, ইয়াক মই নিচই জানিচোঁ। হে প্রভু, তুমি দয়ালু ইস্বৰ; এই কাৰনে জগতৰ ত্রানকর্তা হবৰ নিমিত্তে, আপোন পুত্র জিসু খ্রিষ্টক নিজুক্ত কৰিলা, এই সকলো কথা মই সুনিচোঁ। হে প্রভু, মই নিচইএ দুখিত পাপি; এই সময়তে তোমাৰ পুত্র জিসু খ্রিষ্টৰ দ্বাৰাই মোৰ আত্মাৰ পৰিত্রান কৰি আপোন অনুগ্রহৰ মাহাত্ম্য প্রকাস কৰা। আমেন।

খ্রিষ্টিয়ান। বিস্বাসিএ তোমাক জি ৰূপে কৰিব দিলে, তুমি সেইৰূপে কৰিলা নে?

আসাৱান। হই, মই সেইৰূপে ঘনে ঘনে কৰিলোঁ।

খ্রিষ্টিয়ান। পিত্রিএ আপোন পুত্রক তোমাৰ আগত প্রকাস কৰিলে নে?

আসাৱান। প্রথমবাৰ প্রার্থনা কৰাত নকৰিলে, দ্বিতিয়বাৰতো নকৰিলে, ত্রিতিঅ, চতুর্থ, পঞ্চম আৰু সষ্ঠবাৰতো প্রকাস নকৰিলে।

খ্রিষ্টিয়ান। তেতিয়া তুমি কি কৰিলা?

আসাৱান। কি কৰিবৰ কথা সুধিচা? মই কি কৰিব লাগে, তাৰ একোকে থিক কৰিব নোআৰিলোঁ।

খ্রিষ্টিয়ান। প্রার্থনা এৰিবলৈ তোমাৰ মন নগল নে?

আসাৱান। হই; দুবাৰমান মোৰ মনত তেনে ভাবনা আহিছিল।

খ্রিষ্টিয়ান। তেন্তে কি কাৰণে সেইৰূপে নকৰিলা?



আসাৱান। তাৰ কাৰন এই জি কথা মোক কোআ হল, অর্থাত জিসু খ্রিষ্টৰ পুন্যত বাজে গোটেই জগতখনেও জে মোক উদ্ধাৰ কৰিব নোআৰে, ইয়াকে মই নিচইকৈএ স্বৰূপ বুলি বুজিলোঁ। এই নিমিত্তে মই ভাবিলোঁ জে, মই জদি প্রার্থনা কৰিবলৈ এৰোঁ তেন্তে মই নিচইএ বিনষ্ট হম; আৰু ক্রিপাসনৰ আগত প্রার্থনা কৰি থাকোঁতে বিনষ্ট হোআত বাজে, মোৰ আন কি দুর্গতি হব পাৰে? এনেতে এই সাস্ত্রিয় বচনো মনত পৰিল জে, "জদিও পলম হই, তথাপি তাৰ নিমিত্তে অপেখ্যা কৰি থাকা; কিয়নো সেইএ নিচইএ আহিব, নহাকৈ নেথাকিব।" এই নিমিত্তে পিত্রিএ আপোন পুত্রক মোৰ আগত প্রকাস নকৰালৈকে মই প্রার্থনা কৰিএই আছিলোঁ।

খ্রিষ্টিয়ান। জিসু খ্রিষ্টক তোমাৰ আগত কি ৰূপে প্রকাস কৰা হল?

আসাৱান। মোৰ সাৰিৰিক চকুৰে তেঁওক দেখিলোঁ, এনে নহই, গিয়ানৰূপ চকুৰেহে দেখিলোঁ; আৰু এইৰূপে দেখা পালোঁ, কোনো এদিনা মই আপোন মনতে অতিসই খেদ পাইচিলোঁ, তেনে খেদ মোৰ আয়ুসৰ ভিতৰত আগেএ কেতিয়াও পোআ নাই; মোৰ দোসাদোস গিয়ানত প্রকাসৰূপে কুচিত স্বভাৱ আৰু মহা-পাপ দেখি সেই খেদ জন্মিল। সেই সময়ত মই নৰকলৈ আৰু আপোন প্রানৰ অনন্ত বিনাসলৈহে কেৱল অপেখ্যা কৰি আছিলোঁ। এনেতে অকস্মাতে প্রভু জিসুএ স্বৰ্গৰ পৰা মোলৈ ক্রিপা দ্রিষ্টি কৰি, এই কথা কোআ জেন সুনিলোঁ, "প্রভু জিসু খ্রিষ্টত বিস্বাস কৰা, তেহে তুমি পৰিত্রান পাবা।"

মই উত্তৰ কৰি কলোঁ, হে প্রভু, কেনেকৈ? মই অতিসই পাপিষ্ঠ; তাতে তেঁও বুলিলে, "মোৰ জি অনুগ্রহ, সেইএ তোমালৈ জুৰিব।" তেতিয়া মই কলোঁ, হে প্রভু, বিস্বাস কৰা নো কি? মই তাকো নেজানো, তেতিয়া এই বচন মোৰ মনত পৰিল, "জি জন মোৰ ওচৰলৈ আহে, তাৰ কেতিয়াও পিয়াহ নেলাগে।" এই কথাৰ দ্বাৰাই মই বুজিলোঁ জে অহা আৰু বিস্বাস কৰা এই দুইও একে; এই হেতুকে জিজন প্রভুলৈ জাই, অর্থাত জাৰ মন আৰু চিত প্রেমেৰে খ্রিষ্টৰ দ্বাৰাই পৰিত্রানলৈ আকর্সিত হই, সেই জনে জিসু খ্রিষ্টত নিচইএ বিস্বাসো কৰা হই। তেতিয়া মোৰ চকুৰ লো ওলাবলৈ ধৰিলে। পাচে মই আকৌ সুধিলো, হে প্রভু এনে অতিসই পাপিষ্ঠ জি মই, মই তোমাৰ দ্বাৰাই গ্রাহ্য হই, পৰিত্রান পাব পাৰিম নে? তাতে তেঁও এনে কথা কোআ জেন মই সুনিলোঁ জে, "জি কোনো মোৰ ওচৰলৈ আহে, মই তাক কোনোমতে বাহিৰ নকৰোঁ।" তেতিয়া মই কলোঁ, হে প্রভু,

জদি সেই এ স্বৰুপ হই, তেন্তে মই জেন তোমাত উচিতৰুপে বিস্বাস কৰিম, এই নিমিত্তে তোমাৰ ওপৰলৈ আহোঁতে, তোমাক কি ৰুপ বুলি বুজিম ? তাতে তেওঁ আৰু উত্তৰ দিলে, “পাপি লোকৰ পৱিত্ৰান কৰিবৰ নিমিত্তে জিসু খ্ৰিষ্ট জগতলৈ অৱতিৰ্ন হল” ; আৰু “বিস্বাস কৰাবিলাক পুন্যৱন্ত হবৰ নিমিত্তে খ্ৰিষ্টেই বিধানৰ সিদ্ধি হ’ল। তেঁও আমাৰ পাপৰ কাৰনে মৰিল, আৰু আমি পুন্যৱন্ত হবলৈ আকৌ জিয়াই উঠিল। তেঁও আমাক প্ৰেম কৰি আপোন তেজেৰে আমাৰ পাপ ধুই গুচালে।” আৰু “ইস্বৰৰে আমাৰে মাজত তেঁও মিলন-কৰ্তা হৈচে।” তাতে “তেঁও আমাৰ নিমিত্তে নিবেদন কৰিবলৈ সদাই জিয়াই আচে।” এই সকলো বচনৰ দ্বাৰাই মই ইয়াকে বুজিলোঁ জে, জিসু খ্ৰিষ্টৰ পৰা পুন্য আৰু তেঁওৰ তেজৰ দ্বাৰাই মোৰ পাপৰ প্ৰায়চিত পাবলৈ অপেখ্যা কৰি থকা মোৰ উচিত ; অৰ্থাত আপোন পিত্ৰিৰ আখ্যা পালন কৰিবৰ নিমিত্তে তেঁও জি জি কৰম কৰিলে ; আৰু বিধানৰ জি দণ্ড ভোগ কৰিলে, সেই সকলোকে তেঁও আপোনাৰ নিমিত্তে কৰিলে এনে নহই ; কিন্তু জিবিলাকে আপোন পাপৰ প্ৰায়চিতৰ অৰ্থে সেই কৰমৰ উপকাৰ মানি আনন্দেৰে তাক গ্ৰহন কৰিব, সিবিলাকৰ নিমিত্তেহে কৰিলে। তেতিয়া মোৰ মন আনন্দেৰে প্ৰফুলিত হল, মোৰ চকুৰ লোও ধাৰেৰে বৈ গল, আৰু জিসু খ্ৰিষ্টৰ নাম, খ্ৰিষ্টৰ পথ, আৰু তেঁওৰ লোকলৈ মোৰ হ্ৰিদই প্ৰেমেৰে আকৰ্সিত হল।

খ্ৰিষ্টিয়ান। তোমাৰ মনৰ ভিতৰত জিসু খ্ৰিষ্ট প্ৰকাসিত হোআ সেইএ নিচই হই ; কিন্তু সেইএং তোমাৰ মনত কি কি ৰুপ ফল উতপন কৰিলে, তাক মোৰ আগত ভাঙ্গি কোআচোন।

আসাৱান। সমুদাই জগতৰ লোকে আপোনাকে আপুনি জিমান কি পুন্যৱন্ত নোবোলোক, তথাপি সিবিলাক সকলোএই দণ্ডৰ পাত্ৰ হৈচে বুলি মই তেতিয়া দেখিলোঁ ; আৰু ন্যায়ৱান পিত্ৰি ইস্বৰ খ্ৰিষ্টত বিস্বাস কৰা পাপিক পুণ্যৱান গনিত কৰিও ন্যায়ৱান থাকে, ইআকো বুজিলোঁ, তাত বাজে, মই আপোনাৰ আগৰ কু-আচৰনলৈ চাই অতিসই লাজ পালোঁ, আৰু মোৰ অগিয়ানতা দেখি বিচুৰ্তি হলোঁ ; কিয়নো ইয়াৰ আগেএ, জিসু খ্ৰিষ্টৰ এনে উত্তম আৰু তেজস্বি গুন মোৰ মনত কেতিয়াও নপৰিচিল। তেতিয়া মই পবিত্ৰ আচৰনত প্ৰৱিত হবলৈ অতিসই ইচা কৰিলোঁ, আৰু প্ৰভু জিসুৰ নামৰ মহিমা আৰু গৌৰৱ প্ৰকাস কৰিবলৈ মোৰ বৰকৈ ইচা জন্মিল ; অধিক কি, মোৰ মৰ এনেকুআ হল জে, মোৰ সৰিৰত এক হাজাৰ



কলহমান তেজ থকা হলে, মই সেই সকলোকে খ্ৰিষ্টৰ নিমিত্তে বাকি দিলোঁহেঁতেন।

পাচে মই সমাজিকত দেখিলোঁ, আসাৱানে পাচলৈ ঘুৰি চাই জি অগিয়ানক সিবিলাকে পাচত এৰি গৈচিল তাক জোআ দেখিলে ; তাতে তেঁও খ্ৰিষ্টিয়ানক কলে, ভাই, চোআচোন, সৌ ডেকা মানুহটো কিমান পাচ পৰি পৰি আহিচে।

খ্ৰিষ্টিয়ান। হই, মই তাক দেখিচোঁ ; সি আমাৰ সঙ্গ ভাল নেপাই।

আসাৱান। মই ভাবিচোঁ, সি ইমান পৰ আমাৰ লগত অহা হলেও, তাৰ একো হানি নহলহেঁতেন।

## ১৪ আধ্যা

খ্রিষ্টিয়ান। সেইএ স্বৰুপ ; কিন্তু তাৰ মন বেলেগ বুলি ভাবিচোঁ।

আসাৱান। হই, মইও তেনেকৈএ ভাবিচোঁ ; কিন্তু সেইএ জি কি নহওক, আমি তাৰ নিমিত্তে অলপ বাট চাই থাকোঁহঁক।

পাচে সেই ৰুপে কৰিলত, অগিয়ান সিবিলাকৰ ওচৰ পালেগৈ ; তেতিয়া খ্রিষ্টিয়ানে তাক কলে, হেৰা আতৈ, আঁহা। কিয় ইমান পাচ পৰিচা ?

অগিয়ানে উতৰ দি কলে, তোমোলাকতকৈ উতম সঙ্গি নেপাওঁমানে, মই লগেৰে জোআতকৈ অকলসৰে জাবলৈকে বৰ ভাল পাইচোঁ।

তেতিয়া খ্রিষ্টিয়ানে আসাৱানক মনে মনে কলে, চোআ সি আমাৰ লগ ভাল নেপাই বুলি মই তোমাক কোআ নাই নে ? তথাপি বলা, আমি তাৰ ওচৰলৈ গই এই নির্জন ঠাই ডোখৰ কথাবাত্রাৰেই কাল নিয়াই জাওঁহঁক। তেতিয়া তেঁও ঘূৰি অগিয়ানক কলে, আঁহা, তুমি কেনে আচা ? আৰু ইস্বৰলৈ নো তোমাৰ মন কেনে হৈচে ?

অগিয়ান। ভালে আচোঁ বুলি ভাবিচোঁ ; কিয়নো বাটত আহোঁতে, মোক সান্তনা দিয়া জি জি উতম ভাবনা মোৰ মনত আহি থাকে, সেই বোৰেৰে মোৰ মন সদাই পুৰ হই আচে।

খ্রিষ্টিয়ান। মিনতি কৰোঁ, কি কি নো উতম ভাবনা আহে আমাৰ আগত কোআচোন ?

অগিয়ান। মই ইস্বৰ আৰু স্বর্গৰ বিসয়েহে ভাবি চিন্তি থাকোঁ।

খ্রিষ্টিয়ান। সেইৰুপে ভুতবিলাকে আৰু দণ্ড পোআ আত্মাবিলাকেও দেখোন ভাবে ?

অগিয়ান। কিন্তু মই তালৈ কেৱল ভাবনা কৰোঁ, এনে নহই ; তাক পাবলৈ বাঞ্চাও কৰোঁ।

খ্রিষ্টিয়ান। জিবোৰে তাক কেতিয়াও নেপাব, এনে অনেকেও সেইৰুপে বাঞ্চা কৰে। সাস্ত্রেও কৈচে, "এলেহুআ লোকৰ মনে বাঞ্চা কৰে, কিন্তু একোকে নেপাই।"



অগিয়ান। কিন্তু মই হলে, সেইবোৰলৈ বাঞ্চা কৰি তাক পাবৰ নিমিত্তে সর্বস্ব ত্যাগ কৰিলোঁ।

খ্রিষ্টিয়ান। তাত মোৰ সংসই আচে। কিয়নো সর্বস্ব ত্যাগ কৰা জে কেনে কঠিন কৰম, তাক অলপ লোকেহে জানে। কিন্তু তুমি জে ইস্বৰ আৰু স্বর্গৰ নিমিত্তে সর্বস্ব ত্যাগ কৰিলা, তাক কেনেকৈ জানিব পাৰিলা ?

অগিয়ান। মোৰ মনেই সেই বিসয়ে সাখ্য দিচে।

খ্রিষ্টিয়ান। গিয়ানৱানে কৈচে, "জি জনে আপোনাৰ হ্রিদইত বিস্বাস কৰে সি অগিয়ান।"

অগিয়ান। এই কথা দুষ্ট মনলৈহে খাটে ; কিন্তু মোৰ মন হলে ভাল।

খ্রিষ্টিয়ান। তোমাৰ মন জে ভাল, তাৰ কি প্রমান ? সেইএ হলে হব পাৰে ; কিন্তু কিজানি তোমাক ভুলকৈ সান্তনা দিচে ; কিয়নো জি বিসইৰ আসাত জাৰ কোনো স্বত্ব নাই, তাৰ মনে সেই বিসয়ৰ আসাৰ দ্বাৰাইও তাৰ সান্তনা জন্মাব পাৰে।

অগিয়ান। কিন্তু মোৰ মন হলে আচৰনে সৈতে মিলিচে ; এতেকে মোৰ আসা কৰিবৰ স্বত্বও আচে।

খ্রিষ্টিয়ান। তোমাৰ মন তোমাৰ আচৰনে সৈতে জে মিলিচে, তাক নো কেনেকৈ জানিচা ?

অগিয়ান। মোৰ আপোন মনেই মোক জনাইচে।

খ্রিষ্টিয়ান। অ! তোমাৰ মনে তোমাক জনাইচে! "ধান চোৰৰ সাখি খাটোআল।" কিন্তু তুমি নিচই জানিবা, এই বিসয়ে ইস্বৰৰ বাক্য সাখি নহলে, আন প্রমানত একো সকাম নাই।

অগিয়ান। কিন্তু জি মনত সতচিন্তা থাকে, সেই মন ভাল নহই জানো ? আৰু জি আচৰন ইস্বৰৰ আগ্যাৰ দৰে হই, সেই আচৰন জানো উতম নহই ?

খ্রিষ্টিয়ান। হই, সতচিন্তা থকা মন ভাল, আৰু ইস্বৰৰ আগ্যাৰ দৰে হোআ আচৰনো ভাল ; তথাপি মনত সেইএ থকা এক কথা, আৰু সেইএ মনত আচে বুলি ভবাও এক কথা।

অগিয়ান। মিনতি কৰিচোঁ, তোমাৰ মতে সতচিন্তা আৰু ইস্বৰৰ আগ্যাৰ দৰে হোআ আচৰন কিহক কই কোআচোন।

খ্রিষ্টিয়ান। সতচিন্তা নানা বিধ আচে ; কেতবোৰ আমাৰ নিজৰ বিসয়ৰ, কেতবোৰ ইস্বৰৰ বিসয়ৰ, কেতবোৰ খ্রিষ্টৰ বিসয়ৰ আৰু কেতবোৰ আন আন বিসয়ৰ সংচিন্তা আচে।

অগিয়ান। আমাৰ নিজৰ বিসয়ৰ সতচিন্তা নো কিহক কই ?

খ্রিষ্টিয়ান। আমাৰ জি জি চিন্তা ইশ্বৰৰ বাক্যে সৈত্যে মিলে, সেইবোৰ আমাৰ নিজৰ বিসয়ৰ সতচিন্তা।

অগিয়ান। আমাৰ নিজৰ বিসয়ৰ জি চিন্তা, সেই এ ইশ্বৰৰ বাক্যে সৈতে কেতিয়া মিলে ?

খ্রিষ্টিয়ান। আমাৰ বিসয়ে ইশ্বৰৰ বাক্যই বিচাৰ কৰাৰ দৰে জেতিয়া আমি বিচাৰ কৰোঁ তেতিয়া আমাৰ চিন্তা ইশ্বৰৰ বাক্যে সৈতে মিলে। এই কথা তোমাক স্পষ্টৰূপে অলপমান বুজাই দিওঁ সুনা; জিবিলাকৰ সাংসাৰিক স্বভাৱ থাকে, অর্থাত জিবিলাকে নতুনকৈ জনম পোআ নাই, সিবিলাকৰ অর্থে ইশ্বৰৰ বচন এই, "ধার্মিক কোনো নাই, এজনো নাই; আৰু সদাচৰনকাৰিও কোনো নাই, এজনো নাই।" সাস্ত্রত আৰু কৈচে "মানুহৰ মনৰ সকলো কল্পনা সদাই কেৱল দুষ্ট," আৰু "লৰা কালৰে পৰা মানুহৰ মনৰ কল্পনা দুষ্ট।" এতেকে মই সকলো জানি, জেতিয়া আমি সেইৰূপে নিজৰ বিসয়ে বিবেচনা কৰোঁ, অর্থাত আমি আপোনাকে কুস্বভাৱ-জুক্ত বুলি স্বৰূপকৈ বুজোঁ, তেতিয়া আমাৰ চিন্তা ভাল; কিয়নো সেইএ ইশ্বৰৰ বাক্যে সৈত্যে মিলে।

অগিয়ান। অস, মোৰ মন জে তেনে বেয়া, তাক মই কেতিয়াও প্রত্যাই কৰিব নোআৰোঁ।

খ্রিষ্টিয়ান। ইআৰ দ্বাৰা এই জনা গৈচে জে, তোমাৰ গোটেই জিৱনত কেতিয়াও তোমাৰ মনত সতচিন্তা উদই হোআ নাই। সেইএ জি কি নহওক জি বিসয় কব লাগিচিলোঁ, সেই বিসয়ে আৰু এটি কথা কঁও জে, ইশ্বৰৰ বাক্যই আমাৰ মনৰ বিসয়ে জি ৰূপ আমাৰ আচৰনৰ বিসয়েও সেইৰূপ বিচাৰ কৰে; এতেকে আমাৰ মন আৰু আচৰন এই দুই বো বিসয়ৰ জি চিন্তা, সেই চিন্তা জেতিয়া সেই বিচাৰেৰে সৈতে মিলে, তেতিয়া আমাৰ মন আৰু আচৰন ভাল বুলিব পাৰি।

অগিয়ান। সেইএ নো কেনে? তাক বুজাই কোআচোন।

খ্রিষ্টিয়ান। বাৰু সুনা; সাস্ত্রত কৈচে মানুহৰ পথ নিচেই বেঁকা অর্থাত তাৰ আচৰন অসুদ্ধ; সি স্বভাৱতে কুপথত চলি থকা, সি সতপথ নেজানে। আৰু জেতিয়া মানুহে আপোনাৰ আচৰন গমি চাই খেদ চিতেৰে চিন্তা কৰে, তেতিয়া সেই আচৰনৰ বিসয়ে সতচিন্তা হৈচে বুলি কব পাৰি; কাৰন এনে চিন্তা ইশ্বৰৰ বাক্যৰ বিচাৰেৰে সৈতে মিলে।



অগিয়ান। ইশ্বৰৰ বিসয়ৰ সতচিন্তা নো কেনেকুআ ?

খ্রিষ্টিয়ান। আমাৰ নিজৰ বিসয়ৰ সতচিন্তাৰ সম্বন্ধে জি কথা কৈচিলোঁ, সেইৰূপেই ইশ্বৰৰ বিসয়ৰ আমাৰ চিন্তাও জেতিয়া সাস্ত্রে সৈতে মিলে, সেইএ ইশ্বৰৰ বিসয়ৰ সতচিন্তা; অর্থাত ইশ্বৰৰ অস্তিত্ব আৰু গুনৰ বিসয়ে তেঁওৰ বাক্যই আমাক সিখ্যা দিয়াৰ দৰে তেঁওৰ বিসয়ে চিন্তা কৰিলে, সেই চিন্তাকে সতচিন্তা বোলা জাই। কিন্তু এতিয়া মই এই সকলো বিস্তাৰিতৰূপে কব নোআৰোঁ; তেঁওৰে সৈতে আমাৰ জি সম্পর্ক কেৱল সেই বিসয়ে অলপমান কথা কঁও সুনা; আমি আপোনাকে জি ৰূপে জানো তাতকৈও ইশ্বৰে আমাক ভালৰূপে জানে; আৰু আমাৰ জি সকলো পাপ আমি নিজে নেদেখোঁ সেই সকলো পাপ তেঁও অনায়াসে দেখে। কেৱল সেইএ নহই, আমাৰ মন আৰু মনৰ সকলো নিগুই চিন্তাও তেঁওৰ দ্রিষ্টিত সদাই প্রকাসিত আচে; আৰু আমাৰ সকলো ধৰম-কৰম তেঁওৰ মানত দুর্গন্ধ স্বৰূপ; আৰু আমি নিজ পুন্যত নির্ভৰ কৰি, তেঁওৰ আগত সাহেৰে থকা তেঁও কোনো মতে সহিব নোআৰে; আমি জেতিয়া এই এই ৰূপে বুজোঁ, তেতিয়া ইশ্বৰৰ বিসয়ৰ আমাৰ চিন্তা ভাল বুলিব পাৰি।

অগিয়ান। হেৰা, তুমি নো মোক ইমান মূর্খ বুলি ভাবিচা নে? মোতকৈ জে ইশ্বৰ অধিক দুৰদর্সি, তাক মই ভালকৈ জানো; আৰু নিজ পুন্যত নির্ভৰ কৰি তেঁওৰ ওচৰলৈ জে জাব নোআৰোঁ, তাকো বুজোঁ।

খ্রিষ্টিয়ান। তুমি সেই বিসয়ে কি জানা?

অগিয়ান। কি জানো, তাক সংখেপে কঁও সুনা; মই পুন্যৱান হবলৈ জিসু খ্রিষ্টত বিশ্বাস কৰিব লাগিব।

খ্রিষ্টিয়ান। খ্রিষ্টত তোমাৰ কোনো প্রয়োজন নেদেখাকৈ তুমি কেনেকৈ তেঁওত বিশ্বাস কৰিব পাৰা? তুমি স্বাভাৱিক পাপ আৰু আশ্রিত পাপ নুবুজি, আপোন মন আৰু কার্য্যৰ সম্বন্ধে অহঙ্কাৰ কৰিচা; ইয়াতেই স্পষ্ট বোধ হৈচে জে ইশ্বৰৰ সাখ্যাতে পুন্যৱান হবৰ নিমিত্তে তুমি কোনো কালে খ্রিষ্টৰ পুন্যৰ প্রয়োজন দেখা পোআ নাই; এতেকে খ্রিষ্টত বিশ্বাস কৰিচোঁ বুলি তুমি কেনেকৈ কব পাৰা?

অগিয়ান। তুমি জিহকে বা নোকোআ, মই কিন্তু খুব বিশ্বাস কৰোঁ।

খ্রিষ্টিয়ান। তুমি কি ৰূপে বিশ্বাস কৰিচা?

অগিয়ান। খ্রিষ্টে পাপি লোকৰ নিমিত্তে প্রান ত্যাগ কৰিলে, আৰু মই জদি তেঁওৰ আগ্যা পালন কৰোঁ, তেন্তে তেঁও মোৰ সেই সদ আচৰন গ্রাহ্য

ধৰি মোক পাপৰ পৰা মুক্ত কৰিব ; তাতেই মই ইশ্বৰৰ আগত পুন্যৱান হম ; অৰ্থাত ধৰমৰ সম্বন্ধে মই কৰিব লগিয়া জি কৰম, তাকে জদি কৰোঁ, তেন্তে খ্রিষ্টে আপোন পুন্যৰ দ্বাৰাই সেই কৰম আপোন পিত্রিৰ আগত গ্রাহ্য কৰাব আৰু তাৰেই মই ধাৰ্মিক বুলি গনিত হম, এই মোৰ ৰিশ্বাস ।

খ্রিষ্টিয়ান। তোমাৰ এনে বিশ্বাসৰ কথাত মই এই উত্তৰ দিওঁ ।

১। তোমাৰ এই বিশ্বাস সপোনৰ সদ্রিস ; এনে বিশ্বাসৰ কথা সাস্ত্রৰ কোনো ঠাইত পোআ নাজাই ।

২। তোমাৰ বিশ্বাস কাল্পনিক ; কিয়নো তুমি খ্রিষ্টে কৰা পুন্যত ভাৰসা নকৰি, নিজে কৰা পুন্যত ভাৰসা কৰি ধাৰ্মিক হব পাৰিম বুলি আসা কৰিচা ।

৩। তোমাৰ কথাৰ দ্বাৰাই জানিবলৈ পালোঁ জে তোমাৰ বিশ্বাসৰ দ্বাৰাই খ্রিষ্টে তোমাক নহই, কেৱল তুমি কৰা কৰমকহে পুন্যজুক্ত কৰে ; আৰু সেই কৰমৰ দ্বাৰাই হে তুমি ধাৰ্মিক বুলি গনিত হবা ; এতেকে এনে বিশ্বাস বিফল ।

৪। এনে বিশ্বাসে তোমাক কেৱল ভ্রান্ত কৰাত, তুমি সৰ্বসক্তিমান পৰমেশ্বৰৰ মহাবিচাৰৰ দিনা তেঁওৰ ক্রোধৰ পাত্রহে হবা ; কিয়নো পুন্য দিওঁতা জি সত্য বিশ্বাস, সেই বিশ্বাসে বিধানৰ দ্বাৰাই ত্রাসজুক্ত মনক খ্রিষ্টৰ পুন্যতহে আস্রই লবলৈ প্রব্রিতি দিএ । তোমাৰ ধৰম কৰম ইশ্বৰৰ আগত গ্রাহ্য কৰোআই জে খ্রিষ্টৰ পুন্য, এনে নহই ; কিন্তু তোমাৰ সলনি বিধান সিদ্ধ কৰা, অৰ্থাত তোমাৰ নিমিত্তে সম্পূৰ্নৰূপে বিধান পালন কৰা, আৰু তুমি তাক ভঙ্গাৰ উচিত দণ্ড ভোগ কৰা জি কৰম সেইএ হে তেওঁৰ পুন্য । মানুহৰ বিশ্বাস জদি সত্য হই তেন্তে সি নিচই তেওঁৰ সেই পুন্যতহে ভাৰসা কৰে ; তাতে সেই পুন্যৰূপ বস্ত্রেৰে ভুসিত হোআত, সি ইশ্বৰৰ আগত নিষ্কলঙ্ক ৰূপে থাকিব পাৰে ; আৰু ধাৰ্মিক বুলি গনিত হোআত সি সকলো দণ্ডৰ পৰাও মুক্ত হই ।

অগিয়ান। কি, আমাৰ কৰমৰ বিনে, কেৱল খ্রিষ্টে নিজে কৰা কৰমত বিশ্বাস কৰিব দিচা নে ? এনে নিৰ্ভই অৱস্থাত থকা বুজি আমাৰ সকলো কুঅভিলাস ৰূপ ঘোঁৰাৰ লাগাম এৰি দি আমাৰ জেনে ইচা তেনেকৈ আচৰন কৰিবলৈহে দিআ হব ; কিয়নো খ্রিষ্টে কৰা পুন্যত বিশ্বাস কৰাৰ দ্বাৰাই আমি জদি ধাৰ্মিক বুলি গনিত হওঁ, তেন্তে সদাচৰন আৰু কদাচৰন এই উভইৰ কি বিভিন্ন থাকিব ।



খ্রিষ্টিয়ান। তোমাৰ নাম অগিয়ান ; তোমাৰ নাম জেনে, তুমিও তেনে ; তোমাৰ কথাৰ দ্বাৰাই এতিয়া তাৰ প্রমান পাইচোঁ। মানুহক নিৰ্দোসি কৰা পুন্যৰ কথা তুমি একোকে নেজানা ; আৰু তাত বিশ্বাস কৰাৰ দ্বাৰাই জে মহাক্রোধৰ পৰা ৰখ্যা পাই, ইয়াৰ অলপো তুমি বুজি পোআ নাই । তাত বাজে, খ্রিষ্টে কৰা পুন্যত সত্য মুক্তি দিওঁতা বিশ্বাসৰ জি ফল, অৰ্থাত মন পৰিবৰ্তন কৰা, খ্রিষ্টৰ দ্বাৰাই ইশ্বৰলৈ আকৰ্সিত হোআ, আৰু ইশ্বৰৰ নাম, বাক্য, পথ আৰু তেওঁৰ লোকক প্রেম কৰা, এই সকলোকো তুমি নেজানা ; জনা হলে, এনে অনৰ্থক কথা নুবুলিলাহেঁতেন ।

তেতিয়া আসাৱানে ( খ্রিষ্টিয়ানলৈ চাই ) কলে, খ্রিষ্টে স্বৰ্গৰ পৰা কেতিয়াবা তালৈ প্রকাসিত হৈচিল নে নাই তাক সোধাচোন ।

অগিয়ান। কি। ইশ্বৰে মানুহৰ আগত আপোনাৰ কথা প্রকাস কৰে বুলি তোমোলাকে ভাবিচাহঁক হবলা ? তুমি আৰু তোমাৰ মতত চলা সকলোএ এই কথাৰ বিসয়ে জি কই সেইএ কেৱল অস্থিৰ মনৰ ফল মাথোন, মই হলে ইয়াকেহে ভাবিচোঁ ।

আসাৱান। হে দেও, তুমি কি কৈচা ? খ্রিষ্টে মনুস্যৰ স্বাভাৱিক গিয়ানৰ পৰা ইশ্বৰত এনেকৈ গুপ্ত হই আচে জে, পিত্রি ইশ্বৰে তেঁওক মানুহৰ আগত প্রকাস নকৰেমানে, মানুহে কোনোমতে তেঁওক ত্রানকৰ্তা বুলি জানিব নোআৰে ।

অগিয়ান। সেইএ তোমাৰ বিশ্বাস হব পাৰে ; কিন্তু মোৰ হলে নহই ; তথাপি তোমোলাকৰ নিচিনা মোৰ মনত ইমান ভ্রান্তি নেথাকিলেও, মোৰ বিশ্বাস তোমোলাকতকৈ জে বেয়া নহই, ইয়াত মোৰ একো সংসই নাই ।

খ্রিষ্টিয়ান। মই তোমাক এটা কথা কব খোজোঁ। তুমি এই বিসয়ে এনে লঘুভাৱে কথা কোৱা উচিত নহই ; কিয়নো মোৰ উত্তম সঙ্গি আসাৱানে জি ৰূপে কলে, মইও তেনেকৈ নিচইএ সাহ কৰি কব পাৰোঁ জে পিত্রিএ প্রকাস নকৰিলে কোনো মানুহে খ্রিষ্টক জানিব নোআৰে । তাত বাজে, জি বিশ্বাসেৰে মানুহে খ্রিষ্টত আস্রই লই, সেই বিশ্বাস জদি সত্য হই, তেন্তে ইশ্বৰৰ মহা সক্তিএ তাক মানুহৰ মনত জন্মোআ আৱস্যক । হে দুৰ্ভগিয়া অগিয়ান, এনে বিশ্বাসৰ ফল তুমি একো নেজানা হেন দেখিচোঁ । এই হেতুকে তুমি সচেতন হোআ, আৰু তোমাৰ দুৰৱস্থাৰ প্রমান বুজি প্রভু জিসু খ্রিষ্টত আস্রই লোআ ; তাতে তুমি তেওঁৰ পুন্যেৰে পুন্যৱান হই নিচইএ সৰ্বনাসৰ দণ্ডৰ পৰা মুক্ত হবা ; কিয়নো তেওঁ স্বয়ঙ্গ ইশ্বৰ, আৰু তেঁওৰ পুন্য ও ইশ্বৰিয় পুন্য ।

অগিয়ান। তোমোলাক জেনে বেগেৰে গৈচাইক, মই তেনেকৈ তোমোলাকৰ লগত জাব নোআৰোঁ ; এতেকে তোমোলাক আগ হই জোআ ; মই হলে পাচে পাচে গই থাকিম।

তাতে খ্রিষ্টিয়ান আৰু আসাৱানে এই উত্তৰ দি বচন গালে,—

হাই হাই, অগিয়ান এতিয়াও তুমি
হই থাকিবা নে অগিয়ান ?
দহ বাৰ সুনাত উতম আলচ
কিয় নকৰিবা মান ?
জদি ইয়াতো সজ আলচক
কৰা তুমি অনাদৰ,
তেন্তে অলপ কালৰ পাচে
পাবা ফল এই দুস্কৰমৰ।
এই কাৰণে, সুনা, মানুহ;
নকৰিবা একো ভই ;
আয়ুস থকাত সিখ্যা ললে,
পাবা পৰিত্রান নিচই।
ইয়াৰ পাচে কিন্তু তুমি
হেলা জদি কৰিবা,
তেন্তে তোমাৰ হব হানি
নিচই ইয়াক জানিবা।

পাচে খ্রিষ্টিয়ানে আপোন সঙ্গি আসাৱানক কলে হে মোৰ ভাই আসাৱান, দেখা, আমি দুইও আকৌ অকলেই জাব লগিয়া হলোঁ।

তেতিয়া মই সামাজিকত দেখিলোঁ, সিবিলাক আগ হই গল, আৰু অগিয়ানো খোৰাখোৰকৈ সিবিলাকৰ পাচে পাচে চলিলে। তাতে চিন্তা কৰিচোঁ, কিয়নো সেসত তাৰ অৱস্থে দুৰ্দসা ঘটিব।

আসাৱান। হাই হাই। আমাৰ চহৰত এনে দুৰ্দসাত পৰা লোক অনেক আচে ; কেৱল দুই এক পৰিআলহে, এনে নহই, অনেক গাঁও ও তেনে আচে। অকল সেই এ নহই, সিহঁতৰ মাজত অনেক জাত্রিকো তেনে অৱস্থাতে আচে। আমাৰ দেসত জদি ইমান আচে, তেন্তে অগিয়ানৰ জন্ম ভুমিত বা আৰু কিমান আচে।

খ্রিষ্টিয়ান। হই আৰু সাস্ত্রেও কৈচে, "সিবিলাকে জেন চকুৰে নেদেখে, চিতেৰে নুবুজে, আৰু নুঘুৰে, আৰু মই সিবিলাকক জেন সুস্থ নকৰোঁ, এই নিমিত্তে তেঁও সিবিলাকৰ চকু অন্ধ কৰি চিতো তান কৰিলে। কিন্তু কেৱল আমি মাথোন হোআত এটা কথা সুধিব খোজোঁ, এনে মানুহৰ বিসয়ে তুমি কেনে ভাবিচা ? পাপৰ নিমিত্তে ইহঁতৰ ভয়ানক দসা ঘটিব বুলি ইহঁতৰ মনত ভইও নেলাগে নে ?

আসাৱান। মই নো কি উত্তৰ দিম ? মোতকৈ তুমি বয়সিয়া, এই কাৰনে তুমি নিজেই সেই কথাৰ উত্তৰ দিয়া উচিত।

খ্রিষ্টিয়ান। তেনে হলে কওঁ সুনা ; মোৰ মনে এনে ধৰিচে, সিহঁতৰ মনত কেতিয়াবা কেতিয়াবা খেদ জন্মে ; কিন্তু সিহঁত স্বভাৱতে অগিয়ান হোআত, সিহঁতৰ নিজৰ হিতৰ নিমিত্তে জে সেই খেদ জন্মিচে, তাক সিহঁতে নুবুজে ; এই কাৰনে সিহঁতে খেদ মনৰ পৰা বেগতে দুৰ কৰিবলৈ বৰকৈ জতন কৰে, আৰু অহঙ্কাৰেৰে আপোন আপোন ইচানুজায়ি মনক মিচা প্রবোধ দি নিচিন্ত হই থাকে।

আসাৱান। হই, ভই এই মানুহৰ হিত কৰোঁতা, আৰু জাত্রাৰ আৰম্ভনতো সিহঁতৰ সজ মতি জন্মাওঁতা। ভইৰ জে এনে গুন আচে তুমি কোআৰ দৰে তাক মইও বুজিচোঁ।

খ্রিষ্টিয়ান। হই, প্রক্রিত ভইত হলে এনে গুন থাকে তাত একো সংসই নাই ; কিয়নো সাস্ত্রত কৈচে, "ইস্বৰলৈ ভই ৰখাই গিয়ানৰ আৰম্ভন।"

আসাৱান। প্রক্রিত ভই নো কেনেকুআ ? তাক তুমি বুজাই দিয়াচোন।

খ্রিষ্টিয়ান। প্রক্রিত ভইৰ তিনটা লখ্যন কও, সুনা।

১। এই ভইএ পাপৰ কাৰনে খেদ জন্মাই পৰিত্রানৰ অৰ্থে মন পৰিবৰ্তন কৰে।

২। এই ভইএ, পৰিত্রান পাবৰ নিমিত্তে মানুহৰ মনক খ্রিষ্টত আশ্রই লবলৈ বৰকৈ উদগাই।

৩। এই ভইএ মানুহৰ মনত ইস্বৰলৈ আৰু তেঁওৰ বাক্যলৈ আৰু পথলৈকো সমাদৰ জন্মাই তাক সদাই নম্রকৈ ৰাখে। আৰু সোঁহাতে বা বাঁওহাতে ঘুৰি জেন ইস্বৰৰ অপমানজনক বা আন্তৰিক সান্তিনাসক কোনো কৰম কৰি পবিত্র আত্মাক দুখিত নকৰে আৰু ধৰম নিন্দা কৰিবলৈ সক্রক জেন চল নিদিএ, এই নিমিত্তে মনক অতি সাৱধান কৰি ৰাখে।

আসাৱান। ভাল কৈচা ; সেই সকলো স্বৰূপ বুলি মইও জানিচোঁ। কিন্তু এতিয়া আমি প্রাই মোহ ভুমি পাৰ হলোঁ নহই নে ?

খ্রিষ্টিয়ান। কিঅ? এনে কথাবাত্ৰা হোআত তোমাৰ আমনি লাগিচে নে কি?

আসাৱান। নহই, আমি আহি কিমান পালোঁহি কেবল তাকেহে জানিব খুজিচোঁ।

খ্রিষ্টিয়ান। আৰু দুই মাইলমান বাট গলে আমি মোহ-ভুমিৰ সিমা পাৰ হমগৈ। কিন্তু আমাৰ কথোপকথনৰ আৰম্ভন আকৌ কৰোঁহঁক দিয়া।

চেতনা দিওঁতা জি ভই অগিয়ান লোকবিলাকৰ মনত জন্মে, সেই ভই জে সিহঁতৰ হিতলৈ হই তাক সিহঁতে নুবুজাত সিহঁতে আপোনাৰ মনৰ পৰা তাক দূৰ কৰিবলৈ কাৰ্যাৰ কৰে।

আসাৱান। কি কাৰনে মনৰ পৰা দূৰ কৰিব খোজে?

খ্রিষ্টিয়ান। প্ৰথম, ইশ্বৰৰ পৰা জে এনে ভই জন্মে ইয়াক সিহঁতে নুবুজি চইতানৰ পৰাহে হোআ জেন জানি আপোনাকে নিচই বিনষ্ট কৰিব বুলি তাৰ প্ৰতিৰোধ কৰে। দ্বিতিয়, সেই ভইএ আমাৰ বিশ্বাসৰ হানি কৰিব, ইয়াকে ভাবি, তাৰ অহিতে আপোনাৰ মন সিহঁতে কঠিনকৈ ৰাখে; কিন্তু হাই হাই, সিহঁতৰ বিশ্বাস অলপো নাই! ত্ৰিতিয়, সিহঁতে ভাবে, বোলে আমি ভই কৰা অনুচিত; এই কাৰনে সিহঁতৰ মনত ভই জন্মিলেও, সিহঁত কু-সাহিআল হৈ জাই। চতুৰ্থ, সেই ভইএ সিহঁতৰ কল্পিত পুন্য গুচাব বুলি সিহঁতে প্ৰানপনে জতন কৰে।

আসাৱান। সেই কথা স্বৰূপ হব পাই; কিয়নো মই আপোন স্বভাৱ নুবুজাৰ আগেএ, মোৰ কথা মনতো তেনে হৈছিল।

খ্রিষ্টিয়ান। বাৰু, এতিয়া আমাৰ চুবুৰিয়া অগিয়ানৰ কথা এৰি, মনৰ হিত জন্মোআ আন কোনো ধৰোঁহঁক।

আসাৱান। বাৰু তোমাৰ ইচাৰ দৰেই হওক; কিন্তু এই কথাকো তুমি এই প্ৰথমে আৰম্ভ কৰা।

খ্রিষ্টিয়ান। তেন্তে কঁও সুনা। আজি দহ বচৰমান হল, তোমাৰ দেসত নিবাস কৰা বৰ্তমান নামেৰে এজন মানুহক তুমি চিনি পোআনে? সি আপোনাকে আপুনি পৰম ধাৰমিক জেন দেখুআইছিল।

আসাৱান। তাক কিয় চিনি নেপাম? পাওঁ। সৰল নগৰৰ পৰা দুই মাইলমান বাটৰ আঁতৰৰ অনুগ্ৰহ-হিন-চহৰত জি উভটি-জোআ নামেৰে এটা মানুহ আছিল, তাৰ ঘৰৰ ওচৰতে সি নিবাস কৰিছিল।

খ্রিষ্টিয়ান। হই হই, সেই দুইও একে হাটতে আছিল। বাৰু, দেখা,



সেই মানুহটোএ পাপৰ কাৰনে এবাৰ চেতনা পাইছিল; আৰু মই ভাবিচোঁ, সি তেতিয়া আপোন পাপৰ বিসম গুন কিচু গম পাই, তাৰ উচিত দণ্ড বুজিবলৈ ধৰিছিল।

আসাৱান। মোৰ মনেও তেনেকৈএ ধৰিচে; কিয়নো তাৰ ঘৰৰ পৰা মোৰ ঘৰ দুই ক্ৰোসতকৈ অধিক দূৰ নোহোআত, কেতিয়াবা কেতিয়াবা সি অতিসই চকুৰ লোৰে মোৰ ওচৰলৈ আহিছিল। আৰু স্বৰূপেই তালৈ মোৰ মৰম লাগিছিল; আৰু তাৰ পৰিত্ৰান হব বুলি মই তেতিয়া আসাও কৰিছিলোঁ। কিন্তু ইয়াতে দেখিব পাৰি জে জিবিলাকে প্ৰভু প্ৰভু বোলে, সিবিলাক সকলোএ জে স্বৰ্গৰাজ্যত সোমাব এনে নহই।

খ্রিষ্টিয়ান। আমি জেনেকৈ জাত্ৰা কৰি আহিচোঁ সিও তেনেকৈ জাত্ৰা কৰিবলৈ মনথিৰ কৰিচোঁ বুলি মোক এবাৰ কৈছিল; কিন্তু হঠাত সি আত্ম-ৰখ্যক নামেৰে এজন মানুহে সৈতে চিনাকি হোআত, মোৰে সৈতে আলাপ কৰিবলৈ এৰিলে।

আসাৱান। বাৰু আমি তাৰ কথা কোৱাকুই কৰিচোঁহঁক জেতিয়া, সি আৰু তাৰ নিচিনা আনবোৰেও বেগতে পাচ হুঁহঁকি জোআৰ কাৰন কিচুমান বিচাৰ কৰি চাওঁহঁক আহাঁ।

খ্রিষ্টিয়ান। সেই কথা আমালৈ হিত হব পাই; কিন্তু তাৰ কাৰন তুমিএই কোআ।

আসাৱান। বাৰু, তেনে হলে কঁও, সুনা। মোৰ মনত তাৰ চাইটা কাৰন পাইচোঁ।

প্ৰথম কাৰন, এনে লোকৰ দোস্রাদোস গিয়ানত চেতনা জন্মিলেও মন পৰিবৰ্তন নহই। এই কাৰনে, জি সক্তিএ সিহঁতক ধৰমলৈ চেতনা দিএ, পাপলৈ জি ভই, সেইএ লাহে লাহে কম হই জোআত, সেই সক্তি নিস্তেজ হই পৰে; তাতে সিহঁত পুনৰাই আপোন আপোন কু-আচৰনলৈ উলটি জাই। এই হেতুকে কুকুৰৰ দ্ৰিষ্টান্ত সিহঁতত ভালকৈ খাটে; অৰ্থাত কুকুৰে কিবা খোআৰ পাচত কেতিয়াবা তাৰ পেট অসুখ কৰিলে তাৰ ওকালি আহে আৰু জিমানবাৰ তাৰ পেট পকাই ওকালি আহি থাকে, সিমানবাৰ সি বঁতিআই; কিন্তু সি জে আপোন ইচাৰে বঁতিআই এনে নহই। তাৰ পেটৰ আহুকালৰ নিমিত্তেহে বঁতিআই; কিন্তু জেতিয়া পেটৰ আহুকাল গুচি ভাল হই, তেতিয়া আপোনাৰ বাঁতিত অৰুচি নোহোআত, সি ঘুৰি তাকে চেলেকি খাই। এই হেতুকে সাস্ত্ৰে জি কৈচে, সেইএ স্বৰূপ, "কুকুৰে

আপোনাব বাঁতি খাবলৈ আকৌ উলটি জাই।” সেইৰুপে ধৰমৰ পৰা পিচলি জোআ মানুহবিলাক হই। সিহঁতে কেৱল নৰকৰ জাতনাব ভইতহে চেতনা পাই; পাচে জেতিয়া নৰকৰ জাতনাব আৰু সিহঁতৰ দণ্ডৰ ভই মনৰ পৰা ক্রমেৰে গুচে, তেতিয়া স্বৰ্গ আৰু তাৰ সুখ পোআব বাঞ্ছাও সিহঁতৰ মনৰপৰা গুচে; তাতে সিহঁতে আগৰ আপোন আপোন আচৰনলৈ উলটি জাই।

দ্বিতিয় কাৰন এই, সিহঁতৰ বন্দিৰুপ ভই, অৰ্থাত লোকৰ নিন্দালৈ জি ভই সেইএ সিহঁতক পৰাজই কৰাত, সিহঁত হুঁহঁকি জাই। “কিয়নো মানুহৰ ভইএ ফান্দ পাতে।” কাৰনে জেতিয়ালৈকে নৰকভই সিহঁতৰ হ্রিদইত জাগি থাকে, তেতিয়ালৈকে সিহঁতে স্বৰ্গলৈ আকাঙ্খ্যা কৰে; কিন্তু জেতিয়া সেই ভই অলপমান গুচে, তেতিয়া সিহঁতে এইৰুপে বিবেচনা কৰে, অৰ্থাত সাৱধান হোআ ভাল; কিয়নো এনে নজনা বিসয়ৰ নিমিত্তে বৰ্তমানে সৰ্বস্ব পৰিত্যাগ কৰি, বিপদগ্রস্ত হোআ ভাল নহই; এই বিবেচনা কৰি সিহঁত পুনৰাই সংসাৰত মগন হই।

ত্রিতিয় কাৰন, ধৰম পথত চলোঁতে জি লাজ পাই, সেই লাজেই সিহঁতলৈ বিঘ্নজনক হই; কিয়নো সিহঁত অহঙ্কাৰি হোআত, সিহঁতৰ মানত ধৰম অতি সামান্য আৰু তুচ্ছ জেন বোধ হই। তাতে সিহঁতে নৰক আৰু আগলৈ হব লগিয়া ক্রোধৰ বিসয়ে নিচিন্ত হই পুনৰাই পুৰ্বৰ আচৰনতে প্রৱিত হই।

চতুৰ্থ কাৰন, সিবিলাকে জি জাতনা ভোগ কৰিব লাগিব, তাক জদি বিবেচনা কৰিবলৈ সিহঁতৰ মন গলহেঁতেন, তেন্তে ধাৰ্মিক লোকে জি আস্রই স্থানত আস্রই লই ৰখ্যা পাইচে সিহঁতেও তাতে আস্রই লই ৰখ্যা পালেহেঁতেন। কিন্তু সিহঁতে আপোন আপোন দোস জানি, তাৰ দণ্ডৰ বিসয়ে বিবেচনা কৰিবলৈ বৰ টান পাই। এই কাৰনে সিহঁতে দণ্ড ভোগ কৰাৰ আগেএ, তাক বিবেচনা কৰিবলৈ ইচা নকৰে; কিন্তু মই ওপৰে কোআৰ দৰে সিহঁত একেবাৰে নিচিন্ত হই থাকে। আৰু জেতিয়া ইস্বৰৰ ক্রোধলৈ হোআ ভইৰ বিসয়ৰ চেতনা সিহঁতৰ মনৰপৰা দুৰ হই, তেতিয়া সিহঁতে জি আচৰনত আপোন আপোন মন আৰু অধিককৈ কঠিন হই জাই সেই আচৰনহে কৰি কৰি থাকে।

তাতে খ্রিষ্টিয়ানে বুলিলে, হই, তুমি স্বৰুপ কৈচা; সিহঁতৰ মন আৰু তাৰ ইচাৰ পৰিবৰ্তন নোহোআই সকলোবে মুল। এই হেতুকে সিহঁত



সোধাকৰ আগত থকা চোৰৰ নিচিনা হৈচে; কিয়নো চোৰে সোধাকৰ আগত থাকোঁতে থৰথৰ কই কঁপি কান্দি থাকে; তাতে সি আপোন অপৰাধৰ কাৰনে মনত অতিসই খেদ পোআ জেন দেখাই; কিন্তু তাৰ খেদৰ মুল হলে সাস্তিলৈ ভই কৰাহে মাথোন। সি জে নিজৰ দোস বুজি তাৰ নিমিত্তে খেদ কৰে, এনে কেতিয়াও নহই, তাৰ স্পষ্ট প্রমান এই জে, তাক মুকলি কৰি এৰি দিলে, সি আকৌ চুৰ কৰে; কিয়নো তাৰ আগৰ দুষ্ট স্বভাৱ গুচা নাই; গুচা হলে, সি তেনে দুষ্কৰম নকৰিলেহেঁতেন। ধৰমৰ পৰা পিচলি জোআ মানুহো তেনে; সিহঁতে কোনো সমইত মনত চেতনা পাই ভই কৰিলেও, সিহতৰ মন পৰিবৰ্তন নোহোআকৈএ থাকে।

আসাৱান। সিহঁত পিচলি জোআৰ কাৰন মই তোমাক দেখুআলোঁ, কিন্তু সিহঁত কি ৰুপে পিচলি জাই, তাক তুমি এতিয়া দেখুওআ।

খ্রিষ্টিয়ান। বাৰু কঁও সুনা;—

১। সিহঁতে ক্রমে ক্রমে ইস্বৰ, ম্রিত্যু, আৰু আগলৈ হব লগা মহাবিচাৰ-বিসয়ক চিন্তা সাধ্য অনুসাৰে পৰিত্যাগ কৰে।

২। গুপুত প্রাৰ্থনা, ইন্দ্রিয়-দমন, পৰ দিআ, পাপৰ নিমিত্তে খেদ কৰা আদি কৰি জি জি কৰিবলগিয়া কৰম, সেই সকলোকে লাহে লাহে পৰিত্যাগ কৰে।

৩। ধৰমত আসক্ত হই থকা উতসাহি খ্রিষ্টিয়ানবিলাকৰ সঙ্গ এৰে।

৪। সাস্ত্র পৰ্হা, সুনা, প্রচাৰ কৰা, ধৰমালাপ কৰা আদি কৰি প্রকাস্য ধৰম-কৰমত মন নিৰুতসাহ হই জাই।

৫। সিহঁতে দুষ্টভাৱে ধাৰ্মিকবিলাকৰ আচৰনত চিদ্র বিচাৰিবলৈ খাপ দি ফুৰে; কিয়নো জদি কোনো ৰুপে চিদ্র পাব পাৰে, তেন্তে সিহঁতে সেই চিদ্রৰ দ্বাৰাই ধৰমাচৰন ত্যাগ কৰিবলৈ চল পাই।

৬। সিহঁতে সাংসাৰিক অভিলাসি, বেভিচাৰি, লম্পটাচাৰি লোকে সৈতে আলাপ কৰিবলৈ ধৰে।

৭। সিহঁতে গুপুতে গুপুতে অবাচ্য আলাপ আৰু কামাভিলাসৰ বিসয়ে কথোপকথন কৰে; আৰু জিবিলাক সাধু বুলি প্রখ্যাত হই, সিবিলাকৰ মুখতো জদি কেতিয়াবা এনে কথা ওলোআ সুনে, তেতিআ সিহঁতে তাত ৰঙ্গ পাই; কিয়নো এনে আৰ্হিৰ দ্বাৰাই সিহঁতে নিজেও অনুচিত কথা কবলৈ অধিক সাহ পাই।

৮। সিহঁতে প্রকাসৰুপে সৰু সৰু পাপৰ খেল কৰিবলৈ ধৰে।

৯। সিহঁতৰ মন কঠিন হই জোআৰ পাচে, সিহঁতে সেসত ধৰমৰ সাজ্জ নিচেইকৈ এৰি, আপোনাৰ আগৰ নিজ স্বভাৱ প্ৰকাস কৰে। এই ৰুপে সিহঁত পাপ-সমুদ্ৰত তল জোআত, ইস্বৰৰ মহত অনুগ্ৰহে নিবাৰন নকৰিলে, সিহঁত আপোন আপোন ভ্ৰান্তিত পৰি নিচইএ বিনষ্ট হই।

## ১৫ আধ্যা

পাচে মই সমাজিকত দেখিলোঁ, সেই জাত্ৰিকবিলাকে মোহ-ভুমি পাৰ হই বিওলা নামেৰে এক দেসত সোমালেগৈ। সেই দেসৰ বায়ু অতি সুগন্ধ, আৰু হৰ্স দিওঁতা; আৰু সিবিলাকৰ জাত্ৰাৰ পথ নিচেই তাৰ মাজেদি জোআত, সিবিলাকে কিচু দিন তাতে থাকি সুখ ভোগ কৰি প্ৰান জুৰালে। তাত সিবিলাকে সদাই চৰাইবোৰৰ সুললিত গান সুনিবলৈ পালে, আৰু চাৰিওফালে নানাবিধ ফুল গচে প্ৰতিদিনে ফুল মেলা দেখিলে; তাৰ বাহিৰে কপৌ চৰাইৰ মাতো তাত সুনিবলৈ পালে। সেই দেসত সুৰ্জ্য মাৰ নগৈ উদই হৈএই থকাত, কেতিয়াও ৰাতি নহই; এই নিমিত্তে সেই দেস মৃত্যুচায়া সমথলৰ সিমাৰ বাহিৰ। তাৰ পৰা সিবিলাকে সংসই কোঁঠ দেখাকে নেপাই, আৰু তালৈ আসা-ভঙ্গ অসুৰৰ আহিবৰ সক্তি নাই। সিবিলাক জি নগৰলৈ গৈচে, সেই নগৰ তাৰ পৰা দেখাও পাব পাৰি। তাত বাজে, সিবিলাকে সেই নগৰ নিবাসি লোকৰ কোনো কোনোৰ লগত দেখা সাখ্যাতো হল; কিয়নো সেই দেস স্বৰ্গৰ সিমাৰ ওচৰ হোআ দেখি, তেজস্বি লোকবিলাকে সঘনে তালৈ অহা-জোআ কৰি থাকে। সেই দেসত দৰা-কন্যাৰ নিৰ্বন্ধ আকৌ নতুনকৈ কৰা হই; তাতে দৰাই জেনেকৈ কন্যাত আনন্দ কৰে, তেনেকৈ সিবিলাকৰ ইস্বৰেও সিবিলাকত আনন্দ কৰিলে। তাত সিবিলাকৰ আহাৰ আৰু দ্ৰাখ্যাৰসৰ একো অভাৱ নহল; কিয়নো সিবিলাকে আপোনবিলাকৰ গোটেই জাত্ৰাৰ কালত জি জি থোআ বস্তু বিচাৰিচিল, সেই সকলোকে তাত অধিককৈ পালে; আৰু সিবিলাকে তাত থাকোঁতে, ৰাজধানিৰ পৰা বৰ সবদেৰে কোআ এনে মাত সুনিলে, "চিওনৰ জিয়াৰিক কোআ, দেখা, তোমাৰ ত্ৰানকৰ্তা আহিবলাগিচে; দেখা, তেঁও দিবলগিয়া ফল তেঁওৰ লগত আচে।" সেই দেস-নিবাসি লোকে সেই জাত্ৰিকবিলাকক পবিত্ৰ প্ৰজা মনোনিত বংস, ৰাজ-পুৰোহিত, আৰু প্ৰভুৰ বিসেস লোক বুলি সম্বোধন কৰিলে।

সেই অঞ্চলত জাওঁতে জাত্ৰিক লোকে জেনে আননদ পালে, বাটৰ কোনো ঠাইতেই তেনে আননদ পোআ নাই। এইৰুপে ক্ৰমে ক্ৰমে ৰাজধানিৰ ওচৰ

চাপি জাওঁতে সিবিলাকে ৰাজধানিক অতি স্পষ্টৰূপে দেখিবলৈ পালে। সেই নগৰ বহুমূল্য মনি আৰু মুকুতাৰে নিৰ্মান কৰা হৈছিল; তাৰ আলিবোৰো সুদ্ধ সোনৰ আছিল। এই নিমিত্তে নগৰ নিজে অতি জ্যোতিৰ্ময়ী, তাতে সুৰ্জ্যৰ ৰশ্মি পৰি আৰু উজ্জল হলত, তাৰ দৰ্সন এনেহে চমতকাৰ হল জে, খ্ৰিষ্টিয়ান তাত আসক্ত হোআতে পিৰিত হই গল; আৰু আসাৱানো দুই তিন বাৰ সেই ৰোগত পৰিল। এই কাৰনে সিবিলাকে কিচুমান পৰ তাতে অতি বিস্মই হই থাকি, খেদেৰে ৰৱকৈ এ'টাহ পাৰি কলে, বোলে, তোমোলাকে মোৰ প্ৰিয় জনক দেখা পালে, তেঁওক কবা জে, মই প্ৰেমত পিৰিত আচোঁ।

কিন্তু সিবিলাকে কিচু বল, আৰু আপোনাৰ পিৰা সহিবলৈ সক্তি পালত সিবিলাকে ক্ৰমেৰে আগলৈ গই ৰাজধানিৰ ওচৰ পালেগৈ; আৰু জাওঁতে, ৰাজবাটৰ সমুখত অতি চমতকাৰ আৰু মনোহৰ উপবন, ফুলনি বাৰি, দ্ৰাখ্যা-খেত্ৰ, এই সকলো দেখা পালে। সেইবোৰ বাৰিলৈ সোমাবৰ নিমিত্তে, ৰাজ বাটৰ পৰা ঠাইএ ঠাইএ দুআৰো আছিল। পাচে খ্ৰিষ্টিয়ান আৰু আসাৱানে তাৰ ওচৰলৈ গই বাৰিচোআক বাটত থিয় হই থকা দেখি, তেঁওক সুধিলে, হেৰা দেও, এইবোৰ উতম দ্ৰাখ্যাখেত্ৰৰ, আৰু বাৰিবোৰৰ গৰাকি কোন? তাতে বাৰিচোআই সমিধান দি কলে, এইএ মহাৰজাৰ; তেঁও আপোনাৰ সন্তোসৰ কাৰনে, আৰু জাত্ৰিকবিলাকৰ প্ৰান জুৰাবৰ নিমিত্তেও এইবোৰ বাৰি পাতি থৈচে। তাকে কই, বাৰি চোআই খ্ৰিষ্টিয়ান আৰু আসাৱানক বাৰিৰ ভিতৰলৈ সুমুআই নি, তাৰ উতম উতম বস্তুৰে সিবিলাকক ত্ৰিপ্ত কৰালে। পাচে জত মহাৰজাই থাকি আনন্দ পাই, এনে সুন্দৰ সুন্দৰ চাঁবোৰ, আৰু তেঁও অহা-জোআ কৰা আলিবোৰো সিবিলাকক দেখুআলে। এইৰূপে সিবিলাকে উতম উতম বস্তু ভোজন-পান কৰি পৰিত্ৰিপ্ত হই, সেই ঠাইতে কিচুমান পৰ সুই টোপনি গল।

পাচে মই সমাজিকত দেখিলোঁ, সিবিলাকে আপোনবিলাকৰ জাত্ৰাৰ আন আন সময়তকৈ সেই সমইত সপোনত অধিককৈ কথোপকথন কৰিলে; তাকে দেখি মই আচৰিত মানি সেই কথাত বিবেচনা কৰোঁতেই, বাৰিচোআই মোক কলে, তুমি ইয়াত কিয় বিস্মই মানিচা? এই উদ্যানৰ দ্ৰাখ্যা গুটিৰ স্বাভাৱিক গুনেই এনেকুআ; জি জনে তাক ভোজন কৰে তাৰ উদৰত এনে অতি সোৱাদৰূপে সোমাই জে, তাক নিদ্ৰাতো কথা কোআই।



তাৰ পাচে মই দেখিলোঁ,, সিবিলাক টোপনিৰ পৰা সাৰ পাই উঠিলত, সেই নগৰলৈ উঠি জাবৰ নিমিত্তে সিবিলাকে উদ্যোগ কৰিলে। কিন্তু সেই নগৰ একেই সুদ্ধ সোনেৰে নিৰ্মানে কৰা, তাতে আকৌ সুৰ্জ্যৰ ৰশ্মি পৰি এনেহে কান্তিমন্ত হল জে, জাত্ৰিকবিলাকে বিনা জন্ত্ৰেৰে তালৈ চাবই নোআৰিলে। পাচে সিবিলাকে গই থাকোঁতে, দিপ্তিমান মুখেৰে সোনৰ দৰে কান্তিমন্ত বস্ত্ৰ পিন্ধা দুজন তেজস্বি পুৰুসে সিবিলাকক আগ বঢ়াৱলৈ অহা মই দেখা পালোঁ।

সেই দুজন লোকে জাত্ৰিকবিলাকক সুধিলে, বোলে, তোমোলাক কৰ পৰা আহিচা? সিবিলাকে তাৰ উতৰ দিলত, সেই দুজনে আকৌ সুধিলে, বোলে, তোমোলাকে বাটত আহোঁতে ৰাতি কত কত সুইচিলা, কি কি আপদ বিঘিনি পালা, আৰু কি কি আনন্দ আৰু সান্তনা ভোগ কৰিলা? তাতে জাত্ৰিকবিলাকে সেই সকলোৰে উতৰ দিলত, তেজস্বি পুৰুস দুজনে কলে, তোমোলাকে কেৱল আৰু দুটা কষ্ট অতিক্ৰম কৰিলেই ৰাজধানিত উপস্থিত হব পাৰিবা।

তেতিয়া খ্ৰিষ্টিয়ান আৰু তেঁওৰ বন্ধু জনেও সিবিলাকক কলে, বোলে, তোমোলাকে আমাৰ লগে লগে গলে ভাল হই। তাতে সিবিলাকে মাত্তি হই জাত্ৰিকবিলাকক কলে, বাৰু, আমি তোমোলাকৰ লগত জাম; কিন্তু তোমোলাকে আপোন আপোন বিশ্বাসেৰেহে জই কৰিব লাগিব। তেতিয়া মই সমাজিকত দেখিলোঁ, ৰাজধানিৰ দুআৰ জি ঠাইৰ পৰা দেখা জাই, সেই ঠাইলৈকে সেই দুজন লোক সিবিলাকৰ লগে লগে গল।

পাচে মই চাই দুআৰৰে আৰু সিবিলাকৰে মাজত এখন নদি দেখিলোঁ সেই নদি বৰ দ; আৰু তাত পাৰ হবলৈ দলঙ্গ আদি একো নাচিল। সেই নদি দেখি জাত্ৰিক লোক কেইজন অতিসই বিচুৰ্তি তাতে সিবিলাকৰ সঙ্গি দুজনে সিবিলাকক কলে, তোমোলাকে এই নদি পাৰ হই নগলে, ৰাজধানিৰ দুআৰত উপস্থিত হব নোআৰিবা।

তেতিয়া খ্ৰিষ্টিয়ান আৰু আসাৱানে সিবিলাকক সুধিলে, বোলে ৰাজধানিৰ দুআৰলৈ জাবলৈ আন কোনো বাট নাই নে? সিবিলাকে কলে, আন বাট থাকোঁতে আচে, কিন্তু জগত স্ৰিষ্টি হোআৰে পৰা হনোক আৰু এলিয়া এই দুজনৰ বাহিৰে আন কোনেও সেই বাটেদি জাবলৈ পোআ নাই, আৰু সেসৰ তুৰিধনি নোহোআলৈকে অন্য কোনো নেজাবও। তেতিয়া সেই জাত্ৰিক লোকে, বিসেসকৈ খ্ৰিষ্টিয়ানে ব্যাকুল হই ইফালে সিফালে

চাবলৈ ধৰিলে ; কিন্তু নদিৰ হাত সাৰিবলৈ কোন উপাই নেদেখিলে। পাচে সিবিলাকৰ সেই সঙ্গি দুজনক সুধিলে নদি আটাই ঠাইতে সমান দ নে ? তাতে সিবিলাকে কলে, একে সমান দ নহই ; কিন্তু এই কথাত আমি তোমোলাকৰ উপকাৰ কৰিব নোআৰোঁ কিয়নো এই ঠাইৰ ৰজাত তোমোলাকৰ জি ৰূপ বিশ্বাস আচে, সেইৰূপে নদিৰ পানিবো দ বা উৰাং, পাবা।

তাৰ পাচে সিবিলাক পানিলৈ নামি গল ; কিন্তু ক্ৰমে ক্ৰমে খ্ৰিষ্টিয়ান তল জাবলৈ ধৰাত, আপোনাৰ পৰম বন্ধু আসাৱনক এটাহ পাৰি কলে, হে বন্ধু, মই আথাউনি পানিত পৰি তল জাব ধৰিচোঁ, "দেখাচোন, বৰ বৰ ঢৌ মোৰ মূৰৰ ওপৰেদি জাব লাগিচে।"

তেতিয়া আসাৱানে কলে, হে মোৰ ভাই, নিৰ্ভই হোআ ; মই হলে থাউনি পাইচোঁ, তলিও ভাল। তাতে খ্ৰিষ্টিয়ানে কলে, হাই হাই, মোৰ বন্ধু, মৰনৰ ম্ৰিত্যু-জন্ত্ৰনাই মোক বেৰি ধৰিচে মই দুগ্ধ-মধুৰপ্ৰবাহি দেস কেতিয়াও দেখা নাপাম। এই কথা কওঁতেই এনেহে ঘোৰ অন্ধকাৰ আৰু ভই খ্ৰিষ্টিয়ানৰ ওপৰত পৰিল জে, তেওঁ আগফাললৈ একোকে নেদেখা হ'ল। তাত বাজে, তেঁওৰ মন প্ৰাই অস্থিৰ হই জোআত, জাত্ৰাত আহোঁতে জি জি ত্ৰিপ্তিজনক আহাৰ ভোজন কৰিচিল, সেই সকলোকে পাহৰিলে, আৰু তাৰ কথাকো কব নোআৰিলে। কিন্তু নদিতে মৰিম, আৰু নগৰৰ দুআৰত সোমাবলৈ নেপাম বুলি তেঁওৰ মন ভই আৰু ত্ৰাসেৰে পুৰ হল, ইয়াক তেঁওৰ কোআ কথাৰ দ্বাৰাই বুজা গৈচিল ; আৰু জাত্ৰা কৰাৰ পূৰ্বে আৰু পাচতো তেঁও জি জি পাপ কৰিচিল, সেই সকলোকে বিবেচনা কৰোঁতে, আপোনাৰ মন উগুলথুগুল হল, ইয়াক তেঁওৰ ওচৰত থকাবিলাকে দেখি বুজিলে। তাৰ বাহিৰে তেঁও ভুত, প্ৰেত, আৰু পিসাচবোৰ দেখি, তেওঁৰ মন ব্যাকুল হোআও দেখিলে ; কেতিয়াবা কেতিয়াবা তেঁও নিজেও তাক স্বিকাৰ কৰিলে।

এনে হলত, আসাৱানে আপোনাৰ ভাইৰ মূৰ তল নোজোআকৈ ৰাখিবলৈ বৰ শ্ৰম কৰিলে ; তথাপি কোনো কোনো বাৰ তেঁও একেবাৰে তল গই, আধা মৰা হই আকৌ ওপঙ্গি উঠে। সেই ৰূপে হোআ দেখি, আসাৱানে খ্ৰিষ্টিয়ানক সান্তনা কৰিবলৈ ধৰি কলে, বোলে, হে ভাই, মই দেখিবলৈ পাইচোঁ, সৌআ দেখা, আমাক আগবৰ্হাই নিবৰ নিমিত্তে দুআৰৰ ওচৰত লোক থিয় হই আচেহি। কিন্তু খ্ৰিষ্টিয়ানে তাতে এই উত্তৰ কৰিলে



তোমাৰ নিমিত্তেহে, কেৱল তোমাৰ নিমিত্তেহে সিবিলাকে বাট চাই আচে ; কিয়নো মই জেতিয়াৰে পৰা তোমাক দেখিলোঁ, তেতিয়াৰে পৰা তোমাক আসাজুক্ত হই থকা দেখিচোঁ। আসাৱানে কলে, তুমিও সেইৰূপে হোআ। তাতে খ্ৰিষ্টিয়ানে হুমুনিয়াহ পেলাই কলে, অস মোৰ ভাই, মোৰ মন স্বৰূপ হোআ হলে, ইশ্বৰে এতিয়া মোৰ উপকাৰ কৰিবলৈ উঠিলহেঁতেন ; কিন্তু মোৰ পাপৰ কাৰণেহে তেঁও মোক এই দুৰ্দসাত পেলাই পৰিত্যাগ কৰিচে। তেতিয়া আসাৱানে কথা বৰ্হাই কলে, দেখা, মোৰ ভাই, দুষ্টবিলাকৰ বিসয়ে সাস্ত্ৰত কৈচে, "সিহঁতে ম্ৰিত্যুত কোনো জন্ত্ৰনা নেপাই, বৰং সিহঁতৰ সৰিৰ হ্ৰিষ্টপুষ্ট হই ; আন আন লোকৰ দৰে সিহঁত ব্যাকুল নহই, আৰু আনৰ নিচিনাকৈ সিহঁতৰ বিঘিনিও নহই," এই বচন তুমি একেবাৰে পাহৰিলা হবলা। এই পানিৰ মাজত তোমাৰ ইমান ক্লেস ঘটিচে দেখি, ভাবিব নালাগে জে, তোমাক ইশ্বৰে পৰিত্যাগ কৰিলে ; ইয়াৰ আগেএ তেঁওৰ পৰা তুমি জি জি অনুগ্ৰহ পাইচিলা, তালৈ সুঁৱৰি, এই দুখ ক্লেসৰ মাজত তেঁওত আপোনাকে সমৰ্পন কৰা নে নকৰা, ইয়াৰে পৰিখ্যা কৰিবৰ নিমিত্তেহে তোমালৈ এই সকলো দুখ পঠাইচে।

তেতিয়া মই সামাজিকত দেখিলোঁ, খ্ৰিষ্টিয়ানে আসাৱানৰ মুখৰ পৰা সেই কথা সুনি, কিচুমান পৰ ভাবিবলৈ ধৰিলে। আসাৱানে পুনৰাই কলে, ভাই, সুস্থিৰ হোআ, জিসু খ্ৰিষ্টে তোমাক ভাল কৰিচে। এই কথা সুনি খ্ৰিষ্টিয়ানে বৰ মাতেৰে কলে, অ, মই তেঁওক আকৌ দেখা পাইচোঁ, আৰু তেঁও মোক এনেকৈ কোআও সুনিচোঁ, "তুমি জেতিয়া পানিৰ মাজেদি জোআ, তেতিয়া মই তোমাৰ সঙ্গি হম, আৰু নদিৰ মাজেদি জাওঁতে সেই নদিবোৰে তোমাক তল নিনিয়াৱ ;" তেতিয়া সিবিলাক দুই জনে সাহ পালে। পাচে খ্ৰিষ্টিয়ানে অলপতে থাউনি পালে ; আৰু তাৰ পৰা পানি ক্ৰমেৰে উৰাং হই গল। সিবিলাকে নদি পাৰ হই নগলমানে, সত্ৰুএ সিলৰ দৰে নিজম দি আচিল।

পাচে সিবিলাকে পাৰ হই গলত, আগেএ লগ পোআ তেজস্বি লোক দুজনক সিবিলাকলৈ বাট চাই থকা আকৌ দেখিলে। জাত্ৰিক কেইজন বামত উঠিলত, সেই দুই জন লোকে সিবিলাকক অভ্যৰ্থনা কৰি কলে, জিবিলাক পৰিত্ৰানৰ অধিকাৰি হব, সিবিলাকক সুস্ৰূসা কৰিবৰ নিমিত্তে পঠোআ সেৱাকাৰি আত্মা আমি এই। তাতে খ্ৰিষ্টিয়ান আৰু আসাৱান সিবিলাকৰ লগতে দুআৰৰ ফাললৈ গল।

এই ঠাইতে পাঠকবিলাকৰ সন্দেহ দূৰ হবৰ নিমিত্তে লিখা আৱস্যক জে, সেই নগৰ অতি ওখ পৰ্বতৰ ওপৰত স্থাপিত হোআতো খ্ৰিষ্টিয়ান আৰু আসাৱানে তাৰ ওপৰলৈ অতি সহজে উঠি জাব পাৰিছিল ; কিয়নো সেই দুজন তেজস্বি লোকে সহাই হই সিবিলাকক হাতত ধৰি লই গল। তাত বাজে সিবিলাকে নদিৰ মাজত আপোন আপোন মৰ্ত্যবস্ত্ৰ এৰি গল ; নামোতে তাক পিন্ধিচিল হই, কিন্তু উঠোঁতে তাক এৰি গল ; এই কাৰনে জি ভিত্তিমূলৰ ওপৰত নগৰ স্থাপন কৰা হৈছিল, সেই ভিত্তিমূল মেঘতকৈ ওখ হলেও, সিবিলাক এনে লঘু আছিল জে, সিবিলাক আকাসমণ্ডলৰ মাজেদি অতি সিঘ্ৰে ওপৰলৈ উঠি গল আৰু নিৰ্বিঘ্নে নদি পাৰ হোআত, আৰু এনে তেজস্বি লোকৰ সঙ্গি পোআত সিবিলাকে জাওঁতে জাওঁতে মধুৰ আলাপেৰে কথোপকথন কৰি আনন্দ আৰু হৰ্স চিত্তেৰে চলি গল।

সেই তেজস্বি লোকে সৈতে সিবিলাকে জি কথোপকথন কৰিছিল, সেইএ কেৱল স্বৰ্গিয় ৰাজধানিৰ বিসয়েহে কোআকুই কৰি গৈছিল। তেজস্বি লোকে সিবিলাকক কৈছিল জে, দেখা, নগৰৰ ঐশ্বৰ্জ্য আৰু তাৰ প্ৰভাৱৰ কথা বাক্যেৰে কবলৈ কাৰো সাধ্য নাই ; কিয়নো তাত চিওন পৰ্বত স্বৰ্গিয় জিৰুচালেম, অদ্ভুত অদ্ভুত দূতৰ সমাজ, আৰু সিদ্ধিপ্ৰাপ্ত ধাৰ্মিক লোকৰ আত্মাবিলাক আছে। তোমোলাক এতিয়া ইস্বৰৰ সুখালইত সোমাবলৈ আহিছাহঁক ; আৰু তোমোলাকে সেই ঠাই পালেগৈ, তাত থকা জিৱনৱিখ্য দেখিবা, আৰু তাৰ অবিনাসি গুটিও খাবলৈ পাবা ; তাত বাজে, তোমোলাকক শুক্ল-বস্ত্ৰ দিয়া হব ; আৰু অনন্ত কাললৈকে প্ৰতিদিনে মহাৰজাৰ লগত তোমোলাকে অহা জোআ কৰি, তেঁও এ সৈতে নানা কথা-বাত্ৰাৰে আলাপ কৰিবা। প্ৰিথিৱিত থাকোঁতে তোমোলাকে জি জি জাতনা পাইছিলা, অৰ্থাত দুখ, বেদনা, ক্লেস, ৰোগ-ব্যাধি, মৰন, সোক, এইবোৰ তাত আৰু দেখাকেই নেপাবা, "কিয়নো আগৰ কথা সকলো গুচিল।" ইস্বৰে জিবিলাকক আগলৈ হব লগা দুখৰ পৰা উদ্ধাৰ কৰি নিলে, আৰু জিবিলাকে এতিয়া আপোন আপোন পুন্যত অহাজোআ কৰি নিজ নিজ সজ্যাত বিস্ৰাম কৰি আছে, এনে জি আব্ৰাহাম, ইচহাক, জাকোব, আৰু ভাবৱাদিবিলাক, সিবিলাকৰ লগলৈকে তোমোলাক গৈচা। পাচে জাত্ৰিকবিলাকে সুধিলে, এই পবিত্ৰ ঠাইত নো আমি কি কৰিব লাগিব ? তাতে তেজস্বি লোকে উত্তৰ দি কলে, তোমোলাকে আপোনাবিলাকৰ সকলো পৰিস্ৰমৰ নিমিত্তে বিস্ৰাম, আৰু দুখৰ সলনি সান্তনাহে তাত পাবা ; আৰু প্ৰিথিৱিতে থাকোঁতে জি জি



সিঁচিলা, তাকো দাবলৈ পাবা, অৰ্থাত মহাৰজাৰ কাৰনে বাটত আহোঁতে জি জি দুখ ক্লেস ভোগ কৰিলা, আৰু চকুৰলোৰে জি প্ৰাৰ্থনা কৰিলা, সেই সকলোৰে ফল ভোগ কৰিবা। সেই ঠাইত তোমোলাকে সোনৰ কিৰিটি পিন্ধিবলৈ পাবা, আৰু সৰ্বদাই পবিত্ৰ জনাৰ মুখ দেখি থাকিবা ; "কিয়নো তেঁও জি ৰূপে হই আছে, তেঁওক সেইৰূপেই দেখিবলৈ পাবা।" জগতত থাকোঁতে, তোমোলাকে জি জনাক সেৱা কৰিবলৈ ইচা কৰিও, তোমোলাকৰ সৰিৰৰ দুৰ্বলতাৰ কাৰনে তাক কৰিবলৈ অতি দুসাধ্য পালা, সেই জনাক তাত আনন্দেৰে প্ৰসংসা, স্তুতি, আৰু জইধনি কৰি সদাসৰ্বদাই তেঁওৰ সেৱা সুস্ৰূসা কৰিবলৈ পাবা। তাত সৰ্বসক্তিমান জনাক দেখি, আৰু তেঁওৰ মধুৰ বাক্য সুনি তোমোলাকৰ চকু-কান আনন্দেৰে পুলকিত হব। তাত বাজে, তোমোলাকৰ জি মিত্ৰিৰ কুটুম্ববিলাক তোমোলাকৰ আগেএ তালৈ গল, সিবিলাকে সৈতেও পুনৰাই প্ৰেমালাপ কৰিবলৈ পাবা ; আৰু তোমোলাকৰ পাচতো জিবিলাক এই পবিত্ৰ ঠাইলৈ আহিব, সিবিলাককো আনন্দেৰে গ্ৰহন কৰিবলৈ পাবা। তাৰ বাহিৰে তোমোলাকে প্ৰভাৱ আৰু ঐশ্বৰ্জ্যেৰে বিভুসিত হই মহাৰজাৰ লগত অহা জোআ কৰি ফুৰিবলৈ, উঠিবৰ নিমিত্তে উপজুক্ত ৰথ পাবা ; আৰু তেঁও জেতিয়া মেঘত উঠি তুৰিবাদ্যেৰে বায়ুৰ বেগৰ দৰে নামি জাব, তেতিয়া তোমোলাকো তেঁওৰ লগত জাবলৈ পাবা ; আৰু জেতিয়া তেঁও সোধৰ আসনত বহিব, তেতিয়া তোমোলাকো তেঁওৰ ওচৰতে বহিবলৈ পাবা। তাত বাজে, স্বৰ্গদূত হওক, বা মানুহেই হওক, সকলো দুষ্কৰ্ম কৰাবিলাকক তেঁও দণ্ডাগ্যা দিয়াৰ সমইত, তেঁওএ সৈতে তোমোলাকেও দণ্ডাগ্যা দিবলৈ পাবা ; কিয়নো সিহঁত তেঁওৰ আৰু তোমোলাকৰ উভইৰে সত্ৰু। অৱসেসত তেঁও জেতিয়া স্বৰ্গ ৰাজধানিলৈ উভতি আহিব, তেতিয়া তোমোলাকে তুৰিবাদ্যেৰে তেঁওৰ সৈতে আহিবা, আৰু তেঁওৰ লগত সদাসৰ্বদাই থাকিবলৈ পাবা।

এইৰূপে সিবিলাকে গই গই দুআৰৰ ওচৰ পালত, দেখা, স্বৰ্গিয় সৈন্য এদলে সিবিলাকক আগ বঢ়াবৰ নিমিত্তে বাহিৰলৈ ওলাই আহিল ; তাতে ই দুইজন তেজস্বি লোকে সিবিলাকক কলে, ইবিলাকে প্ৰিথিৱিত থাকোঁতে, আমাৰ প্ৰভুক প্ৰেম কৰি, তেঁওৰ পবিত্ৰ নামৰ নিমিত্তে সৰ্বস্ব পৰিত্যাগ কৰিলে ; ইবিলাকক আগ বঢ়াই আনিবৰ নিমিত্তে, প্ৰভুএ আমাক পঠাইছিল ; এতেকে আমি গই ইয়ালৈ আনিলোঁ ; এতিয়া ইবিলাকে সোমাই আপোন ত্ৰানকৰ্তা প্ৰভুৰ মুখ দৰ্সন কৰি পৰিতৃপ্ত হবলৈ বাঞ্চা

কৰিচে। এই কথা সুনি, স্বৰ্গিয় সৈন্যবিলাকে বৰ মাতেৰে কলে, "মেৰ পোআলিৰ বিবাহৰ ভোজলৈ জিবিলাকক নিমন্ত্ৰন কৰা হৈচে সিবিলাক ধন্য।" এনেতে বগা বস্ত্ৰ পিন্ধা জনচাৰেক মহাৰজাৰ তুৰি-বাদক লোকো সিবিলাকক আগ বৰ্হাবৰ কাৰনে নগৰৰ পৰা ওলাই আহিল; আৰু আহোঁতে, মহাধনি আৰু সুললিত স্বৰেৰে সিবিলাকে তুৰি বজালত, গোটেই স্বৰ্গমণ্ডল তাৰ প্ৰতিধনিৰে পৰিপুৰ্ন হল। সেই তুৰি বাদকবিলাকে তুৰি বাদ্য আৰু জইধনিৰে সৈতে খ্ৰিষ্টিয়ান আৰু তেঁওৰ সঙ্গি আসাৱানক কলে, হে জগতৰ পৰা অহা লোক, আমাৰ লগত জাবলৈ তোমোলাক জোগ্য; দহ হাজাৰ গুনে তোমোলাকৰ জই হওক।

পাচে আকাস মণ্ডলৰ মাজেদি জাওঁতে, স্বৰ্গিয় সৈন্য-বিলাকৰ কেতবিলাক জাত্ৰিক লোকৰ আগত, কেতবিলাক পাচত, কেতবিলাক সোঁহাতে, কেত-বিলাক বাঁওহাতে, এনেকৈ হই, সিবিলাকক আগবৰ্হাই লই গল; আৰু জাওঁতে বৰ সবদেৰে আৰু মধুৰ স্বৰেৰে তুৰি বজাই গান কৰি কৰি গল। এই দৰ্সন দেখি মনত এনেকুৱা লাগিল জে, জাত্ৰিক লোকক আগ বৰ্হাবৰ নিমিত্তে জেন সমুদাই স্বৰ্গনিবাসিহে নামি আহিচিল। এইৰুপে গই থাকোঁতে, তুৰি-বাদকবিলাকে খ্ৰিষ্টিয়ান আৰু তেঁওৰ সঙ্গি আসাৱানৰ সাথ্যাতে কেনে আনন্দিত আৰু কেনে ৰহস্য মনেৰে সিবিলাকৰ লগ পাবলৈ ওলাই আহিচিল, তাকে প্ৰফুল্ল বদনেৰে উলাসিত হই ঘনে ঘনে তুৰি বাদ্যৰ দ্বাৰাই সিবিলাকক জনালে। এই হেতুকে দুতবিলাকৰ দৰ্সন পোৱাত আৰু তুৰিৰ সুললিত বাদ্য সুনাত, সেই জাত্ৰিক লোক আনন্দতে এনেহে মগন হল জে, সিবিলাকে স্বৰ্গ নৌ পাওঁতেই স্বৰ্গত থকা জেন বুজিলে। এনেতে সিবিলাকে নিচেই সম্মুখতে নগৰ দেখা পালে; আৰু সিবিলাকক অতি আদৰেৰে গ্ৰহন কৰিবৰ নিমিত্তে, তাৰ সকলো ঘনটাবোৰো বজোআ জেন সুনিলে। বিসেসকৈ সিবিলাকে নিজেও সেই ঠাইত এনে লোকবিলাকৰ লগত সৰ্বতিকাল নিবাস কৰিবলৈ পাব, এই চিন্তা উদই হলত, সিবিলাকৰ মনত জি আননদ হৈচিল, তাক কলমেৰে বা বাক্যৰে বুজাবৰ অসাধ্য এইৰুপে সিবিলাকে নগৰৰ দুআৰ পালেগৈ; তাতে সিবিলাকে ওপৰলৈ চকু তুলি চাই সুবৰ্নমই আখৰেৰে লিখি থোৱা তাত এনে কথা দেখা পালে—

**"জিবিলাকে তেঁওৰ আগ্যা পালন কৰে, সিবিলাক ধন্য; সিবিলাক জিৱনব্ৰিখ্যৰ অধিকাৰি হব, আৰু দুআৰেদি নগৰত সোমাব।"**

পাচে মই সমাজিকত দেখিলো, সেই তেজস্বি লোক দুজনে জাত্ৰিক-



বিলাকক দুআৰৰ পৰা মাতিবলৈ দিলে; আৰু সিবিলাকে তাকে কৰিলত, দেখা হনোক, মোচি, এলিয়া আদি কৰি জনচাৰেক লোকে দুআৰৰ ওপৰৰ পৰা চাই সুধিলে, ইবিলাক কোন? তাতে তেজস্বি লোকে কলে, এই জাত্ৰিকবিলাকে এই ঠাইৰ মহাৰজাক প্ৰেম কৰা হেতুকে বিলাস-নগৰৰ পৰা আহিচে। তেতিয়া জাত্ৰিকবিলাকে বাটৰ মুখত জি পুথিৰ পৰা পাইচিল, তাক প্ৰতি জনে উলিয়াই সিবিলাৰৰ হাতত দিলে; তাতে সিবিলাকে তাক ভিতৰলৈ নি মহাৰজাৰ হাতত দিলে; পাচে ৰজাই তাক পৰ্হি সুধিলে, সেই মানুহবিলাক কত আচে? তাতে পত্ৰ নিয়াবিলাকে কলে দুআৰৰ বাহিৰে থিয় হই আচে। তেতিয়া মহাৰজাই আগ্যা কৰিলে বোলে, "বিস্বস্ততা পালন কৰোঁতা ধাৰ্মিক লোকক সোমাবলৈ দুআৰ মেলি দিয়া"।

তেতিয়া মই সমাজিকত দেখিলোঁ, সেই জাত্ৰিক লোকে জাওঁতে সিবিলাক ৰুপান্তৰ হল, আৰু সোনৰ নিচিনা দিপ্তিমান বস্ত্ৰ সিবিলাকক পিন্ধোআ হল। তাত বাজে, বিনা আৰু কিৰিটি দিয়া লোক আহি, মৰ্জ্যাদাৰ নিমিত্তে সিবিলাকক মুৰত কিৰিটি, আৰু সদাসৰ্বদাই স্তুতি প্ৰসংসা কৰিবৰ নিমিত্তে হাতত বিনাও দিলে। তেতিয়া মই সমাজিকত দেখিলোঁ, আনন্দৰ কাৰনে ৰাজধানিৰ সকলোতে ঘনটাধনি হল, আৰু জাত্ৰিকবিলাকক এইকথা কোআ হল,—

**"তোমোলাকে আপোন প্ৰভুৰ আনন্দৰ ভাগি হোআ।"**

তেতিয়া জাত্ৰিকবিলাকেও বৰ মাতেৰে এইৰুপে গোৱা মই সুনিলোঁ,

**"সিংহাসনৰ ওপৰত বহি থকা জনাৰ আৰু মেৰ পোআলিৰ ধন্যবাদ, মৰ্জ্যাদা, মহিমা, আৰু পৰাক্ৰম সদাসৰ্বদাই হওক।"**

এই প্ৰকাৰে জাত্ৰিকবিলাক সোমাবৰ নিমিত্তে নগৰৰ দুআৰ মেলোঁতে, তাৰ ভিতৰলৈ চাই মই ইয়াকে দেখিলোঁ জে, নগৰখন সুৰ্জ্যৰ দৰে কান্তিমন্ত আচিল; তাৰ আলিবোৰো সুদ্ধ সোনেৰে নিৰ্মান কৰা হৈচিল; আৰু মুৰত কিৰিটি পিন্ধা, আৰু স্তুতিপ্ৰসংসা কৰিবৰ নিমিত্তে হাতত সোনৰ বিনা আৰু তাল পাত লোআ অনেক লোকক তাৰ ভিতৰত অহা জোআ কৰা দেখিলোঁ।

এই সকলো বিসয় ভাবি থাকোঁতে, মই অকস্মাত পাচলৈ ঘুৰি চাই অগিয়ানক নদিৰ তিৰ পোআহি দেখিলোঁ; তাতে সি খ্ৰিষ্টিয়ান আৰু আসাৱানৰ আদখিনি দুখো নোপোআকৈ বেগাই নদি পাৰ হই আহিল; কিয়নো তেতিয়া বিফলআসা নামেৰে তাত এটা ঘাটৈ ওলাই আপোনাৰ

নাওএৰে তাক পাৰ কৰি দিলে ; পাচে সি নগৰৰ দুআৰলৈ জাবৰ নিমিত্তে, জাত্রিকবিলাকৰ দৰে পর্বতেদি উঠি জোআ দেখিলোঁ ; কিন্তু সি অকলসৰেহে গৈচিল, তাৰ সহাই হবৰ নিম্মিতে কোনো মানুহ নোলাল। জেতিয়া সি দুআৰৰ ওচৰ পালেগৈ, তেতিয়া চকু তুলি চাই দুআৰৰ ওপৰত লিখা কথা দেখিলে ; তাতে সি দুআৰত টুকৰিয়াবলৈ ধৰি মনতে ভাবিলে জে, মোক গ্রহন কৰিবৰ নিমিত্তে বেগাই দুআৰ মেলিব ; কিন্তু দুআৰৰ ওচৰৰ পৰা চোআ লোকে তাক সুধিলে; তুমি কৰ পৰা আহিচা ? তোমাক কি লাগে ? তাতে সি উত্তৰ দি কলে, মহাৰজাৰ লগত মই ভোজন পান কৰিচিলোঁ, আৰু আমাৰ আলিবাটতে তেওঁ উপদেস দিচিল। তেতিয়া সিবিলাকে তাক কলে, তোমাৰ প্রমান পত্র দিয়া, আমি তাক ভিতৰলৈ নি মহাৰজাক দেখুআওঁগৈ ; তাতে সি আপোনাৰ বুকুত বিচাৰি এখনো নাপালে। পাচে সিবিলাকে তাক আকৌ সুধিলে, তোমাৰ লগত এখনো নাই নে ? কিন্তু সি একো উত্তৰ নিদি বোবা হই থাকিল। তাতে সিবিলাকে ৰজাৰ আগত তাৰ কথা জনালেগৈ, কিন্তু ৰজাই তাক চাবলৈ নাহিল। পাচে খ্রিষ্টিয়ান আৰু আসাৱানক নগৰলৈ আগবঢ়াই নিয়া সেই দুই জন তেজস্বি লোকক ৰজাই আগ্যা দি কলে তোমোলাকে বাহিৰলৈ গই সেই অগিয়ানক ধৰি, হাতে-ভৰিএ বান্ধি আঁতৰাই নিয়া। তাতে সিবিলাকে গই অগিয়ানক ধৰি আকাস মণ্ডলৰ মাজেদি লই গই; পর্বতৰ দাঁতিত জি দুআৰ মই দেখিচিলোঁ, তাতে তাক সুমুআই থলেগৈ। তেতিয়া মই জানিলোঁ জে, জেনেকৈ বিনাস নগৰৰ পৰা নৰকলৈ বাট আচে, তেনেকৈ স্বর্গৰ পৰাও তালৈ বাট আচে। এনেতে মোৰ নিদ্রা ভঙ্গ হোআত, এই সকলোকে সমাজিক বুলি বুজিলোঁ।



# উপসংহাৰ

তোমাক সমাজিকৰ কথা
কলোঁ ইয়াত, হে পাঠক ;
চোৱাঁ, তাৰ অর্থ ভাঙ্গি কব
পাৰা নে মোক, বা লোকক।
কিন্তু সাৱধানে চাবা,
নকৰা জেন অর্থান্তৰ ;
সেইৰূপে ভুল কৰিলে,
তোমাৰ হানি হব বৰ।
উপমাৰে লিখা মোৰ এই
সমাজিকৰ বিবৰন ;
নেহাঁহিবা কৌতুক বুলি,
নকৰিবা বিৰুদ্ধ মন।
সেইএমূর্খ লৰাৰ কৰম,
তাক সিহঁতলৈ এৰা ;
তুমি হলে গিয়ানভাৱে
সমাজিকৰ মূল ধৰা।
দ্রিষ্টান্তৰূপ কাপৰ দাঙ্গি
দেখা চাই তাৰ কথা সাৰ।
বিবেচনা কৰি চোৱাত
নকৰিবা তাত বেজাৰ।
উত্তমৰূপে বিচাৰিলে
পাবা নিচই কথা ভাল,
সবল চিতৰ উপকাৰ হই
জি কথাই অনন্ত কাল।
সুবর্নমই মোৰ এই পুথিত
জদি কিবা ভাঁজ পোৱা,
তেন্তে সেইবোৰ সাহে পেলাই,
জতনকৈ সোনক লোৱা।